


গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

# দৈনন্দিন বাৰ্তা

জাতি, মাটি আৰু দেশৰ সেৱাত

একাদশ বছৰ ■ সংখ্যা ২৯৮ ■ গুৱাহাটী ■ সোমবাৰ, ৭ জুন, ২০২১, ২৩ জেঠ, ১৯৪৩ শক ■ RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ৭.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. 11 ISSUE NO. 298 Dainandin Barta ■ Guwahati, Monday ■ 7 June 2021 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 7.00 Only






## ৰহাৰ সাহসী বোৱাৰী নিহাৰিকা হৈ পৰিছে চৰ্চাৰ বিষয়

জিএমচি ক'ভিড হাস্পতালত বোৱাৰী নীহাৰিকা আৰু শহুৰ থুলেশ্বৰ দাসৰ চিকিৎসা

### ক্ৰমাৎ সুস্থ হৈ উঠিছে শহুৰ-বোৱাৰী

## আইচিইউত থকা নিথৰ শহুৰ থুলেশ্বৰ দাসৰ মুখত বিৰিঙিছে হাঁহি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ৫ জুন ঃ** ক'ভিড পজিটিভ ৰোগীৰ পৰা বহুতেই আঁতৰি থকাৰ সময়ত ৰহাত এগৰাকী বোৱাৰীয়ে শহুৰেকক ক'ভিড পজিটিভ হোৱাৰ পিছতো নিজেই বোকোচাত তুলি ঘৰৰ পৰা ৰহা চিকিৎসালয় আৰু ৰহাৰ পৰা নগাঁও চিভিলৰ তিনি মহলাত থকা ক'ভিড চেণ্টাৰলৈ বোকোচাত তুলি নি ভৰ্তি কৰি পিতৃ স্নেহৰ নিদৰ্শন দাঙি ধৰা নগাঁও জিলাৰ ৰহা পৌৰসভাৰ তিনি নং ৱাৰ্ডৰ ভাটিগাঁৱৰ নীহাৰিকা দাস আৰু শহুৰেক থুলেশ্বৰ দাস সম্প্ৰতি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ নতুন বিল্ডিঙৰ ছুপাৰ স্পেচিয়েলিটী চিকিৎসালয়ৰ ক'ভিড চেণ্টাৰৰ প্ৰথম মহলাত চিকিৎসাধীন হৈ আছে। নীহাৰিকাই জনোৱা মতে ক'ভিড চেণ্টাৰৰ আইচিইউৰ ১২৯নং বিছনাত বোৱাৰী নীহাৰিকা দাস আৰু তাৰ কাষতেই থকা এটা কোঠাত শহুৰেক থুলেশ্বৰ দাস চিকিৎসাধীন হৈ আছে। নগাঁৱত ভৰ্তি কৰাৰ পিছতে শহুৰেকৰ অৱস্থাৰ অধিক অৱনতি ঘটাত তেওঁক চিকিৎসকে জিএমচিএইচলৈ নিয়াৰ পৰামৰ্শ দিয়ে। কিন্তু বোৱাৰীয়েক নীহাৰিকাই শহুৰেকক চোৱা-চিতা কৰাৰ বাবে বৰ্তমান কোনো নথকাত নিজেও শহুৰেকৰ সৈতে ■ ৮ পৃষ্ঠাত





## লংকাৰ কাকীৰ টিলাবজাৰৰ ৰাবাৰ বাগানত প্ৰশাসনৰ উচ্ছেদ

**দৈনন্দিন বাৰ্তৰ সেৱা, লংকা, ৬ জুন ঃ** হোজাই জিলাৰ লংকাৰ কাকীৰ টিলাবজাৰৰ ৰাবাৰ বাগানত আজি এক উচ্ছেদ অভিযান চলে। লংকা ৰাজহ চক্ৰৰ অন্তৰ্গত কাকী বনাঞ্চলৰ টিলাবজাৰ কাষতে থকা ৰাবাৰ বাগানত অবৈধভাৱে ভূমি বেদখল কৰা ১৫টা বৃহৎ ■ ৮ পৃষ্ঠাত

স্বাস্থ্য বিভাগ ঃ নতুন দায়িত্ব-নতুন মন্ত্ৰী ঃ জখলাবন্ধাৰ নৱ-নিৰ্মিত চিকিৎসালয় পৰিদৰ্শন

# বিতুষ্ট অগ্নিশৰ্মা স্বাস্থ্যমন্ত্ৰী

### ঠিকাদাৰক দিয়া নিৰ্দেশ পালন নোহোৱাত ধমক দিলে মন্ত্ৰীয়ে

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ৬ জুন ঃ** ৰাজ্যৰ নৱ-গঠিত চৰকাৰৰ স্বাস্থ্যৰ দৰে এক গুৰুত্বপূৰ্ণ বিভাগৰ দায়িত্ব লৈ কলিয়াবৰৰ বিধায়ক কেশৱ মহন্ত এক প্ৰকাৰ বিপাঙত পৰা পৰিলক্ষিত হৈছে। যোৱা সময়ছোৱাত দীঘলীয়া কাৰ্যকালত স্বাস্থ্যমন্ত্ৰীৰ দায়িত্ব লৈ তদানীন্তন স্বাস্থ্যমন্ত্ৰীয়ে ৰাজ্যৰ স্বাস্থ্য বিভাগৰ উন্নয়নৰ চমক সৃষ্টি কৰিছিল যদিও সদ্য প্ৰকাশিত কেন্দ্ৰীয় চৰকাৰৰ এক সংস্থাৰ প্ৰতিবেদনত তাৰ এক ওলোটা চিত্ৰহে দেখা পোৱা গৈছে। কাৰ্যতঃ নৱ-নিযুক্ত স্বাস্থ্যমন্ত্ৰীগৰাকীৰ সমস্যাৰ ওৰ ■ ৮ পৃষ্ঠাত



## গোলাঘাটত এখন পুৰণি নাওৰ সন্ধেদ

অব্যাহত আছে উদ্ধাৰ অভিযান

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, গোলাঘাট, ৬ জুন ঃ** গোলাঘাটত সন্ধেদ পোৱা গৈছে ঐতিহাসিক যুগৰ এক প্ৰত্নতাত্ত্বিক সম্পদ। নদীত পোত গৈ থকা অৱস্থাত পোৱা গৈছে ৩০০ৰ পৰা ৪০০ বছৰ পুৰণি এখন নাও। গোলাঘাটৰ ৰঙাজান গ্ৰাণ্টস্থিত শালমৰাটোপ গাঁৱত উদ্ধাৰ হয় নাওখন। ধনশিৰি নদীৰ বুকুত পোত গৈ থকা অৱস্থাত ■ ৮ পৃষ্ঠাত



## উত্তৰ প্ৰদেশত মন্ত্ৰীসভা সলনিৰ উৰা বাতৰি

যোগী চৰকাৰ জনসাধাৰণৰ মাজত অতি জনপ্ৰিয়

ৰাজ্যপাল আনন্দিবেন পেটেলক সাক্ষাৎ উত্তৰ প্ৰদেশৰ দায়িত্বত থকা ৰাধামোহন সিঙৰ ঃ যোগী নেতৃত্বাধীন মন্ত্ৰীসভাৰ সলনিৰ কোনো প্ৰয়োজন নাই ঃ ২০২২ত ৰাজ্যত নিৰ্বাচন, মন্ত্ৰীসভা সলনিৰ বিপৰীতে দলৰ ভেটি মজবুত কৰাতহে গুৰুত্ব দলৰ

**লক্ষ্ণৌ, ৬ জুন ঃ** বিজেপিৰ শীৰ্ষ নেতৃত্বই চমক সৃষ্টি কৰি উত্তৰ প্ৰদেশত গেৰুৱা বসনধাৰী সাংসদ যোগী আদিত্যনাথক উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰীৰ দায়িত্ব দিছিল। সেই সময়ত যোগী আদিত্য নাথ সাংসদ আছিল। এইগৰাকী নেতাৰ নেতৃত্বাধীন চৰকাৰ সলনি হ'ব বুলি উৰা বাতৰি ■ ৮ পৃষ্ঠাত

ডিমৌ ৰাজমাইত নিৰ্মাণ কৰি থকা ৩ কোটি ৯০ লাখটকীয়া পৰ্যটন গৃহ পৰিদৰ্শন

## শীঘ্ৰেই পানীদিহিং পক্ষী অভয়াৰণ্য পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হিচাপে গঢ়ি তোলা হ'ব ঃ মন্ত্ৰী বিমল বৰা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ৬ জুন ঃ** শিৱসাগৰ জিলাৰ ডিমৌত কেন্দ্ৰীয় পৰ্যটন বিভাগৰ স্বদেশ দৰ্শন আঁচনিৰ অধীনত নিৰ্মীয়মান অৱস্থাত থকা ডিমৌৰ ৰাজমাইত ■ ৮ পৃষ্ঠাত

## মৌচুমী আহিল, আহিল জলধাৰ, বুৰিল-উটিল...

### দ্বাৰকুছি-ৰাঙাপানী-কাউৰবাহা সংযোগী বৰলীয়া নৈৰ ওপৰৰ বাঁহৰ সাঁকো উটুৱাই নিলে বাঢ়নী পানীয়ে ঃ বুঢ়ীদিহিং নদীৰ ভয়ানক খহনীয়াৰ কবলত লেঙেৰী মৌজাৰ ২নং ভৰালীবাৰী কলিতা গাঁও ঃ লখিমপুৰতো বান







**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ৬ জুন ঃ** তামুলপুৰ মহকুমাৰ দ্বাৰকুছিৰ সমীপৰ লাছিঘাটত বৰলীয়া নৈৰ ওপৰত থকা এখন বাঁহৰ সাঁকো আজি বৰলীয়া নৈৰ বাঢ়নী পানীয়ে উটুৱাই নিয়াৰ ফলত অঞ্চলটোৰ যোগাযোগ বিচ্ছিন্ন হৈ পৰে। ■ ৮ পৃষ্ঠাত

### খহনীয়া নিয়ন্ত্ৰণক অসম চৰকাৰে উচ্চ অগ্ৰাধিকাৰ দিব ঃ পীযূষ হাজৰিকা

## লকডাউনে বিধ্বস্ত কৰা 'সাপ্তাহিক কাকত'ক দৈনিক কাকতৰ সমানুপাতে বিজ্ঞাপন প্ৰদানৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৬ জুন ঃ** ২০২০ বৰ্ষৰ লকডাউনে ক্ষুদ্ৰ বাতৰি কাকত উদ্যোগক বিধ্বস্ত কৰাত সম্প্ৰতি ক্ষুদ্ৰ উদ্যোগটোক উদ্ধাৰ কৰাৰ স্বাৰ্থত সাপ্তাহিক কাকতসমূহক দৈনিক বাতৰি কাকতৰ সমানুপাতে বিজ্ঞাপন প্ৰদানৰ বাবে ৪ জুন শুকুৰবাৰে ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু জনসংযোগ মন্ত্ৰী পীযূষ হাজৰিকাক লিখিতভাৱে দাবী জনাইছে 'ইণ্ডিয়ান ফেডাৰেশ্বন অৱ স্মল এণ্ড মিডিয়াম নিউজ পেপাৰ্ছ চমুকৈ 'আই এফ এছ এম এনে'। ৰাজ্যিক সভাপতি তথা সাপ্তাহিক 'জাৰ্নেলিষ্ট বাৰ্তা'ৰ সম্পাদক আৰু সম্পাদকপ্ৰধান ■ ৮ পৃষ্ঠাত

শলগুৰিত চাঞ্চল্য

## পুখুৰীত উদ্ধাৰ ৪বছৰীয়া কন্যা শিশুৰ মৃতদেহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কালুগাঁও, ৬ জুন ঃ** শিৱসাগৰ জিলাৰ কালুগাঁৱৰ সমীপৱৰ্তী ২নং শলগুৰি গাঁৱৰ মধু নাথ আৰু জোনালী নাথৰ একমাত্ৰ চাৰিবছৰীয়া কন্যা সন্তান ত্ৰিদিশা নাথৰ মৃতদেহ ঘৰৰ পাছফালৰ পুখুৰীত আজি পুৱা উদ্ধাৰ হোৱাক লৈ সমগ্ৰ অঞ্চলত চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাৰ বিৱৰণী মতে দিনহাজিৰা ■ ৮ পৃষ্ঠাত

## ক'ভিড কেয়াৰ চেণ্টাৰৰ পৰা ২ অপৰাধীৰ পলায়ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৈঠালাংছ', ৬ জুন ঃ** পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আংলঙৰ বৈঠালাংছ' থানাৰ অন্তৰ্গত টুম্প্ৰেং কোভিড কেয়াৰ চেন্টাৰৰ পৰা দুই অপৰাধী পলায়ন। হামৰেণ আৰক্ষীয়ে যোৱা মে' মাহৰ ২৮ তাৰিখে উমৰাংছ' অঞ্চলৰ পৰা ধনদাবী গোচৰত ■ ৮ পৃষ্ঠাত



চিৰাঙৰ শ্ৰমিক পৰিয়ালৰ ২ সদস্যৰ কৰুণ মৃত্যু

## শুই থাঁকোতে গাড়ীয়ে মহটিয়াই নিলে ঘৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিজনি, ৬ জুন ঃ** অৰুণাচল আপাৰ আপাৰসিং জিলাৰ পথ নিৰ্মাণৰ কামত নিয়োজিত চিৰাঙৰ এটা শ্ৰমিক পৰিয়ালৰ কৰুণ মৃত্যু। জানিব পৰা অনুসৰি চিৰাং জিলাৰ পাণবাৰী থানাৰ অন্তৰ্গত ২নং আব্দাগুৰি গাঁৱৰ বাসিন্দা আমজাদুৰ ৰহমান অৰুণাচলৰ ■ ৮ পৃষ্ঠাত

## বৈঠালাংছ'ত নিখোঁজ জোৱানৰ মাৰণাস্ত্ৰ উদ্ধাৰ

২০ জাঁই সজীৱ গুলীৰ ১৯ জাঁইহে উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৈঠালাংছ', ৬ জুন ঃ** পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আংলঙৰ আমট্ৰেং হাতীডুবিস্থিত কাৰ্বি লাংপি জলবিদ্যুত প্ৰকল্প বান্ধৰ সুৰক্ষাৰ দায়িত্বত থকা ১৬ নং অসম আৰক্ষীৰ বেটেলিয়নৰ জোৱান ৰিতু বৰা আজি তিনিদিন ধৰি নিৰুদ্দেশ হৈ ■ ৮ পৃষ্ঠাত

# ৰাজ্যত কমিছে কৰ'না সংক্ৰমণৰ হাৰ

বিগত ২৪ ঘণ্টাত সংক্ৰমণ ২,২২৮ গৰাকী, আৰোগ্য ৪০৭৬, মৃত্যু ৩৭ ঃ দিনটোত ৩০৯ গৰাকীৰে সংক্ৰমণত শীৰ্ষত কামৰূপ মেট্ৰ' আৰু ৬ গৰাকীৰে মৃত্যুৰ শীৰ্ষত তিনিচুকীয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৬ জুন ঃ** কৰ'না মহামাৰীয়ে স্বাভাৱিক জীৱন-যাত্ৰা ব্যাহত কৰাৰ লগতে শিক্ষাৰ ক্ষেত্ৰতো বিৰূপ প্ৰভাৱ পেলাইছে। কৰ'নাৰ দ্বিতীয় ঢৌৱে দেশজুৰি জটিল পৰিস্থিতি সৃষ্টি কৰিছিল যদিও সম্প্ৰতি কৰ'না সংক্ৰমণৰ হাৰ হ্ৰাস পাইছে। আজি অসমত ২,২২৮ গৰাকী আক্ৰান্ত হোৱাৰ বিপৰীতে মৃত্যু হৈছে ৩৭ গৰাকীৰ। কৰ'না সংক্ৰমণৰ হাৰ ৩.০৩ শতাংশ হোৱাৰ বিপৰীতে চিকিৎসাধীন হৈ আছে ৪৯,৫১৮ গৰাকী। আজি দিনটোত কৰ'না পৰীক্ষা কৰোৱা হৈছিল ৭৩,৬৪৮ টা। কামৰূপ মেট্ৰ'ত ৩০৯ গৰাকী, কাছাৰত ২৮১, তিনিচুকীয়াত ১৯৬, ডিব্ৰুগড়ত ১৭০ গৰাকী, বাক্সাত ৪১, বৰপেটাত ১৫, বিশ্বনাথত ৫০, বঙাইগাঁৱত ১৭, চৰাইদেউত ৪০, চিৰাঙত ১৯, দৰঙত ৩৬, ধেমাজিত ১৯, ধুবুৰীত ৩৬, ডিমা হাচাওত ২২, গোৱালপাৰাত ৪৮, গোলাঘাটত ২৩, হাইলাকান্দিত ৬৮, হোজাইত ৪৬, যোৰহাটত ৫১, কামৰূপ ■ ৮ পৃষ্ঠাত



## পৰিৱেশ বিশ্ববিদ্যালয় স্থাপনৰ দাবী অৰণ্য সুৰক্ষা সমিতিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢেকীয়াজুলি, ৬ জুন ঃ** 'অৰণ্য সুৰক্ষা সমিতি' অসমে এখন পৰিৱেশ বিশ্ববিদ্যালয় স্থাপনৰ দাবীটো পুনৰ উত্থাপন কৰিছে। বিশ্ব পৰিৱেশ দিৱসৰ ■ ৮ পৃষ্ঠাত

### উদ্যোগ আৰু বাণিজ্য বিভাগৰ কাম-কাজৰ পৰ্যালোচনা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ

## উদ্যোগীৰ আস্থা আৰু মনোবল শক্তিশালী কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰক

### ৰাজ্যখনত সাঁচি, চন্দন আদিৰ দৰে মূল্যৱান গছৰ বাণিজ্যিক গছপুলি ৰোপণ অভিযান আকাৰে আৰম্ভ কৰাৰ লগতে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে প্লাইউডৰ বাবে উপযোগী উদ্ভিদৰ খেতি কৰাৰ পদক্ষেপ ল'বলৈ উদ্যোগ আৰু বাণিজ্য বিভাগক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ৬ জুন ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি জনতা ভৱনস্থিত নিজ কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এক বৈঠকত উদ্যোগ আৰু বাণিজ্য বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰে। ৰাজ্যখনৰ ঔদ্যোগিক দৃশ্যপটক অধিক উজ্জীৱিত কৰি তোলাৰ বাবে অনতিপলমে কেতবোৰ সক্ৰিয় পদক্ষেপ গ্ৰহণৰ বাবে তেওঁ বিভাগটোৰ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীক পৰামৰ্শ আগবঢ়ায়। বিভাগটোৰ দ্বাৰা ৰূপায়িত বিভিন্ন আঁচনিৰ পৰ্যালোচনা কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদনৰ ৩৯ শতাংশ অৰিহণা আগবঢ়োৱা উদ্যোগ খণ্ডক এক নতুন গতি প্ৰদান ■ ৮ পৃষ্ঠাত

অনলাইন শিক্ষা ব্যৱস্থাৰ সুফল লাভৰ পৰা বঞ্চিত বহু ছাত্ৰ-ছাত্ৰী— মুখ্যমন্ত্ৰীক ব্যৱস্থা গ্ৰহণৰ বাবে অনুৰোধ

## একবিংশ শতিকাৰ প্ৰযুক্তিয়ে ঢুকি নোপোৱা এখন গাঁও

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৬ জুন ঃ** বৰ্তমান চৌদিশে ডিজিটেল ইণ্ডিয়াৰ শ্ল'গান। ক'ভিডৰ সংহাৰৰ মাজতো সমগ্ৰ ভাৰতেতে অনলাইন শিক্ষাৰ জৰিয়তে শিক্ষা ব্যৱস্থাক গতিশীল কৰি ৰখাৰ চেষ্টাত ব্ৰতী হৈছে ■ ৮ পৃষ্ঠাত



*বোকাখাতত দেওবাৰে মহকুমা উন্নয়ন বিভাগৰ বৈঠকত কৃষিমন্ত্ৰী অতুল বৰা— বান পৰিস্থিতিৰ প্ৰস্তুতি সন্দৰ্ভত আলোচনা*

## হালোৱাটিঙত ড্ৰাগ্‌ছসহ দুই নগা আৰক্ষীক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমগুৰি, ৬ জুন ঃ** শিৱসাগৰ জিলাৰ অসম-নাগালেণ্ড সীমান্তৰ হালোৱাটিঙত আজি বৃহৎ পৰিমাণৰ নিচাযুক্ত কেপচুলসহ দুজনকৈ নগা আৰক্ষীক গ্ৰেপ্তাৰ কৰা হয়। আৰক্ষীয়ে লগতে ধৃত নগা আৰক্ষীদ্বয়ে চলাই যোৱা এ এছ-০৪ এল-৩৭১৮ নম্বৰৰ এখন বাজাজ পাল্‌ছাৰ বাইক আৰু নগদ ৩০,০০০ টকা জব্দ কৰে। নাগালেণ্ডৰ ষষ্ঠ এন এ পি বেটেলিয়নৰ দুই নগা বেটেলিয়নৰ নাম ক্ৰমে চুমবিমু লোঠা (৩৮), ■ ৮ পৃষ্ঠাত

## নগৰবেৰাৰ মালিবাৰীত বিপদসংকুল যাতায়াত

# প্ৰাৰ্থনাৰ যোগেদি দলং নিৰ্মাণৰ দাবী ৰাইজৰ



দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ৬ জুন ঃ দক্ষিণ কামৰূপৰ নগৰবেৰাৰ মালিবাৰী অঞ্চলৰ অঞ্চলটোৰ মালিবাৰী পথাৰৰ পৰা মালিবাৰী বজাৰ সংযোগী জলজলী (কলহী) নৈৰ ঘাটত নাই দলঙৰ সুবিধা। যাৰ ফলত যাতায়তৰ নামত যমৰ-যাতনাত ভুগি আহিছে ৰাইজে। নিতৌ টুলুঙা নাৱত বিপদসংকুল যাতায়াত কৰিবলগীয়া হৈছে। প্ৰতিটো নিৰ্বাচনৰ আগে আগে চৰকাৰ-জনপ্ৰতিনিধিয়ে কেৱল প্ৰতিশ্ৰুতি দিয়ে যদিও প্ৰতিশ্ৰুতি প্ৰতিশ্ৰুতিয়েই হৈ থাকে, নিৰ্বাচনৰ পিছত কাৰো কাণসাৰ নাই সেয়ে পাৰঘাটটোত আজি ৰাইজে একত্ৰিত হৈ মোনাজাত-প্ৰাৰ্থনা যোগেদি এখন দলং নিৰ্মাণৰ দাবী জনাইছে। মোনাজাত-প্ৰাৰ্থনা কৰাৰ সমান্তৰালকৈ নতুন চৰকাৰ আৰু নৱ নিৰ্বাচিত বিধায়িকা নন্দিতা দাসলৈ মালিবাৰী পথাৰৰ পৰা মালিবাৰী বজাৰ সংযোগী জলজলী (কলহী) নৈৰ ঘাটত এখন দলং নিৰ্মাণৰ দাবী উত্থাপন কৰিছে ৰাইজে। ৰাইজৰ এই আবেদন বিবেচনা কৰিবনে নৱ নিৰ্বাচিত বিধায়িকা নন্দিতা দাস কিম্বা চৰকাৰে সেয়া সময়েহে হ'ব লক্ষণীয়।

## কালীবাৰী ট্ৰাষ্টী ব'ৰ্ডৰ উদ্যোগত ধুবুৰীৰ মন্দিৰৰ পূজাৰীৰ মাজত প্ৰয়োজন খাদ্য সামগ্ৰী আৰু ছেনিটাইজাৰ বিতৰণ

দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ৬ জুন ঃ বৰ্তমানৰ ক'ভিড পৰিস্থিতিত বিগত প্ৰায় ১৫ দিনৰ ৰাজ্যৰ লগতে ধুবুৰীতো বন্ধ সকলো ধৰ্মীয় মঠ-মন্দিৰ। ফলস্বৰূপে উক্ত মঠ-মন্দিৰসমূহত কৰ্মৰত পুৰোহিতসকলৰ অৰ্থনৈতিক অৱস্থা তেনেই জুৰুলা হৈ পৰিছে। ধুবুৰী চহৰৰ বিভিন্ন মন্দিৰৰ লগত জড়িত পুৰোহিতসকলক সহায়ৰ বাবে আগবাঢ়ি ধুবুৰীৰ স্বনামধন্য ধৰ্মীয়, সামাজিক আৰু সামাজিক প্ৰতিষ্ঠান কালিবাৰীয়ে। ধুবুৰী কালিবাৰীৰ ট্ৰাষ্টী ব'ৰ্ডৰ উদ্যোগত আৰু বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানৰ সহযোগিতাত চহৰখনৰ ৩০জনকৈ পুৰোহিতক নিত্য-প্ৰয়োজনীয় খাদ্য-সামগ্ৰী আৰু ছেনিটাইজাৰ যোগান ধৰা হয়। ইপিনে কালীবাৰীৰ উদ্যোগক উৎসাহ প্ৰদান কৰাৰ বাবে উক্ত অনুষ্ঠানত উপস্থিত হয় নৱ-নিযুক্ত উপায়ুক্ত অম্বুনাথন এম পি য়ে কালিবাৰীৰ এনে মহৎ প্ৰচেষ্টাক সলাগ লয় আৰু নিজ হাতে ৩০জন পুৰোহিতৰ মাজত প্ৰয়োজন সামগ্ৰী বিতৰণ কৰে। উপস্থিত পুৰোহিতসকলে কল্যাণমন্ত্ৰ পাঠ কৰি ক'ভিড মহামৰী পৰা বিশ্ববাসীক ৰক্ষা কৰাৰ বাবে একেলগে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা অৰ্ঘ্য প্ৰদান কৰে। আনহতে, জিলাখনৰ ক'ভিড পৰিস্থিতি কিছু উন্নত হোৱা বুলি তেওঁ জিলাবাসীক চৰকাৰে বান্ধি দিয়া নিয়ম-নীতি পালন কৰি যাবলৈ আহ্বান জনায়।

## কাকপথাৰৰ পিএনজিবিত অনলাইন ফটোগ্ৰাফী প্ৰতিযোগিতা-আলোচনা-চক্ৰ

দৈনন্দিন বাৰ্তাৰ সেৱা, কাকপথাৰ, ৬ জুন ঃ কাকপথাৰ ডিৰাক কপাহতলীস্থিত পদ্মনাথ গোহাঞি বৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ উদ্যোগত তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাৰ কলেজ সমূহৰ মাজত বিশ্ব পৰিবেশ দিৱস উপলক্ষে এখনি প্ৰকৃতি আৰু পৰিৱেশ শীৰ্ষক অনলাইন ফটোগ্ৰাফী প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। পৰিবেশ বিষয়ক সজাগতা সৃষ্টিৰ বাবে বিশ্ব পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি এই প্ৰতিযোগিতাখন অনুষ্ঠিত হয়। প্ৰতিযোগিতাখনিৰ বিচাৰক হিচাপে আছিল টিহু মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক লেফটেনেণ্ট চন্দন কুমাৰ ভট্টাচাৰ্য। মুঠ ৪৪গৰাকী প্ৰতিযোগীৰ মাজত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনিত ডুমডুমা মহাবিদ্যালয়ৰ জোনাইদ আহমেদে প্ৰথম স্থান, পদ্মনাথ গোহাঞি বৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয় কাকপথাৰৰ তৃষ্ণা দহোতীয়া দ্বিতীয়, জি এছ লোহিয়া ছোৱালী মহাবিদ্যালয়ৰ খুচবু ভাঁজনকাই তৃতীয়, পি এন জি বি চৰকাৰী আদৰ্শ মহাবিদ্যায় কাকপথাৰৰ চতুৰ্থ আৰু জি এছ লোহিয়া ছোৱালী মহাবিদ্যালয়ৰ প্ৰণিতা নাথে পঞ্চম স্থান লাভ কৰে। লেফটেনেণ্ট চন্দন কুমাৰ ভট্টাচাৰ্যই এই ফলাফলসমূহ পি এন জি বি চৰকাৰী মহাবিদ্যায়ৰ ইংৰাজী বিভাগৰ ৫ জুন তাৰিখত অনুষ্ঠিত কৰা Save earth to Save life শীৰ্ষক ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰখনত ঘোষনা কৰে। এই আলোচনাচক্ৰখনত লেফটেনেণ্ট চন্দন কুমাৰ ভট্টাচাৰ্য আৰু এন এইচ কলেজৰ ইংৰাজী বিভাগৰ মুখ্য সহযোগী অধ্যাপক ড° অৰূপ কুমাৰ শৰ্মা সমল ব্যক্তি হিচাপে থাকি পৰিবেশ সম্পৰ্কীয় বিভিন্ন ক্ষেত্ৰৰ বিষয়ে আলোকপাত কৰে। গুগল মিতৰ জৰিয়তে অনুষ্ঠিত কৰা আলোচনা চক্ৰখনিৰ আঁত ধৰে পি এন জি বি চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুখ্য সহকাৰী অধ্যাপক সঞ্জীৱ কলিতাই। সভাখনৰ আদৰণী ভাষণ দাঙি ধৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° ঠানুৰাম মজিন্দাৰে। অসমৰ বিভিন্ন প্ৰান্তৰ শিক্ষক, গৱেষক আৰু শিক্ষাৰ্থীসকলে যোগদান কৰা আলোচনাচক্ৰখন প্ৰায় এক ঘণ্টা ত্ৰিশ মিনিট জুৰি চলাৰ অন্তত পি এন জি বি চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক কনচেং শ্যামে শলাগৰ শৰাই আগবঢ়াই সামৰণি মাৰে।

## ভূৰাগাঁৱৰ জনপ্ৰিয় বাৰ্ডিজ ইউটিউবাৰ ৰাব্বানী শ্বয়মৰ দৰিদ্ৰ পৰিয়ালক খাদ্য-সামগ্ৰী বিতৰণ



দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৬ জুন ঃ মৰিগাঁও জিলাৰ লাহৰীঘাটৰ জনপ্ৰিয় যুৱ ইউটিউভাৰ ৰাব্বানী শ্বয়মৰ আৰ্তজনক সাহায্য প্ৰদান। মৰিগাঁও জিলাৰ লাহৰীঘাটৰ বালিডোঙ্গাৰ মথাউৰিত বসবাস কৰা দুখীয়া পৰিয়ালক সহায়ৰ হাত আগবঢ়াই জনপ্ৰিয় যুৱ ইউটিউবাৰ ৰাব্বানীয়ে। যুৱ ইউটিউবাৰগৰাকীয়ে নিজৰ ইউটিভ চেনেল Buddiesৰ তৰফৰ পৰা খহনীয়াত সৰ্বস্বান্ত হৈ মথাউৰিত বসবাস কৰা প্ৰায় তিনিশটা দুখীয়া পৰিয়ালৰ মাজত চাউল, মিঠাতেল, আলু, পিঁয়াজ আদি মুঠ আঠ বিধকৈ অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ কৰে। ক'ভিড মহামাৰীৰ প্ৰতি লক্ষ্য ৰাখি জনপ্ৰিয় ইউটিউবাৰগৰাকীয়ে দুখীয়া পৰিয়ালৰ ঘৰে ঘৰে গৈ নিজ হাতৰে খাদ্য-সামগ্ৰী বিতৰণ কৰে। ইউটিউবাৰগৰাকীৰ এনে মহানুভৱতা দেখি সচেতন মহলে ভূয়সী প্ৰশংসা কৰিছে ।

## উত্তৰ-পূৰ্বাঞ্চলৰ ড° দিব্যজ্যোতি শইকীয়ালৈ ৰাষ্ট্ৰীয় গৌৰৱ বঁটা



নতুন দিল্লী, ৬ জুন ঃ দেশৰ আগশাৰীৰ সন্মানীয় ৰাষ্ট্ৰীয় গৌৰৱ বঁটা সমিতিয়ে আজি ডিজিটেল মাধ্যমযোগে উত্তৰ-পূৰ্বাঞ্চল তথা অসমৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ মানৱ অধিকাৰ তথা সমাজকৰ্মী ড° দিব্যজ্যোতি শইকীয়াক সন্মানীয় 'ৰাষ্ট্ৰীয় গৌৰৱ বঁটা' প্ৰদান কৰে। উল্লেখ্য যে আন আন বৰ্ষৰ দৰে এইবাৰো সমগ্ৰ ভাৰতবৰ্ষৰ ভিন্ন ক্ষেত্ৰত সফলতা লাভ কৰাৰ লগতে বিভিন্ন ক্ষেত্ৰলৈ উৎকৃষ্ট সেৱা আগবঢ়োৱা দহজন ব্যক্তিক এই সন্মানীয় বঁটা প্ৰদান কৰা হৈছে। সমাজসেৱা, শিক্ষা, স্বাস্থ্য আৰু উদ্যোগ আদি শিতানত আগবঢ়োৱা উক্ত বঁটাৰ পৰা সমাজসেৱাৰ শিতানত বঁটা লাভ কৰিবলৈ সক্ষম হোৱা বহুকেইটা ৰাষ্ট্ৰীয় সংগঠনৰ মুৰব্বী পদ অলংকৃত কৰা ড° দিব্যজ্যোতি শইকীয়া হ'ল অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ একমাত্ৰ ব্যক্তি। দীৰ্ঘদিন ধৰি শান্তি, মানৱতা, মানৱ অধিকাৰ আৰু সামাজিক কাৰ্যৰে ৰাষ্ট্ৰ তথা মানৱ সমাজলৈ আগবঢ়াই অহা উৎকৃষ্ট সেৱাৰ বাবে ড° শইকীয়াই ইতিমধ্যে প্ৰায় সত্তৰ তাতকৈ অধিক ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা দহটাতকৈ অধিক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটা লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ ভিতৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিশ্ব সংবিধান সংসদ সংস্থাৰ পৰা শ্ৰেষ্ঠ সমাজ সেৱাৰ বঁটা, মৌলানা আজাদ ৰাষ্ট্ৰীয় বঁটা, বাবু জগজীৱনৰাম ৰাষ্ট্ৰীয় বঁটা, ড° ভূপেন হাজৰিকা শান্তি বঁটা, চাকছেছ ইণ্ডিয়া এছিভাৰ্ছ আইকন এৱাৰ্ড, ইণ্টাৰনেশ্বনেল গান্ধী পীচ এৱাৰ্ড আদি উল্লেখযোগ্য। অসমত অন্ধবিশ্বাস বিৰোধী তথা ডাইনী কাণ্ড ৰোধৰ বাবে প্ৰণয়ন হোৱা 'THE ASSAM WITCH HUNTING PPP ACT-2015'ৰ মূল দাবীদাৰ ড° দিব্যজ্যোতি শইকীয়াৰ লগতে মহাৰাষ্ট্ৰৰ প্ৰখ্যাত সমাজকৰ্মী পদ্মশ্ৰী ড° অম্বৰীশ বিজয়কৰকো ৰাষ্ট্ৰ গৌৰৱ বঁটা প্ৰদান কৰা হয়।

## ঘোঁৰামাৰী আদৰ্শ চিকিৎসালয়ক কেন্দ্ৰীয় ক'ভিড কেয়াৰ চেণ্টাৰ হিচাপে নিৰ্মাণ কৰিবলৈ বিধায়ক কৃষ্ণ কমল তাঁতীৰ নিৰ্দেশ

দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙাপৰা, ৬ জুন ঃ ৰঙাপৰা সমষ্টিৰ বিধায়ক কৃষ্ণ কমল তাঁতীয়ে বালিপৰা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত কালি শোণিতপুৰ জিলাৰ উপায়ুক্ত ভূপেশ চন্দ্ৰ দাস, শোণিতপুৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দিগন্ত বৈশ্য, জিলা পৰিষদৰ সভানেত্ৰী ডলি চুৰেন, চাৰিদুৱাৰ ৰাজহ চক্ৰ বিষয়া আদিতি গগৈ, জিলা পৰিষদৰ সদস্য, আঞ্চলিক পৰিষদৰ সদস্য, গাঁও পঞ্চায়তৰ সভাপতি আৰু বালিপৰা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত বিভিন্ন গাঁও পঞ্চায়তৰ সচিবসকলৰ লগত মিলিত হৈ উন্নয়ন অধিক ত্বৰান্বিত কৰাৰ দিশত কেতবোৰ পৰামৰ্শ আগবঢ়ায়। শোণিতপুৰ জিলাৰ উপায়ুক্ত ভূপেশ চন্দ্ৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত ক'ভিড সংক্ৰান্তৰ ব্যৱস্থাপনাৰ আলোচনাৰ লগতে শীঘ্ৰেই জনসাধাৰণৰ সুবিধাৰ্থে ঘোঁৰামাৰী আদৰ্শ চিকিৎসালয়খনক ৩৫খন নতুন বিছনাযুক্ত কেন্দ্ৰীয় Covid Care centre হিচাপে নিৰ্মাণ কৰিবলৈ নিৰ্দেশ বিধায়কগৰাকীয়ে নিৰ্দেশ দিয়ে। ক'ভিডৰ এই জটিল সন্ধিক্ষণত ৰঙাপৰা সমষ্টিত কোনো এগৰাকী ক'ভিড আক্ৰান্ত লোক বা পৰিয়ালে যাতে কোনোধৰণৰ সমস্যা বা অসুবিধাত নপৰে তাৰ প্ৰতিও সকলোকে সজাগ হৈ চকু ৰাখিবলৈ বিধায়কগৰাকীয়ে আহবান জনায়। চাহ বাগিচা অঞ্চল আৰু সংখ্যালঘু অঞ্চলসমূহত ভেকচিনৰ বাবে ৰাইজৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ অসম চাহ মজদুৰ সংঘ, বাগিচাৰ চৰদাৰ, চৌকীদাৰ, ৱাৰ্ড সদস্য আদিৰ সহযোগত সজাগতা সৃষ্টি কৰিবলৈ জিলা উপায়ুক্তই চক্ৰ বিষয়াক নিৰ্দেশ দিয়ে। চৰকাৰী নিৰ্দেশনা অনুযায়ী ক'ভিড নিয়মাৱলী সম্পূৰ্ণৰূপে ৰূপায়ণ কৰিবলৈ পঞ্চায়ত পৰ্যায়ত সমিতি গঠন কৰিবলৈ শোণিতপুৰ জিলাৰ উপায়ুক্ত ভূপেশ চন্দ্ৰ দাসে সংশ্লিষ্ট বিষয়াক নিৰ্দেশ দিয়ে। ইপিনে কালি বিধায়ক কৃষ্ণ কমল তাঁতীয়ে ৰঙাপৰা উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত উপস্থিত হৈ ৰঙাপৰা খণ্ডত গ্ৰামীণ বিকাশ যোজনাৰ অধীনত থকা MGNREGA, PMAY-G, 14th Finance commission আঁচনিসহ পৰিকল্পনাসমূহ জনকল্যাণমূলক দিশত বাস্তৱায়ন কৰাৰ লগতে জনসাধাৰণৰ সামূহিক দিশৰ উন্নয়নৰ ওপৰত এক পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে আৰু প্ৰকল্পবিলাকৰ কামৰ অগ্ৰগতি সম্পৰ্কে বুজ লয়। 'কৰ্মই ধৰ্ম' উদ্দেশ্য সাৰোগত কৰি জনকল্যাণমূলক কামবোৰ গুৰুত্ব সহকাৰে ল'বলৈ তেওঁ প্ৰত্যেককে অনুৰোধ জনায়।

## চেঙেলীয়াঝাৰ গাঁও পঞ্চায়ত এলেকাত গছপুলি ৰোপণ সভানেত্ৰী-উপ সভাপতিৰ

দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ৬ জুন ঃ আজি বিশ্ব পৰিৱেশ দিৱসৰ। এই দিৱসৰ লগত সংগতি ৰাখি ছিপাঝাৰত স্থানীয় বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে সমষ্টিটোৰ বিভিন্ন ৰাজহুৱাত বিশিষ্ট ব্যক্তিৰ দ্বাৰা প্ৰায় ৫০ হাজাৰ মূল্যৱান গছপুলি ৰোপণ কাৰ্যসূচীৰ বিপৰীতে সমষ্টিটোৰ ২৬নং চেঙেলীয়াঝাৰ গাঁও পঞ্চায়ত এলেকাৰ বিভিন্ন ৰাজহুৱা ঠাইত পুৱা ১০ বজাৰ পৰা পঞ্চায়তৰ সভানেত্ৰী অলিদা বেগম আৰু উপ-সভাপতি আবুবক্কৰ ছিদ্দিকৰ নেতৃত্বত গছপুলি ৰোপণ কৰা হয় ।প্ৰথমতে পঞ্চায়ত চৌহদত অনুষ্ঠানৰ শুভাৰম্ভণি কৰি অঞ্চলটোৰ নাৰী শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান চেঙেলীয়াঝাৰ বালিকা উচ্চ মাধ্যমিক বিদ্যালয় চৌহদত গছপুলি ৰোপণ কৰে ।উক্ত গছপুলি ৰোপণ কৰি সভানেত্ৰী, উপ-সভাপতিয়ে 'দেশক সেউজীকৰণৰ লগতে এখন প্ৰদূষণমুক্ত, স্বচ্ছ আৰু নিকা দেশ হিচাপে গঢ়ি তোলাৰ চিন্তাৰে পৰিৱেশ দিৱসটোত গছপুলি ৰোপণ কৰা হৈছে বুলি উল্লেখ কৰে। অনুষ্ঠানত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ভৃগু তামুলী, পঞ্চায়ত সদস্য চালেইউদ্দিন আহমেদ প্ৰমুখ্যে ভালেকেইগৰাকী ব্যক্তি উপস্থিত আছিল। আনহাতে উল্লিখিত বিদ্যালয় খনৰ প্ৰধান শিক্ষক মতিউৰ ৰহমানে নিজাববীয়াকৈ বহুকেইটা মূল্যবান গছপুলি ৰাজহুৱা পথৰ কাষত ৰোপণ কৰি পুলি বোৰত নিজৰ পকেটৰ টকাৰে নেট জাল কিনি বেৰ পৰ্যন্ত দি অন্য নিকটৱৰ্তী বিদ্যালয় সমূহক দেখুৱাইছে এক আদৰ্শ।কিয়নো উল্লিখিত বালিকা বিদ্যালয় খনৰ ওচৰতে বহু কেইখন চৰকাৰী খণ্ডৰ বিদ্যালয় থকাৰ পিছতো পৰিৱেশ দিৱসৰ দিনটোত নিজ বিদ্যালয়লৈ আহি অন্তত এটি মাত্ৰ হ'লেও গছ ৰোপণ কৰি দিৱসটোৰ প্ৰাসংগিকতা জীয়াই ৰখাৰ চিন্তা নকৰাটো দুৰ্ভাগ্যজনক। প্ৰধান শিক্ষক গৰাকীয়ে গছ থাকিলেহে মানুহ থাকিব বুলি উল্লেখ কৰি গছপুলি ৰোপণৰে প্ৰকৃতিক নিকা কৰিলেহে মানৱ প্ৰাণী জীয়াই থকাটো সম্ভৱ বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য আগবঢ়ায়।



*বিশ্ব পৰিৱেশ দিৱস উপলক্ষে বঙাইগাঁও জিলা সাংবাদিক সংস্থাৰ উদ্যোগত গছপুলি ৰোপণ*

## পূব নলবাৰী ক'চিং চেণ্টাৰৰ খেলুৱৈলৈ জ্যেষ্ঠ অধিবক্তা দিলীপ চৌধুৰীৰ সাহায্য



দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ৬ জুন ঃ মহামাৰী কৰ'না ভাইৰাছৰ উপদ্ৰপৰ পৰা ৰক্ষা পোৱাৰ হেতু খেলপথাৰত খেলুৱৈৰ অনুশীলন বন্ধ হৈ গৈছে। ইফালে দিন-হাজিৰা কৰি ঘৰ চলোৱা খেলুৱৈ সকলৰো কাম-কাজ বন্ধ হৈছে। যাৰ ফলত খেলুৱৈ সকলৰ মাজত খোৱাক লৈয়ে এক হাহাকাৰৰ সৃষ্টি হৈছে। এই সময়তে খেলুৱৈ সকলৰ দুৰ্দশাৰ যোৱা মাৰিবলৈ নলবাৰীৰ অগ্ৰণী ক্ৰীড়া সংগঠন পূব নলবাৰী ক'চিং চেণ্টাৰে খেলুৱৈ সকলক সহায়-সহযোগিতা আগবঢ়াবলৈ হৃদয়ৱান ব্যক্তি সকলৰ ওচৰত অনুৰোধ ৰাখিছে। সেইমৰ্মে কেইবাজনো বিশিষ্ট ব্যক্তিয়ে ইতিমধ্যে খেলুৱৈসকলক খাদ্য-সামগ্ৰী যোগান ধৰি খেলুৱৈসকলৰ মনোবল বৃদ্ধি কৰিছে। এই কথা সৰ্বত্ৰে প্ৰচাৰ হোৱাত আজি দুপৰীয়া ১ বজাত জাজিয়াবাৰী গাঁৱত পূব নলবাৰী ক'চিং চেণ্টাৰৰ ল'ৰা-ছোৱালী উভয়ৰে ৪০জন খেলুৱৈৰ মাজত খাদ্য-সামগ্ৰী বিতৰণ কৰে নলবাৰী ক্ৰীড়া সন্থাৰ আজীৱন সভ্য, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা দিলীপ চৌধুৰীয়ে। খেলুৱৈৰ মাজত চাউল-৩কেজি, ডাইল-১কেজি,মিঠাতেল-১লিটাৰ, আলু-২কেজি, পিয়াজ-১ কেজি, আটা-১ কেজি, বুট-১কেজি, চয়াবিন-৫০০ গ্ৰাম, নিমখ-১পেকেট ইত্যাদি অত্যাৱশ্যকীয় সামগ্ৰী সমূহ তেখেতৰ হৈ ক'চিং চেণ্টাৰটোৰ সভাপতি-দীপক কুমাৰ দাস, সম্পাদক হিতেশ দাস, কোষাধক্ষ্য- ভৱেশ ভৰালীয়ে খেলুৱৈৰ হাতত দিয়ে। খেলুৱৈক এই সময়ত আন্তৰিকতাৰে সহায় আগবঢ়োৱা দিলীপ চৌধুৰীক ক'চিং চেণ্টাৰৰ লগতে ক্ৰীড়াপ্ৰেমী তথা স্থানীয় ৰাইজে ধন্যবাদসহ কৃতজ্ঞতা জ্ঞাপন কৰিছে।

## দিকৰাইৰ গেলাহাটিঙা চাহ বাগিচাত যুৱকৰ আত্মহত্যা

দৈনন্দিন বাৰ্তাৰ সেৱা ,ইটাখোলা ৬ জুনঃ বিশ্বনাথ জিলাৰ ইটাখোলা উপ-আৰক্ষী চকী অন্তৰ্গত দিকৰাইৰ গেলাহাটিঙা চাহ বাগিচাৰ নিৱাসী লক্ষীন্দৰ চাওবাৰ কনিষ্ঠ পুত্ৰ কুশল চাওবা(১৭) নামৰ এজন যুৱকে আত্ম হত্যা কৰা ঘটনাই অঞ্চলজুৰি চাঞ্চল্যকৰ পৰিৱেশ বিৰাজ কৰিছে। জানিব পৰা মতে আজি পুৱা বেলাত পথাৰৰ কামত ওলাই যোৱা যুৱক জনে ঘৰৰ পৰা কিছু নিলগৰ বাগিচাখনৰ পাত ঘৰত চিপ লৈ আত্ম হত্যা কৰাৰ কিছু মুহূৰ্ততে পথ চাৰীয়ে প্ৰত্যক্ষ কৰে আৰু লগে লগে চিপ কাটি যুৱক জনক নমাই আনি পৰিয়াললোকৰ দ্বাৰা দিকৰাই চাহ বাগিচা চিকিৎসালয়ত ততাতৈয়াকৈ নিয়ে যদি চিকিৎসে মৃত বুলি ঘোষণা কৰে। উল্লেখ্য যে ইয়াৰ পূৰ্বেও যুৱকজন কোনোধৰণৰ কাৰণ নোহোৱাকৈ আত্ম হত্যাৰ চেষ্টা কৰিছিল যদিও প্ৰত্যক্ষ দৰ্শী লোকৰ চেষ্টাত যুৱকজন মৃত্যুৰ পৰা বাচিছিল। সেইহে যুৱক জন মানষিক ৰোগত আক্ৰান্তৰ সন্দেহ কৰা গাঁৱৰ এগৰাকী কৰ্মী যুৱৰ মৃত্যুৰ খবৰ বিয়পাৰ লগে লগে অঞ্চলটোত এক শোকৰ ছাঁঞ্চ পৰিছে। যুৱক জনৰ মৃত্যুৰ সময়ত পিতৃ-মাতৃ,জেষ্ঠ ভাতৃ আৰু এগৰাকী ভগ্নিক ইহঁ সংসাৰত এৰি থৈ যায়।

## ডুমডুমা মহাবিদ্যালয়ৰ বিজ্ঞান সমিতিৰ উদ্যোগত পৰিৱেশ সম্পৰ্কীয় ৱেবিনাৰ

### ২০৩০ চনত উত্তৰ-পূবৰ পৰিৱেশ ভয়ংকৰ হ'ব

দৈনন্দিন বাৰ্তা সেৱা, ডুমডুমা, ৬ জুন ঃ বিশ্ব পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি আজি অসম বিজ্ঞান সমিতি ডুমডুমা মহাবিদ্যালয় শাখাই ক'ভিড মহামাৰীৰ মাজত পৰিবেশ সম্পৰ্কীয় এখন ৱেবিনাৰ অনুষ্ঠিত কৰে ।প্ৰায় ডেৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশ লোৱা এই ৱেবিনাৰখনত বহু কলেজ শিক্ষক লগতে পৰিবেশৰ প্ৰতি সচেতন লোকে অংশ গ্ৰহণ কৰে ।এই ৱেবিনাৰখনত সমল ব্যক্তিৰূপে অংশ লয় ডিগবৈ মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ মুৰব্বী ড° ৰাজীৱ ৰুদ্ৰ টাৰিয়ানে ।তেখেতে এই বছৰৰ পৰিবেশৰ মূল মন্ত্ৰ আৰু বৰ্তমানে বিশ্বত দেখা দিয়া প্ৰদূষিত পৰিবেশ আৰু আগলৈ সমগ্ৰ বিশ্ব কোন দিশে গতি কৰিছে তাক ফঁহিয়াই দেখুৱাই ।সমগ্ৰ বিশ্বৰ লগতে ২০৩০ চনৰ ভিতৰত উত্তৰ-পূব পৰিবেশৰ এক ভয়ংকৰ ছবি দাঙি ধৰি তেখেতে বৰ্তমাৰ বছৰি কিদৰে বনাঞ্চল ধ্বংস হৈছে তাৰ আলোক চিত্ৰ প্ৰদশন কৰি পৰিসংখ্যাগত বিশ্লেষণ দেখুৱাই । বনাঞ্চল ধ্বংসৰ বাবে মাটিৰ পৰিসৰ কমি অহা বাবে বিশ্বৰ জৈৱ-বৈচিত্ৰ্যৰ ওপৰত পৰা প্ৰভাৱে মানৱ সভ্যতা শেষ কৰাৰো ইংগিত দিয়ে । আজিৰ এই ৱেবিনাৰত আদৰণি ভাষণ দিয়ে প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপিকা গীতিৰেখা দত্ত মহন্তই। উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধক্ষ্য ড° প্ৰকাশজ্যোতি বৰঠাকুৰে। অনুষ্ঠানত চমু বক্তব্য ৰাখে উপাধ্যক্ষ ড° ৰিঞ্জুমণি শৰ্মা আৰু ড০ প্ৰাণজিৎ শইকীয়াই ।শলাগৰ শৰাই আগবঢ়াই বিজ্ঞান সমিতিৰ সম্পাদক ৰাতুল গগৈয়ে ।পুৱা এই অনুষ্ঠানৰ লগত সংগতি ৰাখি গছপুলি ৰোপণৰ লগতে সদৌ অসম ভিত্তিক আয়োজিত পৰিবেশ সম্পৰ্কীয় প্ৰতিযোগিতাসমূহৰ ফলাফল ঘোষণা কৰা হয়।

## আদৰ্শ বিদ্যালয়ত(দোকুছি) ভাৰ্চুৱেল সভা সম্পন্ন

দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ৬ জুন ঃ কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত আদৰ্শ বিদ্যালয়, দোকুছিত আজি বিদ্যালয়খনৰ অধ্যক্ষ ড° ৰমেন বায়নৰ তত্বাৱধানত এখনি ভাৰ্চুৱেল সভা অনুষ্ঠিত হৈ যায়। উক্ত ভাৰ্জুৱেল সভাত যোৰহাটৰ কাজিৰঙা ইউনিভাৰ্ছিটিৰ সহযোগী অধ্যাপক ড° জগদীশ নাথে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি The Aim of Life, Career decision শীৰ্ষ বিষয়ৰ ওপৰত গুৰুত্বপূৰ্ণ ভাষণ প্ৰদান কৰে। তেওঁৰ সাৱলীল ভাষণে বিদ্যালয়খনৰ ছাত্ৰ- ছাত্ৰী, শিক্ষক - কৰ্মচাৰী আৰু অভিভাৱক সকলক যথেষ্ট পৰিমাণে উপকৃত কৰে। উল্লেখ্য যে, সভাত নগৰবেৰাৰ বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ৰ সহযোগী অধ্যাপিকা ড° ভূমিজা বৰ্মনেও অংশ গ্ৰহণ কৰি ছাত্ৰ ছাত্ৰী আৰু অভিভাৱক সকলক উদ্দেশ্যি বিষয়বস্তুৰ ওপৰত বহুমূলীয়া ভাষণ প্ৰদান কৰে। সভাৰ অন্তত আদৰ্শ বিদ্যালয়খনৰ শিক্ষয়িত্ৰী ঋত্বিকা বৰুৱাই সভাত সকলোৰে উপস্থিতি আৰু সভাখন সুচাৰুৰূপে চলাই নিয়াৰ বাবে বিদ্যালয়খনৰ অধ্যক্ষ ড০ ৰমেন বায়ন প্ৰমুখ্যে কৰি সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

## ৰাশিফলত আজিৰ দিনটো

**২৩ জেঠ, সোমবাৰ, ৭ জুন, ১৪২৮ ভাস্কৰাব্দ তিথি ঃ কৃষ্ণা দ্বাদশী, নক্ষত্ৰ ঃ ভৰণী, জন্ম ৰাশি ঃ মেষ ৰাশি**

**সূৰ্যোদয়- ৪-৪০-৫৭, সূৰ্যাস্ত- ৬-১-৪৯**



■ **মেষ** ঃ ৰং-ৰহইচ ■ **বৃষ** ঃ সুনাম ■ **মিথুন** ঃ দাম্পত্য সুখ ■ **কৰ্কট** ঃ গৃহ অশান্তি ■ **সিংহ** ঃ স্থান পৰিৱৰ্তন ■ **কন্যা** ঃ ৰাইজৰ সৈতে ■ **তুলা** ঃ সাহিত্য সেৱা ■ **বৃশ্চিক** ঃ সুনাম ■ **ধনু** ঃ সুখ ■ **মকৰ** ঃ গৃহ সুখ ■ **কুম্ভ** ঃ ৰাজভয় ■ **মীন** ঃ সাহসৰ পৰিচয়

## কলিতা জনগোষ্ঠীৰ দাবীসমূহ চৰকাৰে সমাধান কৰিব কেতিয়া

দৈনন্দিন বাৰ্তাৰ সেৱা, ৰৌতা চাৰিআলি, ৬ জুন ঃ সদৌ অসম কলিতা জনগোষ্ঠী ছাত্ৰ সন্থাৰ সভাপতি অনুপল দত্ত পাঠক, উপ-সভাপতি সমৰজ্যোতি ডেকা, সাধাৰণ সম্পাদক অভিষেক ৰাজ কলিতা আৰু প্ৰচাৰ সম্পাদক নয়নজ্যোতি কলিতাই আজি এক প্ৰেছ বিজ্ঞপ্তিযোগে জনায় যে, কলিতাসকল জনসংখ্যাগতভাৱে অসমৰ বৃহত্তম খিলঞ্জীয়া জনগোষ্ঠী। অতি প্ৰাচীন কালৰে পৰা কলিতাসকলে নিজ সভ্যতা-সংস্কৃতি গঢ়ি তুলিবলৈ সক্ষম হৈছিল। সেয়েহে কলিতাসকলৰ এনে মহৎ অৱদানক আজি কোনেও অস্বীকাৰ কৰিব নোৱাৰে। কিন্তু বৰ দুখৰ বিষয় যে কলিতাসকলে বৰ্তমানেও নিজ প্ৰাপ্য অধিকাৰৰ হৈ আজিও আন্দোলন কৰিব লগা হৈছে। আজিলৈকে কোনো এখন চৰকাৰে কলিতাসকলৰ সমস্যাক গুৰুত্ব সহকাৰে ন'ললে। ফলস্বৰূপে কলিতাসকল ৰাজ্যখনৰ অন্যতম খিলঞ্জীয়া জনগোষ্ঠী হৈও অন্যান্য ভূমিপুত্ৰসকলৰ দৰে অধিকাৰ ভোগ কৰিবলৈ সক্ষম হোৱা নাই। দেশখনে স্বাধীনতা লাভ কৰাৰ পাছৰ পৰাই কলিতাসকলৰ অৱস্থা একেবাৰে অথৈবচৰ ফালে গতি কৰিছে ।ফলত সকলো দিশৰ পৰাই কলিতাসকল আজি পিছপৰি আছে । সেয়ে বৰ্তমান সময়ত কলিতাসকল হ'লগৈ আটাইতকৈ পিছপৰা জনগোষ্ঠী ।অথচ কলিতাসকলৰ বিভিন্ন দল-সংগঠনে ১৯৮৮ চনৰ পৰাই জনগোষ্ঠীৰ জনজাতিকৰণৰ বাবে দাবী জনাই আহিছে যদিও কোনো এখন চৰকাৰেই বিষয়টো আজিলৈকে বিবেচনাই নকৰিলে ।ফলত জনগোষ্ঠীটোৱে নিজ প্ৰাপ্যৰ পৰা আজি বঞ্চিত -লাঞ্ছিত হৈ থাকিবলগীয়া হৈছে। জনজাতিকৰণ কলিতাসকলৰ মূল দাবীৰ আছিল ।তদুপৰি প্ৰাগজ্যোতিষপুৰ নামেৰে কলিতা স্বায়ত্তশাসিত পৰিষদৰ গঠন আৰু কলিতা উন্নয়ন পৰিষদ কাৰ্যকৰীকেধৰি কেইটাও দাবী আছে । নিৰ্বাচনৰ আগত বিজেপি নেতৃত্বাধীন চৰকাৰে কলিতা উন্নয়ন পৰিষদ গঠন কৰি দিছে যদিও এয়া কাৰ্যকৰী হোৱা নাই। গতিকে জনগোষ্ঠীটোৱে স্পষ্ট কৰি দিছে কলিতা উন্নয়ন পৰিষদ জনজাতিকৰণৰ বিকল্প নহয়। তথাপি যিহেতুকে চৰকাৰে উচিত বিবেচনা কৰিছে গতিকে বিজেপি নেতৃত্বাধীন চৰকাৰখনৰ মুখ্য মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অতি শীঘ্ৰে কলিতাসকলক জনজাতিকৰণৰ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে । প্ৰাগজ্যোতিষপুৰ নামেৰে কলিতা স্বায়ত্তশাসিত পৰিষদ ঘোষণা আৰু কলিতা উন্নয়ন পৰিষদখন কাৰ্যকৰী কৰণৰ লগতে সদস্য সংখ্যা বৃদ্ধি কৰিব লাগে ।কলিতাসকলৰ অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক আৰু ভূমি অধিকাৰক ৰক্ষণাবেক্ষণ দিব লাগে। বিটিআৰ নিৰ্বাচনৰ বতৰত সদৌ অসম কলিতা জনগোষ্ঠী ছাত্ৰ সন্থা আৰু সন্মিলনৰ লগত কৰা আলোচনাত উন্নয়ন পৰিষদৰ কাৰ্যকৰীকৰণ তথা সদস্য সংখ্যা বৃদ্ধি কৰা আৰু জনজাতিকৰণৰ ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিব বুলি বিজেপিৰ সেই সময়ৰ সভাপতি বৰ্তমানৰ মন্ত্ৰী ৰঞ্জিৎ দাসে প্ৰতিশ্ৰুতি দিছিল। গতিকে সংগঠনটোৱে ক'ভিড মহামাৰীৰ প্ৰকোপ শাম কটাৰ পাছতে জনগোষ্ঠীটোৰ দাবীসমূহ চৰকাৰক পূৰণ কৰিবলৈ দাবী জনাইছে।

## নীলবাগান ক'ভিড চেণ্টাৰত ৰোগীক সাক্ষাৎ কৰি কান্দি উঠিল বিধায়ক ছিৰাজুদ্দিন আজমল

### চিকিৎসালয়ৰ সমস্যাসমূহ শীঘ্ৰে সমাধান কৰাৰ আশ্বাস বিধায়কৰ

দৈনন্দিন বাৰ্তাৰ সেৱা, মোৰাঝাৰ, ৬ জুন ঃ ডবকাৰ নীলবাগান মডেল হস্পিটালৰ কোভিড কেয়াৰ চেণ্টাৰত উপস্থিত হৈ আৱেগিক হৈ পৰিল বিধায়ক ছিৰাজুদ্দিন আজমল। যমুনামুখৰ বিধায়ক হিচাপে বিধানসভাৰ অধ্যক্ষৰ ওচৰত শপত গ্ৰহণ কৰিয়েই কালি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি আজমল পৰিয়ালৰ পৰা 58 লাখ 50 হাজাৰ টকা মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আগবঢ়াই এক আলোচনাত মিলিত হয়। পিছত আজি পোনে পোনে আহি সমষ্টিত উপস্থিত হয় যমুনামুখৰ বিধায়ক ছিৰাজুদ্দিন আজমল । তেওঁ পোনে পোনে ডবকাৰ লগতে নীলবাগান ক'ভিড চেণ্টাৰত উপস্থিত হয়, য'ত প্ৰায় শতাধিক কৰ'না আক্ৰান্ত ৰোগী চিকিৎসাধীন হৈ আছে । ক'ভিড প্ৰট'কল মানি বিধায়কজনে কৰ'না ৰোগীসকলৰ লগত বাৰ্তালাপ কৰি আহি হুক হুকাই কান্দি উঠিল । ক'ভিড ৰোগীৰ আশু আৰোগ্য কামনা কৰি ঈশ্বৰ- আল্লাহৰ ওচৰত কান্দি কান্দি দোৱা- প্ৰাৰ্থনা কৰিলে বিধায়ক আজমলে । লগতে কৰ'না মহামাৰী নিৰ্মূলৰ কাৰণে দোৱা প্ৰাৰ্থনাও কৰি দেশৰ লগতে বিশ্বৰ পৰা কৰ'না মহামাৰী নিঃশেষ হ'বৰ কাৰণে দোৱা কৰে । বিধায়ক গৰাকীয়ে ক'ভিড চিকিৎসালয়খনত উপস্থিত হৈ চিকিৎসকৰ সৈতে বাৰ্তালাপ কৰি পৰিস্থিতিৰ বুজ লয়। লগতে চিকিৎসালয়ৰ সমস্যাসমূহ শীঘ্ৰে সমাধান কৰা হ'ব বুলি মন্তব্য কৰে ।ইফালে, ডবকা ৩০ খন বিছনাযুক্ত গ্ৰাম্য চিকিৎসালয়ত উপস্থিত যমুনামুখৰ বিধায়ক ছিৰাজুদ্দিন আজমল। বিধায়কগৰাকীয়ে চিকিৎসালয়খন পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লোৱাৰ লগতে চিকিৎসক-কৰ্মচাৰীৰ সৈতে আলোচনাত মিলিত হয়। ইয়াৰ পিছত সংবাদ মাধ্যমৰ আগত বিধায়ক আজমলে কয়- চিকিৎসালয়ৰ যিবোৰ সমস্যা আছে, সেই সমস্যাবোৰ অহা ৬ মাহৰ ভিতৰত সমাধান কৰা হ'ব। লগতে বিধায়ক ছিৰাজুদ্দিন আজমলে কয়- কালি মই মুখ্যমন্ত্ৰীৰ লগত মিটিং কৰি আহিছো, মুখ্যমন্ত্ৰীয়ে মোক আশ্বাস দিছে উন্নয়নৰ ক্ষেত্ৰত সহায় কৰিব আৰু স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত মোৰ ভাল বন্ধু, গতিকে এতিয়া উন্নয়ন হৈ থাকিব বুলি মন্তব্য কৰে ছিৰাজুদ্দিন আজমলে। ইপিনে, কৰ'না আক্ৰান্ত হোজাইৰ জোৰাপুখুৰীৰ এজন ক'ভিড ৰোগীৰ মৃত্যুত বিধায়ক আজমলে শোক প্ৰকাশ কৰি উক্ত পৰিয়ালক আৰ্থিক সাহায্য প্ৰদান কৰে ।পৰিয়ালৰ সদস্যই বিধায়ক গৰাকীৰ শলাগ লয় ।উল্লেখ্য যে, বিধায়ক গৰাকীক সংগ দিয়ে সমাজকৰ্মী আনোৱাৰ হুছেইন, মুফতী ছয়ীদ আহমদসহ কেইবাজনে। নীলবাগান ক'ভিড চেণ্টাৰত সমূহীয়া দোৱা- প্ৰাৰ্থনা কৰে।-



### জিলা উপায়ুক্ত বিশ্বজিৎ পেগু উপস্থিত

# দীপৰ বিলৰ উপযুক্ত সংৰক্ষণৰ বাবে জিলা প্ৰশাসন-বন বিভাগৰ যুটীয়া জৰীপ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ৬ জুন ঃ** বন্যপ্ৰাণী অভয়াৰণ্য হিচাপে স্বীকৃতি লাভ কৰা দীপৰ বিলখনক বিজ্ঞানসন্মতভাৱে সংৰক্ষণ কৰিবলৈ ৰাজ্য চৰকাৰে তৎপৰতা আৰম্ভ কৰিছে । বিশেষকৈ বিগত নিৰ্বাচনৰ অধিসূচনা জাৰি কৰাৰ কিছুদিন পূৰ্বে তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে দীপৰ বিলত এটা অনুষ্ঠানত ভাগ লৈ আগন্তুক দিনত বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটে চৰকাৰ গঠন কৰিলে বিলখনৰ উপযুক্ত সংৰক্ষণ, সংবৰ্ধন কৰি তাক পৰ্যটনৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দুলৈ উন্নীতকৰণ কৰা হ'ব বুলি ঘোষণা কৰিছিল । অৱশেষত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ পূৰ্বসুৰী সৰ্বানন্দ সোণোৱালে কৰা ঘোষণাক বাস্তৱায়িত কৰিবলৈ তৎপৰতা আৰম্ভ কৰিছে। ইয়াৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ডঃ শৰ্মাই দীপৰ বিলখনক বিজ্ঞানসন্মতভাৱে সংৰক্ষণ কৰি তাক পৰ্যটনৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দুলৈ উন্নীতকৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট বিভাগসমূহক নিৰ্দেশ দিছে । এই নিৰ্দেশৰ আধাৰত আজি দিনৰ ভাগত কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগুৰ নেতৃত্বত জিলা প্ৰশাসনৰ এটা দল দীপৰ বিলত উপস্থিত হয়। দলটোত কামৰূপ মহানগৰ জিলাৰ জিলা উন্নয়ন আয়ুক্ত নিবেদন দাস পাটোৱাৰী, অতিৰিক্ত উপায়ুক্ত গুণজিৎ দাস, অসম চৰকাৰৰ সহকাৰী ভূমিলেখ্য অধিকৰ্তা বিতোপন কোঁৱৰ, আজাৰা আৰু গুৱাহাটী ৰাজহ চক্ৰৰ চক্ৰ বিষয়াদ্বয় ক্ৰমে মৃণাল বৰা আৰু লক্ষ্যজিৎ দুৰৰীয়া, লাট মণ্ডল, বন বিভাগৰ গুৱাহাটী বন্যপ্ৰাণী সংমণ্ডলৰ সহকাৰী বন সংৰক্ষক মুকুল তামুলী, দীপৰ বিল বন্যপ্ৰাণী অভয়াৰণ্যৰ বনাঞ্চলিক বিষয়া যতীন বৰা উপস্থিত থাকে। আনহাতে দলটোৱে মেচিন নাৱেৰে সমগ্ৰ দীপৰ বিলখন পৰিভ্ৰমণ কৰে আৰু উপায়ুক্ত বিশ্বজিৎ পেগুৰ উপস্থিতিত বিলখনত জিলা প্ৰশাসন আৰু বন বিভাগৰ দলটোৱে যুটীয়াভাৱে জৰীপ চলায়। আনহাতে জৰীপৰ অন্তত সাংবাদিকৰে সৈতে হোৱা চমু বাৰ্তালাপত উপায়ুক্ত বিশ্বজিৎ পেগুৱে কয় বিলখনৰ বন্যপ্ৰাণী অভয়াৰণ্য হিচাপে ঘোষিত ৪.১ বৰ্গ কিঃমিঃৰ উপৰি চৰকাৰে চাৰিওকাষে অতিৰিক্তভাৱে ২.৮ বৰ্গ কিঃমিঃ অঞ্চল বাফাৰ জ'ন হিচাপে সংৰক্ষণ কৰিব। সেই অতিৰিক্ত স্থানখিনি চিনাক্ত কৰি তাক সংৰক্ষণৰ লক্ষ্যৰে আজি বিলখনত যুটীয়াভাৱে জৰীপ কাৰ্য চলোৱাৰ লগতে গুৱাহাটীক বচাবলৈ হ'লে দীপৰ বিলৰ সংৰক্ষণৰ বিকল্প নাই বুলি উপায়ুক্ত বিশ্বজিৎ পেগুৱে সদৰী কৰিছে।

# বিশ্বনাথ জিলাৰ বিভিন্ন বিভাগৰ বিষয়াৰে অভিভাৱক মন্ত্ৰী পীযূষ হাজৰিকাৰ বৈঠক

### জিলাখনৰ সামগ্ৰিক উন্নয়ন, খহনীয়া আৰু ক'ভিডসৃষ্ট পৰিস্থিতিৰ পৰ্যালোচনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৬ জুন ঃ** অসম চৰকাৰৰ জলসম্পদ, তথ্য আৰু জনসংযোগ তথা সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী পীযূষ হাজৰিকাই আজি অভিভাৱক মন্ত্ৰীৰূপে বিশ্বনাথ জিলা ভ্ৰমণ কৰি জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাগৃহত জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা সভাত অংশ লয় । সাংসদ পল্লৱ লোচন দাস আৰু জিলাখনৰ অন্তৰ্গত সমষ্টিসমূহৰ বিধায়কসকলৰ উপস্থিতিত মন্ত্ৰীগৰাকীয়ে জিলা উপায়ুক্ত তথা আন বিভাগীয় বিষয়াৰ পৰা জিলাখনৰ সামগ্ৰিক পৰিস্থিতি, বিশেষকৈ ক'ভিডসৃষ্ট পৰিস্থিতি আৰু আসন্ন বানপানীৰ সময়ৰ বাবে লোৱা প্ৰস্তুতিৰ বুজ লয়। খহনীয়া ৰোধ কৰাৰ ক্ষেত্ৰত বৰ্তমানৰ বিজেপি নেতৃত্বাধীন অসম চৰকাৰে প্ৰাথমিকতা দিয়া বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে জনায় যে প্ৰতি বছৰে মে' মাহৰ ভিতৰত মথাউৰি নিৰ্মাণ আৰু মেৰামতিৰ কাম শেষ কৰিব পৰাকৈ ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভাগীয় বিষয়াক ইতিমধ্যেই নিৰ্দেশ দিয়া হৈছে । তেওঁ আৰু জনায় যে বাৰিষাৰ সময়ৰ বাবে মথাউৰিৰ কেৱল জৰুৰীকালীন মেৰামতিৰ কামবোৰহে বাকী থাকিব পাৰিব । এইক্ষেত্ৰত বিভাগীয় বিষয়ববীয়াক আগতীয়াকৈ আনুষ্ঠানিক কাম-কাজ শেষ কৰিবলৈ তেওঁ নিৰ্দেশ দিয়ে। আনহাতে মথাউৰি নিৰ্মাণৰ কামৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰা নহ'ব বুলিও উল্লেখ কৰে মন্ত্ৰীগৰাকীয়ে। জিলাখনৰ ক'ভিডসৃষ্ট পৰিস্থিতিৰ পৰ্যালোচনা কৰি মন্ত্ৰী পীযূষ হাজৰিকাই গৃহ আছুতীয়াকৰণৰ ক্ষেত্ৰত স্বাস্থ্য বিভাগ তথা জিলা প্ৰশাসনক চোকা নজৰ ৰাখিবলৈ নিৰ্দেশ দিয়ে। পৰাপক্ষত গৃহ আছুতীয়াকৰণৰ সলনি ৰোগীসকলক ক'ভিড কেয়াৰ চেণ্টাৰত ৰাখিলে ক'ভিড নিয়ন্ত্ৰণৰ ক্ষেত্ৰত সহজ হ'ব বুলি উল্লেখ কৰে মন্ত্ৰীগৰাকীয়ে। বিশ্বনাথ জিলাত ক'ভিড ১৯ৰ প্ৰতিষেধক উপলব্ধ হোৱাৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈও তেওঁ বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে । আনহাতে জিলাখনত ক'ভিড ১৯ ৰ ভেকচিন মজুত ৰাখিব পৰাকৈ উপযুক্ত ব্যৱস্থা নথকাৰ কথা জানিব পাৰি মন্ত্ৰীগৰাকীয়ে জিলাখনৰ লোকনিৰ্মাণ আৰু বিদ্যুৎ বিভাগক ১০ দিনৰ ভিতৰত স্বাস্থ্য বিভাগৰ সহযোগত ভেকচিন মজুত ৰাখিব পৰা ব্যৱস্থা সাজু কৰিবলৈ নিৰ্দেশ দিয়ে । তেওঁ জিলাখনত মজুত থকা দৰৰ আদিৰ খতিয়ান লোৱাৰ লগতে কণ্টেইনমেণ্ট জ'নত থকা পৰিয়ালক প্ৰদান কৰা গুণগত খাদ্য সামগ্ৰীৰ বিষয়েও বুজ লয়। আজিৰ এই পৰ্যালোচনা সভাখনত স্থানীয় সাংসদ পল্লৱ লোচন দাসৰ লগতে বিধায়কসকল ক্ৰমে ৰঞ্জিত দত্ত, পদ্ম হাজৰিকা, প্ৰমোদ বৰঠাকুৰ আৰু উৎপল বৰাও উপস্থিত থাকে। আনহাতে এই পৰ্যালোচনা সভাখনৰ পাছতে মন্ত্ৰীগৰাকীয়ে বিশ্বনাথৰ পাণপুৰ অঞ্চলৰ মথাউৰি আৰু নদীৰ কাষৰীয়া অঞ্চল পৰিদৰ্শন কৰি জলসম্পদ বিভাগৰ অধীনত চলি থকা কাম-কাজসমূহৰ অগ্ৰগতিৰ বুজ লয় আৰু আসন্ন বাৰিষাৰ সময়ৰ সম্ভাব্য বিপদৰ পৰা অঞ্চলটোৰ ৰাইজক সুৰক্ষা দিবৰ বাবে ল'ব লগা সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভাগীয় বিষয়াসকলক নিৰ্দেশ দিয়ে।

# শাক-পাচলিৰ খেতিৰে স্বাৱলম্বিতাৰ নিদৰ্শন গহপুৰৰ শিক্ষিত যুৱক ভাস্কৰজ্যোতি হাজৰিকাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হেলেম, ৬ জুন ঃ** দিনক দিনে অসমত নিবনুৱাৰ সংখ্যা বৃদ্ধি পোৱাৰ ফলত অধিকাংশ শিক্ষিত যুৱক- যুৱতীয়ে কৰ্ম সংস্থাপন



বিচাৰি হাবাথুৰি খোৱাৰ সমান্তৰাল ভাবে একাংশই জীৱন- জীৱিকাৰ তাড়নাত কৰ্ম সংস্থাপন বিচাৰি বহিঃৰাজ্যলৈ ঢাপলি মেলিব লগা হৈছে। এনে পৰিস্থিতিত চৰকাৰী চাকৰিলৈ অপেক্ষা নকৰি গহপুৰ মহকুমাৰ গহপুৰ নগৰৰ অন্তৰ্গত ধেনুধৰা গাঁৱৰ এগৰাকী উচ্চ শিক্ষিত যুৱকে কৃষি কৰ্মৰে স্বনিৰ্ভৰশীলতাৰ নিদৰ্শন দাঙি নিজৰ লগতে একাধিক যুৱকক জীৱন- জীৱিকাৰ পথ দেখুৱাবলৈ সক্ষম হৈছে। শাক-পাচলিৰ খেতিৰে স্বাবলম্বীতাৰ নিদৰ্শন দাঙি ধৰি জীৱন- জীৱিকাৰ সংগ্ৰামত অৱতীৰ্ণ হোৱা এই গৰাকী উচ্চ শিক্ষিত যুৱক হৈছে ধেনুধৰা গাঁৱৰ নিবাসী তিলেশ্বৰ হাজৰিকা আৰু থানেশ্বৰী হাজৰিকাৰ সুযোগ্য পুত্ৰ ভাস্কৰজ্যোতি হাজৰিকা। এগৰাকী মেধাৱী আৰু সমাজ সচেতন যুৱক হিচাবে গহপুৰত সুপৰিচিত ভাস্কৰজ্যোতি হাজৰিকাই ২০১৬ চনত ছয়দুৱাৰ মহাবিদ্যালয়ৰ পৰা অসমীয়া বিষয়ত সন্মান সহকাৰে সুখ্যাতিৰে স্নাতক ডিগ্ৰী অৰ্জন কৰে। স্নাতক ডিগ্ৰী অৰ্জন কৰা ভাস্কৰজ্যোতিয়ে চৰকাৰী চাকৰিলৈ অপেক্ষা নকৰি লগে লগে বিভিন্ন ধৰণৰ কৃষি কৰ্মত মনোনিবেশ কৰে। শেহতীয়াকৈ ভাস্কৰজ্যোতি হাজৰিকাই পাঁচ বিঘা মাটিত বিভিন্ন ধৰণৰ শাক-পাচলিৰ খেতি কৰি বিশেষ ভাবে লাভবান হ'বলৈ সক্ষম হৈছে। ভাস্কৰজ্যোতিয়ে জিকা, ৰঙালাও, তিঁয়হ, লেচেৰামাহ, তিতা কেৰেলা, ভাত কেৰেলা, জলকীয়া, ভোট জলকীয়া, ধুন্দুলি আদি শাক-পাচলিৰ খেতি কৰি আশানুৰূপ ফচল লাভ কৰিবলৈ সক্ষম হৈছে । নিজৰ লগতে দুজন যুৱককো কৰ্ম সংস্থাপন দিবলৈ সক্ষম হোৱা উচ্চ শিক্ষিত যুৱক ভাস্কৰজ্যোতিয়ে পথাৰৰ লগতে বজাৰ দখলৰ প্ৰয়াসেৰে উক্ত শাক-পাচলি নিজেই ঘৰে ঘৰে গৈ বিক্ৰী কৰি কৰ্ম সংস্কৃতিৰ আন এক নিদৰ্শন দাঙি ধৰিছে। উদ্যমী যুৱক ভাস্কৰজ্যোতিক উক্ত কৃষি কৰ্মত সহযোগিতা আগবঢ়াইছে গহপুৰৰ আন এগৰাকী উচ্চ শিক্ষিত যুৱক তথা উদীয়মান কবি, সাহিত্যসেৱী প্ৰাঞ্জল ফুকনে। অন্যহাতেদি গহপুৰৰ কৃষি বিভাগে ভাস্কৰজ্যোতিৰ উক্ত কৃষি কৰ্মৰ সহায়ক হোৱাকৈ বীজ, কীটনাশক আৰু এটা স্প্ৰে মেচিনৰ লগতে দিহা- পৰামৰ্শ প্ৰদান কৰি বিশেষ ভাবে সহযোগিতা আগবঢ়াইছে। কৃষি কৰ্মৰে ভৱিষ্যতৰ সোণালী সপোন ৰচনা কৰা ভাস্কৰজ্যোতি হাজৰিকাই অদূৰ ভৱিষ্যতে এক বিশাল তথা বিস্তৃত পৰিসৰত কৃষি কৰ্ম কৰাৰ পৰিকল্পনা প্ৰস্তুত কৰিছে বুলি জানিবলৈ দিছে। এই ক্ষেত্ৰত অসম চৰকাৰৰ কৃষি বিভাগৰ লগতে সংশ্লিষ্ট সকলো পক্ষৰে সহায়-সহযোগিতা ভাস্কৰজ্যোতি হাজৰিকাই কামনা কৰিছে।




Stay Safe, Stay Healthy
0361 23203 02
0361 23203 03
GNRC COVID-CARE CALL CENTRE


# পলাশবাৰীৰ সাপৰটাৰী পাব্লিক হেল্‌থৰ পাইপ ফটাৰ ফলত ভূমিস্খলন

### তৎপৰতাৰে ভূমিস্খলন ৰোধৰ ব্যৱস্থা জলসম্পদ বিভাগৰ বিষয়া-কৰ্মচাৰীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ৬ জুন ঃ** দক্ষিণ কামৰূপত পলাশবাৰী সমষ্টিৰ সাপৰটাৰীত কলহী নৈৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে ৰাজ্য চৰকাৰে ৫০ মিটাৰৰ বাবে ৭০ লাখ টকাৰ আঁচনি গ্ৰহণ কৰিছে। এই আঁচনিৰ কাম আবণ্টনৰ বাবে ঠিকাদাৰ অনিল ঠাকুৰীয়াই যোৱা মাৰ্চ মাহত আৱণ্টন লাভ কৰিছিল। কিন্তু ৰাজ্যত ক'ভিডকেন্দ্ৰিক পৰিস্থিতিৰ বাবে মিনি লকডাউন ঘোষণা কৰাত বিভাগীয়াভাৱে কাম কৰাৰ অনুমতি পোৱা নাছিল। কিন্তু আজি দুই-তিনিদিন ধৰি উক্ত অঞ্চলৰ মাটি খহি পৰাত নিচেই কাষতে থকা ৰাজহুৱা পথ বাৰিষা আহিলেই কলহি নৈয়ে খহাই লৈ যোৱাৰ শংকাত আতংকিত হৈ পৰিছিল ৰাইজে। কিন্তু আজি বিভাগীয় বিষয়া আৰু ঠিকাদাৰ অনিল ঠাকুৰীয়া উক্ত স্থানত উপস্থিত হৈ খহনীয়া প্ৰতিৰোধৰ কাম আৰম্ভ কৰাৰ সময়তে ৰাইজৰ মাজত এক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। স্থানীয় লোকৰ অভিযোগমতে উক্ত আঁচনি কামৰ বাবে ঠিকাদাৰৰ মতে উঠা বহা কৰে বিভাগীয় বিষয়া-কৰ্মচাৰী। পলাশবাৰীৰ সমষ্টিৰ সাপৰটাৰী কলহীকাষত কলহী নদীৰ নিচেই কাষতে থকা একমাত্ৰ পথচোৱাৰ বাবে ভাবুকী কঢ়িয়াই অনাৰ বাবে বহু গাঁৱৰ লোকে আতংকিত হৈ পৰিছে। এদিনতেই বহু ঠাইত খহনীয়া হোৱাৰ খবৰ লাভ কৰাৰ পিছতে আজি বিভাগীয় বিষয়া তথা ঠিকাদাৰ উপস্থিত হোৱাত ৰাইজৰ প্ৰতিবাদৰ সন্মুখীন হয় বিষয়া ঠিকাদাৰ। ৰাইজৰ অভিযোগমতে কলহী নৈৰ খহনীয়া প্ৰতিৰোধৰ বাবে জিঅ' বেগ আৰু পাৰ্কুপাইনেৰে কাম কৰিব লাগে যদিও খহনীয়া হোৱা অঞ্চলত জিঅ' বেগত মাটি-বালি ভৰাই ঠিকাদাৰে প্ৰতিৰোধৰ কাম আৰম্ভ কৰিছে। এতিয়া জধে মধে মাটি-বালি ভৰাই কাম কৰিলে ৰাইজে অতি নিম্ন মানৰ হ'ব বুলি উল্লেখ কৰে। আনহাতে এই খহনীয়াৰ প্ৰতিৰোধৰ ঠিকা লাভ কৰাৰ ঠিকাদাৰজনে কাম আৰম্ভ নকৰাৰ বিষয়ে সাংবাদিকে জানিব বিচৰাত তেও দায়সৰা মন্তব্য দিয়া বুলি ৰাইজে অভিযোগ কৰিছে। আনহাতে পলাশবাৰী গুমি প্ৰকল্পৰ বিষয়া-কৰ্মচাৰীসকলে ঘটনাস্থলীত উপস্থিত হৈ পৰ্যাবেক্ষণ কৰি জানিবলৈ দিয়ে যে কলহী নৈৰ গাতে লাগি থকা পৰিক হেল্ডথৰ পাইপ লাইন ফটাৰ ফলত পানী ওলাই আহি ওপৰৰ মাটি ভাগ খহাই লৈ যায়। পিছত পৰিক হেল্‌থৰ কৰ্মচাৰী আহি পাইপৰ ফটা অংশ মেৰামতি কৰি পানী ওলাই যোৱা বন্ধ কৰি দিয়ে। পিছত জলসম্পদ বিভাগৰ অভিযন্তা আৰু সহকাৰী অভিযন্তাৰ উপস্থিতিত কৰ্মচাৰীসকলে যুদ্ধকালীন ভাৱে কাম কৰি বাঁহ আৰু জিঅ' বেগ পেলাই দিয়ে। যাতে কলহী নৈৰ পানীৰ সোঁতে উক্ত অঞ্চল খহাই নিব নোৱাৰে। পলাশবাৰী গুমি প্ৰকল্পৰ সংমণ্ডলৰ কাৰ্যবাহী অভিযন্তা দ্বীপেন শৰ্মাৰ নেতৃত্বত সহকাৰী কাৰ্যবাহী অভিযন্তা প্ৰদীপ মেধী, সহকাৰী অভিযন্তা দীপক তালুকদাৰ, কুলেন দাস, কনিষ্ঠ অভিযন্তা বিভুতি শ্যামন্ত, পৰমেশ্বৰ দাসৰ উপস্থিতিত উক্ত অঞ্চলত দিনে নিশা কাম কৰি কলহী নৈৰ খহনীয়া ৰোধৰ বাবে কাম কৰিব বুলি জানিবলৈ দিয়ে বিষয়াসকলে।

### ডিমৌ বৰুৱা চাংমাই ক'ভিড চেণ্টাৰত

# বিধায়ক সুশান্ত বৰগোহাঞিয়ে বুজ ল'লে ক'ভিড ৰোগীৰ স্বাস্থ্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিমৌ, ৬ জুন ঃ** শিৱসাগৰ জিলাৰ ১০৭ নং থাওৰা বিধানসভা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁই ১ জুনত পি পি ই কিট পিন্ধি ডিমৌ বৰুৱা চাংমাইস্হিত কাৰিকৰী শিক্ষা প্ৰতিষ্ঠানত চিকিৎসাধীন হৈ থকা কোভিড ৰোগীৰ স্বাস্থ্যৰ বুজ ললে। জনসাধানৰণৰ সেৱাত ব্ৰতী হৈছে পি পি ই কিট পৰিধান কৰি ডিমৌ বৰুৱা চাংমাইস্থিত কোভিড কেয়াৰ চেণ্টাৰত থকা কোভিড আক্ৰান্ত সকলৰ কাষত থিয় দি স্বাস্থ্যৰ বুজ লয়। কোভিড কেয়াৰ চেণ্টাৰত থকা প্ৰায় ৮৮ গৰাকী কোভিড আক্ৰান্তৰ সৈতে মত বিনিময় কৰি তেওঁলোকক মানসিক ভাৱে শক্তিশালী হৈ থাকিবলৈ আহ্বান জনায় বিধায়ক সুশান্ত বৰগোহাঁইয়ে। ইপিনে দুবাৰকৈ ক'ভিড আক্ৰান্ত হৈ আৰোগ্য লাভ কৰা জনপ্ৰতিনিধি গৰাকীৰ এনে মানৱদৰদী কৰ্মক সকলোৱে শলাগ লৈছে। বিধায়ক জনে লগতে ৰোগী সকলৰ খাদ্য, ঔষধ আদিও সথিকমতে ৰোগীয়ে লাভ কৰিছে নে নাই সেই দিশৰ ওপৰত তীক্ষ্ণ নজৰ ৰখা হৈছে বুলি ব্যক্ত কৰে।

### দৰঙত মহিলা সবলীকৰণত 'ছত্ৰ'ৰ উল্লেখনীয় পদক্ষেপ

# ৬০খন গাঁৱৰ ৫০০ গৰাকী শিপিনীক বোৱা-কটাৰে অৰ্থনৈতিক বিকাশ সাধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ৬ জুন ঃ** দৰং জিলাৰ ছিপাঝাৰৰ এক অগ্ৰণী সামাজিক স্বেচ্ছাসেৱী অনুষ্ঠান 'ছত্ৰ'। জন্মলগ্নৰে পৰাই 'ছত্ৰ'ই পিছপৰা গাঁও সমূহৰ অৰ্থনৈতিক বিকাশৰ বাবে অবিৰাম বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। বিশেষকৈ মহিলা সকলৰ স্বাৱলম্বিতাৰ বাবে পলু পালন, ঘৰুৱা শাক পাচলিৰ বাগিছা, মৌ- পালন, ছাগলী পালন, কপাহী কাপোৰৰ(গামোচা,শাৰী,মেখেলা, থান কাপোৰ)আদিৰ প্ৰশিক্ষণ প্ৰদান কৰি আহিছে। গাঁৱৰ শিপিনী সকলৰ ওপৰত 'ছত্ৰ'ই কৰা এক ক্ষেত্ৰ ভিত্তিক অধ্যয়ণত এই কথা পৰিষ্কাৰ হৈ পৰিছে যে উপযুক্ত বজাৰৰ অভাৱত আৰু সূতাৰ গুণগত মান সঠিক নোহোৱাৰ বাবে শিপিনী সকলৰ উৎপাদিত কাপোৰ নিজৰ বাকছতেই সাঁচি ৰাখিব লগীয়া হৈছিল।এই ক্ষেত্ৰত 'ছত্ৰ'ই এক সুস্থিৰ পৰিকল্পনাৰে শিপিনী সকলক প্ৰশিক্ষণৰ মাধ্যমত দক্ষতা বৃদ্ধি কৰি কাপোৰ ব'বলৈ অনুপ্ৰাণিত কৰে। ইতিমধ্যে পাঁচ শতাধিক শিপিনীয়ে 'ছত্ৰ'ৰ উক্ত প্ৰকল্পত জড়িত হৈ স্বাৱলম্বিতাৰ দিশত অগ্ৰসৰ হৈছে।যাৰ হাতত সূতা কিনিবলৈ টকা নাছিল তেনে শিপিনীয়ে 'ছত্ৰ'ৰ পৰা সূতালৈ নিজ হাতে কাপোৰ বৈ উপাৰ্জন কৰিবলৈ সক্ষম হৈছে।'ছত্ৰ'ই বিভিন্ন সময়ত প্ৰশিক্ষণৰ মাধ্যমত কাপোৰৰ সঠিক জোখ-মাপ,সূতাৰ গুণগত মানদণ্ড,চানেকি আদিৰ ওপৰত বিশেষ ভাৱে প্ৰশিক্ষণ প্ৰদান কৰে।তদুপৰি সূতাৰ মানদণ্ডৰ ক্ষেত্ৰত যাতে কোনো আপোচ কৰা নহয় তাৰ বাবে 'ছত্ৰ'ই উন্নত মানদণ্ডৰ সূতা শিপিনী সকলক যোগান ধৰি আহিছে। তদুপৰি প্ৰতিখন গামোচা নাইবা অন্য কাপোৰ বৈ দিয়াৰ বাবদ প্ৰত্যেক মাহৰ প্ৰথম সপ্তাহত উপযুক্ত মাননি বেংক একাউণ্ট যোগে প্ৰদান কৰি আহিছে।শিপিনী সকলক ঘৰত গৈ সূতা যোগান ধৰা,মাজে- মাজে শিপিনী গৰাকীৰ কাম -কাজৰ পৰ্যবেক্ষণ কৰা,অধিক উপাৰ্জনৰ বাবে পৰামৰ্শ প্ৰদান আদি কাম সমূহ 'ছত্ৰ'ৰ ক্ষেত্ৰ কৰ্মীয়ে দৈনন্দিন কৰি আহিছে। লক্ষণীয় যে মাহৰ শেষত কাপোৰ সমূহ সংগ্ৰহ কৰি কাৰ্যালয়ৰ পৰা অৰ্ডাৰ অনুসৰি ৰাজ্য খনৰ বিভিন্ন ঠাইৰ লগতে দেশৰ বিভিন্ন ঠাইলৈ প্ৰেৰণ কৰি আহিছে।বিশেষকৈ এইবাৰ বিহুৰ সময়ত 'ছত্ৰ'ই সাজু কৰি তুলিছিল ২০০০ খন গামোচা। ছিপাঝাৰ অঞ্চলৰ দক্ষিণচুবুৰীৰ পুতুলী শৰ্মা, মালতী শৰ্মা, কবৈছুবাৰ উত্তৰা দেৱী, ললিতা দেৱী, আঠিয়াবাৰীৰ ননীবালা দেৱী,পদুমী দেৱী, ঝাকুৰাপাৰাৰ সাবিত্ৰী ডেকা, নৰ্দ্দা ডেকা, নাৰিকলিৰ পুষ্পলতা দেৱী, পুষ্পঞ্জলি দেৱী, ভুক্তাবাৰীৰ সৰুকণ বণিয়া,পূৰবী বণিয়া, নিজ ছিপাঝাৰৰ জোনালী দেৱী,পূৰ্ণিমা দেৱী, দুনীৰ হৰিদ্ৰা দাস, ৰূপালী দাস, হাতীমূৰীয়াৰ ঘুতুলী দেৱী,ৰঞ্জুমণি চহৰীয়া, বালিপোটাৰ কৰুণাময়ী দেৱী, চানভানু বেগম, বালিপাৰাৰ কৌশল্যা দেৱী, গোলাপী নাথ, নগাঁওৰ সাৰদা বৰা,বীণা হাজৰিকা, স'লপামৰ কল্পনা নাথ , নিবেদিতা নাথ, ঢেকীপাৰাৰ নমিতা ডেকা,ৰূপালী বৰা আদি শিপিনী সকলৰ মসৃণ হাতৰ পৰশত প্ৰাণ পাই উঠিছে বিহু গামোচা।


## প্ৰেছ বাৰ্তা

নেপকোৰ অধীনৰ অৰুণাচল প্ৰদেশত অৱস্থিত ৰঙানদী জলবিদ্যুৎ প্ৰকল্পৰ পৰা অতিৰিক্ত পানী মোকলাই দিয়া সন্দৰ্ভত বিভিন্ন পক্ষৰ প্ৰতিক্ৰিয়াৰ বাবে নিম্নলিখিত স্পষ্টীকৰণ দাঙি ধৰা হ'ল।

ৰঙানদী জলবিদ্যুৎ প্ৰকল্প হ'ল বোঁৱতী সোঁত বা 'ৰান অফ দা ৰিভাৰ' প্ৰকল্প যত অতি সামান্য পৰিমাণৰ পানীহে ধৰি ৰখাৰ সুবিধা আছে। ৰঙানদী প্ৰকল্পৰ উজনিৰ স্থানসমূহত হোৱা বৰষুণৰ ফলত ৰঙানদীয়েদি বৈ অহা এক নিৰ্দিষ্ট প্ৰবাহহে ৰঙানদী জলাধাৰে সংৰক্ষণ কৰিব পাৰে। যেতিয়া ৰঙানদীৰ উজনি অঞ্চলত প্ৰচুৰ বৰষুণ হয়, তেতিয়া জলাধাৰৰ সঞ্চয় ক্ষমতাৰ বাহিৰৰ অতিৰিক্ত পানীখিনি বান্ধৰ ওপৰৰ গে'টৰ মাজেৰে পাৰ হৈ যায়। অৰ্থাৎ গে'টৰ জৰিয়তে যি পানী মোকলাই দিয়া হয়, সেয়া কেৱল মাত্ৰাধিক বৰষুণৰ ফলত জমা হোৱা অতিৰিক্ত পানী যাক প্ৰকল্পৰ জলাধাৰে ধৰি ৰাখিব নোৱাৰে, তাত ৰঙানদী প্ৰকল্পৰ কোনো হাত নাই। ইয়াৰ উপৰিও মন কৰিবলগীয়া যে এই প্ৰকল্পই চেকেণ্ডত ১৬০ ঘনমিটাৰ পানী নিকটৱৰ্তী 'পাৰে' অৱবাহিকালৈ স্থানান্তৰ কৰি ৰঙানদীত বানপানীৰ পৰিমাণ হ্ৰাসহে কৰে। যদিহে ৰঙানদী প্ৰকল্প নাথাকিলেহেঁতেন, তেতিয়াও সম পৰিমাণ বা তাতকৈ বেছি পানীহে একেদৰে ভৈয়ামৰ সমতললৈ বৈ আহিলেহেঁতেন।


ৰঙানদীৰ বহুকেইখন উপনৈ আছে, আনকি প্ৰকল্পৰ বান্ধৰ নামনি অংশতো কেইবাখনো সৰু সৰু নদী আহি ৰঙানদীত পৰিছেহি। এই সকলো পানী ৰঙানদীৰ মাজেৰে বৈ গৈ অসমত প্ৰৱেশ কৰে। কিন্তু জনসমাজত এক ভ্ৰান্ত ধাৰণা প্ৰচলিত আছে যে লক্ষীমপুৰত বানপানী হয় কেৱল ৰঙানদী প্ৰকল্পই পানী এৰি দিয়াৰ বাবেহে। লক্ষীমপুৰ অঞ্চলত প্ৰাকৃতিকভাৱেই বানপ্ৰৱণ আৰু ৰঙানদী প্ৰকল্প নিৰ্মাণৰ আগৰ পৰাই এই অঞ্চলত বানপানী হৈ আহিছে আৰু পাহাৰীয়া অঞ্চলত হোৱা অতিৰিক্ত বৃষ্টিপাতেই ইয়াৰ মূল কাৰণ। এই সময়তো লক্ষীমপুৰৰ দাঁতিকাষৰীয়া পাহাৰীয়া অঞ্চলত হোৱা ধাৰাসাৰ বৰষুণৰ বাবেই লক্ষীমপুৰৰ সকলো নদী পানীৰে ওফন্দি পৰিছে।

যোৱা ৫ জুন ২০২১ তাৰিখে ৰঙানদীৰ ওপৰৰ অংশত হোৱা প্ৰৱল বৃষ্টিপাতৰ বাবে, মাথোঁ এঘণ্টাৰ ভিতৰতে পানীৰ পৰিমাণ ৯১ ঘনমিটাৰৰ প্ৰতিচেকেণ্ডৰ পৰা বৃদ্ধি হৈ ৪২০ ঘনমিটাৰ প্ৰতি চেকেণ্ডত হৈছিলগৈ, আৱেলি এক বজাৰ পৰা দুই বজাৰ ভিতৰত। ৰিজাৰ্ভাৰৰ সম্পূৰ্ণ ক্ষমতাৰে ধৰি ৰাখিব পৰা পানীখিনি ব্যৱহাৰ কৰাৰ পিছত অতিৰিক্ত পানীখিনি আধিকৃত এছ.অ.পি (Standard Operating Procedure) অনুসৰি এৰি দিয়া হৈছিল, আৰু সেয়ে কৰা হৈছিল নামনি অঞ্চলসমূহৰ বাবে প্ৰয়োজনীয় সম্পূৰ্ণ সুৰক্ষা প্ৰটক'ল তথা সতৰ্কবাণী জাৰি কৰাৰ পাছত। লগতে জিলা প্ৰশাসনকো সময়মতে সকলো জাননী দিয়া হৈছিল।

বানপানীৰ এই আগতীয়া সতৰ্কবাণী আৰু সজাগতাৰ প্ৰক্ৰিয়াটো ভাৰত চৰকাৰৰ ইচৰো (ISRO)ৰ অধীনস্থ নৰ্থ ইষ্ট স্পেচ এপ্লিকেচন চেণ্টাৰৰ (NESAC) জৰিয়তে প্ৰস্তুত কৰা হয়।

NORTH EASTERN ELECTRIC POWER CORPORATION LIMITED
(A Government of India Enterprise)


# হোজাইত বন্যহস্তীয়ে বিধ্বস্ত কৰিলে কেইবাটাও ঘৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, হোজাই, ৬ জুন ঃ** হোজাইত অব্যাহত আছে বন্য হস্তীৰ উপদ্ৰৱ, বিশেষকৈ নন্দপুৰ, ন-ভঙা, কোমোৰাকটা, ৰাইকটা, হাৰাইপুৰ আদি অঞ্চলত বন্যহস্তীৰ উপদ্ৰৱ নিত্য-নৈমিত্তিক ঘটনাত পৰিণত হৈছে। আজি নিশা পুণৰ ৰাইকটা ইছলামপুৰৰ দাস বস্তিত কেইবাটা ঘৰত উপদ্ৰৱ চলালে বন্যহস্তীৰ দলে। অঞ্জনা বিশ্বাসৰ ঘৰ ভাঙি তহিলং কৰে বন্যহস্তীৰ জাকে। অঞ্জনা বিশ্বাসে নিজৰ লৰা-ছোৱালীক লৈ কোনোমতে প্ৰাণ ৰক্ষা কৰিবলৈ সক্ষম হয় যদিও ঘৰৰ দুয়ো ফালৰ বেৰ ভাঙি দিয়াৰ লগতে বাচন-বৰ্তন, বিছনা ইত্যাদি ভাঙি হতিলং কৰে। উল্লেখ যে, অঞ্জনা বিশ্বাসৰ বাসগৃহটি এক সপ্তাহৰ পূৰ্বেও বেৰ ভাঙি ধান খাই পেলাইছিল। অঞ্জনা বিশ্বাসে মন্তব্য দিয়া অনুসৰি মানসিক বিকাৰগ্ৰস্ত স্বামী ঘৰৰ পৰা প্ৰায় ডেৰ বছৰ পূৰ্বে ওলাই যোৱাৰে পৰা কোনো শুংসুত্ৰ নাই, যাৰ বাবে পাচঁটি সন্তান লৈ দিন হাজিৰা কৰি জীৱন নিৰ্বাহ কৰি আহিছে আৰু সপ্তাহৰ ভিতৰত থকা ঘৰটি দুবাৰকৈ ভাঙি পেলোলে। অন্যহাতে হাতীৰ জাকে আৰতি বালা দাসৰ বাসগৃহৰ বেৰ ভাঙি এক বস্তা ধনিয়া আৰু চাউল খোৱাৰ ওপৰিও কুঞ্জলাল বিস্বাস আৰু মহেন্দ্ৰ দাসৰ বাসগৃহৰো ক্ষতি কৰে। স্থানীয় লোকসকলৰ তৎপৰতাত আৰু বন বিভাগৰ লোকৰ সহায়ত খেদি পঠিয়াবলৈ সক্ষম হয় হস্তীৰ জাকটোক। ইফালে নিশা ৰাইকটা চন্দনপুৰতো এটা বন্যহস্তীয়ে মহৰ আলীৰ পকী দেৱাল ভাঙে যদিও চুবুৰীয়াৰ তৎপৰতাত তাৰ পৰা পলায়ন কৰি ৰক্ষা পৰে। উল্লেখ যে, বিগত বহু দিনৰে পৰা বন্যহস্তী বোৰে হোজাইৰ দাতিঁকাষৰিয়া বিভিন্ন অঞ্চলসমূহত খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা জনাঞ্চলত প্ৰৱেশ কৰি ত্ৰাসৰ সৃষ্টি কৰিছে, যাৰ ফলত বিনিদ্ৰ ৰজনীত কটাবলগীয়া হৈছে অঞ্চলবাসী। বন বিভাগৰ লোক সকলে অঞ্চলত পহৰা দিয়ে যদিও বন্যহস্তীৰ উপদ্ৰৱ কমাবলৈ ব্যৰ্থ হোৱা পৰিলক্ষীত হৈছে। অন্যহাতে পঞ্চায়তৰ পৰা মোকালাই দিয়া হাতী ৰোধীবলৈ বিশেষ মেচিন বিধক সৎ ব্যৱহাৰ নকৰি ব্যক্তিগত কামত ব্যৱহাৰ কৰাৰো গুৰুতৰ অভিযোগ তুলিছে একাংশ স্থানীয়ই। অনাগত দিনসমূহত বিভাগে কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰে এয়া হ'ব লক্ষনীয়।

দৈনন্দিন বাৰ্তা

সম্পাদকীয়

৭ জুন ■ ২০২১ ■ ২৩ জেঠ ■ গুৱাহাটী

## ক'ভিড কেয়াৰ কেন্দ্ৰ আৰু চিকিৎসকক আক্ৰমণ

সমগ্ৰ দেশৰ লগতে অসম ৰাজ্য এতিয়া কৰ'নাৰ দ্বিতীয় ঢৌৰে কোবাই আছে। কতজনৰ মৃত্যু হৈছে, কতজনে অক্সিজেনৰ কাৰণে হাস্পতালৰ বিছনাত কক্‌বকাই আছে। স্কুল-কলেজ, ব্যৱসায় প্ৰতিষ্ঠান সকলো বন্ধ হৈছে। শিক্ষাৰ্থী, পৰীক্ষাৰ্থীসকলে মানসিকভাৱে ভাগি পৰিছে। কি এক পৰিস্থিতিৰ সৃষ্টি হৈছে এয়া সকলোৰে নিশ্চয় জ্ঞাত। স্বাস্থ্য বিভাগ আৰু চিকিৎসকসকল দিনে-নিশাই চিকিৎসাত ব্যস্ত থকাৰ পাছতো একাংশ ক'ভিড ৰোগীৰ মৃত্যু হৈছে। ৰোগীক পলমকৈ চিকিৎসালয়লৈ নিয়াৰ ফলত এনে ধৰণৰ জটিলতাই দেখা গৈছে। কাৰণ ৰোগ নিৰাময়ৰ কোনো ঔষধ নাই, সেয়ে আগতীয়াকৈ চিনাক্ত কৰা আৰু শীঘ্ৰে হাস্পতালত ভৰ্তি কৰাৰ বাবে চৰকাৰে আহ্বান জনাই আহিছে। স্বাস্থ্য বিভাগ আৰু চৰকাৰৰ আহ্বানৰ প্ৰতি ইতিবাচক সঁহাৰি নিদি বিপদৰ সন্মুখীন হৈছে। কিন্তু ক'ভিড মহামাৰীত মৃত্যু হোৱাৰ বাবে ৰাজ্যখনত ক'তো চিকিৎসক, নাৰ্ছক আক্ৰমণ কৰাৰ ঘটনা সংঘটিত হোৱা নাছিল। অৱশেষত যোৱা এক জুনত হোজাই জিলাৰ লংকাৰ উদালি ক'ভিড কেয়াৰ কেন্দ্ৰত এজন চিকিৎসকক এদল দুৰ্বৃত্তই বৰ্বৰতাৰে আক্ৰমণ কৰে। ইয়াৰ প্ৰতিবাদ তথা প্ৰতি জিলা, সমগ্ৰ ৰাজ্যজুৰি অব্যাহত আছে। ইয়াৰ উপৰি এগৰাকী নাৰ্ছকো দলটোৱে প্ৰহাৰ কৰিছিল। উল্লেখ্য যে এজন ক'ভিড ৰোগীৰ মৃত্যু হোৱাত ৰোগীৰ সম্পৰ্কীয় তথা অন্যান্য এটা দলে চিকিৎসকৰ ওপৰত এইদৰে বৰ্বৰ আক্ৰমণ চলায়। আৰক্ষীয়ে ঘটনাত জড়িত ২৪জনক গ্ৰেপ্তাৰ কৰিছে। চৰকাৰে এনে আক্ৰমণ কোনো ঠাইতে নোহোৱাৰ প্ৰতি লক্ষ্য ৰাখি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। অৱশ্যে স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। অৱশ্যে স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে কঠোৰ ব্যৱস্থাৰ আশ্বাস প্ৰদান কৰিছে। অপৰাধীক ফাষ্টট্ৰেক আদালতত বিচাৰ কৰি শাস্তি প্ৰদানৰ কথাও কৈছে। মুখ্যমন্ত্ৰীয়েও ক্ষিপ্ৰতাৰে বিচাৰ হোৱাৰ কথা কৈছে। ৰাইজেও বিচাৰে আৰক্ষীয়ে গোচৰ ক্ষিপ্ৰতাৰে সম্পূৰ্ণ কৰাৰ। ভৱিষ্যতে যাতে এনে ধৰণৰ ঘটনা পুনৰ সংঘটিত হ'ব নোৱাৰে আৰক্ষী প্ৰশাসনে নিশ্চিত কৰিব লাগিব। চিকিৎসক, নাৰ্ছসকল আমিও নিৰাপদ নহয়। এচাম উদণ্ডৰ দলে চিকিৎসকক প্ৰহাৰ কৰিবলৈ কুণ্ঠাবোধ নকৰে। চৰকাৰে সেয়ে এনে আক্ৰমণ বন্ধ কৰিব লাগিব। লগতে চৰকাৰে চিকিৎসকৰ ভুল চিকিৎসাৰ বাবে গোচৰ দিয়া নাইবা অপৰাধী চিকিৎসকক শাস্তি বিহাৰ ব্যৱস্থাৰ কথা ৰাইজে আশা কৰিব পাৰে। স্বাস্থ্য বিভাগ আৰু চৰকাৰৰ বাবে তাৎক্ষণিক এনে ব্যৱস্থাইহে সমস্যাৰ সমাধান কৰিব।



## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

### কৰ'না অতিমাৰীৰ সময়ত ঔষধৰ মূল্য

দেশৰ স্বাস্থ্য কৰ্মীসকলে কৰ'না অতিমাৰীৰ কালত নিজৰ জীৱনক তুচ্ছ কৰি জনতাক জীৱন দান দিবলৈ নিজে আত্মাহুতি দিছে। এনে এক পৰিৱেশতো কিছুমান ভণ্ড ব্যৱসায়ীয়ে নিজৰ মুনাফাৰ বাবে সৰ্বসাধাৰণ ৰাইজৰ মূৰত ৰাম টাঙোন শোধাবলৈ এৰা নাই। অন্য ব্যৱসায়ৰ কথা নকওঁৱেই স্বয়ং স্বাস্থ্যৰ লগত জড়িত ব্যৱসায়ীসকলৰ কিছুসংখ্যকে নকল ঔষধ, নকল মাস্ক, নকল অক্সিমিটাৰ, নকল ব্লাড প্ৰেচাৰ মেচিন আদিৰ ৰমৰমীয়া ব্যৱসায় চলাই আছে। এইক্ষেত্ৰত প্ৰশাসনে চকু নিদিলে সাধাৰণ মানুহখিনিয়ে ইয়াৰ ফল ভোগ কৰিব লাগিব। নকল ঔষধৰ পিছে পিছে ব্ৰেণ্ডেড ঔষধৰ বৰ্ধিত মূল্যয়ো মানুহক জলা-কলা খুৱাইছে। ব্ৰেণ্ডেড যিখিনি ঔষধ বজাৰত পোৱা যায় সেইখিনিকে চিকিৎসকসকলে আমাক প্ৰেচক্ৰাইব কৰে। যাৰ বাবে সাধাৰণ জীৱন যাপন কৰা লোকসকলে চিকিৎসাৰ ব্যয় বহন কৰিব নোৱাৰি মৃত্যুমুখত পৰিব লগা হয়। এইক্ষেত্ৰত চৰকাৰ তথা স্বাস্থ্য বিভাগে ব্ৰেণ্ডেড ঔষধৰ সলনি জেনেৰিক ঔষধৰ ওপৰত গুৰুত্ব দিলে জনসাধাৰণ যথেষ্ট উপকৃত হ'ব।

জেনেৰিক মেডিচিন কি? সৰহসংখ্যক ডাক্তৰে কিয় জেনেৰিক মেডিচিন প্ৰেচক্ৰাইব নকৰে? ভাৰত তথা অসমৰ ফাৰ্মাচীবোৰত জেনেৰিক মেডিচিন পোৱা যায়নে? ভাৰত চৰকাৰ এই বিষয়ত মৌন কিয়? ভাৰতবাসীৰে দুৰ্ভাগ্য যে আমাৰ ডাক্তৰসকলে চিকিৎসা ঠিকেই কৰে, ঔষধো সঠিক দিয়ে কিন্তু কোম্পানীৰ নাম ধৰি লিখা ঔষধে ৰোগী আৰু ৰোগীৰ পৰিয়ালক সৰ্বস্বান্ত কৰি তোলে। জেনেৰিকৰ অৰ্থ হ'ল এটা ঔষধত নিহিত থকা সকলো দ্ৰব্যৰ সমপৰিমাণ, সম কাৰ্যক্ষমতা থকা ঔষধ। অৰ্থাৎ ব্ৰেণ্ডেড ঔষধে যিটো কাম কৰিব সেই একেই কাম জেনেৰিক ঔষধেও কৰিব। পাৰ্থক্য কেৱল দামৰ। ব্ৰেণ্ডেড ঔষধৰ দামতকৈ জেনেৰিক ঔষধৰ মূল্য বহুত কম। এটা ব্ৰেণ্ডেড ঔষধৰ দাম যদি ১০০ টকা হয়, জেনেৰিকৰ দাম অতি বেছি ১২ টকা মানহে হ'ব। ভাবি চাওক ব্ৰেণ্ডৰ নামত আমাক কিমান টকা লুটি আছে এই কোম্পানীবোৰে? ব্ৰেণ্ডেড কোম্পানীবোৰে অধিকসংখ্যক ডাক্তৰ আৰু দৰবৰ ব্যৱসায়ীৰ লগত সু-সম্পৰ্ক ৰক্ষা কৰি থাকে। এইক্ষেত্ৰত চৰকাৰে চকু মুদা কুলিৰ ভাও ধৰি থাকিলে জনকল্যাণৰ নামত ৰাইজৰ গাঁঠিৰ ধন অপচয় হৈয়ে থাকিব। অৱশ্যে আজিকালি প্ৰত্যেক জিলাতে দুই-চাৰিখন জেনেৰিক ঔষধৰ দোকান আছে যদিও জনসাধাৰণ এতিয়াও সজাগ নহয় বা নাজানে। সেয়ে ডাক্তৰে যি কোম্পানীৰ লিখে বা দোকানীয়ে যি দিয়ে তাকে লৈয়ে সন্তুষ্ট থাকিব লগা হয়। বৰ্তমান ক'ভিডৰ বাবে যি পৰিস্থিতিৰ উদ্ভৱ হৈছে, ডাক্তৰসকলে বা ঔষধৰ দোকানীয়ে জেনেৰিক ঔষধ প্ৰচলন কৰিলে ৰাইজ যথেষ্ট উপকৃত হ'ব।

■ যুগল কিশোৰ
ফোন ঃ ৮৬৩৮৭-৩৭৩২৬

### মাইক্ৰ' ফাইনেন্সৰ ঋণ মাফ আৰু মূল্যবৃদ্ধি

মূল্যবৃদ্ধিৰ গ্ৰাসে ইতিমধ্যে জুৰুলা কৰিছে সকলোকে। বিশেষকৈ মধ্যবিত্ত পৰিয়ালক, দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ লোকে লাভ কৰে বিনামূলীয়া চাউল আৰু বানপানী, কৰ'না আদিকে ধৰি পৰিস্থিতিৰ বাবে চাউল, দালি, আনফালে সাধাৰণ চতুৰ্থ, তৃতীয় শ্ৰেণীৰ কৰ্মচাৰীসকলে লাভ নকৰে কোনো চৰকাৰী সাহায্য। সেই বাবেই মূল্যবৃদ্ধিৰ তালিকাই মধ্যবিত্ত পৰিয়ালক বেছিকৈ হাহাকাৰ কৰে। কিন্তু গুৰুত্বপূৰ্ণ কথা এইটো যে মাইক্ৰ' ফাইনেন্সৰ ঋণ মাফ কৰাৰ কথাক লৈ বহু মত-বিতৰ্ক সৃষ্টি হোৱা দেখা গৈছে, কাৰণ এইখন অসমত এনে লোকো আছে যিয়ে ঘৰ বনোৱা, ম'বাইল কিনাৰ বাবেও ঋণ লয়। আনহাতে ঋণ মাফ কৰি চৰকাৰে এককালীন বিপদৰ পৰা উদ্ধাৰ কৰাতকৈ তেওঁলোকে নিজে সদায় উপাৰ্জন কৰি খাব পৰাকৈ উদ্যোগ গঢ়ক য'ত সকলো শ্ৰেণীৰ লোক লাভৱান হ'ব। অন্যথা মাইক্ৰ' ফাইনেন্সৰ ঋণ মাফ কৰাৰ অজুহাতত মূল্যবৃদ্ধিৰে কৰ- কাটলৰে ৰাজকোষ ভৰাব আৰু সেই ৰাজকোষৰ ধনেৰে আমাক আঁচনি দিব, সেয়েহে চৰকাৰলৈ অনুৰোধ— প্ৰকৃত উন্নয়নৰ পদক্ষেপ লওক।

■ শোভাশ্ৰী বাৰিক
ফোন ঃ ৬০০০০-৩১৩১৯

**প্ৰসংগ ঃ অসম- নাগালেণ্ড সীমান্তৰ জুইকুৰা**

# পাহৰিলে নতুন পুৰুষে গদাপাণি-ডালিমীৰ কাহিনী



■ বিমান শইকীয়া

জুইকুৰা এতিয়া দপ্‌দপ্‌কৈ জ্বলিছে। আগতে উমি উমি জ্বলি আছিল। তুঁহ জুইৰ দৰে জ্বলি থকা জুইকুৰা কোনে দপ্‌দপকৈ জ্বলালে? অভিযোগ-প্ৰতি অভিযোগ বহুত হ'ল। অসম-নাগালেণ্ড সীমান্তৰ অসমীয়া মানুহে সঁচাকৈ নগা লোকৰ অত্যাচাৰ, নিৰ্যাতন ভোগ কৰিছে নেকি? কোনে কাক অত্যাচাৰ কৰে? অসমৰ সংবাদ পত্ৰকে ধৰি সংবাদ মাধ্যমৰ সকলোতে এটাই কথা বহু দিনৰে পৰা শুনি আছোঁ যে নগাই সীমান্তত বেদখল কৰিছে আৰু সীমান্তত অসমীয়া মানুহৰ ঘৰ জ্বলাইছে। কেতিয়াবা শুনো নগাই অসমীয়া মানুহক মাৰিছে। কিন্তু আন এখন জগত এই দুই ৰাজ্যৰ সীমান্তত চলি আছে। অবৈধ ব্যৱসায় কাঠৰ আছে, কয়লাৰ আছে। আটাইতকৈ ডাঙৰ কথাটো হ'ল— সীমান্তত থকা নগা লোকৰ লগত অসমীয়া মানুহৰ আদান-প্ৰদান। মোৰ এটা জীয়া কাহিনী মনত পৰিছে। ই হয়তোবা বুৰঞ্জীয়েই। ২০০১ বৰ্ষৰ পৰা গোলাঘাট সমষ্টিৰ বিধায়ক আছিল অজন্তা নেওগ। তেওঁৰ কাৰ্যকালত মই গোলাঘাটৰ দৈয়াং বনাঞ্চললৈ গৈছিলোঁ। তেতিয়া দৈয়াং বনাঞ্চল নহয়, জনাঞ্চল হ'ল। দৈয়াঙৰ বৰ্ণালী খেলপথাৰত বিধায়িকা অজন্তা নেওগে এখন জনসভাত বক্তৃতা দি আছিল। মই আৰু মোৰ সতীৰ্থ অনন্ত খনিকৰ আৰু প্ৰসেনজিৎ ৰাজখোৱা গৈছিলো দৈয়াঙৰ দুলু গগৈৰ ঘৰলৈ। যোৱাৰ কাৰণ আছিল দৈয়াঙৰ কৃষক আন্দোলন আৰু এই আন্দোলনত গোলাঘাট জিলা সদৰত আৰক্ষীৰ লাঠিচালনাত দুলু গগৈ আহত হৈছিল। তেতিয়া গোলাঘাট জিলাৰ আৰক্ষী অধীক্ষক আছিল অমৰেন্দ্ৰ বৰগোঁহাই। দৈয়াং-টেঙানিত কৃষকসকলক সংগঠিত কৰি অখিল গগৈৰ আন্দোলন তীব্ৰতৰ হৈছিল। তেতিয়া কৃষক মুক্তি সংগ্ৰাম সমিতি নামটো নাছিল। দৈয়াং মুক্তি সংগ্ৰাম সমিতি নামেৰে পৰিচিত আছিল অখিল গগৈৰ কৃষক আন্দোলন। দৈয়াং-টেঙানিৰ ৰাইজে তেওঁলোকৰ মাটি সংৰক্ষিত বনাঞ্চলৰ পৰিৱৰ্তে নিজৰ নামত নামজাৰী দাবী কৰিছিল। আমি এছ পি অমৰেন্দ্ৰ বৰগোহাঁইক দৈয়াঙলৈ কৃষক আন্দোলনটোৰ বুজ ল'বলৈ যোৱাৰ কথা জনালো আৰু তেওঁ আমাক নিৰাপত্তাৰ খাতিৰতে মেৰাপানী থানাত আমাক নিৰাপত্তা দিয়াৰ কথা জনালে। আমি বগা ৰঙৰ এস্কেছাদৰ গাড়ী এখনত গৈ অজন্তা নেওগে বৰ্ণালী খেলপথাৰত জনসভাত বক্তৃতা প্ৰদান কৰি থকা দেখি খন্তেক ৰ'লো। অজন্তা নেওগে আমাৰ গাড়ীখন সেই ঠাইত ৰখোৱা দেখি এজন মানুহ পঠালে আমাৰ ওচৰলৈ আৰু আমাক সভালৈ আহ্বান জনালে। আমি নগ'লো। পিছে পুনৰ পঠালে যেতিয়া গম পালে আমি তিতাবৰৰ পৰা যোৱা সাংবাদিক বুলি আৰু পুনৰ আহ্বান জনালে আমাৰ লগত মত বিনিময় কৰিবলৈ তেওঁ ইচ্ছা প্ৰকাশ কৰিছে। কাষতে এঘৰ মানুহ তেওঁলোকৰ দলৰে আমাক তালৈকে লৈ গ'ল। আমাক আতিথ্য কৰাৰ পিছত প্ৰায় ১ ঘণ্টা বিধায়িকা অজন্তা নেওগে দৈয়াঙৰ কৃষক আন্দোলনৰ প্ৰসংগত কথা পাতিলে। তেওঁ আমাক জনালে গোলাঘাটত সংঘটিত কৃষক আন্দোলনৰ কাৰ্যসূচীৰ দিনা তেওঁ দিল্লীত আছিল। কোনো কাৰণতে তেওঁ এই দুৰ্ঘটনাৰ লগত জড়িত নাছিল। দৈয়াঙৰ ভূমি বনাঞ্চলৰ পৰিৱৰ্তে জনাঞ্চল হ'ল বুলি তেওঁ দাবী কৰি ক'লে, সেই ভূমি ৰাইজৰ বাবে আবণ্টনৰ বাবে চৰকাৰৰ লগত কিমান কি ধৰণে তেওঁ যোগাযোগ কৰিছে। আমাক তথ্য দেখুৱালে। আমাৰ উদ্দেশ্যৰ কথাও আমি অৱগত কৰিলো। এই ঠাইখন নগা পাহাৰৰ গাতে লাগি থকা। তাৰ ৰাইজৰ লগতো কথা পাতিলো। নগাই আক্ৰমণ কৰে নেকি, অত্যাচাৰ কৰে নেকি অথবা অসম-নাগালেণ্ডৰ মাজত সংঘৰ্ষ হয় নেকি? মেৰাপানী টাউনত কেতিয়াবা কাজিয়া হয় বুলি দুই-এজনে ক'লে। বিধায়িকা অজন্তা নেওগে ক'লে অনুমতি লৈ সকলোৰে স্থায়ী ঘৰ সাজি সীমান্তত স্থায়ীভাৱে বাস কৰিছে। ইয়াত স্কুল-কলেজ হৈছে, পঞ্চায়ত, ব্লক হৈছে চৰকাৰী কাৰ্যালয় হৈছে। গতিকে উচ্ছেদৰ ভয় নাই। তেওঁক তাতে এৰি আমি দুলু গগৈৰ ঘৰলৈ গ'লো। নাগালেণ্ড সীমান্তৰ এটা জুপুৰি আৰু সন্মুখৰ বাটৰ কাষত সৰুকৈ ৰাজহুৱা নামঘৰ। দুলু গগৈৰ চোতালত বহিলো আৰু তেওঁৰ লগত কৃষক আন্দোলনৰ কথা পাতিলো। তেনেতে দুলু গগৈৰ মাতৃ, আইগৰাকী ঘৰ পালেহি আৰু আমাক অজন্তা নেওগৰ দালাল আখ্যা দি গোৱাল গালি দিবলৈ ধৰিলে। নামঘৰত দিনতে দবা বাজিল। পাঁচ শতাধিক লোক সেই ঠাইত গোট খালে দবাৰ মাত শুনি। হাতে হাতে লাঠি, দা, জোং। কৃষক আন্দোলনৰ পুৰুষ-মহিলা সকলো আহিছে। আমি হাতযোৰ কৰি আমাৰ উদ্দেশ্যৰ কথা অৱগত কৰিলো। তাতে তিতাবৰৰ পৰা উঠি গৈ তাত ঘৰবাৰী কৰা মানুহক লগ পালোঁ। তেওঁলোকৰ সহায়ত মৃত্যুৰ ভয় আমাৰ আঁতৰিল। ৰাইজক উদ্দেশ্যি মই তেওঁলোকৰ আন্দোলনৰ স্বাৰ্থত দুআষাৰ বক্তব্য আগবঢ়ালো। ৰাইজ মান্তি হ'ল কিন্তু আমি অখিল গগৈক লগ কৰি যাব লাগে। আমি সন্মত হ'লো। সেই ঠাইৰ ৰাইজৰ লগতো নাগালেণ্ড সীমান্তৰ উত্তেজনা আৰু নগা-অসমীয়াৰ যুঁজ-বাগৰৰ কথা সুধিলো। পিছে কোনেও নক'লে নগা লোকসকলৰ অত্যাচাৰ-নিৰ্যাতনৰ কথা। বন্ধুত্বপূৰ্ণ সম্পৰ্কৰ কথা, নগাসকলে সীমান্তত বাস কৰা অসমীয়া মানুহক সহায় কৰাৰ কথাহে বখানিলে। এই সমগ্ৰ অসম-নাগালেণ্ড সীমান্তৰ কৃষক আন্দোলন সম্পৰ্কে মই কথা পাতিলো তদানীন্তন কৃষিমন্ত্ৰী সোণেশ্বৰ বৰাৰ লগত আৰু তদানীন্তন বিধায়ক অতুল বৰাৰ লগত। তেওঁলোকে উচ্চতম ন্যায়ালয়ত চলি থকা গোচৰৰ কথা ক'লে।

আমাৰ এই লেখাটো অসম-নাগালেণ্ড সীমান্তৰ সমস্যা সমাধান প্ৰসংগতহে, কৃষক আন্দোলনৰ প্ৰসংগত নহয়। কিন্তু সীমান্তত ৰাইজে নগা পাহাৰৰ আৰু ভৈয়ামৰ মানুহৰ সম্পৰ্ক বেয়া বুলি দৈয়াঙত নক'লে। অসম-নাগালেণ্ড ভাগ হৈছিল ১৯৬২ চনত। ১৯৬৩ চনৰ ১ ডিচেম্বৰত নাগালেণ্ড জন্ম হ'ল। তেতিয়াই নগা লোকৰ বিদ্ৰোহী সংগঠন জন্ম হৈছিল। তেওঁলোকে অসম-নাগালেণ্ড সীমা নিৰ্ধাৰণ কৰা সুন্দৰম কমিটীৰ সিদ্ধান্ত মানি লোৱা নাছিল। পিছত তেওঁলোকৰ ৰাজ্যৰ গণতান্ত্ৰিক চৰকাৰ হ'ল যদিও বিদ্ৰোহী সংগঠনে উগ্ৰপন্থী ৰূপ ধাৰণ কৰিলে। ফিজোৰ নেতৃত্বত আণ্ডাৰগ্ৰাউণ্ড ৰিভলিউচন চলি থাকিল। এতিয়াও নগা উগ্ৰপন্থী সংগঠন এন এছ চি এন (খাপলাং) আৰু এন এছ চি এন (ইছাক মুইভা)ৰ বিদ্ৰোহী কাম-কাজ চলি আছে। বৰ্তমান প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধীনত নগা উগ্ৰপন্থী সংগঠনৰ লগত আলোচনা এৰা-ধৰাকৈ চলি আছে। সমাধান কিন্তু হোৱা নাই। অসম-নাগালেণ্ড সীমান্ত চাৰিটা চেক্টৰত ভাগ কৰি থোৱা আছে। তিতাবৰ মহকুমাৰ দুটা অঞ্চল বৰহোলাৰ বেকাজানৰ পানীখাইতীৰ ওচৰত আৰু মৰিয়নিৰ দিচৈ ভেলীৰ ওচৰত সীমা বিবাদ অব্যাহত আছে। বৰ্তমান বিশেষভাৱে মৰিয়নিৰ দিচৈ ভেলীত নগা লোকৰ উগ্ৰপন্থীসকলে অসমৰ মাটিত ঘৰ সজাক লৈ যুদ্ধংদেহি ৰূপ লৈছে। বৰ্তমানৰ মৰিয়নিৰ বিধায়ক সীমা সমস্যাক লৈ বহুদিনৰ পৰা সৰৱ হৈ আছে। এইবাৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ লগতে সাংবাদিকসকলক সন্দেহযুক্ত নগা উগ্ৰপন্থী সংগঠনৰ লোকে বন্দুক-বাৰুদেৰে খেদিলে। ইয়াৰ আগতেও অসমৰ মাটি নগাই দখল কৰাৰ বাবে যুঁজ হৈছিল আৰু অসমৰ এজনৰ মৃত্যু হৈছিল। ইয়াৰ আগতেও অসম-নাগালেণ্ড সীমান্তৰ যুঁজ-বাগৰত অসমৰ লোক আৰু আৰক্ষী বাহিনীৰ লোকৰ মৃত্যু হোৱাৰ খবৰ ওলাইছিল। কোৱা হৈছে যে ১৮৮১ চনতে নগা পাহাৰ ব্ৰিটিছৰ অধীনত গ'ল। ১৯১৮ চনত নগা ক্লাবৰ জন্ম হৈছিল। আৰু সেই ক্লাবেই ১৯৪৬ নগা নেশ্বনেল কাউন্সিল গঠন হৈছিল (এন এন চি)। তাৰেই নেতা আছিল ফিজো। ১৯৪৭ চনৰ ১৪ আগষ্টত স্বাধীন নাগালেণ্ড ঘোষণা কৰে। (এন এন চি ) অৰ্থাৎ নগা নেশ্বনেল কাউন্সিলৰ নেতৃত্বত ব্ৰিটিছ অধিকৃত নগাভূমি ঘূৰাই বিচাৰে ফিজোৱে আৰু তেওঁলোকৰ স্বাধীন নাগালেণ্ড ঘোষণা কৰে। ১৯৫২ চনত এন এফ জি গঠন হৈছিল। ১৯৫৮ চনত ভাৰত চৰকাৰে ভাৰতীয় সৈন্য বাহিনী নগাভূমিলৈ পঠায় নগা বিদ্ৰোহ দমন কৰে। আৰু সত্তৰৰ দশকত শ্বিলং চুক্তি স্বাক্ষৰিত হ'ল। অস্ত্ৰবিৰতি হ'ল। পাছত ১৯৮০ চনত এন এন চি আৰু এন এফ জিৰ পৰাই এন এছ চি এনৰ জন্ম হ'ল। মন কৰিবলগীয়া যে ১৯৬২ চনত আলোচনা মৰ্মে প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ কাৰ্যকালতে নাগালেণ্ড ৰাজ্যৰ জন্ম হৈছিল। কিন্তু উগ্ৰপন্থী সংগঠন থাকি গ'ল। অসমৰ লগত সাতভনী একেলগে থাকোতেই যেতিয়া নগা পাহাৰ জিলা আছিল তেতিয়াই বৰ্তমানৰ অসম-নাগালেণ্ড সীমান্তৰ অসমৰ ভৈয়ামৰ মাটি সামৰি নগা সংগঠনে লিজত লৈ খেতি কৰিছিল বুলি প্ৰবাদ আছে। কিমান দূৰ সত্য নাজানো। তাৰ পিছতো ১৯৭২ চনলৈকে অসম-নাগালেণ্ড সীমান্তৰ সঠিক মীমাংসা নোহোৱাকৈ থকাটো তাৎপৰ্যপূৰ্ণ। সুন্দৰম কমিটী হোৱালৈকে বিবদমান সীমা আজিও বিবদমান। কোনো চৰকাৰে এই সমস্যাটো সমাধান নকৰিলে। ফলস্বৰূপে আজিও অসম-নাগালেণ্ড সীমান্তৰ জুইকুৰা জ্বলি আছে। ১৯৯৭ চনত নগা বিদ্ৰোহী সংগঠনৰ লগত ভাৰত চৰকাৰৰ আলোচনা হৈছিল কিন্তু সমাধান সূত্ৰ নোলাল। নগা উগ্ৰপন্থীৰ স্বাধীন নাগালেণ্ডৰ দাবী সৈমান নহ'ল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত নগা উগ্ৰপন্থীৰ লগত আলোচনা হ'ল কিন্তু গেঁঠেলা মাৰিলে। মোদী চৰকাৰৰ দ্বিতীয়টো কাৰ্যকালতো অসম-নাগালেণ্ড সীমান্তৰ জুইকুৰা নুনুমাল। কাৰণ ভাৰত চৰকাৰে কিছুমান দায়িত্ব এন এছ চি এনৰ ওপৰত এৰি দিলে। এই সমাধান সূত্ৰত অসম-নাগালেণ্ড সীমান্তৰ সমস্যা দূৰ নকৰে। ভাৰত চৰকাৰে অসম আৰু নাগালেণ্ডৰ চৰকাৰৰ লগত সীমা নিৰ্ধাৰণ কৰিব লাগিব। আজিও সেই প্ৰচেষ্টা চৰকাৰে লোৱা নাই। আশাকৰো অসমৰ নতুন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ভাৰত চৰকাৰৰ লগত আলোচনা কৰি নাগালেণ্ড চৰকাৰৰ লগত ত্ৰিপাক্ষিক বৈঠকত বহিব আৰু এইক্ষেত্ৰত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনকো আলোচনাত সাঙুৰি লৈ মীমাংসা কৰিব লাগিব। আলোচনাৰ জৰিয়তে তৎকালে সীমা সমস্যাৰ ওৰ পেলাব লাগে। তাহানিৰ আহোম স্বৰ্গদেউসকলৰ দিনতে গদাপাণি আৰু ডালিমীৰ কাহিনী আধুনিক বুৰঞ্জীত উপেক্ষিত হৈ পৰিল। বোধকৰো পাহৰিলে নতুন পুৰুষে গদাপাণি আৰু ডালিমীৰ প্ৰেমৰ কাহিনী। তথাপি অসম চৰকাৰে সাতভনীৰ অন্যতম ৰাজ্য নাগালেণ্ডৰ সৈতে আত্মিক সম্পৰ্ক ৰক্ষা কৰি বন্ধুত্বসুলভ দৃষ্টি-ভংগী লৈ সমস্যাৰ ওৰ পেলাব লাগিব। নেডাৰ আহ্বায়ক তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কাম নিশ্চিতভাৱে কৰিব পাৰিব বুলি আমি বিশ্বাস কৰোঁ।

# নিজৰ ভাষা, সংস্কৃতি তথা পৰম্পৰা ৰক্ষাৰ দায়িত্ব আমাৰ নিজৰেই

■ চন্দন কুমাৰ নাথ

বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সৃষ্টিয়ে সৰুৰ পৰা ডাঙৰলৈ সকলোকে ডিজিটেলাইজেশ্বনৰ প্ৰক্ৰিয়াৰ মাজলৈ আগবঢ়াই লৈ গৈছে। এইটো হয় যে সময় আৰু পৰিস্থিতি অনুসৰি মানুহৰ পৰিৱৰ্তন হোৱাটো স্বাভাৱিক কিন্তু এই পৰিৱৰ্তন তথা আধুনিকীকৰণে যাতে নৱ-প্ৰজন্মক অধোন্নতিৰ দিশলৈ ঠেলি নিদিয়ে সেই বিষয়েও দৃষ্টি ৰখাটো অত্যন্ত জৰুৰী। গ্ৰন্থ অধ্যয়ন আৰু ইয়াৰ বিপ্লৱ সম্পৰ্কে আমি বহুতেই চিন্তা চৰ্চা অব্যাহত ৰাখিছো, কিন্তু ইয়াৰ সমান্তৰালভাৱে আজিৰ তাৰিখত যদি ভালদৰে চোৱা হয় তেনেহ'লে দেখিব যে ৰাজ্যত বাস কৰা প্ৰায় ৬৭ শতাংশতকৈয়ো অধিক ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া মাধ্যমৰ বিদ্যালয়ত অধ্যয়ন নকৰি ইংৰাজী মাধ্যমৰ বিদ্যালয়ত অধ্যয়ন কৰি থকাটো ইতিমধ্যে পৰিলক্ষিত হৈছে। এইটোও হয় যে প্ৰতিজন অভিভাৱকৰ নিজৰ নিজৰ ব্যক্তিগত সিদ্ধান্তক আমি সলনি কেতিয়াও কৰিব নোৱাৰোঁ। কিন্তু যদিহে অনাগত দিনবোৰত এনেকৈয়েই ইংৰাজী মাধ্যমত পঢ়া ছাত্ৰ- ছাত্ৰীৰ সংখ্যা বৃদ্ধি হয় তেনেহ'লে অসমীয়া ভাষা তথা সংস্কৃতি কোন দিশে গতি কৰিব সেয়া হ'ব চিন্তা কৰিবলগীয়া বিষয়, কিয়নো ৰাজ্যত যিবিলাক ইংৰাজী মাধ্যমৰ বিদ্যালয়-মহাবিদ্যালয় আছে সেইবোৰৰ অধিকাংশই খ্ৰীষ্টান ধৰ্ম বা পৰম্পৰাত বেছি আগভাগ লয়। ব্যক্তিগত অনুভৱৰ পৰা এটা কথা মই ক'বলৈ বিচাৰিছো আজিৰে পৰা ২ বছৰ আগৰ কথা সৰু ১১ বছৰীয়া ল'ৰা এটাই এদিন আমাৰ শিক্ষানুষ্ঠানত সৰস্বতী পূজালৈ বুলি আহিছিলে, তেতিয়া মই সেই শিশুটিক সুধিছিলো যে তোমালোকৰ বিদ্যালয়ত সৰস্বতী পূজা পালন নকৰে নেকি? (মই জ্ঞাত নহয় যে শিশুটি ছেণ্ট মেৰিজ স্কুলত পঢ়ি আছে) তেতিয়া শিশুটিয়ে অতি দুখেৰে উত্তৰ দিছিল যে দাদা, আমাৰ স্কুলত এইবিলাক পূজা উদ্‌যাপন নকৰে আমি কেৱল খ্ৰীষ্টমাছটোহে ভালদৰে পালন কৰিবলৈ পাওঁ। অলপ সময়ৰ বাবে মই থমকি ৰ'লোঁ। পিছত মই নিজেই নিজকে প্ৰশ্ন কৰিছিলো যে কোন দিশে গতি কৰিবলৈ লৈছে আমাৰ নিজা সংস্কৃতি? কোন দিশে ধাৱমান আমাৰ গুৰুজনাৰ আদৰ্শ? কি হ'ব ১০ বছৰ পিছত অসমৰ ভৱিষ্যৎ? পূজা, বিহু ইত্যাদি আহিবলগীয়া দিনবোৰত আমাৰ উঠি অহা চামটোৱে পালন কৰি নিজৰ নিজৰ জাতীয় সংস্কৃতি, ভাষা, আই অসমীৰ সন্মান বৰ্তাই ৰাখিবলৈ সক্ষম হ'ব নে? এনেবোৰ বহুতো প্ৰশ্ন মোৰ মনত খুন্দা মাৰিবলৈ আৰম্ভ কৰিছিল, তেতিয়া আৰু বৰ্তমানো মোৰ আত্মাই বাৰে বাৰে চিঞৰি উঠে যে আমাৰ খিলঞ্জীয়া জাতিটোৰ ভৱিষ্যৎ সংকটৰ গৰাহত প্ৰৱেশ কৰিবলৈ লৈছে। যদিহে আজিৰ নৱ-প্ৰজন্মই নিজৰ নিজৰ সংস্কৃতি, ভাষা, সাহিত্য ভালদৰে অনুধাৱন কৰিবলৈ সক্ষম নহয় তেনেহ'লে নিশ্চিতভাৱে আগন্তুক দিনবোৰত জাতিৰ সংজ্ঞা বিচাৰি পুনৰবাৰ কৰিব লাগিব ভাষা আন্দোলন। ৰাজ্যত বাস কৰা প্ৰতিজন জাতিপ্ৰমী সাধাৰণ জনতাই ৰাজ্য চৰকাৰলৈ সম্প্ৰতি অসমীয়া ভাষা- সাহিত্যৰ বাবে অস্তিত্বৰ সংকটৰ সৃষ্টিত অৰিহণা যোগাই অহা ৰাজ্যত নিজৰ নিজৰ ব্যৱসায়ৰ মাধ্যমেৰে শিক্ষানুষ্ঠান তথা শিক্ষাৰ্থীৰ জীৱনলৈ কু-সংস্কাৰ কঢ়িয়াই অনা ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহক নাকী লগোৱাটো আজিৰ তাৰিখত অত্যন্ত জৰুৰী হৈ পৰিছে বুলি মই অনুভৱ কৰোঁ। ৰাজ্য চৰকাৰে কেতিয়াবা সময়ে সময়ে ইংৰাজী মাধ্যমৰ বিদ্যালয়সমূহক নিয়ন্ত্ৰণ কৰা হ'ব বুলি ঘোষণা কৰে যদিও প্ৰকৃততে কাৰ্যক্ষেত্ৰত এতিয়াও ৰাজ্যত থকা কিছুমান ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহৰ নিয়ন্ত্ৰণ সম্ভৱ কৰি তুলিবলৈ একেবাৰেই সক্ষম নাই হোৱা আৰু যাৰ পৰিণতিস্বৰূপে ৰাজ্যত ভয়াৱহ ৰূপত শিক্ষাৰ নামত এখন ডাঙৰ ব্যৱসায় গঢ় লৈ উঠাটো দেখিবলৈ পোৱা গৈছে তাত কোনো ধৰণৰ সন্দেহ নাই। চৰকাৰৰ বিষয়ববীয়াসকলে এনেবোৰ বাণিজ্যকেন্দ্ৰিক ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহৰ প্ৰতি মৰম যোগোৱাৰ এইটোও হ'ব পাৰে যে যিবোৰ ডাঙৰ ডাঙৰ ইংৰাজী মাধ্যমৰ ব্যক্তিগত বিদ্যালয় আছে তাত হয়তো তেওঁলোকৰ নিজৰেই সন্তানে অধ্যয়ন কৰি আছে আৰু সেই বাবেই উক্ত বিষয়টোৰ ওপৰত গুৰুত্ব আৰোপ কৰা নাই। আজিৰ তাৰিখত আপোনালোকে দেখিব যে চৰকাৰী চাকৰিয়াল তথা বিষয়াৰ ল'ৰা-ছোৱালীয়ে চৰকাৰী বিদ্যালয়ত অধ্যয়ন কৰা দূৰৰে কথা লগতে নাম ক'লেই আঁতৰি থাকিবলৈ লয়, কিন্তু ইয়াৰ বিপৰীতে ৰাজ্যত বাস কৰা দিন হাজিৰা তথা দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ ইত্যাদি পৰিয়ালৰ সন্তানেহে আমাৰ ৰাজ্যত থকা চৰকাৰী বিদ্যালয়সমূহক জীৱিত কৰি ৰাখি আছে। কিন্তু যেতিয়াই চৰকাৰৰ নেতা-পালি নেতাই একোখন নিৰ্বাচনী সভাত চৰকাৰী বিদ্যালয়সমূহক উন্নয়ন আৰু বিকাশৰ কথা কয় তেতিয়াই আমাৰ মনত ক্ষোভ প্ৰকাশ পায় যে আপোনালোকৰ নিজৰ নিজৰ সন্তানক কেতিয়াবা চৰকাৰী বিদ্যালয়ত অধ্যয়ন কৰি থকা নিম্নবৰ্গৰ পৰিয়ালৰ সন্তানৰ লগত মধ্যাহ্ন ভোজনৰ খাদ্যৰ সোৱাদ দি পাইছেনে? কেতিয়াবা চৰকাৰী বিদ্যালয়ত ফলি-কিতাপ লৈ মাটিত বহি পাইছেনে? কেতিয়াবা চৰকাৰী বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ নিচিনাকৈ চৰকাৰে বিনামূলীয়াকৈ প্ৰদান কৰা ইউনিৰ্ফৰ্ম পৰিধান কৰি পাইছেনে? কেৱলমাত্ৰ সাধাৰণ জনতাৰ আৱেগৰ লগত খেলা কৰি মন্তব্য আগবঢ়ালেই নহ'ব ইয়াক বাস্তৱত ৰূপায়ণ কৰাৰ নিমিত্তে হাতত কাম ল'বলৈ শিকিবও লাগিব। নিজ নিজ ভাষা, সংস্কৃতি, সাহিত্য তথা পৰম্পৰা ৰক্ষাৰ দায়িত্ব আমাৰ নিজৰেই, ইয়াৰ বাবে চৰকাৰক দোষাৰোপ কৰি লাভ নাই। এইক্ষেত্ৰত ৰাজ্যত বাস কৰা প্ৰতিজন সজাগ-সচেতন নাগৰিকে আজিৰ তাৰিখত চাবলৈ গ'লে নিজৰ নিজৰ সন্তানক মানৱীয় প্ৰমূল্যবোধৰ শিক্ষা আৰু নিজ ভাষা, সংস্কৃতি, সাহিত্য তথা পৰম্পৰা ৰক্ষাৰ ক্ষেত্ৰত মনোনিৱেশ কৰাটো উচিত। কিয়নো বৰ্তমান সময়ত ৰাজ্যৰ বেছিভাগ নৱ-প্ৰজন্মই পশ্চিমীয়া সংস্কৃতিৰ প্ৰতি বেছিকৈ আসক্ত হৈ পৰাটো পৰিলক্ষিত হৈছে আৰু যাৰ ফলত ক'ৰবাত নহয় ক'ৰবাত নিজৰ আপোন সংস্কৃতিৰ প্ৰতি হেঙাৰ সৃষ্টি হোৱা যেন অনুভৱ হয়। গতিকে, সকলোবোৰ ধৰ্মক সন্মান প্ৰদৰ্শন কৰাটো আমাৰ সকলোৰে দায়িত্ব কিন্তু ইয়াৰ মাজতেই নিজৰ পৰম্পৰা আৰু সংস্কৃতিৰ যাতে কোনো ধৰণৰ ক্ষতি সাধন নহয় তাৰ প্ৰতিও লক্ষ্য ৰখাটো অত্যন্ত জৰুৰী বুলি মই ব্যক্তিগতভাৱে অনুভৱ কৰোঁ।

◆◆◆কোন দিশে ধাৱমান আমাৰ গুৰুজনাৰ আদৰ্শ? কি হ'ব ১০ বছৰ পিছত অসমৰ ভৱিষ্যৎ? পূজা, বিহু ইত্যাদি আহিবলগীয়া দিনবোৰত আমাৰ উঠি অহা চামটোৱে পালন কৰি নিজৰ নিজৰ জাতীয় সংস্কৃতি, ভাষা, আই অসমীৰ সন্মান বৰ্তাই ৰাখিবলৈ সক্ষম হ'ব নে? এনেবোৰ বহুতো প্ৰশ্ন মোৰ মনত খুন্দা মাৰিবলৈ আৰম্ভ কৰিছিল, তেতিয়া আৰু বৰ্তমানো মোৰ আত্মাই বাৰে বাৰে চিঞৰি উঠে যে আমাৰ খিলঞ্জীয়া জাতিটোৰ ভৱিষ্যৎ সংকটৰ গৰাহত প্ৰৱেশ কৰিবলৈ লৈছে। যদিহে আজিৰ প্ৰজন্মই নিজৰ নিজৰ সংস্কৃতি, ভাষা, সাহিত্য ভালদৰে অনুধাৱন কৰিবলৈ সক্ষম নহয় তেনেহ'লে নিশ্চিতভাৱে আগন্তুক দিনবোৰত জাতিৰ সংজ্ঞা বিচাৰি পুনৰবাৰ কৰিব লাগিব ভাষা আন্দোলন◆◆◆

ফোন ঃ ৯১৩২৮-৪৯৭২৬

# মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ অভিনন্দন

■ জুলহাছ আলী আহমেদ

অসমৰ পঞ্চদশ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰা ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়ালৈ যাচিলোঁ অলেখ শুভ কামনা। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ভাৰতীয় জনতা পাৰ্টী তথা মিত্ৰজোঁটৰ চৰকাৰখনৰ মন্ত্ৰীসভাৰ আটাইকেইজন সদস্যই শপতগ্ৰহণ আৰু কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই নিয়াৰিকৈ নিজৰ দায়িত্ব পালন কৰি যোৱা প্ৰতিজন মন্ত্ৰীকেই আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছোঁ। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু তেওঁৰ মন্ত্ৰীসভাৰ যোগ্যতম সদস্যসকলৰ কৰ্মদক্ষতাই ৰাজ্যখনৰ বিকাশৰ ধাৰা সঠিকভাৱে আগুৱাই নিব বুলি আশা কৰিব পাৰি। এইক্ষেত্ৰত অসমবাসীৰ প্ৰত্যয় জন্মিছে। অসমৰ এগৰাকী সচেতন নাগৰিক হিচাপে আমি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা তথা তেওঁৰ চৰকাৰখনলৈ নিৰন্তৰ সহযোগিতা আগবঢ়াই যোৱাৰ প্ৰতিশ্ৰুতি ব্যক্ত কৰিলোঁ যাতে, ৰাজ্যখনে তাহানিৰে পৰা সন্মুখীন হৈ অহা জটিল সমস্যাসমূহৰ আশু সমাধান হয়। খিলঞ্জীয়া জাতিসত্তা আজি গভীৰ বিপদৰ সন্মুখীন হৈছে। অসমীয়া জাতিটো যেন আজি সংকটৰ গৰাহত, তেনেকুৱাই অনুভৱ হৈছে। অসম তথা অসমীয়াক বচাই ৰাখিবলৈ নতুন চৰকাৰখনে অহা পাঁচ বছৰত দৃঢ় কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। অসমত কৰ্ম-সংস্কৃতিৰ পৰিৱেশ সৃষ্টি কৰি কৃষি, মীন, পশু পালন, উদ্যোগ আদিৰ জৰিয়তে সম্প্ৰতি ভয়াৱহ ৰূপ ধাৰণ কৰা নিবনুৱা সমস্যা সমাধান কৰাৰ পদক্ষেপ গ্ৰহণ কৰিব লাগিব। 'পথাৰ আমাৰ, বজাৰ আমাৰ' এই শ্লʼগানক বাস্তৱত ৰূপায়ণ কৰিবলৈ কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। কৰ'না মহামাৰীয়ে সৃষ্টি কৰা ভয়াৱহ পৰিস্থিতিৰ সঠিক নিৰাময় চৰকাৰখনৰ বাবে প্ৰধান আৰু প্ৰাথমিক দায়িত্ব। বিশেষকৈ ড্ৰাগছৰ বিৰুদ্ধে যথাবিহিত ব্যৱস্থা কৰাটো সময়ৰ আহ্বান হিচাপে বিবেচিত হৈছে। মুখ্যমন্ত্ৰীয়ে নিজেই এই দায়িত্ব মূৰ পাতি লোৱা উচিত। অসমৰ বাসিন্দা হিচাপে এইক্ষেত্ৰত যিমানখিনি কৰণীয় আছে, সামৰ্থ্য অনুযায়ী সকলোখিনি কৰি যোৱাৰ অংগিকাৰ ব্যক্ত কৰিলোঁ। যোৱা নিৰ্বাচনৰ ভোট বিন্যাসে অসমৰ বিস্তৃত অঞ্চলত বিজেপিয়ে সন্মুখীন হোৱা ভয়াৱহ বিপদৰ পৰা ওলাই আহি ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যত গঠন কৰা শক্তিশালী চৰকাৰখনে অসম তথা অসমবাসীৰ আশা-আকাংক্ষাক কেতিয়াও নুই নকৰিব বুলি বিশ্বাস কৰোঁ। আমি প্ৰাৰ্থনা কৰোঁ যাতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু তেওঁৰ মন্ত্ৰী পৰিষদ সফল হয়। প্ৰসংগক্ৰমে উল্লেখ কৰিব বিচাৰিছোঁ যে, অসমৰ তথাকথিত মিঞা মুছলমানসকলে কংগ্ৰেছ কিম্বা এ আই ইউ ডি এফৰ দুই-চাৰিজন সাংসদ অথবা বিশ-পঁচিশজন বিধায়ক হ'লেই যেন তেওঁলোকে আত্মতুষ্টি লাভ কৰে। একাংশ মিঞা মুছলমানৰ ধাৰণা; কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ দুই-চাৰিজন সাংসদ অথবা বিশ-পঁচিশজন নিৰ্বাচিত বিধায়কৰ কাৰণেই হেনো তেওঁলোকে দেশত থাকিব পাৰিছে অন্যথা কাহানিবাই তেওঁলোকক দেশৰ পৰা খেদি পঠিয়ালেহেঁতেন। এনে মানসিকতা সলনি কৰি এতিয়া বিকল্প চিন্তা কৰাৰ প্ৰয়োজন আহি পৰিছে, নহ'লে বংগমূলীয় মিঞা মুছলমানসকলে পৰৰ গোলামি কৰি থকাৰ দৰে নিজৰ সতি-সন্ততিয়েও আনৰ বহতীয়া গোলামিৰ বোজা বহন কৰিব লাগিব। গতিকে আজীৱন হয় হুজুৰ কৰি থকাৰ প্ৰৱণতা পৰিত্যাগ কৰি মূৰ দাঙি থিয় হ'বলৈ মিঞা মুছলমানসকলে নিজৰ সতি-সন্ততিসকলক উচ্চ শিক্ষাৰ দ্বাৰা শিক্ষিত কৰিব লাগিব। তেওঁলোকক শক্তি-সাহস যোগাব লাগিব। এইক্ষেত্ৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আগভাগ লোৱা উচিত। অসমৰ পঞ্চদশ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিয়েই ড° হিমন্ত বিশ্ব শৰ্মাই মুছলমান মহিলাৰ সবলীকৰণৰ কথা কৈছিল (আমি ভাল পাইছোঁ) ঠিক তেনেদৰে মিঞা মুছলমান যুৱকসকলৰ গুণগত মানৰ উচ্চ শিক্ষা, প্ৰযুক্তিবিদ্যা আৰু কাৰিকৰী শিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা উচিত। মিঞা মুছলমানসকলৰ মৌলিক চাহিদাসমূহ পূৰণ কৰাৰ লগতে তেওঁলোকৰ মাজত থকা অপৰাধ-অপকৰ্মসমূহ ৰোধ কৰিবলৈ আহোপুৰুষাৰ্থ কৰা উচিত। কোৱা বাহুল্য যে, এইবেলিৰ নিৰ্বাচনত মিঞা মুছলমানে বিজেপিক আশানুৰূপ ভোট দিয়া নাছিল, আনকি একাংশ সংখ্যালঘু বিজেপিৰ কাৰ্যকৰ্তাই প্ৰকাশ্যই বিজেপিক ভোট নিদিবলৈ গঞা ৰাইজক আহ্বান জনাইছিল। জাগীৰোড সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী পীযূষ হাজৰিকাই যাক বহুত ভাল পাইছিল, যাৰ সৈতে মন্ত্ৰী পীযূষে ফটোৰ বাবে প'জ দিছিল, যাৰ হৈ মন্ত্ৰী পীযূষ হাজৰিকাই আৰক্ষী প্ৰশাসনকে ধৰি বিভিন্ন প্ৰশাসনিক বিষয়াক ফোন কৰি নিজ দলৰ বুলি পৰিচয় দি দালালি আৰু দাদাগিৰি কৰাত সুবিধা কৰি দিয়া সংখ্যালঘু যুৱকেও মন্ত্ৰী পীযূষ হাজৰিকাৰ বিৰুদ্ধে অৱস্থান কৰা দেখা গৈছিল। সি যি কি নহওক এজন ভাল, উদাৰ, কৰ্মদক্ষ, মানৱ দৰদী আৰু মূল্যবোধৰ ৰাজনীতিজ্ঞ হ'বলৈ হ'লে সকলো পাহৰি দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সাৰ্বজনীন শ্ল'গান; চবকা সাথ, চবকা বিকাশ আৰু চবকা বিশ্বাস নীতিক বাস্তৱায়ন কৰিব লাগিব। এনে কৰিলে অনাগত দিনত মিঞা মুছলমানসকলৰো মন মুহিব পাৰিব। আজি কিছুদিন ধৰি দেখি আছোঁ ড্ৰাগছৰ বিৰুদ্ধে শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিছে অসম আৰক্ষীয়ে। মুখ্যমন্ত্ৰীৰ কঠোৰ নিৰ্দেশৰ ফলতেই আৰক্ষীয়ে এনে কঠোৰ পদক্ষেপ ল'বলৈ বাধ্য হৈছে যেন পাওঁ। এখন ভাল, উচ্ছৃংখলমুক্ত আৰু সৰ্বাংগসুন্দৰ সমাজ উপহাৰ দিবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ড্ৰাগছবিৰোধী অভিযান জোৰদাৰ কৰিবলৈ আৰক্ষী প্ৰশাসনক নিৰ্দেশ দিছে। আমি শলাগ লৈছোঁ। আৰক্ষী বাহিনীকো ধন্যবাদ জনাইছোঁ। আশাকৰোঁ অনাগত দিনতো ড্ৰাগছবিৰোধী এই অভিযান অব্যাহত থাকিব। সৌ-সিদিনা ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে কৈছিল যে, পুলিচে ইচ্ছা কৰিলে অসমৰ পৰা সমূলঞ্চে ড্ৰাগছ জাতীয় দ্ৰব্যক নাইকিয়া কৰিব পাৰে। এইক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ সৈতে একমত পোষণ কৰিলোঁ; পুলিচৰ আন্তৰিকতা আৰু ড্ৰাগছ ব্যৱসায়ীৰ লগত হলিগলি নাথাকিলে পুলিচে অৱশ্যেই ড্ৰাগছমুক্ত অসমৰ সপোন বাস্তৱায়িত কৰিব পাৰিব।—

ফোন ঃ ৯৭০৬৬-৬৬১৯২



## মাজবাটৰ মহলীয়াপাৰা চিকিৎসালয়ত গছপুলি ৰোপণ কাৰ্যসূচীৰে পৰিৱেশ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধনশ্ৰী, ৬ জুন ঃ** ৫ জুন বিশ্ব পৰিৱেশ দিৱস। মানুহৰ জীৱনত সেউজ আৰু স্বাস্থ্যসন্মত পৰিৱেশৰ গুৰুত্ব সম্পৰ্কত বিশ্বজুৰি সজাগতা সৃষ্টিয়ে এই দিৱসৰ মূল লক্ষ্য। আৰু ৫ জুনৰ বিশেষ দিনটোৰ লগত সংগতি ৰাখিয়েই কৰ'না মহামাৰীৰ ত্ৰাসৰ মাজতেই চৰকাৰৰ নীতি-নিৰ্দেশনা মানি চলি অনুষ্ঠুপীয়াকৈ মাজবাটৰ স্থানীয় সংগঠন বি এছ উৰ উদ্যোগত মহলীয়াপাৰা আদৰ্শ চিকিৎসালয়ত গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত উপস্থিত থাকে ৭০নং মাজবাট বিধানসভা সমষ্টিৰ বিধায়ক চৰণ বড়ো, ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মিণ্টু মন্দিকৈ, ড° হেমন্ত কুমাৰ চৌধুৰী, ড° ইমানুৱেল বাড়া, ড° সুদীপ সিংহাৰ লগতে ওৱাং খণ্ড প্ৰাথমিক চিকিৎসালয়ৰ ব্লক প্ৰগ্ৰেম মেনেজাৰ পংকজ কুমাৰ সভাপণ্ডিত, বিশিষ্ট সমাজ সেৱক জাফৰ চৌধুৰী, ৰামানুজ বাগ, উমেশ শাহ, অশোক দাধৰা আৰু সমূহ ব্লক বি এছ উৰ কৰ্মকৰ্তাসকল তথা স্বাস্থ্যকৰ্মীসকল। সকলোৱে একোডালকৈ গছপুলি ৰুই বিশ্ব পৰিৱেশ দিৱস পালন কৰে। লগতে বিধায়ক চৰণ বড়োৱে অনুষ্ঠানত বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি বক্তব্য আগবঢ়াই কয়— গছপুলি এডাল ৰুই আজিৰ দিনটোতে দায়িত্ব সামৰিলে নহ'ব, পিছলৈও গছপুলিডালৰ যত্ন ল'ব লাগিব। লগতে সকলোৱে মাজত হে গু ছেনিটাই জাৰ একোটাকৈ বিতৰণ কৰে।

## ই-মেগাজিন 'জখলা' প্ৰকাশ পালে

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ৬ জুন ঃ** ক'ভিডজুৰ পৰিস্থিতিৰ মাজতে দ্বিতীয় বৰ্ষৰ প্ৰথম সংখ্যা 'জখলা' ৫ জুনত প্ৰকাশ পালে। পৰিৱেশ বিশেষ সংখ্যাটিত নতুন-পুৰণি লেখক-লেখিকাৰ ভিন্নস্বাদৰ লেখা সন্নিবিষ্ট হৈছে। নৱ-প্ৰজন্মৰ এদল সাহিত্যানুৰাগীৰ উদ্যোগত ঢেকীয়াজুলিৰ পৰা প্ৰকাশিত দুমহীয়া ই-মেগাজিনখনে ইতিমধ্যে লেখক-পাঠক সমাজৰ সমাদৰ লাভ কৰিছে। এনেকুৱা অতিক্ৰম কৰা উপলক্ষে আলোচনীখনৰ সম্পৰ্কত গঠনমূলক অভিমত দাঙি ধৰি যি উৎসাহ-উদ্দীপনা দিলে, তাৰ বাবে সন্মানীয় শুভাকাংক্ষী শশধৰ বৈশ্য, হীৰামণি তালুকদাৰ, ড° হৰিচৰণ দাস, ড° ৰোহিত চন্দ্ৰ বাড়া, ড° হৰিপ্ৰসাদ বৰুৱা, নৱ কুমাৰ ডেকা, ৰাজীৱ হুছেইন, ফাৰহান জাভেদলৈ তথা সহৃদয় লেখক-পাঠকলৈ 'জখলা' গোষ্ঠীয়ে শলাগৰ শৰাই আগবঢ়াইছে। আলোচনীখনৰ মুখ্য সম্পাদক নাজমুল হুছেইন, সহযোগী সম্পাদক প্ৰশান্ত প্ৰিয়ম আৰু মৰম দাস, মৃন্ময় দাস, জিণ্টুমণি ডেকা, উপদেষ্টাত্ৰয়- সুজিৎ কটকী, জ্যোতিপ্ৰসাদ ডেকা আৰু সংকেশ্বৰ কোচ।




# হাওৰাঘাটৰ কদৰ্যময় পথৰ দুৰৱস্থা

## সন্মুখীন হয় বৰ্ণনাতীত লঘু-লাঞ্ছনাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, হাওৰাঘাট, ৬ জুন ঃ** কাৰ্বি আংলং জিলাৰ হাওৰাঘাট নগৰৰ ৩ নম্বৰ ৱাৰ্ডৰ এটা গুৰুত্বপূৰ্ণ পথ। আচলতে পথ বুলি ক'লে এতিয়া ভুল কৰা হ'ব। কঠীয়া ৰুব পৰা এক পৰিৱেশ। য'ত কৰ্তৃবৰ্গৰ আৰক্ষীৰো হ'ল নগৰ-নাকটি। হাওৰাঘাটৰ যমুনা নৈৰ কাষেৰে ৰাজহুৱা শ্মশান তথা মাটিখোলা গাঁৱলৈ যোৱা মাৰ্গো ২ কিলোমিটাৰ দুৰ্দশা নাতিদীৰ্ঘ এই পথছোৱাৰ অৱস্থা বিগত ১০-১২ বছৰে তথৈবচ। কিন্তু কাৰণ নাই সংশ্লিষ্ট কৰ্তৃপক্ষৰ। শেহতীয়াকৈ 'জল-জীৱন মিছন'ৰ পানীৰ পাইপ বহুওৱাৰ নামত সংশ্লিষ্ট ঠিকাদাৰৰ্গৰাকীয়ে অপৰিকল্পিতভাৱে পথৰ কাষত জধে-মধে মাটি খান্দি কৰ্দমময় অৱস্থাৰ সৃষ্টি কৰাত উল্লিখিত পথছোৱা সম্প্ৰতি যাতায়াতৰ বাবে আৰু অধিক অনুপযোগী হৈ পৰিছে। যাৰ বাবে কৰ্তৃবৰ্গত এজন আৰক্ষী এইদৰে সন্মুখীন হয় ব্যাপক লঘু-লাঞ্ছনাৰ। নিজৰ মটৰচাইকেলখনেৰে এই কদৰ্যময় পথেৰে বিশেষ কৰ্তব্য পালনৰ হেতু যাবলগীয়া হোৱাত অকস্মাৎ সমস্যাৰ সন্মুখীন হয় আৰক্ষীৰ লোকজন। পিছত স্থানীয় ৰাইজৰ সহযোগত কোনোমতে মটৰচাইকেলখন লৈ ওলাই আহে আৰক্ষীৰ লোকজন। মনকৰিবলগীয়া যে ৰাইজৰ বাৰম্বাৰ আবেদন-নিবেদনৰ পিছতো গুৰুত্বহীন হৈ আছে হাওৰাঘাটৰ ৰাজহুৱা শ্মশানলৈ যোৱা এই পথছোৱাৰ দীঘদিনীয়া সমস্যা। বছৰৰ পিছত বছৰ ধৰি উপেক্ষিত হৈছে হাওৰাঘাটৰ মাটিখোলা, গজালিপাৰ সংলগ্ন বৃহত্তৰ অঞ্চলবাসী ৰাইজ। কিন্তু উদাসীন সংশ্লিষ্ট কৰ্তৃপক্ষ। উদাসীন বৰ্তৃক্ষী জনপ্ৰতিনিধি ঘনছিং ৰংপি। উল্লেখ্য যে, হাওৰাঘাট পৌৰসভা কৰ্তৃপক্ষ কেইবাবাৰো পথছোৱা মেৰামতিৰ বাবে উদ্যোগ লৈছিল, আহ্বান কৰিছিল নিবিদাও। কিন্তু ঠিকাদাৰৰ অভাৱতহে হেনো আজিলৈকে কৰিব পৰা নাই পথছোৱাৰ মেৰামতি তথা পুনৰ্নিৰ্মাণৰ কাম। কথাষাৰৰ সত্যতা পৌৰসভা কৰ্তৃপক্ষহে নিজেই জানিব। কিন্তু ৰাইজৰ এই সীমাহীন দুৰ্দশাৰ অন্ত কেতিয়া? ৰাইজৰ সমস্যাৰ প্ৰতিও গুৰুত্ব আৰোপ কৰিব সেয়াই এতিয়া দুৰ্দশাগ্ৰস্ত ৰাইজৰ বাবে লাখটকীয়া প্ৰশ্ন? আনহাতে, মডেল হাওৰাঘাট বনোৱাৰ দম্ভৰ বাবে আজি গোটেই হাওৰাঘাট ভাল নহ'লেও, কলিয়েত ৰাগ্গানেৰে গাদী দখল কৰা স্থানীয় জনপ্ৰতিনিধি তথা কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য ঘনছিং ৰংপিৰ নাইনে অকণো দায়িত্ববোধ, এইলৈও প্ৰশ্ন উত্থাপিত হৈছে।

# ৰমাই কাণ্ডৰ ন্যায়িক তদন্তৰ দাবী অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ৬ জুন ঃ** ৰমাই চাহ বাগিচাৰ শ্ৰমিক ভীম ভূঞাৰ ৰহস্যজনক মৃত্যুৰ ন্যায়িক তদন্ত কৰি দোষীক কঠোৰ শাস্তি বিহাৰ দাবীত অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘৰ টিংখাং চাৰ্কোল সমিতি আৰু ডিব্ৰুগড় চাৰ্কোল সমিতিয়ে ৫ জুনত পৃথকে পৃথকে ডিব্ৰুগড় জিলা উপায়ুক্তক স্মাৰক-পত্ৰ প্ৰদান কৰে। সংঘৰ এটা প্ৰেছ বিবৃতিযোগে জনোৱা মতে টিংখাং চাৰ্কোল সমিতিয়ে স্থানীয় টিংখাং ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে ডিব্ৰুগড় জিলা উপায়ুক্তলৈ আৰু ডিব্ৰুগড় চাৰ্কোল সমিতিয়ে জিলা উপায়ুক্তক একেটা দাবী লৈ স্মাৰক-পত্ৰ প্ৰদান কৰে। উল্লেখ্য যে সংঘৰ কেন্দ্ৰীয় সম্পাদক ঘনশ্যাম মুড়াৰ নেতৃত্বত এটা দল ৰমাই কাণ্ডৰ পিছত ২ জুন তাৰিখে বাগিচালৈ গৈ মৃতকৰ পৰিয়ালৰ লগতে শ্ৰমিকৰ লগত ঘটনা সম্পৰ্কত তদন্ত চলায়। চৰজমিন তদন্তত দেখা গৈছে মৃত ভীম ভূঞাৰ ক'ভিড পজিটিভ ধৰা পৰাত ২৪ মে'ত ৰমাই চাহ বাগিচাৰ পৰা তেওঁক আদৰণি এম্বুলেন্সত ডনবস্ক' ক'ভিড চেণ্টাৰলৈ চিকিৎসাৰ বাবে লৈ যায়। ডনবস্ক' ভীম ভূঞাক বিনা চিকিৎসাত জন্তুৰ দৰে ৰাস্তাৰ পৰা ১০৮ গাড়ীত অসম মেডিকেল মহাবিদ্যালয় হাস্পতাললৈ নিয়া হৈছিল। কিন্তু ২৯ মে'ত ববৰাৰী আৰক্ষীয়ে এ এম চি এইচৰ ওচৰত বাধাকৃষ্ণ মন্দিৰ গেটৰ ৰাস্তাৰ পৰা ভীম ভূঞাৰ মৃতদেহ উদ্ধাৰ কৰে। পৰিয়ালৰ লোকে কোৱামতে ভীম ভূঞাক ডিব্ৰুগড়লৈ নিয়াৰ পিছদিনা ডনবস্ক' ক'ভিড চেণ্টাৰ তথা এএমচিএইচলৈ ভীম ভূঞাৰ খবৰ ল'বলৈ গৈছিল কিন্তু তেওঁৰ কথা ক'তো বিচাৰি পোৱা নাছিল। অৱশেষত পৰিয়ালৰ লোকে বিচাৰি নোপোৱাত ৩০ মে'ত ববৰাৰী আৰক্ষী চকীত ভীম ভূঞাৰ নিৰুদ্দেশৰ গোচৰ দিবলৈ যোৱাতহে পুলিচে ৰাস্তাৰ পৰা উদ্ধাৰ কৰা ফটো দেখুওৱাত সেই মৃত ব্যক্তিজন ভীম ভূঞা হয় বুলি পৰিয়ালৰ লোকে চিনি পায়। উক্ত বৃদ্ধৰ বহু প্ৰশ্নৰ অৱতাৰণা কৰিছে। প্ৰথমতে ভীম ভূঞাক ক'ভিড পজিটিভ আছিল যদি কিয় ক'ভিড চেণ্টাৰত ভৰ্তি কৰা নহ'ল? যদি ভৰ্তি কৰা হৈছিল মেডিকেল বেৰ্ডত নাম নাই কিয়? কিহ নিৰ্ভৰত ভৰ্তি কৰা হৈছিল। কিন্তু কাল কিয়? ... মাজত ... নিৰ্বাচনৰ সময়ত নেতাৰ দৰে বাস্তাৰ কিয় দিয়া হৈছিল কিয়? নিৰ্বাচনৰ সময়ত ভোট বিচাৰি আহিছিল এইবোৰ কিয়? হাজাৰ হাজাৰ লোকে প্ৰাণ হেৰুৱাইছে। বাইজে কষ্টত থাকিও চৰকাৰী নিৰ্দেশনা পালন কৰিছে। বৰ্তমান আমাৰ দেশ তথা ৰাজ্যখন বৰ্তমান বিজেপি চৰকাৰখনে কৰ'না মহামাৰীৰ বিৰুদ্ধে মৰণপণ যুঁজ দিছে। হাজাৰ হাজাৰ লোকে প্ৰাণ হেৰুৱাইছে। কঠোৰ শাস্তি প্ৰদান কৰা, মৃতকৰ প্ৰতিবোধৰ ক্ষেত্ৰত সম্পূৰ্ণ ব্যৰ্থ হৈছে বুলি সংঘই মত প্ৰকাশ কৰে। সংঘই ৫ জুনত প্ৰদান কৰা স্মাৰক-পত্ৰৰ যোগেদি ভীম ভূঞাৰ মৃত্যুৰ ন্যায়িক তদন্ত ঘোষণা কৰা, দোষীক কঠোৰ শাস্তি প্ৰদান কৰা, মৃতকৰ পৰিয়ালক ১০ লাখ টকা ক্ষতিপূৰণ প্ৰদান কৰা, সকলো বাগিচাত ক'ভিড টেষ্ট চেণ্টাৰ গঢ়ি তোলা, চেণ্টাৰত অক্সিজেন পৰ্যাপ্ত পৰিমাণে যোগান ধৰা, বাগিচা শ্ৰমিক সকলো ৰাইজক বিনামূলীয়া ভেকচিন প্ৰদান কৰা আদি দাবী উত্থাপন কৰিছে।

## মৰাণত ক'ভিডৰ গণ-সংক্ৰমণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ৬ জুন ঃ** ডিব্ৰুগড় জিলাৰ খোৱাং প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত বিভিন্ন স্বাস্থ্য আৰু উপ-স্বাস্থ্য কেন্দ্ৰত আজিৰ দিনটোতে ৫৩জন লোকৰ দেহত ক'ভিড পজিটিভ পোৱা গৈছে। তাৰে খোৱাং স্বাস্থ্য কেন্দ্ৰৰ ৪৬জন, ১জন নাহৰনি ব্লকৰ আৰু ১জন চৰাইদেউ ব্লক নিবাসী। খোৱাং প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত অঞ্চলত আজিলৈকে ২,২৭৯গৰাকীলৈ ক'ভিড ৰোগী বৃদ্ধি পাইছে। বৰ্তমানে ৫৭৭জন সক্ৰিয় ক'ভিড সংক্ৰমিত লোক হোম আইচ'লেশ্যনত আছে। ক'ভিড আক্ৰান্তসকল ১৪জনক মৰাণ নৱোদয় বিদ্যালয়, লেজাই ক'ভিড কেয়াৰ চেণ্টাৰত ৰখাৰ লগতে ভামুন চাহ বাগিচা আইচ'লেশ্যন ৱাৰ্ড আৰু বাকীসকলক হোম আইচ'লেশ্যনত ৰখা হৈছে। চৰাইদেউ জিলাৰ পাটচাৰ্কো প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মাহমৰা ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত এলেকাত আজি ৪জন লোকৰ দেহত ক'ভিড পজিটিভ ধৰা পৰিছে। পাটচাৰ্কো প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত সৰ্বমুঠ ৫২০জন লোকৰ দেহত ক'ভিড পজিটিভ ধৰা পৰিছে। চিকিৎসকসকলে জানিবলৈ দিয়া মতে আক্ৰান্ত প্ৰায়সকলক হ'ম আইচ'লেশ্যনত ৰখা হৈছে। দুয়োখন জিলাৰ অন্তৰ্গত বৃহত্তৰ মৰাণ অঞ্চলত মুঠ ২,৭৯৯জন লোক ক'ভিডত আক্ৰান্ত হৈছে। পাটচাৰ্কো ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত বৰহুকলী (লাইচেং) গাঁৱৰ উদিত মহনৰ পুত্ৰ জগত মহন ক'ভিডত আক্ৰান্ত হৈ অসম মেডিকেল কলেজত আজি মৃত্যু হয়।

## বৰবালি গাঁও পঞ্চায়তত চতুৰ্দশ বিত্তীয় আয়োগৰ কামত বৃহৎ অনিয়ম


**দৈনন্দিন বাৰ্তাৰ সেৱা, হাওৰাঘাট, ৬ জুন ঃ** হোজাই জিলাৰ বিন্নাকান্দি উন্নয়ন খণ্ডৰ অধীনস্থ বৰবালি গাঁও পঞ্চায়তত সংঘটিত হৈছে এই বৃহৎ দুৰ্নীতি। গাঁও পঞ্চায়তত চতুৰ্দশ বিত্তীয় আয়োগত সংঘটিত হৈছে বৃহৎ অনিয়ম। বিন্নাকান্দি উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া মইনউদ্দিন আহমেদৰ বিৰুদ্ধে দুৰ্নীতি-অনিয়ম সংঘটিত কৰাৰ গুৰুতৰ অভিযোগ উঠিছে। খণ্ড উন্নয়ন বিষয়া মইনউদ্দিন আহমেদে আঁচনিত ৰূপায়ণৰ নামত চৰকাৰী শিক্ষকক নিয়োজিত কৰাক লৈ তীব্ৰ অসন্তুষ্টি সৃষ্টি হৈছে। যাৰ পূৰ্ণ সুযোগ লৈছে দুৰ্নীতিগ্ৰস্ত শিক্ষকজনে। বৰবালি গাঁও পঞ্চায়তত বিভিন্ন কামত ঠিকাদাৰীত নামিল দক্ষিণ দেবস্থান এম ই বিদ্যালয়ৰ সহকাৰী শিক্ষক জেহিৰুল ইছলাম চৌধুৰী। শিক্ষকজনৰ পত্নী গাঁও পঞ্চায়তৰ সভানেত্ৰী ৰুকছানা বেগম চৌধুৰী। শিক্ষক জেহিৰুলে নিজকে সভানেত্ৰীৰ নমিনী বুলি পৰিচয় দিয়ে বিভিন্নজনক। পঞ্চায়তখনত চতুৰ্দশ বিত্তীয় আয়োগৰ প্ৰতিটো কামত সংঘটিত হৈছে বৃহৎ অনিয়ম। উল্লেখ্য, বিন্নাকান্দি উন্নয়ন খণ্ডৰ অন্তৰ্গত প্ৰায় প্ৰতিটো পঞ্চায়তত চতুৰ্দশ বিত্তীয় আয়োগৰ আঁচনি ৰূপায়ণৰ নামত সংঘটিত হৈছে দুৰ্নীতি-অনিয়ম। পঞ্চায়তটোৰ প্ৰতিটো কামত সংঘটিত হৈছে দুৰ্নীতি অনিয়ম। বৰবালি গাঁও পঞ্চায়তত দুৰ্নীতিগ্ৰস্ত সচিব আৰু দুৰ্নীতিগ্ৰস্ত বিষয়া বিৰুদ্ধে বিহীত ব্যৱস্থা ল'বলৈ জিলা উপায়ুক্তক দাবী জনাইছে পঞ্চায়তবাসীয়ে।

## বিশ্বনাথত গোৰ্খা ছাত্ৰ সন্থাৰ দ্বাৰা সমগ্ৰ জিলাত বিশ্ব পৰিৱেশ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ৬ জুন ঃ** বিশ্ব পৰিৱেশ দিৱস উপলক্ষে বিশ্বনাথ জিলা গোৰ্খা ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে গহপুৰ ৰাঙাগড়া, বেগীজান, টকৌবাৰী, হেলেম, বিহালী, বাঘমৰা, বিশ্বনাথ সদৰ, চতিয়া, বালিজুৰি, উত্তৰ নাগশংকৰ আদি আঞ্চলিক সমিতিসহ বিভিন্ন শাখা সমিতিসমূহে 'গছপুলি ৰোপণ' অভিযান হাতত লৈ বিভিন্ন ঠাইত গছপুলি ৰোপণ কৰে। বিশ্বনাথ জিলা গোৰ্খা ছাত্ৰ সন্থাৰ আহ্বানত সকলো আঞ্চলিক সমিতিয়ে প্ৰকৃতিৰ সুৰক্ষাৰ ক্ষেত্ৰত লোৱা পদক্ষেপক সকলোৱে সহযোগিতা আগবঢ়াইছিল। মানৱ জাতিৰ পৰিস্থিতিত্বৰ সকলোৰ সুনিশ্চিত কৰিবৰ বাবে গছপুলি ৰোপণ কাৰ্য কৰিব লাগিব, লগতে বৃক্ষ কৰ্তন কাৰ্য বন্ধ কৰি প্ৰকৃতিৰ সুৰক্ষাৰ বাবে আগবাঢ়ি আহে তাৰেই আহ্বান জনাই বিশ্বনাথ জিলা গোৰ্খা ছাত্ৰ সন্থাই। অন্যান্য ঠাইৰ দৰে বিহালীৰ জনতা খাখা গোৰ্খা ছাত্ৰ সন্থা আৰু পূৰ্বাঞ্চল আত্মসহায়ক গোটে জনতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ওচৰত গছপুলি ৰোপণ কৰে। এই কাৰ্যসূচীত গোৰ্খা ছাত্ৰ সন্থাৰ হৈ পুকৰ খনাল, তপন গৌতম, ঘনশ্যাম বৰাল, স্বপন দাহাল, ভৱানী খনাল আৰু পূৰ্বাঞ্চল আত্মসহায়ক গোটৰ হৈ মদন পৰাজুলি, মনোজ দাহাল, ৰাজেশ উপাধ্যায়সহ কেইবাজনো সদস্যই অংশগ্ৰহণ কৰে। আনহাতে, গোৰ্খা ছাত্ৰ সন্থা আৰু পূৰ্বাঞ্চল আত্মসহায়ক গোটে জ্যেষ্ঠ সাংবাদিক ভুৱন লুইটেল, বিহালী প্ৰেছ ক্লাবৰ সম্পাদক খগেন মটক, সহঃ সম্পাদক অমৃত কাশ্যপ সাহা, পলাশ প্ৰিয়ম আৰু জান পাণ্ডেৰ ফুলাম গামোচাৰে আদৰণি জনায়।

## বঙাইগাঁৱৰ হাপাচাৰাত ড্ৰাগ্‌ছসহ দুজন সৰবৰাহকাৰী আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ৬ জুন ঃ** বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা আৰক্ষীয়ে শনিবাৰে এক অভিযান চলাই ড্ৰাগছসহ দুজন সৰবৰাহকাৰীক আটক কৰে। আৰক্ষীয়ে ড্ৰাগছ সৰবৰাহকাৰী দুজনৰ পৰা ১১টা সন্দেহজনক ব্ৰাউন ছুগাৰ ভৰ্তি কণ্টেইনাৰো জব্দ কৰে। জানিব পৰা মতে উত্তৰ শালমাৰা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া পংকজ দাসৰ নেতৃত্বত গ্ৰাহকৰ ভেশত যোৱা আৰক্ষীয়ে অতি কৌশলেৰে আকবুল হুছেইন আৰু বুদ্ধি ৰবিদাসৰ নামৰ ড্ৰাগছ সৰবৰাহকাৰী দুজনক কবায়ত্ত কৰে যদিও আৰক্ষীৰ কবলৰ পৰা দুয়ো পলায়ন কৰে। পিছত আৰক্ষীয়ে খেদি খেদি হাপাচাৰাৰ পৰা কবায়ত্ত কৰে। আৰক্ষীয়ে ধৃত আকবুল হুছেইন আৰু বুদ্ধি ৰবিদাসৰ পৰা ব্ৰাউন ছুগাৰ ভৰ্তি কণ্টেইনাৰৰ লগতে এটা ছিৰিঞ্জ আৰু দুটা মোবাইল ফোন জব্দ কৰে। আৰক্ষীয়ে ধৃত দুয়োজনকে সোধা-পোছা অব্যাহত ৰাখিছে। উল্লেখ্য যে চৰকাৰৰ শেহতীয়াকৈ জিলাসমূহৰ পূৰ্বৰ আৰক্ষী অধীক্ষকসকলক বদলি কৰাৰ পিছতে এতিয়া ৰাজ্যজুৰি দৈনিক ড্ৰাগছ সৰবৰাহকাৰী গ্ৰেপ্তাৰ হোৱাৰ লগতে জব্দ হৈছে ড্ৰাগছ। বঙাইগাঁও জিলাও ইয়াৰ ব্যতিক্ৰম নহয়।



## বাৰিষা বতৰক লৈ চিন্তামগ্ন নাওপোটা-দুৰদুৰীয়াবাসী ৰাইজ

# ১৬ বছৰে উন্মুক্ত হৈ থাকিল দিমীলা নদীৰ মথাউৰি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ৬ জুন ঃ** এবছৰ দুবছৰ নহয় সুদীৰ্ঘ ১৬টা বছৰে উন্মুক্ত হৈ পৰি থাকিল দৰং জিলাৰ ছিপাঝাৰৰ দিমীলা নদীৰ বানত ছিগা মথাউৰি। ২০০৪ চনত দিমীলা নদীৰ বাঢ়নী পানীৰ সোঁতে নদীখনৰ নাওপোটা-দুৰদুৰীয়া গাঁৱৰ সমীপত প্ৰায় এশ মিটাৰ দৈৰ্ঘ্যজুৰি ভাঙি ইয়াৰ দাঁতিকাষৰীয়া নাওপোটা, দুৰদুৰীয়া, চমুৱা, গোপালপুৰ, বগাচলা, ঘোপেলী, চেঙেলীয়াঝাৰ, কেন্দুগুৰি, পাটগিৰিপুৰা, বাঘমাৰা আদি ৰাজহ গাঁওসমূহৰ কৃষক ৰাইজৰ খেতি-পথাৰ নদীখনৰ পানীয়ে বুৰাই ৰাইজক নাজল-নাথল কৰাই নহয়, অঞ্চলটোৰ ৯৫ শতাংশ কৃষিজীৱী ৰাইজৰ খেতিপথাৰ সমূলি ধুই চাফা কৰি দিয়ে। যাৰ পিছত অঞ্চলটোৰ ৰাইজে পিছৰ বছৰত শালিধানৰ খেতি কৰাৰ চিন্তাৰে স্থানীয় বিধায়ক আৰু বিভাগৰ ওচৰত মথাউৰিৰ ছিগা অংশটি মেৰামতিৰ বাবে বাৰম্বাৰ আবেদন-নিবেদন, অনুৰোধ কৰিছিল। কিন্তু আজিকোপতি মেৰামতি কৰাৰ কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। দাবী লৈ পিছত বছৰ ধৰি শালিধানৰ খেতিৰ পৰা বঞ্চিত হৈ দুৰ্ভিক্ষৰ কবলত কৃষকসকল। পাছত কৃষকৰ বাবে জলসম্পদ মন্ত্ৰী কেশৱ মহন্তৰ পৰিদৰ্শন সময়ত বানে ছিঙি নিয়া দিমীলা নদীৰ মথাউৰিৰ বন্ধাৰ বাবে অনুৰোধ জনোৱাত মন্ত্ৰী মহন্তই ৰাজ্যত ২০১৯ৰ ৩০ এপ্ৰিলৰ ভিতৰত কোনো ছিগা মথাউৰিয়ে পৰি নাথাকিব বুলি দৃঢ়তাৰে প্ৰকাশ কৰাত ৰাইজে আনন্দ আৰু সন্তোষ লাভ কৰিছিল। কিন্তু আশ্চৰ্যজনক কথা যে মন্ত্ৰী মহন্তৰ কথাই দিমীলা নদীৰ মথাউৰিৰ আজিও স্পৰ্শ নকৰিলে। ২০১৯ চনত চেঙেলীয়াঝাৰৰ সমীপত নৈৰ নদীৰ পশ্চিম প্ৰান্তৰ মথাউৰিটোৰ বানপানীয়ে ভাঙি নিয়াৰ পিছত ৰাজ্যৰ বিতৰ্কিত হিমন্ত বিশ্ব শৰ্মাই স্থানীয় বিধায়ক, পাথৰিঘাটৰ ৰাজহ চক্ৰ বিষয়াক লগত লৈ নৈৰ নদীৰ বানত ছিগা মথাউৰিটো পৰিদৰ্শনৰ সময়ত দুৰদুৰীয়া গাঁৱৰ চৰকাৰী গাঁওবুঢ়া আব্দুল আলীয়ে মন্ত্ৰী শৰ্মাক দিমীলা নদীৰ বানে ছিগা মথাউৰিটো মেৰামতিৰ বাবে অনুৰোধ জনোৱাত মন্ত্ৰী শৰ্মাই সেই সময়ত তাত উপস্থিত থকা মঙলদৈ জলসম্পদ বিভাগৰ অভিযন্তাক কাৰ্যব্যৱস্থা গ্ৰহণৰ বাবে নিৰ্দেশ দিছিল। ৰাইজে ভাবিছিল মন্ত্ৰী হিমন্তই ক'লে যেতিয়া এইবাৰ নিশ্চিতভাৱে হ'ব। পিছে মন্ত্ৰী শৰ্মাৰ কথাও হৈ পৰিল ফুটুকাৰ ফেন। পিছে ৰাইজৰ বিকল্প উপায়েৰে কি? নিৰ্বাচনৰ সময়ত নদীখনৰ ছিগা মথাউৰিক লৈ ফুলজাই মাৰি জয়ী হৈ ৰঙা হ'লেই পাহৰা ৰাজনৈতিক নেতাসকলৰ প্ৰতি নাৰাজ অঞ্চলটোৰ ৰাইজ। ৰাজনীতিৰ ৰঙা ফিতাৰ মেৰপেঁচত বছৰ বছৰ ধৰি প্ৰৱঞ্চিত হৈ অহা অঞ্চলটোৰ ৰাইজে নতুন চৰকাৰ আৰু স্থানীয় প্ৰতিনিধিগৰাকীয়ে প্ৰথম জিৰণী কাম হিচাপে দিমীলা নদীৰ মথাউৰিৰ ছিগা মথাউৰিটো মেৰামতি কৰি কৃষিজীৱী ৰাইজক উদ্ধাৰৰ দৰে উল্লেখনীয় আৰু উপকাৰপূৰ্ণ আঁচনিৰ কাম কৰিবলৈ আহ্বান জনাইছে। পিছে ৰাইজৰ অনুৰোধ নতুন চৰকাৰখনে সঁচাকৈ কৰিবনে? স্থানীয় বিধায়কসকাৰী পূৰ্বৰ প্ৰতিনিধিৰ দৰে নাওপোটা-দুৰদুৰীয়াবাসীৰ কথা মনত থাকিবনে?

## অৰণ্য মানৱ যাদৱ পায়েঙৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ মাজুলীত গছপুলি ৰোপণ



**দৈনন্দিন বাৰ্তাৰ সেৱা, উজনি মাজুলী, ৬ জুন ঃ** পদ্মশ্ৰী তথা অৰণ্যমানৱ যাদৱ পায়েঙৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ মাজুলী জিলাৰ নৱ-গঠিত স্বেচ্ছাসেৱী অনুষ্ঠান 'আমাৰ সপোন সেউজীয়া পৃথিৱী'ৰ দ্বাৰা বিশ্ব পৰিৱেশ দিৱস উপলক্ষে তথা 'আমাৰ সপোন সেউজীয়া পৃথিৱী' অনুষ্ঠানৰ প্ৰথম কাৰ্যসূচী হিচাপে মাজুলীৰ বিভিন্ন স্থানত দুদিনীয়া কাৰ্যসূচীৰে গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। প্ৰথম দিনাৰ কাৰ্যসূচীত অনুষ্ঠানৰ সদস্য তথা শুভাকাংক্ষীসকলে মাজুলীৰ বিভিন্ন স্থানত গছপুলি ৰোপণ কাৰ্যসূচী সম্পাদনা কৰে। লগতে তেওঁলোকে মাজুলীৰ বিভিন্ন স্থান- নগাঁও, গোসাঁইবাৰী, ৰঙাচাহী, নিকিলিখোৱা, ফুলনি, কাৰ্কিচুক, দাস্থৰীয়াল, জঙৰাইবাৰী, ৰতনপুৰ মিৰি আদি স্থানত সম্পূৰ্ণ ক'ভিড বিধি মানি প্ৰথম দিনাৰ গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। বৰ্তমান সময়ৰ ধ্বংসপ্ৰায় পৃথিৱীখনক পুনৰ জীৱিত কৰিবৰ বাবে সকলোৱে পৃথিৱীখন সেউজীয়া কৰিব লাগিব। পৃথিৱীখন সেউজীয়া কৰাৰ একমাত্ৰ উপায় হৈছে গছপুলি ৰোপণ আৰু বৃক্ষ সংৰক্ষণ। এই কথা চিন্তা কৰিয়ে 'আমাৰ সপোন সেউজীয়া পৃথিৱী' অনুষ্ঠানে গছপুলি ৰোপণৰ দুদিনীয়া কাৰ্যসূচী হাতত লয়। প্ৰথম দিনাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰা অনুষ্ঠানৰ সকলো সদস্য, শুভাকাংক্ষী তথা বিভিন্ন স্থানত গছপুলি ৰোপণৰ সময়ত সহযোগিতা আগবঢ়োৱা সকলো ব্যক্তিলৈ 'আমাৰ সপোন সেউজীয়া পৃথিৱী' ফালৰ পৰা কৃতজ্ঞতাৰে ধন্যবাদ জ্ঞাপন কৰে।

## সন্ধানহীন মহিলা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বহা, ৬ জুন ঃ** বহা থানাৰ অন্তৰ্গত কপাহীতলী গাঁৱৰ কৃষ্ণ মেধি ডেকা নামৰ এগৰাকী মহিলা যোৱা ৩ তাৰিখৰ পৰা সন্ধানহীন হৈ আছে বুলি জানিব পৰা গৈছে। মহিলাগৰাকীৰ স্বামী উৎপল কুমাৰ ডেকাই জানিবলৈ দিয়া মতে তিনিমহীয়া এটি কন্যা সন্তানৰ মাতৃ তৃষ্ণা মেধি ডেকাই ঘৰৰ পৰা ওলাই আহি আজি পৰ্যন্ত ঘৰলৈ ঘূৰি নোযোৱাত এক প্ৰকাৰ হাহাকাৰৰ সৃষ্টি হৈছে। তিনিমহীয়া কন্যা সন্তানটি এনি খৈ যোৱা আৰু মানসিকভাৱে কিছু বিকাৰগ্ৰস্ত মহিলাগৰাকীৰ কিবা সন্ধান পালে স্থানীয় আৰক্ষীক অৱগত কৰিবলৈ আহ্বান জনাইছে স্বামী উৎপল কুমাৰ ডেকাই।

## ৰঙিয়াত কবি অৰণ্যম কাশ্যপৰ উদ্যোগত পৰিৱেশ দিৱস পালন

দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ৬ জুন। বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি কবি অৰণ্যম কাশ্যপৰ নেতৃত্বত শনিবাৰে প্ৰতিভা কলিতা; প্ৰাণজিত কলিতা, মুগেন কলিতা, হিবকজ্যোতি কলিতা তথা বাঘবাৰী, ম'হখলী গাঁওবাসীৰ সহযোগত নৱজ্যোতি সংঘ প্ৰাংগণত বিশ্ব পৰিৱেশ দিৱস উদযাপন কৰা হয়। সম্পূৰ্ণৰূপে ক'ভিড প্ৰটকল মানি শিশু সকলৰ মাজত এলানি পৰিৱেশ সম্পৰ্কে বক্তৃতা অনুষ্ঠান আয়োজন কৰা হয়। সৰ্বমুঠ ৩০ গৰাকী প্ৰতিযোগিৰ ভিতৰত প্ৰথম পুৰস্কাৰ লাভ কৰে বাষ্মিতা কলিতা, ২য় আৰু ৩য় পুৰস্কাৰ ক্ৰমে চুমি কলিতা আৰু প্ৰাৰ্থনা কলিতাই লাভ কৰে। বিজয়ী প্ৰতিযোগী সমূহক একো একোখন গ্ৰন্থৰে পুৰস্কৃত কৰাৰ লগতে সকলো প্ৰতিযোগীকে একো একোজোপা গছপুলি বিতৰণ কৰা হয় প্ৰতিযোগীতাটি বিচাৰক আছিল প্ৰাণজিত কলিতা আৰু হীৰকজ্যোতি কলিতা। কবি অৰণ্যম কাশ্যপে পৰিৱেশ সজাগতাৰ বাবে বিশেষ কৈ শিশু সকলৰ মাজত পৰিৱেশ সজাগতাৰ এক জাগৰণ অনাৰ বাবে এনেধৰণৰ কাৰ্যসূচী আগন্তুক সময়বোৰতো লৈ যাব বুলি জানিবলৈ দিয়ে।



## ধেমাজিত মনজিৎ গগৈ সোঁৱৰণী গল্প প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ৬ জুন ঃ** বিগত বৰ্ষসমূহৰ দৰে এই বছৰো অসম সাহিত্য সভাৰ অন্যতম সক্ৰিয় শাখা ধেমাজি সাহিত্য সভাৰ উদ্যোগত ১৬সংখ্যক সদৌ অসম মনজিত গগৈ সোঁৱৰণী গল্প প্ৰতিযোগিতাখন আয়োজন কৰা হৈছে। ৰাজ্যৰ অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত কৰা এই প্ৰতিযোগিতাখনলৈ প্ৰতিযোগীয়ে এটাকৈ অসমীয়া ভাষাত লিখা মৌলিক চুটিগল্প প্ৰেৰণ কৰিব পাৰিব। গল্প প্ৰেৰণ কৰাৰ সময়ত প্ৰতিযোগীয়ে নিজৰ নাম, ঠিকনা, বিদ্যালয়-মহাবিদ্যালয়ৰ নামৰ উপৰি ফোন নম্বৰ প্ৰেৰণ কৰিব লাগিব। ইচ্ছুক প্ৰতিযোগীয়ে ২৫ জুলাইৰ ভিতৰত তলত দিয়া ঠিকনাত প্ৰেৰণ কৰিব পাৰিব: হিৰণ্যকুমাৰ কৌৱৰ, সম্পাদক ধেমাজি সাহিত্য সভা, পদুমনাথ গোহাঞি বৰুৱা পথ, ধেমাজি-৭৮৭০৫৭, ফোন নং ৭০০২৮-৯১২০৮ অথবা ইমেইল dipenbkonwar2016@gmail.com লৈ গল্প প্ৰেৰণ কৰিব পাৰিব। উল্লেখ্য যে বিজয়ী প্ৰতিযোগীক নগদ টকাৰে ১৬ আগষ্টত ধেমাজি সাহিত্য সভা ভৱনত অনুষ্ঠিত হ'বলগীয়া শহীদ মনজিত গগৈ স্মৃতিচাৰণ অনুষ্ঠানত পুৰস্কৃত কৰিব ধেমাজি সাহিত্য সভাই।

# প্ৰকৃতিৰ শোভা ছিপাঝাৰত বিলুপ্তিৰ দিশে পক্ষীকুল, মাছ-কাছ

## অসাধু চক্ৰ, প্ৰাকৃতিক দুৰ্যোগে পদে পদে কঢ়িয়াই আনিছে বিপদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ, ৬ জুন ঃ** প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যৰে ভৰপূৰ ছিপাঝাৰ। য'ত নদ- নদী, পৰ্বত-পাহাৰ, খাল-বিল, ভিন্ন আকৃতিৰ চৰাই-চিৰিকতি আদিৰে পৰিপূৰ্ণ এখন বিশাল ভূমিৰে আওৰি আছে। যাৰ বাবে ছিপাঝাৰক লাৱণ্যময়ী, ৰূপহী কন্যা বুলিও চৰ্চা আছে। বৃহত্তৰ ছিপাঝাৰ অঞ্চলৰ 'ব'ঠাবিল পুখুৰীয়া' প্ৰায় পাঁচ কিলোমিটাৰ দৈৰ্ঘ্যৰ বিলখন মাছ-কাছৰ ভঁৰাল। এচৰতে থকা ২৯৯ বিঘা মাটি কালিৰে আবৃত 'ভূতৰণ' পৰিভ্ৰমী চৰাইৰে ঠাহ খাই পৰিপূৰ্ণ হৈ থাকে। যাৰ কাকলিত মুখৰিত হৈ থাকে সমগ্ৰ ছিপাঝাৰৰ আকাশ-বতাহ। লক্ষণীয় যে এই পক্ষীসমূহ ৰাজস্থান, ঘানা, আদিৰে পৰিপূৰ্ণ এখন বিশাল ভূমিৰে উত্তৰপ্ৰদেশ, পশ্চিমবংগ, কেৰালা, মণিপুৰ আদিৰ পৰা অহা বুলি জনা যায়। তদুপৰি ইয়াৰ নিকটৱৰ্তী সৰু-ডাঙৰ বহুকেইখন বিলত দেশী- বিদেশী চৰায়ে অধিকভাৱে সাৰ্বোস্থান কৰি তোলে। সাধাৰণতে দুষ্প্ৰাপ্য বিলখন দেখা যায় হৈ পৰা দলপুৰা, বালিমাহী, পানী কাউৰী, ঘিলা হাঁহ, গঙাচিলনী, চাকৈ চকোৱা, শামুক ভঙা আদি পক্ষীসমূহ দেখিবলৈ পোৱা যায়। তদুপৰি বিলসমূহৰ পাৰত ডাউক, কোৰা, শিপিনী চৰাই, ঘনচিৰিকা, বগাচকুৱা, ঈগল, সাপ খোৱা, শেন, ইত্যাদি ভিন্ন আকৃতিৰ চৰায়ে বিচৰণ কৰি ঠাইখন অধিক মনোমোহা কৰি তোলে। আনহাতে, বিলসমূহত দুৰ্লভ প্ৰজাতিৰ মাছ হিচাপে চিহ্নিত চেং, গৰৈ, মাগুৰ, কাৱৈ, শিঙি, চেনিপুঠি, চিতল, কুঁচিয়া, কাছ, কেঁকোৰা, টিটিৰা, বামি, পুঠি, উৰিকণা, বটিয়া, মিছামাছ আদিও যথেষ্ট পৰিমাণে পোৱা যায়। কিন্তু আশ্চৰ্যজনকভাৱে আজি এইকেইটা বছৰত পৰা খাল-বিলৰ এনে সম্পদসমূহ এচাম অসাধু প্ৰকৃতৰ লোক আৰু প্ৰাকৃতিক দুৰ্যোগৰ বাবে বিলুপ্তিৰ পথত অগ্ৰসৰ হৈছে। যিটো ছিপাঝাৰবাসীৰ কাৰণে নহয় ৰাজ্যখনৰ লোকসকলৰ বাবেও দুৰ্ভাগ্যজনক। লক্ষণীয়ভাৱে অসাধু তথা দুষ্ট প্ৰকৃতিৰ লোকসকলে খাল-বিলসমূহত কমিব ধৰা মাছবোৰ নেট জাল ব্যৱহাৰ কৰি সৰু-ডাঙৰ সকলোবোৰ মাছেই ধৰি বিক্ৰী কৰি বেপাৰ কৰে। এনেদৰে মাছ-কাছ ধৰি বিক্ৰী কৰি মুনাফা লাভ কৰে। বছৰৰ সকলো সময়তে বিলসমূহত এনে মাছ প্ৰায় নোহোৱা হৈ পৰিছে। প্ৰাকৃতিকভাৱে বছৰি হোৱা বানপানীৰ ফলত বিলবোৰ বোকাৰে পুতি পেলাই সংকুচিত কৰাৰ লগতে বানপানীত এনে মাছ-কাছসমূহ উটুৱাই লৈ যোৱাৰ ফলতো নাইকিয়া হ'ব ধৰিছে। আনপিনে প্ৰকৃতিৰ ৰূপহী কন্যা পক্ষীসমূহক অসাধু চক্ৰই ফান্দ পাতি ধৰি সেইবোৰ নিঃশেষ কৰাৰ দিশে গতি কৰাইছে। যি কু-কৰ্মক কোনো লোকে বাধা দিলে জীৱনলৈ ভাবুকি অহাৰ ভয়ত দেখিও নেদেখাৰ ভাও লৈ থাকিবলৈ বাধ্য হৈ পৰে। সেয়েহে সচেতন মহলে প্ৰশাসনৰ ওচৰত এনে সম্পদসমূহ সুৰক্ষা দি ৰক্ষা কৰাৰ বাবে অনুৰোধ জনাইছে। নহ'লে চকুৰ আগতে অচিৰেই নিঃচিহ্ন হৈ পৰিবলৈ বেছি দিন নালাগিব।



*বিশ্ব পৰিৱেশ দিৱসত যোৰহাটৰ ন-আলি-চৰ্দাৰ আলি সংযোগ স্থলত ভিন্ন ক্ষেত্ৰৰ প্ৰকৃতিপ্ৰেমীৰ ঠাই নাম অক্ষুণ্ণকৰণ শিমলু পুলি প্ৰতিপালন। ফটো ঃ বিনোদ গগৈ*

# ছিপাঝাৰত প্ৰাথমিক শিক্ষাৰ নামত চৰকাৰী ধনৰ অপচয়

## হাবি-জংঘলৰ মাজত সৰ্বশিক্ষাৰ ৰান্ধনিশাল

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছিপাঝাৰ,৬ জুনঃ** চৰকাৰে প্ৰাথমিক শিক্ষাৰ প্ৰসাৰতাৰ বাবে বছৰি ৰাজকোষৰ কোটি- কোটি টকা বিভাগলৈ মোকলাই দি এক নতুন দিগন্তৰ সূচনা কৰিব বিচৰাৰ সময়তে ছিপাঝাৰত এনে ধনৰ চৰম অপচয় হোৱাৰ অভিযোগ উত্থাপন হৈছে। জানিব পৰা মতে ছিপাঝাৰ প্ৰাথমিক শিক্ষাখণ্ডৰ অধীনস্থ ১৯৮৫ চনতে স্থাপিত অপ্ৰাদেশীকৃত খানপাৰা প্ৰাথমিক বিদ্যালয়খনত আৰম্ভণি কালত ইয়াৰ নিকটৱৰ্তী কুমাৰপাৰা আৰু তৰাগাঁও নামৰ গাঁও দুখনৰ পৰা যথেষ্টসংখ্যক কণ- কণ শিশুৱে শিক্ষাগ্ৰহণ কৰিছিল। দুজন শিক্ষকে বিদ্যালয়খনত শিক্ষাদান কৰি অহাৰ পিছত বিদ্যালয়খন চৰকাৰীকৰণৰ বাবে ২০১৩ চনত বিভাগে কাৰ্য ব্যৱস্থা গ্ৰহণ কৰিছিল। কিন্তু প্ৰয়োজনীয় মাটিৰ অভাৱত তেনে সুবিধাৰ পৰা বঞ্চিত হ'বলগীয়া হয়। যাৰ পিছত শিক্ষকদ্বয়ৰ মন ভাগি পৰে আৰু এৰা-ধৰাৰ মাজেৰে পাঠদান চলাই নিয়াত অভিভাৱকসকলে নিজৰ ল'ৰা-ছোৱালীৰ শিক্ষা জীৱনক লৈ চিন্তান্বিত হৈ এজন এজনকৈ উলিয়াই নি অন্য বিদ্যালয়ত নামভৰ্তি কৰাই দিবলৈ বাধ্য হয়। এনে সময়তে বিদ্যালয়খনৰ সহ শিক্ষকগৰাকী পেৰেলাইছিছ ৰোগত আক্ৰান্ত হোৱাত বিদ্যালয়খনলৈ নামি আহে চৰম সংকট। প্ৰধান শিক্ষকগৰাকীয়ে বিদ্যালয়ৰ পৰিৱৰ্তে ঘৰৰ কামতহে বেছিভাগ সময় ব্যস্ত হৈ থাকিবলৈ লোৱাত মৃত্যুমুখী যাত্ৰাত পতিত হয় বিদ্যালয়খনি। আশ্চৰ্যজনক কথা যে ২০১২-১৩ চনত সৰ্বশিক্ষাৰ ফালৰ পৰা বিদ্যালয়খনৰ ৰান্ধনিশাল নিৰ্মাণৰ বাবে এক লাখ এহেজাৰ টকা আবণ্টন হয়। মাটি নোহোৱা বিদ্যালয়ৰ ওচৰত নিৰ্মাণ কৰিব নোৱাৰি প্ৰধান শিক্ষক গৰাকীয়ে দূৰৈৰ জাৰণিত নিৰ্মাণ নিজৰ ইচ্ছানুযায়ী নিৰ্মাণ কৰে। যাৰ বাবে বিদ্যালয়খনৰ শিশু খাদ্যৰ ৰান্ধনিশাল সম্প্ৰতি হাবি- জংঘলৰ মাজত থিয় দি আছে। য'ত সাপ-বেঙৰ বসতিস্থান বুলিহে ৰাইজে ক'ব খোজে। সচেতন লোকসকলে ছাত্ৰ-ছাত্ৰী নোহোৱা বিদ্যালয়ত ৰান্ধনিশাল নিৰ্মাণ কৰি বিভাগে অযথা চৰকাৰী ধনসমূহ খৰচ কৰাটো ৰহস্যজনক বুলি ক'ব খোজে। উল্লেখ্য যে ৰান্ধনিশালৰ গৃহটো নিৰ্মাণত সেই সময়ত ব্যাপক অনিয়মৰ অভিযোগ উত্থাপন হৈছিল যদিও বিভাগে কোনো ব্যৱস্থা গ্ৰহণ নকৰাত ৰাইজ আশ্চৰ্যান্বিত হৈ পৰিছিল বুলি প্ৰকাশ।

## ৬ বছৰে সম্পূৰ্ণ নহ'ল টীয়ক ৰজাবাৰী পশু চিকিৎসালয় ভৱন

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান,৬ জুনঃ** উন্নয়নৰ ঢাক-ঢোল বজাই থকাৰ সময়তেই পোহৰলৈ আহিছে উন্নয়নৰ ফোপোলা স্বৰূপৰ ন ন তথ্য। ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰাইজে উদঙাইছে এতিয়া ৰাজ্য চৰকাৰৰ উন্নয়নৰ নমুনা। এইবাৰ ৰাজ্য চৰকাৰৰ ফোপোলা ছবি পৰিস্ফুট হৈছে টীয়কৰ ৰজাবাৰীত। টীয়ক ৰজাবাৰীস্থিত পশু চিকিৎসালয় ভৱনটি ৬ বছৰে সম্পূৰ্ণ হৈ নুঠিল। ২০১৪ চনতে আধাৰশিলা স্থাপন কৰি দায়িত্ব সামৰিলে বিভাগীয় কৰ্তৃপক্ষই। আজিকোপতি পৰিত্যক্ত হৈ পৰি আছে কোটিটকীয়া এই প্ৰকল্পটো। উল্লেখ্য যে, বৃহত্তৰ জাঁজীমুখৰ লগতে পশ্চিম টীয়ক গাঁও পঞ্চায়তৰ অধীনৰ বানাক্ৰান্ত অঞ্চলৰ এইখন একমাত্ৰ পশু চিকিৎসালয়। পূৰ্বৰ গৃহটো জৰাজীৰ্ণ হোৱাৰ বাবে নতুনকৈ পশু চিকিৎসক-কৰ্মচাৰী থাকিব পৰাকৈ প্ৰায় ৬৫ লাখ টকাৰে নিৰ্মাণ কৰা হৈছিল এই গৃহকেইটা। প্ৰায় ৮০ শতাংশ কাম সম্পূৰ্ণ হোৱাৰ পাছতো ৬ বছৰে জৰাজীৰ্ণ হৈ পৰি আছে গৃহটো। বৰ্তমান জহি-খহি যোৱাৰ উপক্ৰম ঘটিছে কোটিটকীয়া এই প্ৰকল্পটো। ইফালে যি উদ্দেশ্যৰে চৰকাৰে নিৰ্মাণ কৰিছিল ৰজাবাৰীস্থিত এই পশু চিকিৎসালয় ভৱনটি, তাক অতি সোনকালে কাৰ্যক্ষম কৰিবলৈ আহ্বান জনাইছে স্থানীয় ৰাইজে।

## ক'ভিডৰ নিষেধাজ্ঞাৰ সময়ছোৱাত গাড়ী চলাচলৰ ই-পাছৰ ব্যৱস্থা বঙাইগাঁও জিলা প্ৰশাসনৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও,৬ জুন ঃ** সম্প্ৰতি ক'ভিড-১৯ ৰ বাবে বন্ধ আছে আন্তঃজিলা যাতায়ত ব্যৱস্থা। কিন্তু কিছুমান মানুহৰ বাবে আন জিলালৈ যাবলগীয়া জৰুৰী কাম থাকিব পাৰে। বিশেষ কিছুমান কাৰণত এখন জিলাৰ পৰা আন জিলালৈ যোৱাটো জৰুৰী হ'ব পাৰে। তেনেক্ষেত্ৰত সৰ্বসাধাৰণ লোকে বঙাইগাঁও জিলাৰ পৰা আন জিলালৈ যাব পৰা কৰিবলৈ জিলা প্ৰশাসনে বাহনৰ বাবে ই-পাছৰ ব্যৱস্থা কৰিছে। সেই অনুসৰি বঙাইগাঁও জিলা প্ৰশাসনে জিলাখনৰ নাগৰিকক ই-পাছ দিয়াৰ বাবে দুটা লিংকৰ ব্যৱস্থা কৰিছে। যদি কোনোবা ব্যক্তি জৰুৰী কামৰ বাবে বঙাইগাঁও জিলাৰ পৰা আন জিলালৈ যাবলগীয়া হয়, তেতিয়াহ'লে ই- পাছৰ বাবে এই লিংকৰ জৰিয়তে আবেদন কৰিব পাৰিব। Application form URL: https: serviceonline.gov.in/directApply.do?serviceld-2023 আৰু আনটো হ'ল-Application tracking/ePass download URL: https//serviceonline.gov.in.ইয়াৰ উপৰি 'ই-পাছ'ৰ বাবে বঙাইগাঁও জিলা প্ৰশাসনৰ ৱেবছাইট https:যযbongaigaon.gov.in যৰ জৰিয়তে লিংক বিচাৰি চাব পাৰিব।

## এজাক বৰষুণতে বিধ্বস্ত হৈ পৰিছে ওৰাং ৰাষ্টীয় উদ্যানলৈ যোৱা দুটি পথ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি,৬ জুনঃ** আজি তিনিদিন ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ওৰাং ৰাষ্ট্ৰীয় উদ্যানলৈ যোৱা দুটি পথ বিধ্বস্ত হৈ পৰিছে। ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ লগত সংলগ্ন ধনশ্ৰীঘাটৰ পৰা ওৰাং ৰাষ্ট্ৰীয় উদ্যানলৈ যোৱা গড়কাপ্টানী পথটো আৰু ওৰাং টাউনৰ পৰা ৰাষ্ট্ৰীয় উদ্যানলৈ যোৱা গড়কাপ্টানী পথৰ অৱস্থা অতি জৰাজীৰ্ণ হৈ পৰিছে। দীৰ্ঘদিন ধৰি পথ দুটা মেৰামতি নকৰাৰ ফলত বখলা বখলিকৈ এৰি তাতে পানী জমা হৈ যাতায়তৰ অনুপযোগী হৈ পৰিছে। ফলত বৃহৎ অঞ্চলটোৰ ৰাইজৰ যাতায়তৰ ক্ষেত্ৰত ভীষণ সমস্যাৰ সৃষ্টি হৈছে। কে'বাঠাইতো প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ সৃষ্টি হোৱাত সৰু-বৰ যান-বাহন, গৰুগাড়ীৰ লেখিয়াকৈ বিপদসংকুলতাৰে অহা-যোৱা কৰিব লগা হৈছে। ফলত শিলবুড়ী, ধনশ্ৰীবজাৰ অথবা ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওৰাং ধনশ্ৰীঘাটৰ পৰা অহা-যোৱা কৰোতে ১৫ মিনিট সময় লাগে যদিও এতিয়া জৰাজীৰ্ণ এই পথেৰে যাতায়ত কৰিবলগীয়া হোৱাত ৪৫ মিনিট সময়ৰ প্ৰয়োজন হৈ পৰিছে। পথচাৰীসকলৰ লগতে চাইকেল আৰোহীসকলেও অতি সাৱধানতাৰে যাতায়ত কৰিবলগীয়া হৈছে। নহ'লে যিকোনো মুহূৰ্ততে দুৰ্ঘটনা সংঘটিত হোৱাৰ পূৰ্ণ সম্ভাৱনা প্ৰকট হৈ পৰিছে। সেয়েহে ব্যস্ততাপূৰ্ণ ওৰাং ৰাষ্ট্ৰীয় উদ্যানলৈ যোৱা পথ দুটা অতি শীঘ্ৰে মেৰামতি কৰিবলৈ বিৰ্ভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে অনঞ্চলটোৰ ৰাইজে।





## লাহৰীঘাট আঞ্চলিক পঞ্চায়তত বিধায়ক ডাঃ আছিফ নাজাৰৰ গছপুলি ৰোপণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰবন্ধা,৬ জুনঃ** শনিবাৰে বিশ্ব পৰিৱেশ দিৱস আৰু এই দিনটোতে বিভিন্ন ব্যস্ততাৰ মাজতে লাহৰীঘাটৰ নৱনিৰ্বাচিত যুৱ বিধায়ক ডাঃ আছিফ নাজাৰ উপস্থিত হয়হি লাহৰিঘাট আঞ্চলিক পঞ্চায়তৰ কাৰ্যালয় তথা লাহৰিঘাট উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত উপস্থিত হৈয়ে যুৱ বিধায়কগৰাকীয়ে খণ্ড উন্নয়ন বিষয়াগৰাকীক লগত লৈ কাৰ্যালয়ৰ প্ৰাংগণত বহুকেইটা গছ পুলি ৰোপণ কৰে। লাহৰিঘাট উন্নয়ন খণ্ডৰ কাৰ্যালয়ৰ পিছত নৱনিৰ্বাচিত বিধায়কগৰাকীয়ে কাঠনি, তৰাবড়ি, ধুমকুৰা আদি কৰি বিভিন্ন স্থানত উপস্থিত হৈ সমষ্টিৰ ৰাইজৰ বিভিন্ন সমস্যাৰ বুজ লয়। বিধায়কগৰাকীয়ে ৰাইজৰ লগত বিভিন্ন ধৰণৰ মত বিনিময় কৰা লগতে বহু ঠাইত গছ পুলি ৰোপণো কৰে। লাহৰিঘাটৰ জনপ্ৰিয় তথা যুৱ বিধায়ক আছিফ নাজাৰে এই অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰাইজক পৰিৱেশ সংৰক্ষণৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবলৈ অনুৰোধ জনায়। ইফালে বৰ্ত্তমান সময়ত দেখা দিয়া যুৱ বিশৃংখলতাৰ লগতে একাংশ যুৱ সমাজে অত্যধিক মাদকদ্ৰব্য তথা ড্ৰাগ্ছৰ প্ৰতি আসক্ত হোৱা দেখা যায়। এইক্ষেত্ৰত যুৱ সমাজক তেনেধৰণৰ দ্ৰব্যৰ প্ৰতি আসক্ত নহ'বলৈ তেওঁ যুৱ সমাজক অনুৰোধ জনায়। লগতে এইক্ষেত্ৰত যুৱ সমাজক উন্নয়নমুখী হ'বলৈও আহ্বান কৰে।

## তামুলপুৰৰ কুমাৰীকাটাত ভয়ংকৰ পথ দুৰ্ঘটনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ,৬ জুন ঃ** দেওবাৰে পুৱাই তামুলপুৰ মহকুমাৰ অন্তৰ্গত দক্ষিণ কুমাৰীকাটাত এক ভয়ংকৰ পথ দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাটোৰ ফলত এজন কিশোৰ গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন হ'বলগা হয়। জানিব পৰা মতে, ১২৭ নং ডি ৰঙিয়া- ভূটান ৰাষ্ট্ৰীয় ঘাইপথৰ দক্ষিণ কুমাৰীকাটাৰ ৰাজহুৱা প্ৰেক্ষাগৃহৰ কিছু দূৰৈত ৰঙিয়া অভিমুখে গৈ থকা এছ২৫ডিচি৫৫৩২ নম্বৰৰ ডাম্পাৰখনে আন এখন এছ২৫ ডিচি৪৪৩১ ডাম্পাৰৰ পিছফালে খুন্দিয়াই দিয়াৰ বাবেই উক্ত দুৰ্ঘটনাটো সংঘটিত হয়। ফলত বহু সময়লৈকে ডাম্পাৰখনত উঠি অহা কিশোৰগৰাকী আবদ্ধ হৈ পৰে, পিছত জেচিবি লগাইহে কিশোৰগৰাকীক উদ্ধাৰ কৰি কুমাৰীকাটা ৰাজ্যিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। বৰ্তমান কিশোৰগৰাকী সংকটমুক্ত বুলি জানিব পৰা গৈছে। ইতিমধ্যে কুমাৰীকাটা আৰক্ষীয়ে দুয়োখন ডাম্পাৰ জব্দ কৰি আৰক্ষী চকীলৈ লৈ যায়।

## কৰ'না কালৰ বাবে নিমপুলিৰ জয়ধ্বনি পিছুৱালে

**দৈনন্দিন বাৰ্তাৰ সেৱা, দক্ষিণ যোৰহাট,৬ জুন ঃ** বিগত তিনি বছৰে অসমৰ বিভিন্ন প্ৰান্তত হাজাৰেৰো অধিক ঔষধি গুণসম্পন্ন নিমপুলি ৰোপণ আৰু বিতৰণে বিশেষ অভিলেখ গঢ়িবলৈ সক্ষম হোৱা নিমপুলি প্ৰাকৃতিক সংস্থাৰ বাৰ্ষিক জয়ধ্বনি অনুষ্ঠান কৰ'নাকালৰ বাবে পিছুৱাই দিছে। মূলতঃ বয়োজ্যেষ্ঠসকলৰ প্ৰকৃতিলৈ অৱদান তথা নিজক সজীৱ ৰখা অভিপ্ৰায়েৰে আগুৱাই যোৱা নিমপুলিৰ প্ৰতি ১০ জুনত প্ৰতিষ্ঠা দিৱস উদ্‌যাপনেৰে ব্যতিক্ৰমী 'জয়ধ্বনি' অনুষ্ঠান অনুষ্ঠিত হয়। যুৱ প্ৰজন্ময়ো জড়িত হৈ থকা কোনো স্বীকৃতি নিবিচাৰি নিজে নিজে নিৰৱে-নিৰলে মানৱ সম্পদৰ উপকাৰত সেৱা আগবঢ়াই অহা নিমপুলিয়ে কৰ'নাকালত সমবেত-সমাগমৰ পৰা বিৰত থাকি এইবাৰ জয়ধ্বনি অনুষ্ঠান পিছুৱাই দিছে আৰু সমন্বয়কসকলক ১০ জুনত আপোন সুবিধা অনুযায়ী আপোন গৃহ বা সমীপৰ ধৰ্মানুষ্ঠান বা শিক্ষা তথা সুৰক্ষিত অন্য স্থান-অনুষ্ঠানত এটিকৈ যিকোনো পুলি ৰোপণ কৰিবলৈ মতপোষণ কৰিছে। কৰ'না সংক্ৰমণ ৰোধত সন্মুখ কৰ্তব্যত জড়িত চিকিৎসা, প্ৰশাসন, সংবাদ, অত্যাৱশ্যকীয় সেৱা, ছুটীবিহীন চৰকাৰী-বেচৰকাৰী কৰ্মচাৰী, খাদ্য, ঔষধ, অনুদান আদি লোকসকলৰ স্বাস্থ্য সুস্থতাৰ লগতে আক্ৰান্তসকলৰ আৰোগ্য আৰু এই অতিমাৰি নিৰ্মূল হ'বলৈ আপোন আপোন উপাসনা স্থলীত আপোন নিয়মেৰে সদিচ্ছা প্ৰকাশৰ সিদ্ধান্ত লৈছে। কৰ'না কাল অনুকূল হ'লে পূৰ্বে প্ৰস্তাৱিত মতে জয়ধ্বনি অনুষ্ঠান আয়োজন কৰিব বুলি প্ৰচাৰ সমন্বকে জনাইছে।

## দুমুনিচকীত ব্ৰিটিছৰ দিনৰ লোৰ দলং সংৰক্ষণৰ ব্যৱস্থা গ্ৰহণৰ আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, দুমুনিচকী,৬ জুন ঃ** এখন লোৰে নিৰ্মিত দলং। দৰং-কামৰূপৰ সীমান্তৰ দুমুনিচকী বৰনদীৰ ওপৰত ১৫নং ৰাষ্ট্ৰীয় ঘাইপথক সংযোগ কৰাৰ লগতে সংযোজন ঘটাইছে দৰং-কামৰূপ জিলাকো । জানিব পৰা অনুসৰি দেশত ইংৰাজ শাসনত ব্ৰিটিছ চাহাবসকলে যোগাযোগ তথা যাতায়ত ব্যৱস্থাৰ উন্নতিৰ বাবে কাম কৰি থাকোতে জিৰণি ল'বৰ উদ্দেশ্যে প্ৰকৃতিৰ অপৰূপ ৰূপ লাৱণ্যৰে সুশোভিত দুমুনিচকীৰ বৰনদীৰ পাৰত নিৰ্মাণ কৰিছিল এটা ডাক বঙলা । য'ত থাকিয়েই যোগাযোগৰ ক্ষেত্ৰত বৰনদীৰ দুয়োটা মূৰ সংযোগ কৰি যাতায়ত সুচল কৰাৰ চিন্তাৰে নিৰ্মাণ কৰিছিল নদীখনৰ ওপৰত এখন সৰু লোৰ দলং। যিখন দলঙে কেইবা দশক ধৰি পূব-উত্তৰ আৰু পশ্চিম-দক্ষিণ অঞ্চলৰ যাতায়তৰ ক্ষেত্ৰত মুখ্য ভূমিকা গ্ৰহণ কৰি আহিছে। কিন্তু পৰৱৰ্তী সময়ত ৰাষ্ট্ৰীয় ঘাইপথটো বিভাগে সম্প্ৰসাৰণ কৰাত ব্ৰিটিছে নিৰ্মাণ কৰা লোৰ দলংখনৰ সমীপত উত্তৰ দিশত এখন উন্নতমানৰ কংক্ৰিটৰ দলং নিৰ্মাণ কৰাত লোৰ দলংখনৰ ব্যৱহাৰ কমি আহে। উল্লিখিত লোৰ দলংখনৰ ব্যৱহাৰ কৰিলেও কিন্তু ইয়াৰ বহন ক্ষমতা আজিও পূৰ্বৰ দৰেই আছে। কিন্তু দশক দশক ধৰি মেৰামতিৰ অভাৱত দলংখন লেতেৰা হৈ পৰিছে যদিও বিভাগে যদি মেৰামতিৰ ব্যৱস্থা গ্ৰহণ কৰে তেনেহ'লে পুনৰ সজীৱ হৈ উঠিব ব্ৰিটিছৰ এই স্মৃতি বিজড়িত লোৰ দলংখন। আশ্চৰ্যজনক কথা যে ৰাজ্য চৰকাৰৰ লোকনিৰ্মাণ বিভাগে আজিলৈকে এই দলংখনৰ মেৰামতিৰ কথা এবাৰলৈ চিন্তা নকৰাটো দুৰ্ভাগ্যজনক। আঞ্চলিক সচেতন মহলে দলংখন মেৰামতি কৰি যুৱ প্ৰজন্মৰ মাজত এক ঐতিহ্য চিনাকি হিচাপে সংৰক্ষণৰ পোষকতা কৰিছে।

## ধুবুৰী জিলাৰ মাজেৰচৰত এটা ৰাতিৰ ভিতৰত পাঁচটা পৰিয়ালৰ ১২ টা গৰু চুৰি

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, দুবুৰী,৬ জুন ঃ** সমগ্ৰ ৰাজ্যখনত কৰোনা মহামাৰীৰ জটিল সন্ধিখন চলি থকাৰ সময়তে ধুবুৰী জিলাৰ মাজেৰচৰত এটা ৰাতিৰ ভিতৰত পাঁচটা পৰিয়ালৰ মাজত ১২ টাকৈ গৰু চুৰিকাণ্ড সংঘটিত হৈছে। উক্ত গাঁওখনত গৰু চুৰি কাণ্ডক কেন্দ্ৰ কৰি এক চঞ্চল্য বিৰাজ কৰিছে জনতাৰ মাজত। প্ৰাপ্ত অভিযোগ অনুসৰি যোৱা ৰাতি মাজেৰচৰ কুন্তীৰচৰ গাঁওৰ কমেও পাঁচ গৰাকী লোকৰ ঘৰৰ গোৱাহালি ঘৰৰ পৰা ১২ টা গৰু চুৰি কৰি লৈ যায়। গৰু চুৰি হৈ যোৱা দুখীয়া লোক কেইজন ক্ৰমে- ছিদ্দিক আলি মণ্ডলৰ ৩টা, আছাবুদ্দিন খানৰ ৩টা, আমিৰ হামজাৰ ১টা, ৰিয়াজ উদ্দীনৰ ২টা আৰু হায়দ আলিৰ ৩টা। মুঠ ১২ টা গৰু এটা ৰাতিৰ ভিতৰত চোৰে চুৰ কৰি লৈ যায়। উল্লেখযোগ্য যে এক ফালে লক ডাউন আনফালে এনে দুখীয়া দৰিদ্ৰ লোকৰ গৰু চুৰি কাণ্ডই লোক সকলক হতভম্বৰ লগতে চিন্তিত কৰি তুলিছে। ইতিমধ্যে এই সংক্ৰান্তত ধুবুৰী সদৰ থানাত এখন গোচৰ ৰুজু কৰিছে। অতি সোনকালে ইয়াৰ উচিত তদন্ত কৰি দোষীক কাৰায়ুক্ত কৰি উপযুক্ত শাস্তি দিয়াৰ বাবে ৰাইজে দাবী জনাইছে। লগতে গাঁওত যিবোৰ গাঁও ৰক্ষি বাহিনী আছে তেওঁলোকক নিয়মিতভাৱে পাহাৰা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে প্ৰশাসনক আহব্বান জনাইছে একাংশ সচেতন মহলে।

### ডিমৌ উন্নয়ন খণ্ডত প্ৰধানমন্ত্ৰীৰ সপোনক অংগুষ্ঠ প্ৰদৰ্শন পঞ্চায়ত প্ৰতিনিধিৰ

## শিৱসাগৰৰ উপায়ুক্তক ব্যৱস্থা গ্ৰহণৰ দাবী সচেতন ৰাইজৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিমৌ, ৬ জুন ঃ** শিৱসাগৰ জিলাৰ ডিমৌ খণ্ড উন্নয়ন খণ্ড বিষয়া কাৰ্যালয় অধিনস্থ ৰূপজ্যোতি গাওঁ পঞ্চায়তৰ একাংশই পঞ্চায়ত প্ৰতিনিধিয়ে এতিয়া দেশৰ প্ৰধানমন্ত্ৰীৰ সপোনক ভৰিৰে মোহাৰি নিজৰ মুনাফা কৰিবলৈ লুণ্ঠনৰ প্ৰতিযোগিতাত নামি পৰাৰ গুৰুতৰ অভিযোগ উঠিছে। একালত ডিমৌ উন্নয়ন খণ্ডৰ ৰূপজ্যোতি গাওঁ পঞ্চায়তত দুনীতি কেলেংকাৰীৰে প্ৰায়ে বাতৰি কাকতৰ শিৰোনামা দখল কৰি থকাত শূন্য সহনশীলতা শেগান আওৱাই থকা বিজেপিৰ দখললৈ যায় এই পঞ্চায়তটো।কিন্তু অতি দুখৰ বিষয় যে এই সকলকো উদক ভেটা ৰখীয়া দিয় দৰেহে হলগৈ। এই সকলৰ একাংশই দুখীয়া দৰিদ্ৰ পৰিয়ালৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰৱৰ্তন কৰা প্ৰধানমন্ত্ৰীৰ আৱাসগৃহ নিৰ্মাণৰ নামত ব্যাপক হাৰত দুৰ্নীতি কৰাৰ অভিযোগ উঠিছে। ৰূপজ্যোতি পঞ্চায়ত সদস্য নিৰ্মল চাছনি আৰু সভানেত্ৰী হীৰা পাণ্ডৱৰ বিৰুদ্ধে ৰাজহুৱাকৈ অভিযোগ উঠিছে প্ৰধানমন্ত্ৰী আৱাসৰ নামত কৰা ব্যাপক দুৰ্নীতি বিৰুদ্ধে । অভিযোগ অনুসৰি ৰূপজ্যোতি গাওঁ পঞ্চায়তৰ খংগীয়া লাইনৰ নিবাসী মংগো তাঁতীৰ প্ৰধানমন্ত্ৰী আৱাসগৃহ আৰু অনাময় আঁচনিৰ শৌচাগাৰটো প্ৰত্যক্ষ কৰিলেই সচেতন প্ৰতিজন লোকৰে চকু কপালত উঠিব । আজি পৰা প্ৰায় দুটা বছৰেৰো অধিক সময় অতিক্ৰম কৰিলে যদিও সম্পূৰ্ণ নহ'ল ঘৰ আৰু শৌচাগাৰ । অতি দুখৰ বিষয় যে ঘৰ আৰু শৌচাগাৰৰ নামত আৱণ্টিত তিনিটা কৃষ্টিৰ সকলো ধন পঞ্চায়তৰ সভানেত্ৰী আৰু পঞ্চায়ত সদস্যই মিলি আত্মসাত কৰাৰ অভিযোগ কৰিছে ভোক্তভূগি মংগো তাঁতীয়ে। উক্ত সম্পূৰ্ণ টকা উলিওৱাৰ পিছত মংগো তাঁতীক চমজাই দিয়ে পাছবুক। ভুক্তভোগীয়ে অভিযোগ কৰিলে নিজৰ ঘৰ নিজে বনাই লবলৈ বুলি কৈ খেদি পঠাই পঞ্চায়ত সদস্য আৰু সভানেত্ৰীয়ে। আনহাতে অৰ্ধনিৰ্মিত ঘৰটোতে ৰ'দ আৰু বৰষুণত অতি কৰুণভাৱে তিতি তিতি জীৱন নিৰ্বাহ কৰিব লগা হৈছে ।ইয়াৰোপৰি একেটা পঞ্চায়তে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ আৰু বহু হিতাধিকাৰীৰ দশাও একে হৈছে । মুকলিত স্থানত মল মূত্ৰ ত্যাগ মুক্ত গাওঁ পঞ্চায়ত বুলি ডাঙৰ হোডিং আৰি ৰখা ৰূপজ্যোতি পঞ্চায়তৰ প্ৰকৃততে কি ঘটিছে এইবোৰ। ইয়াৰ এখন সম্পুৰ্ণ বিপৰীতে গাওঁ খনত দেখা গল এক বিপৰীত দৃশ্য। এতিয়াও এই পঞ্চায়তত বহু লোকৰ শৌচাগাৰৰ অৱস্থা অতি জৰাজীৰ্ণ। মংগো তাঁতীৰ নামত আৱণ্টিত শৌচাগাৰৰো দুটাবছৰে অৰ্ধনিৰ্মিত অৱস্থাতে পেলাইথলে নিৰ্মাণৰ দায়িত্ব লোৱা পঞ্চায়ত সদস্য আৰু সভানেত্ৰীয়ে। এই ক্ষেত্ৰত শিৱসাগৰ জিলা উপায়ুক্তক পঞ্চায়তত সংঘটিত হৈ থকা দুৰ্নীতি অনিয়মৰ এক নিখুঁত তদন্তৰ দাবী তুলিছে সচেতন ৰাইজে।

## ব্ৰহ্মপুত্ৰ ভেলী ইউথ ফাউণ্ডেচনৰ দৰঙৰ ভিন্ন স্থানত ছেনিটাইজেশ্যন

**দৈনন্দিন বাৰ্তাৰ সেৱা, দুমুনিচকী,৬ জুন ঃ** ৰাজ্যত চলি থকা ক'ভিড পৰিস্থিতিৰ মাজতে ৰাজ্যখনৰ অন্যতম স্বেচ্ছাসেৱী অনুষ্ঠান ব্ৰহ্মপুত্ৰ ভেলী ইউথ ফাউণ্ডেচনে দৰং জিলাৰ বিভিন্ন ঠাইত চেনিটাইজ কৰে। অনুষ্ঠানটোৰ ফাউণ্ডাৰ আলম মহম্মদ চাব্বিৰ নেতৃত্বত এটা দলে ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত সানোৱা, খান্দাজান, নাৰিকলি আদি গাঁৱৰ প্ৰায় দুই শতাধিক পৰিয়ালৰ বাসগৃহ, সানোৱা উপ স্বাস্থ্য কেন্দ্ৰ, সানোৱা মাদ্ৰাছা, ঐতিহাসিক নাৰিকলি শিৱ মন্দিৰকে ধৰি বিভিন্ন ৰাজহুৱা স্থানত অত্যাধুনিক কেমিকেলৰ সৈতে চেনিটাইজেচন ব্যৱস্থা কৰে। ইয়াৰ পূৰ্বে কামৰূপ জিলাৰো বিভিন্ন ঠাইত ব্ৰহ্মপুত্ৰ ভেলী ইউথ ফাউণ্ডেছনে চেনিটাইজেচন ব্যৱস্থা কৰি আহিছে।



### ওৰাং, ৰৌতা, মাজবাটত ক'ভিড আক্ৰান্ত-৫৮৮, মৃত্যু-৮

# একাংশ স্বাস্থ্যকৰ্মীক স্বয়ং স্বাস্থ্য বিভাগে মৃত্যুৰ মুখলৈ ঠেলি দিছে



**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি,৬ জুন ঃ** ওৱাং খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত স্বাস্থ্যকৰ্মীসকলে অতি বিপদজনকভাৱে কাৰ্য সম্পাদনা কৰি আহিছে। ক'ভিড পৰীক্ষা কৰা, ভেকচিনেশ্যন কেন্দ্ৰসমূহত স্বাস্থ্য কৰ্মীৰ বাবে পিপিইকিট, মাস্ক, ছেনিটাইজাৰ, গ্লোভ আদি একোৱেই নাই। উপায়হীন হৈ নিজা নিজা টকাৰে ক্ৰয় কৰি স্বাস্থ্যসেৱা আগবঢ়াই আহিছে। অকৰ্মণ্য, অপদাৰ্থ, স্বাস্থ্য বিভাগে একাংশ স্বাস্থ্যকৰ্মীক ক'ভিড পৰীক্ষাৰ নামত নিশ্চিত মৃত্যুৰ মুখলৈ ঠেলি দি ৰং চাই আহিছে। তৎসত্বেও চৰকাৰ, সংশ্লিষ্ট বিভাগে সম্প্ৰতি কুম্ভকৰ্ণৰ গভীৰ নিন্দ্ৰাত নাক বজাই শুই থকা দেখিবলৈ পোৱা গৈছে, সমগ্ৰ অসমৰ লগতে ওদালগুৰি জিলাৰ ওৱাং খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অধীনস্থ ওৱাং, মাজবাট, ৰৌতা আদি এলেকা, অঞ্চলসমূহত ক'ভিড ১৯ মহামাৰী উদ্বেগজনকভাৱে তীব্ৰগতিত বৃদ্ধি পাব ধৰিছে। জিলাখনৰ ৭০নং মাজবাট বিধানসভা সমষ্টিৰ অন্তৰ্গত ওৱাং খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত যোৱা ২০ এপ্ৰিলৰ পৰা ৪জুনলৈকে ১১০৭৫ গৰাকী ব্যক্তিক ক'ভিড ১৯ ৰ ৰেপিড টেষ্ট কৰোৱা হৈছিল ।এই টেষ্টত ৫৮৮গৰাকী লোকৰ শৰীৰত ক'ভিড ১৯ পজিটিভ ধৰা পৰে। এতিয়ালৈ ৮ গৰাকী ক'ভিড ৰোগীৰ মৃত্যু হৈছে। আশা গাঁও ২৮০খন তথা ২৫০ খন ৰাজহ গাঁৱৰ দুই লাখ ষাঠি হাজাৰ জনসংখ্যা সামৰি লোৱা ওৱাং খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অধীনত আছে তিনিটাকৈ ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ, এখনকৈ ৰাজ্যিক চিকিৎসালয়, নতুন প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ, দুখন আৰ্দৰ্শ চিকিৎসালয় ক্ৰমে, মাজবাট, ৰৌতা, গেৰুৱা প্ৰথমিক স্বাস্থ্যকেন্দ্ৰ, পাউৰীপোটা ৰাজ্যিক চিকিৎসালয়, ধনশ্ৰীঘাট নতুন প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰ আৰু ৰৌতা; মাজবাটৰ মহলীয়াপাৰা আৰ্দশ চিকিৎসালয়। এই বৃহৎ এলেকা সামৰি গঠন কৰা স্বাস্থ্যকেন্দ্ৰটোত ক'ভিড ১৯ৰ বিৰুদ্ধে যুঁজিবলৈ ক'ভিড ১৯ যোদ্ধাসকলৰ হাতত নাই এতিয়াও কোনো ধৰণৰ হেণ্ড ছেনিটাইজাৰ, এন 95 মাস্ক, ত্ৰিপোল লেয়াৰ মাস্ক, কেপ, পিপিই কিট, ফেচ শ্লাইড গ্লোভছ, ভেকচিন আদি অত্যাৱশীয় সামগ্ৰীবোৰ। ফলত ক'ভিড ১৯ ৰ বিৰুদ্ধে যুঁজ দিয়া স্বাস্থ্য কৰ্মীসকলেও এতিয়া ভীষণ সমস্যাৰ সন্মুখীন হৈছে। আনহাতে এপাচি শাকত এটা জালুকৰ দৰে আৱশ্যক অনুসৰি ওৱাং খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত জীৱন দায়িনী ঔষধ ক্ৰমে ভিটামিন চি টেবলেট , জিংক ৫০০ এম জি টেবলেট, ইজিথ্ৰ'মাইচিন ৫০০ টেবলেট, ডক্সিচাইক্লিন ১০০ এম জি আদি এন্টিবায়টিক ঔষধসমূহ পাবলৈ নাই। ফলত এই ঘোৰ কৰ'নাকালৰ সময়ত স্বাস্থ্যকেন্দ্ৰটোত দিনক দিনে এক মহাসংকটে দেখা দি আহিছে। যদিও সংশ্লিষ্ট বিভাগ কৰ্তৃপক্ষই কোনোধৰণৰ গুৰুত্ব প্ৰদান কৰা নাই । ফলস্বৰূপে দৰিদ্ৰ ক'ভিড ৰোগীসকলে ঔষধ ক্ৰয় কৰিব নোৱাৰি ঔষধ অবিহনে অধিকাংশই হোম আইছ'লেশ্যন হৈ আহিছে। ফলস্বৰূপে দৈনিক হাজিৰা কৰা, দৰিদ্ৰ শ্ৰেণীৰ লোকসকলে টকা-পইছা আদিৰ অভাৱৰ বাবে ঔষধপাতিবোৰ ক্ৰয় কৰিব নোৱৰাত দিনক দিনে তীব্ৰ গতিত সংক্ৰমিত হৈ থকা দেখিবলৈ পোৱা গৈছে। এইক্ষেত্ৰত চৰকাৰে অতি সোনকালে পৰ্যাপ্ত পৰিমাণে ঔষধ, এন্টিবায়টিক, সা-সামগ্ৰী, সঁজুলিসমূহ প্ৰদান কৰিবলৈ চৰকাৰ, সংশ্লিষ্ট বিভাগ, কৰ্তৃপক্ষসমূহক ওদালগুৰি জিলা সচেতন নাগৰিক সমিতিয়ে দাবী জনাইছে। স্বাস্থ্য বিভাগে কোনোধৰণৰ সা সামগ্ৰী, সা-সঁজুলিসমূহ নথকাকৈয়ে ক'ভিড পৰীক্ষা কৰিবলৈ, ভেকচিন দিবলৈ একাংশ স্বাস্থ্যকৰ্মীক মৃত্যু তথা ক'ভিড সংক্ৰমণৰ মুখলৈ ঠেলি দিয়া কাৰ্যটো অতি ভয়ংকৰ হিচাপে দেখা দি আহিছে। একাংশ স্বাস্থ্য কৰ্মীয়ে ক'ভিড পৰীক্ষাৰ অন্তত ক'ভিড চিনাক্তকৰণ হ'লে সা-সঁজুলিবোৰৰ অভাৱত নিজৰ জীৱনটোক মুঠি মাৰি লৈ কেৱল চাবোন আদিৰে হাত ধুই স্বাস্থ্য সেৱা কৰাটো আশ্চৰ্যজনক বিষয় হৈ পৰিছে । আৰু এতিয়া এইবোৰ ঘটনা নিতৌ নৈমিত্তিক স্বাভাৱিক ঘটনা হৈ পৰিছে ।

# কৰ'নাৰ ভয়াবহ সংক্ৰমণ

## অদৃষ্টজনৰ কৰুণাৰ আশাত দেশৰ জনগণ



■ ৰূপজ্যোতি গোস্বামী

কাৰণ যিয়েই নহওক দেশত পুনৰ কৰ'নাৰ ভয়ঙ্কৰ সংক্ৰমণে দেশক ধ্বংসৰ মুখলৈ আগবঢ়াই নিছে। দেশত এতিয়া মহামাৰীয়ে সাধাৰণ শ্ৰেণীৰ জনসাধাৰণক মাধমাৰ শোধাইছে। এই সংক্ৰমণৰ মোকাবিলা কৰিবলৈ দেশৰ চৰকাৰখনৰ স্বাস্থ্য বিভাগে যোৱা সময়ছোৱাত প্ৰতিষেধক প্ৰস্তুত কৰাত সফল হ'ল যদিও সংক্ৰমণ নিয়ন্ত্ৰণত বেয়াকৈ মুখ ঠেকেচা খালে। ফল এতিয়া প্ৰত্যেকৰে হাতে-হাতে।

কৰ'না মহামাৰীৰ দ্বিতীয় ঢৌৰ মাজতে ভাৰতে স্বাস্থ্য খণ্ডত বিভিন্ন ধৰণৰ অভাৱৰ সন্মুখীন হৈছে। যিহেতু যোৱা দুমাহৰ পৰা ভাৰতত ক'ভিডৰ ঘটনা দিনক দিনে বাঢ়ি আহিছে, এই সময়ছোৱাত কেন্দ্ৰীয় চৰকাৰে বহু চেষ্টা চলাইছে যদিও ভাৰতত স্বাস্থ্যখণ্ডৰ আন্তঃগাঁথনিৰ দুৰ্বলতা পৰিলক্ষিত হৈছে। সেই দুৰ্বলতাই দেশৰ স্বাস্থ্যখণ্ডক বৃহৎ অভাৱৰ দিশে ঠেলি দিছে।

**ক'ভিডৰ দ্বিতীয় ঢৌত অভাৱৰ তালিকা ঃ**

**অক্সিজেন চিলিণ্ডাৰ ঃ** দেশত চিকিৎসা প্ৰক্ৰিয়াত ব্যৱহৃত অক্সিজেনৰ যোগান সীমিত হৈছে । সেয়েহে কম সময়ত অধিক উৎপাদন কৰাটো চৰকাৰৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান। অক্সিজেনৰ ডাঙৰ টেংকাৰবোৰ তীব্ৰ গতিৰে স্থানান্তৰ কৰিব নোৱাৰি। লগতে ডাঙৰ টেংকাৰৰ পৰা সৰু চিলিণ্ডাৰত গেছ ভৰ্তি কৰিবলৈ যথেষ্ট সময় লাগে। মহাৰাষ্ট্ৰ, উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ, চত্তীশগড়, দিল্লী আৰু গুজৰাট আটাইতকৈ বেছি প্ৰভাৱিত ৰাজ্যসমূহৰ ভিতৰত অন্যতম। ভাগ্য ভাল অসমত এতিয়ালৈকে অক্সিজেনৰ অভাৱ চকুত পৰা নাই। অৱশ্যে শোচনীয় ৰোগীৰ সংখ্যা বৃদ্ধিয়ে যি কোনো পৰিৱেশৰ সৃষ্টি কৰিব সি ধ্ৰুৱপ।

**ৰেমডিচিভিৰ ঃ** ক'ভিড-১৯ৰ ঘটনা বৃদ্ধিৰ ফলত ৰেমডিচিভিৰৰ যথেষ্ট চাহিদা বৃদ্ধি পাইছে আৰু ইয়াৰ ব্যৱহাৰ, হৰ্ডিং আৰু ক'লা ব্যৱসায় আৰম্ভ হৈছে। যাৰ ফলত কৃত্ৰিম নাটনিৰ বাবে মূল্য বৃদ্ধি হৈছে। ইয়াৰ ফলত, বহুতো ব্যক্তিগত তথা চৰকাৰী চিকিৎসালয়ত ৰেমডিচিভিৰ ঔষধৰ অভাৱ হৈছে। মহাৰাষ্ট্ৰ, দিল্লী, গুজৰাট, মধ্যপ্ৰদেশ, চত্তীশগড় আৰু ৰাজস্থানৰ দৰে একাধিক ৰাজ্যৰ পৰা ৰেমডিচিভিৰ নাটনিৰ খবৰ আহিছে। অসমতো ইয়াৰ প্ৰভাৱ ইতিমধ্যে দেখা গৈছে।

**ব্লাড বেংক ঃ** ক'ভিড আৰম্ভ হোৱাৰ পৰা মানুহে ৰক্তদান কৰা বন্ধ কৰিছে । যাৰ বাবে চিকিৎসালয়ত তেজৰ অভাৱ দেখা গৈছে। লকডাউনে ৰক্তদান শিবিৰসমূহো বন্ধ কৰি দিছিল। ৰাষ্ট্ৰীয় ৰক্ত সঞ্চাৰণ পৰিষদৰ (এনবিটিচি) শেহতীয়া আদেশে ইয়াক আৰু অধিক শোচনীয় কৰি তুলিব পাৰে। এনবিটিচিয়ে কৈছে যে এজন ব্যক্তিয়ে ক'ভিড প্ৰতিষেধক লোৱাৰ ২৮ দিন পিছতহে ৰক্তদান কৰিব পাৰি।

**চিকিৎসক ঃ** প্ৰতি দহ হাজাৰ জনসংখ্যাৰ বিপৰীতে ৰোগীৰ যত্ন ল'বলৈ মাত্ৰ ৮ গৰাকী চিকিৎসক আছে। চিকিৎসা শিক্ষা প্ৰতিষ্ঠানৰ অভাৱৰ লগতে দেশত চিকিৎসা গ্ৰহণ কৰা বহু চিকিৎসক অৰ্থৰ লোভত বিদেশলৈ গমন কৰিছে। দেশত থকাসকলৰো অনেকে কেৱল ধনৰ লোভতেই ব্যক্তিগত চিকিৎসালয়ত অধিক সময় ব্যয় কৰি চৰকাৰী চিকিৎসালয়সমূহ নৰকসদৃশ কৰাত অৰিহণা যোগাইছে। সাধাৰণ জনতাৰ প্ৰতি সেৱাৰ মনোভাৱ প্ৰকৃততে তেওঁলোকৰ মনত নোহোৱা হৈছে। অসমতো চিকিৎসকৰ সংখ্যা আশা কৰা ধৰণে নাই।

**চিকিৎসালয়ৰ বিছনা ঃ** ভাৰতৰ বহুতো ৰাজ্যত ক'ভিডৰ ঘটনাৰ একেৰাহে বৃদ্ধিৰ ফলত চিকিৎসালয়ত বিছনাৰ অভাৱ হৈছে। বিছনাৰ নাটনিয়ে ভাৰতত ক'ভিড অৱস্থাৰ এক ভয়ানক ছবি প্ৰতিফলিত হয়। চত্তীশগড়ৰ ২৮ খন জিলাৰ ভিতৰত ২০খন, মহাৰাষ্ট্ৰৰ ৩৬ খন জিলাৰ ভিতৰত ১২খন জিলা, মধ্য প্ৰদেশৰ ৫২খন জিলাৰ ভিতৰত ১৩খন জিলা আৰু পঞ্জাবৰ ২২খন জিলাৰ ভিতৰত আঠখন জিলাত ক'ভিড আক্ৰান্ত ৰোগীৰ সংখ্যা বৃদ্ধি হোৱাৰ বাবে বিছনাৰ অভাৱ হৈছে। অসমৰ চিকিৎসালয়সমূহতো পৰ্যাপ্ত বিছনা নাই । যোৱা সময়ছোৱাত ৰাজ্যৰ দক্ষ স্বাস্থ্য মন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ চিকিৎসা খণ্ডত কি উন্নতি সাধিলে, তাকে এই বিপদৰ সময়ত সকলোৰে দৃষ্টিত পৰিছে।

**মৰ্গসমূহ ঃ** শ্মশানবোৰত অবিৰতভাৱে মৃতদেহ সংকাৰ কৰি থকা হৈছে আৰু ইয়াৰ পৰা ওলোৱা ধোঁৱাই তাৰ ওচৰৰ স্থানীয় লোকসকলৰ বাবে আন এক স্বাস্থ্য সম্পৰ্কীয় সমস্যাই দেখা দিছে। পূৰ্বে এদিনত ১৫ ৰ পৰা ২০ টা মৃতদেহ আহি আছিল আৰু এতিয়া দৈনিক প্ৰায় ৮০ ৰ পৰা ১০০ টা মৃতদেহ আহি আছে। ২৪ ঘণ্টা কাম কৰাৰ পিছতো আৰু শ্মশানৰ ক্ষমতা দুগুণ হোৱাৰ পাছতো পৰিয়ালবোৰে তেওঁলোকৰ আত্মীয়সকলৰ মৃতদেহ সংকাৰ কৰিবলৈ কমেও দুইৰ পৰা তিনি ঘণ্টা অপেক্ষা কৰিবলগীয়া হৈছে।

**আৰটিপিচিআৰ পৰীক্ষা ঃ** ভাৰতত ক'ভিডৰ ঘটনা বৃদ্ধি হোৱাৰ বাবে একাধিক ৰাজ্যত আৰ টি পি চি আৰ পৰীক্ষাৰ অভাৱ হৈছে। সংক্ৰমণৰ সঠিক নিৰ্ণয়ৰ বাবে আৰটিপিচিআৰ পৰীক্ষাৰ অতি প্ৰয়োজন।

**এম্বুলেঞ্চ ঃ** ক'ভিডৰ ঘটনাবোৰ দিনক দিনে বাঢ়ি অহাৰ লগে লগে এম্বুলেঞ্চৰ নাটনি হৈছে। এই নাটনিৰ জোৰা মাৰিবলৈ দেশত অৰ্থৰ নাটনি।

অৱশ্যে কেন্দ্ৰীয় চৰকাৰে এনে অভাৱসমূহ দূৰ কৰিবলৈ চেষ্টা নকৰা নহয়। কিন্তু সেই চেষ্টা সময়োচিত নোহোৱাত দেশৰ স্বাস্থ্য খণ্ডত এতিয়া অৰাজক পৰিৱেশ। স্বাস্থ্য খণ্ডৰ সংকটৰ সৈতে মোকাবিলা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহ কি চাওঁ আহক—

চৰকাৰে ৰেমডিচিভিৰৰ মূল্য নিৰ্ধাৰণ কৰিছে আৰু ইয়াক সুলভ কৰি তুলিছে। লগতে এই ঔষধৰ ক'লা ব্যৱসায় বন্ধ কৰিছে।

চৰকাৰী হস্তক্ষেপৰ পিছত নিৰ্মাতা আৰু ব্যৱসায়ীসকলে নিজে ৰেমডিচিভিৰৰ সৰ্বাধিক বিক্ৰী মূল্য হ্ৰাস কৰিছে। চৰকাৰে বিদেশলৈ ৰেমডিচিভিৰৰ যোগান বন্ধ কৰিছে।

চৰকাৰে ক'ভিড ৰোগীৰ চাহিদা পূৰণ কৰিবলৈ ঔদ্যোগিক উদ্দেশ্যৰ বাবে অক্সিজেনৰ যোগান নিষিদ্ধ কৰিছে। স্বাস্থ্য মন্ত্ৰালয়ে সমগ্ৰ দেশতে অক্সিজেনৰ যোগান সুলভ আৰু অভাৱ পূৰণৰ ওপৰত বিশেষ গুৰুত্ব দিবলৈ ৰাজ্যসমূহলৈ চিঠি লিখিছে।

ৰে'ল মন্ত্ৰালয়ে মুখ্য স্থানসমূহলৈ চিকিৎসাক্ষেত্ৰত ব্যৱহৃত তৰল অক্সিজেন আৰু অক্সিজেন চিলিণ্ডাৰৰ পৰিবহণ অব্যাহত ৰাখিছে।

সমগ্ৰ দেশতে অক্সিজেনৰ সহজ পৰিবহণৰ বাবে অক্সিজেন এক্সপ্ৰেছ ৰে'লৰ দ্ৰুত চলাচলৰ বাবে এক সেউজ ক'ৰিডৰ সৃষ্টি কৰা হৈছে। ই ৰোগীসকলক বৃহৎ পৰিমাণে আৰু অতি সোনকালে অক্সিজেনৰ যোগান পূৰণ সম্ভৱ কৰিব।

কেন্দ্ৰীয় চৰকাৰলৈ বাট নাচাই দেশত অক্সিজেন যোগানৰ বাবে ভাৰতৰ মাননীয় উচ্চতম ন্যায়ালয়ে নিজাকৈ ইতিমধ্যে টাস্ক ফ'ৰ্চ গঠন কৰিছে।

কেন্দ্ৰৰ নিৰ্দেশনা অনুসৰি মহাৰাষ্ট্ৰ, চত্তীশগড়, উত্তৰ প্ৰদেশ আৰু গুজৰাটৰ দৰে ৰাজ্যসমূহে আৰটিপিচিআৰৰ পৰীক্ষা বৃদ্ধি কৰিব লাগিব।

কৰ'না সংক্ৰমণৰ বিৰুদ্ধে চৰকাৰে কৰা যুঁজখনত অন্যতম প্ৰধান অন্তৰায়ৰূপে ধৰা দিছে অৰ্থৰ অভাৱে। এই অৰ্থসংগ্ৰহ হ'ব ক'ৰ পৰা? এইক্ষেত্ৰত কোনে গুৰুত্বপূৰ্ণ সহায় আগবঢ়াব পাৰে তাকে চাওঁ আহক—

অক্সিজেনৰ অভাৱত কৰ'না ৰোগীৰ মৃত্যুৰ সংখ্যা দিনক-দিনে বৃদ্ধি পাইছে। দেশত পৰ্যাপ্ত অক্সিজেন উৎপাদকাৰীৰ প্ৰকল্প নাই। চৰকাৰে এই সংকটকালত প্ৰকল্প প্ৰতিষ্ঠা কৰাৰ চিন্তা-চৰ্চা কৰিছে যদিও তাৎক্ষণিকভাৱে প্ৰয়োজনীয় অক্সিজেনৰ বাবে বহিঃৰাষ্ট্ৰৰ শৰণাপন্ন হৈছে। যাৰ বাবে লাগিব অজস্ৰ ধন। দেশৰ অৰ্থনৈতিক অৱস্থা কি ৰূপত আছে সকলোৰে জনা কথা।

এই দুৰ্দিনৰ সময়ত এই বৃহৎ পৰিমাণৰ ধন কোনে যোগান ধৰিব। সকলো সময়তে বহিঃৰাষ্ট্ৰৰ সহায় বা দেশৰ ধনী উদ্যোগপতিসকলৰ মুখলৈ চাই থকাৰ বাহিৰে চৰকাৰৰ আন উপায় নাই। দেশৰ জনসাধাৰণেও সাধ্যানুসাৰে চৰকাৰলৈ সহায় আগবঢ়াইছে। কিন্তু এই সময়ত আগবাঢ়ি আহিব পাৰে দেশৰ বহুকেইটা ঐশ্বৰ্যশালী ধৰ্মীয় অনুষ্ঠান। য'ত দেশৰ জনসাধাৰণে নিজৰ কুশল কামনাৰে অৰিহণা আগবঢ়ায় । ভক্তৰ অৰিহণাৰে ঐশ্বৰ্যশালী হোৱা ধৰ্মীয় অনুষ্ঠানবোৰৰ জমা ধন-সোণৰ হিচাপ শুনিলে চকু কপালত উঠে।

দেশৰ বিভিন্ন ধৰ্মীয় অনুষ্ঠানত কোটিয়ে-কোটিয়ে জমা হৈ থকা অৰিহণাৰ ধন-সোণবোৰ দেশৰ বিপদৰ সময়ত সাঁচি ৰখাতকৈ দেশৰ কামত ব্যৱহাৰ কৰিব নোৱাৰি নেকি? সেই সীমাহীন ধনেৰে দেশৰ জনসাধাৰণৰ কুশল কামনা কৰিব নোৱাৰে নেকি?

দেশৰ ধৰ্মীয় অনুষ্ঠানবোৰৰ লগতে দেশৰ ৰাজনৈতিক দলবোৰো আগবাঢ়ি আহক। ভাৰতৰ ৰাজনৈতিক দলবিলাকৰ বহু হাজাৰ কোটিটকীয়া দলীয় পুঁজি। কিন্তু দেশৰ বিপদৰ সময়ত ফুটা-কড়ি এটাও সৰি নপৰে। দেশৰ বিপদৰ সময়ত দাল-দৰিদ্ৰইও দুপইচা দি সহায় কৰে। অথচ ৰাজনৈতিক দলবোৰ নিমাত-নিতাল। ৰাজনৈতিক দলবোৰে ভোট কিনিবলৈ বা ঘোঁৰা কিনিবলৈহে পুঁজি খৰচ কৰে। স্কুল-হাস্পতাল দুখনমানকে যদি প্ৰতিষ্ঠা কৰিবলৈ সুমতি দিলেহেঁতেন। লাগিলে দলীয় কৰ্মীসকলৰ পৰিয়ালৰ সন্তান বা ৰোগীয়ে সুবিধা পাওক। তাতো আমাৰ আপত্তি নাই।

চৰকাৰ গঠন কৰিলে ইটো কৰিম, সিটো কৰিম বুলি প্ৰতিশ্ৰুতিৰ জোৰাৰ অনাতকৈ দলীয় পুঁজিৰেই সৰুকৈ হ'লেও আৰ্হি এটাকে দেখুৱাওকচোন ৰাইজৰ বিশ্বাসভাজন হৈ থাকিব পাৰিব। তাতে আকৌ দলবোৰৰ সংগৃহীত পুঁজিৰ সঠিক প্ৰামাণিক হিচাপো সাধাৰণ ৰাইজে পোৱাৰ ব্যৱস্থা নাই। তথ্য জনাৰ অধিকাৰ আইনেও ঢুকি নাপায় । দলবিলাকৰ মতাদৰ্শ, কৰ্ম-কাণ্ড পৃথক হ'লেও দলীয় পুঁজিৰ হিচাপ গোপনে ৰখাত একমত। যোৱা কৰ'না সংকটকালত কোনোবা ৰাজনৈতিক দলে এটকামান দেশৰ পুঁজিলৈ আগবঢ়োৱা মনত নপৰে। কিন্তু ভোটৰ সময়ত পানীৰ দৰে টকা বিলোৱা ৰাজনৈতিক দলবিলাকে এই সাধাৰণ ৰাইজক লৈয়েই ৰাজনীতি কৰে। এইবেলিও দলবিলাকৰ আচৰণৰ পৰিৱৰ্তন নহয়, সি ধ্ৰুৱপ।

দলীয় ৰাজনীতিৰ বাহিৰে দেশৰ জনগণৰ সঙ্কটকালৰ সাৰথি কিয় হ'ব নোৱাৰে?

(তথ্যসূত্ৰ ঃ ক'ভিড সংক্ৰান্তীয় তথ্যসমূহ বিভিন্ন উৎসৰ পৰা সংগ্ৰহ।)

*ফোন ঃ ৮৬৩৮২৪১০৮৯*

---



## ব্লেক ফাংগাছৰ পৰা সাৱধান হওক

■ চন্দন কুমাৰ নাথ

সমগ্ৰ বিশ্বতে বৰ্তমান ক'ভিড- ১৯ মহামাৰীৰ গণ সংক্ৰমণে ভয়াৱহ ৰূপ ধাৰণ কৰিবলৈ লৈছে। ক'ভিড- ১৯ৰ এই সংকটময় পৰিস্থিতিৰ সময়ছোৱাত আন এটা সৰ্বত্ৰে চৰ্চিত ৰোগ হৈছে ব্লেক ফাংগাছ যাক আমি অসমীয়া ভাষাত ক'লা ভেঁকুৰ বুলি কওঁ। এতিয়া কথাটো হ'ল যে ক'ভিডৰ সন্ত্ৰাসৰ মাজতে এইবিধ ব্লেক ফাংগাছে আমাৰ মানৱ জাতিৰ বাবে আৰু অধিক ভয়াৱহতাৰ ইংগিত প্ৰদান কৰিব নেকি? একাংশৰ মতে এতিয়া ক'ভিড-১৯ৰ ভয়াৱহতা শেষ নৌহওতেই সমগ্ৰ দেশত এইবিধ ব্লেক ফাংগাছৰ সংক্ৰমণ বৃদ্ধি হোৱাত ই এক জটিল ৰূপ ধাৰণ কৰিবলৈ লৈছে। আজিৰ তাৰিখত চাবলৈ গ'লে দেশৰ পৰা ৰাজ্যৰ সকলোবোৰ বাতৰিকাকত আৰু সংবাদ মাধ্যমত এই বিশেষ ৰোগৰ বিষয়ে শুনি বা পঢ়ি সৰ্বসাধাৰণ ৰাইজৰ মনত হয়তো ভয় ভাৱৰ উদয় হৈছে আৰু হোৱাটোও স্বাভাৱিক কিয়নো আনফালে ক'ভিড-১৯ গণ সংক্ৰমণ তাৰ মাজতে এইবিধ আকৌ কি ওলাল নহয় নে। আচলতে বিশেষজ্ঞ চিকিৎসকসকলে মত পোষণ কৰা অনুসৰি এইবিধ ভেঁকুৰ কোনো নতুন অণুজীৱ নহয়, ই আগৰেই পৰা আমাৰ ঘৰৰ চৌপাশে সঘনাই উপলব্ধ হয় যদিও পূৰ্বে ইয়াৰ সংক্ৰমণ আৰু মানৱ দেহত প্ৰভাৱ বিস্তাৰ কৰা নাছিল বাবেই হয়তো জনতাৰ মাজত বেছিকৈ চৰ্চাৰ বিষয়বস্তু হিচাপে পৰিগণিত নাই হোৱা বা হোৱা দেখা পোৱা যোৱা নাই। সাধাৰণতে চিকিৎসকসকলে তেওঁলোকৰ গৱেষণাৰ জৰিয়তে লাভ কৰা তথ্য অনুসৰি ই লেতেৰা, সেমেকা মাটি, শাক- পাচলি, গেলা- পচা বস্তু, সেমেকা কাঠ আৰু বেৰ আদিত আশ্ৰয় গ্ৰহণ কৰি থাকে। ই মানৱ শৰীৰত প্ৰৱেশ কৰাৰ বাট বিচাৰি থকাৰ সময়তে যদি কোনোবা ব্যক্তিয়ে উক্ত ঠাইৰ ওচৰে-পাজৰে বিচৰণ কৰে তেতিয়াই ই আমাৰ শৰীৰত প্ৰৱেশ কৰাৰ সুযোগ লাভ কৰি নাকেৰে, মুখেৰে বা কাণেৰে প্ৰৱেশ কৰে। যিসকল লোকৰ ৰোগ প্ৰতিৰোধ ক্ষমতা নিম্ন পৰিমাণৰ তেনে ব্যক্তিক এই ব্লেক ফাংগাছে আক্ৰান্ত কৰে।

এনেধৰণৰ ভেঁকুৰ সাধাৰণতে পাৰিপাৰ্শ্বিক অৱস্থাত থকাৰ পাছত মানুহৰ সংক্ৰমণ ঘটে আৰু যেতিয়া এইবিধ ব্লেক ফাংগাছে কোনো ব্যক্তিৰ ছালত স্পৰ্শ কৰে, তেতিয়াই ই লাহে লাহে ভয়াৱহ ৰূপ লয় আৰু মানৱ শৰীৰত কুপ্ৰভাৱ পেলাবলৈ আৰম্ভ কৰে। ইতিমধ্যে সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানে এই ভেঁকুৰ সন্দৰ্ভত কেতবোৰ বিশেষ তথ্য প্ৰকাশ কৰিছে। কোনোবা ব্যক্তিয়ে এই ৰোগৰ বলি হৈছে নে নাই সেই বিষয়ে জানিবলৈ কেইটামান কথালৈ মন কৰিব লাগিব। যেনে- মুখখন ফুলি উঠিছে নেকি, মূৰৰ বিষ, নাক বা ছাইনাছ ব্লক হোৱা, নাক, মুখ আৰু চকুৰ ওচৰৰ ছাল ক'লা পৰি যোৱা, দৃষ্টিশক্তিত কমি, দাঁতৰ মাজত ফাক, মুখমণ্ডলৰ ভিতৰছোৱাৰ কোনোবা অংশ ক'লা পৰিছে নেকি ইত্যাদি লক্ষণে দেখা দিছে যদি তেনেহ'লে অৱহেলা নকৰি ততাতৈয়াকৈ বিশেষজ্ঞ চিকিৎসকৰ ওচৰত গৈ পৰামৰ্শ গ্ৰহণ কৰি পৰৱৰ্তী পৰ্যায়ত কি কৰিব লাগে বা নেলাগে সকলোবোৰ তথ্য জানি লৈ আগবঢ়াটো উচিত। ইয়াৰ পূৰ্বে অৰ্থাৎ ক'ভিড মহামাৰীৰ আগমনৰ বহু বছৰ আগতেই এই ক'লা ভেঁকুৰত আক্ৰান্ত হৈ বহুতো লোক মৃত্যুমুখত পৰিছে, কিন্তু ইয়াৰ প্ৰচাৰ আৰু চৰ্চা খুব কমকৈ হৈছিল। এইখিনিতে এটা কথা জানি থোৱা উচিত যে ব্লেক ফাংগাছৰ বৈজ্ঞানিক নামটো হৈছে 'মিউকৰমাইচিটিছ'। চিকিৎসকসকলে প্ৰদান কৰা তথ্য অনুসৰি ই বিশেষকৈ মধুমেহ, বৃক্ক, এইডছ আৰু কৰ্কট ৰোগত আক্ৰান্ত ৰোগীৰ বাবে এইবিধ বেমাৰ হোৱাৰ আশংকা যথেষ্ট বেছি। অনিয়ন্ত্ৰিত ডায়েবেটিছৰ ক্ষেত্ৰত ই এক মাৰাত্মক। বিশেষজ্ঞ চিকিৎসকলৰ মতে ব্লেক ফাংগাছ এজনৰ পৰা আন এজনলৈ বিয়পি নাযায় যদিও সহজে নলৈ সাৱধানতা অৱলম্বন কৰি থকাটো ভাল। যিহেতুকে শেহতীয়াভাৱে এই ব্লেক ফাংগাছক মহামাৰী বুলি ঘোষণা কৰা হৈছে তেনেক্ষেত্ৰত আমি সকলোৱে আৰু অধিক সতৰ্কতা আৰু সাৱধানতা বজাই ৰাখি অনাগত দিনবোৰত নিজৰ লগতে নিজৰ আপোনজনৰ স্বাস্থ্যৰ প্ৰতি গুৰুত্ব আৰোপ কৰাটো অত্যন্ত জৰুৰী বুলি মই ক'ব বিচাৰোঁ।

*ফোন ঃ ৯১৩২৮-৪৯৭২৬*

---

## ডাক্তৰ আৰু কৰ'না মহামাৰী

■ ডাঃ প্ৰভাকৰ দাস

আনদিনাৰ দৰে আজিও ভাত কেইগৰাহ নাকে-মুখে ভৰাই ডাঃ তৃষা দাসে দৌৱা দৌৰিকৈ ডিউটিলৈ লৰ মাৰিলে। ৱাৰ্ডত ঠিক পাঁচ মিনিট আগতেই গৈ পালে। যিহেতু কৰ'না মহামাৰীৰ আতংকময় পৰিৱেশ গতিকে পি পি ই কিট পিন্ধিব লাগিব আৰু পি পি ই কিট পিন্ধা মানেই নিজৰ উশাহ-নিশাহৰ ওপৰত নিয়ন্ত্ৰণ হ্ৰাস পোৱা, প্ৰস্ৰাৱ কৰিব নোৱৰা ইত্যাদি ইত্যাদি। কোনো পিনেদি বায়ু সোমাব নোৱাৰে, গতিকে ইমান গেলা গৰমটোত ঘামবোৰ ওলাই ওলাই এবাল্টিমান ঘামপানী একত্ৰিত হয় পি পি ই কিটৰ ভিতৰত। মানুহে নিজৰ চেহেৰা পাতি ধুনীয়াকৈ ৰাখিবলৈ শ- হেজাৰ টকাৰ ক্ৰীম - মলম আদি গালত ঘঁহে আৰু কত যে কি নকৰে আকৌ নিঃস্বাৰ্থভাৱে মানৱ কল্যাণৰ খাতিৰত, মাথোঁ মানুহৰ প্ৰাণৰক্ষাৰ খাতিৰত ডাক্তৰ-নাৰ্ছসকলে দিনে-ৰাতিয়ে মাস্ক, পি পি ই কিট পিন্ধি সেই চেহেৰা ঘূণীয়া কৰিবলগীয়া হয়। ডাঃ তৃষাই ডাক্তৰ কোঠাত প্ৰৱেশ কৰি নিজৰ বস্ত্ৰ সলনি কৰি পি পি ই কিট পৰিধান কৰিলে। কোঠাৰ পৰাই তেখেতে ৰোগীৰ ক্ষীণ কাতৰ ধ্বনি শুনিবলৈ পাইছে যেন কৰ'নাৰ সন্ত্ৰাসত ৰোগীয়ে ত্ৰাহি ত্ৰাহি কৰি আছে। এনেতে নাৰ্ছ এগৰাকী দুৱাৰৰ আগেদি পাৰ হৈ যাওঁতে ডাঃ তৃষাই সুধিলে - 'বাইদেউ আজি ৱাৰ্ড কেনেকুৱা?' নাৰ্ছে উত্তৰ দিলে - 'মেম আজি ৱাৰ্ড ফুল হৈ আছে। প্ৰায় চল্লিছ পঞ্চাছটামান ভৰ্ত্তি হৈছে।' ডাঃ তৃষা - 'অ হয় নেকি?' বুলি পাল্ছ অক্সিমিটাৰ আৰু ষ্টেথ'স্ক'পডাল ডিঙিত ওলোমাই ৱাৰ্ডলৈ গমন কৰিলে। গোটেই ৱাৰ্ডটোৰ চাৰিওফালে কৰ'নাৰ কবলত থকা ৰোগীৰ যন্ত্ৰণা কাতৰ মাতৰ গুমগুমণি। সহকৰ্মী ডাক্তৰৰ সৈতে কথা পাতি আজিৰ পৰিস্থিতিৰ বুজ ল'লে। ডাঃ তৃষাই ৱাৰ্ডৰ নাৰ্ছ এগৰাকীক ক'লে - 'বাইদেউ ৰোগীৰ টিকেটকেইটা লৈ আহক।' নাৰ্ছগৰাকীৰ সৈতে ৱাৰ্ডত ৰাউণ্ড মাৰি দেখিলে যে ৱাৰ্ড কৰ'না ৰোগীৰে উভৈনদী হৈ আছে যে ৰোগী থ'বলৈ বিছনা নোহোৱা হৈছে। ইতিমধ্যে ৱাৰ্ডত ইমান ৰোগী আছে তদুপৰি নতুনকৈ ৰোগীও আহিছে, ক'ত থ'ব ৰোগীসকলক? ডাঃ তৃষাই নাৰ্ছক ক'লে - 'বাইদেউ কাষৰ ৱাৰ্ডলৈ ৰোগী কেইজনমানক ছিফ্‌ট কৰিব লাগিব। মই টিকেটত লিখি দিছোঁ ৰোগীসকলক অনতিপলমে লৈ যাওক যাতে তেওঁলোকৰ চিকিৎসাও সোনকালে হয়।' নাৰ্ছে ক'লে - 'ঠিক আছে মেম।' আৰু এগৰাকী নাৰ্ছ আহি ক'লে - 'মেম ৰোগী এজনৰ অৱস্থা কাহিল হৈ পৰিছে সোনকালে বলক।' ডাঃ তৃষা দৌৰি গ'ল ৰোগীৰ কাষলৈ। ৰোগীজনৰ বেছি বয়স হোৱা নাই, মাত্ৰ সাতাইছ বছৰ। ৰোগী এজন ডেকা ল'ৰা। ৰোগীক চোৱাচিতা কৰি নাৰ্ছক ক'লে - 'বাইদেউ এওঁক অক্সিজেন দিব লাগিব। সোনকালে ৱাৰ্ডবয়ক কৈ অক্সিজেন লগাব কওঁক।' এনেতে ৰোগীয়ে কান্দি কান্দি ক'বলৈ ধৰিলে - 'মেম মই বাচিম নে নাই? মই ভালকৈ উশাহ ল'ব পৰা নাই। মোৰ বহুত ভয় লাগিছে।' কথাষাৰ শুনি ডাঃ তৃষা দাসৰ শৰীৰ থৰ লাগি গ'ল। যেন চকুৰ আগত অন্ধকাৰে ছানি ধৰিছে। চকু জলজলীয়া হৈ পৰিল। ডাঃ তৃষাই কলে - 'আপুনি চিন্তা নকৰিব আমি আছোঁ নহয়। আপুনি একেবাৰে ভয় নাখাব।' এই বুলি ৰোগীক সান্ত্বনা দিলে। ঠিক সময়ত ৱাৰ্ড বয়ে অক্সিজেন চিলিণ্ডাৰ লৈ আহিলে। অক্সিজেন মাস্ক লগাই নাৰ্ছক মনিটৰিং কৰিবলৈ কোৱা হ'ল। ডাঃ তৃষাই ওৰে জীৱনকালত কাহানিও এনেকুৱা আতংকৰ পৰিস্থিতিৰ সন্মুখীন হোৱা নাছিল। এনেকৈয়ে ৱাৰ্ডত বহুকেইগৰাকী ৰোগী গভীৰ শ্বাস-প্ৰশ্বাসৰ কষ্টত ভুগিছে। হাওঁফাওঁৰ অক্সিজেনৰ মাত্ৰা ক্ৰমান্বয়ে কমি আহিছে। কিছুমানক আই চি ইউ লৈ ছিফ্‌ট কৰা হৈছে আৰু ৱাৰ্ডতে ৰাখিব পৰা ৰোগীসকলক দৰৱ আৰু অক্সিজেনেৰে নিৰন্তৰ সেৱা আগবঢ়োৱা হৈছে। আকৌ বহুকেইজন ৰোগী কৰ'নাৰ সন্ত্ৰাসৰ বলি হৈ মানসিকভাৱে দুৰ্বল হৈ পৰিছে। তেওঁলোকক সাহস যোগাবলৈ বহুকেইজন সহকৰ্মী ডাক্তৰ-নাৰ্ছ সকলোৱে গীত-নৃত্য আদি পৰিৱেশন কৰিছে। প্ৰত্যেক দিনাই কৰ'না মহামাৰীত আক্ৰান্ত হৈ ৰোগীয়ে কৰুণ মৃত্যুক সাৱটি ল'ব লগা হৈছে। মৃত্যুৰ পিছত যাতে অন্য ব্যক্তিলৈ এই ভয়াৱহ ৰোগ সংক্ৰমণ নহওক সেইবাবে অন্তৰক শিলৰ দৰে কঠিন কৰি হ'লেও জনসাধাৰণৰ স্বাৰ্থত প্লাষ্টিকৰ বেগত মৃতদেহ ভৰাই দিয়া হৈছে। এনেকুৱা দৃশ্যই ডাঃ তৃষাৰ দেহ আত্মা কঁপাই তুলিছে। তেখেতৰ চকুৰ সন্মুখতে বহু পৰিয়ালৰ সদস্য- কাৰোবাৰ মা-দেউতা, কাৰোবাৰ ভাই-ভনীয়ে এজন এজনকৈ নিমিষতে জীৱনযাত্ৰা সামৰি চিৰকালৰ বাবে জগতৰ পৰা বিদায় ল'ব লগা হৈছে। হে প্ৰভু এয়া আপোনাৰ কেনেকুৱা ধ্বংসলীলা? বহু পৰিয়ালৰ জীৱনত সৰগ ভাঙি পৰাত বুকু ফাটি সপোনৰ ঘৰখন বিচ্ছিন্ন হৈ পৰিছে। ডাঃ তৃষা নিজে এগৰাকী মাতৃ। গতিকে এনে পৰিস্থিতিত ৰোগীৰ যন্ত্ৰণা কাতৰতাই তেখেতৰ মমতাক জোঁকাৰি তুলিলে। তেখেতৰ লগতে সকলো স্বাস্থ্যকৰ্মীসকলে দিনে- ৰাতিয়ে টোপনি খতি কৰি, নাখাই নবৈ, প্ৰস্ৰাব পাইখানা স্তব্ধ ৰাখি নিজৰ প্ৰাণৰ চিন্তা নকৰি এই প্ৰলয়ংকৰী কৰ'নাৰ সময়ত ৰোগীক নিঃস্বাৰ্থভাৱে সেৱা আগবঢ়াই আছে আৰু ৰোগীৰ প্ৰাণৰক্ষা কৰিবলৈ কবচৰূপে নিজে আগত থিয় দি অবিৰতভাৱে যুদ্ধ কৰি আছে।

এতিয়া সজাগ নাগৰিক হিচাপে আমি এটা কথা উপলব্ধি কৰিবই লাগিব যে বিনাশক কৰ'না ৰোগ নিৰাময়ৰ বাবে এশ শতাংশ কাৰ্যকৰী কোনো ঔষধ নাই। কৰ'না সংক্ৰমণ ৰোধ কৰিবলৈ পৰম অস্ত্ৰ হ'ল - মুখা পিন্ধা, সামাজিক দূৰত্ব বজায় ৰখা আৰু সঘনাই চাবোনেৰে হাত ধোৱা বা হেণ্ড ছেনিটাইজাৰেৰে হাত বীজাণুমুক্ত কৰাৰ লগতে চৰকাৰী নীতি-নিৰ্দেশনা সহৃদয়ে পালন কৰা। অন্যথা আমাৰ দেশ মৰিশালীলৈ ৰূপান্তৰিত হ'বলৈ বেছি সময় নালাগিব।



---

## মানৱৰ মানৱীয়তা ক'ত হেৰাল

■ প্ৰেম বৈষ্ণৱ

সাম্প্ৰতিক সময়ত সমগ্ৰ বিশ্বতে অদৃশ্য ঘাতক কৰ'না মহামাৰীৰ গণ সংক্ৰমণে এক ত্ৰাসৰ পৰিৱেশ সৃষ্টি কৰিছে । বহুতৰে জীৱনলৈ কঢ়িয়াই আনিছে ঘোৰ অমাৱস্যা । দিনক দিনে আক্ৰান্তৰ সংখ্যা আৰু মৃত্যুৰ সংখ্যা বাঢ়ি গৈ আছে । এনে দুৰ্যোগৰ সময়ত আমি সম্পূৰ্ণ covid বিধি পালন কৰি কৰ'না মহামাৰীৰ সংক্ৰমণৰ শৃংখল ৰুদ্ধ কৰিব পাৰোঁ । কিন্তু পৰিতাপৰ বিষয় আজিও বহুতে চৰকাৰে দিয়া নীতি-নিৰ্দেশনাবোৰ গুৰুত্বহীন কৰি, কৰ'না ভাইৰাছ বিয়পাবলৈ যেন উঠি-পৰি লাগিছে । সচেতন নাগৰিকসকলে সম্পূৰ্ণ covid বিধি পালন কৰা দেখা পোৱা গৈছে যদিও আন এচাম অসচেতন লোকৰ বাবে সচেতন সকলো এই কৰ'না মহামাৰীৰ সংক্ৰমণৰ পৰা সাৰি যাব পৰা নাই । ইয়াৰ পৰিণতিত অকালতে বহু আপোনজন আমি চিৰদিনৰ বাবে হেৰুৱাব লগা হৈছে । কত যে মাতৃৰ বুকু উদং হৈছে, কত শিশু যে অনাথ হৈছে, কত জনে যে আপোনজনক হেৰুৱাই মানসিক ভাৰসাম্য হেৰুৱাইছে তাৰ কোনো লেখ-জোখ নাই ।

এতিয়া আহো মূল বিষয়লৈ — আমি সকলোৱেই স্বীকাৰ কৰিবলৈ বাধ্য যে চিকিৎসাবিজ্ঞানৰ সৈতে জড়িত হৈ আমাৰ জীৱন ৰক্ষা কৰা ডাক্তৰ বা চিকিৎসকসকলৰ স্থান আমাৰ সমাজত বহুত ওপৰত । আমি বহুতেই চিকিৎসকসকলক ভগৱানৰ সৈতে তুলনা কৰো বা ডাক্তৰসকলক ভগৱান জ্ঞান কৰোঁ। আমি বিশ্বাস কৰো ঈশ্বৰে দিয়া আমাৰ বহুমূলীয়া জীৱনটো ভগৱান আৰু ডাক্তৰেহে সুস্থ ৰাখিব পাৰে । চিকিৎসাৰ বিনিময়ত আমি ডাক্তৰক তেখেতৰ পাৰিশ্ৰমিক দিয়াৰ উপৰি শ্ৰদ্ধাপূৰ্বক ধন্যবাদ দিয়াটো আমাৰ নৈতিক দায়িত্ব। বৰ্তমান সময়ত চিকিৎসকবিহীন বা চিকিৎসালয়বিহীন হৈ এক মিনিটৰ কথাও কল্পনা কৰিব নোৱাৰো। প্ৰতিটো মুহূৰ্ততে, বিভিন্ন ঠাইত হোৱা পথ দুৰ্ঘটনা, মাতৃসকলৰ প্ৰসৱজনিত সমস্যা বা যিকোনো কাৰণতে অসুস্থ হোৱা লোকসকলৰ জীৱনৰ শেষ ভৰসাই হ'ল চিকিৎসকসকল।

পৰিতাপৰ বিষয় যে আজিৰ তাৰিখতো কিছু কিছু ঠাইত দেৱতুল্য চিকিৎসকসকল সুৰক্ষিত নহয়। হাতৰ মুঠিত জীৱনটো লৈ তেওঁলোকে চিকিৎসা সেৱা আগবঢ়াই আহিছে । সাধাৰণ কথা এটাতে যিকোনো মুহূৰ্ততে অপদস্থ হ'বলগীয়া হ'ব পাৰে, জীৱনৰ কোনো নিশ্চয়তা বা নিৰাপত্তা নাই।

যোৱা ইংৰাজী ০১/০৬/২০২১ তাৰিখ বুধবাৰে হোজাই জিলাৰ উদালী অঞ্চলৰ গিয়াছুদ্দিন নামৰ এজন Covid আক্ৰান্ত ব্যক্তিক ফুলতলীৰ মডেল হাস্পতালত স্থাপন কৰা ক'ভিড চিকিৎসালয়ত সংকটজনক অৱস্থাত ভৰ্তি কৰাইছিল আৰু দুৰ্ভাগ্যৱশতঃভাৱে চিকিৎসালয়তে ৰোগীজনৰ মৃত্যু হয় । ইয়াৰে গইনা লৈ এচাম নৰপিশাচে ডাক্তৰ সেউজ সেনাপতি আৰু কৰ্তব্যৰত নাৰ্ছক অতি নিৰ্দয়ভাৱে প্ৰহাৰ কৰি ক্ষত-বিক্ষত কৰে । গিয়াছুদ্দিনৰ আত্মীয় আৰু দুষ্কৃতিকাৰী দলটোৱে ক'ভিড চিকিৎসালয়ৰ বহু আচবাব ভাঙি ছিঙি লণ্ডভণ্ড কৰে । ৰোগীজনৰ আত্মীয়ৰ অভিযোগ চিকিৎসকৰ হেমাহি আৰু দায়িত্বহীনতাৰ বাবে ৰোগীজনৰ মৃত্যু হৈছে। চিকিৎসকগৰাকীয়ে ঘটনাৰ পৰিস্থিতি বুজাবলৈ চেষ্টা কৰোতেই সুযোগ সন্ধানী উন্মত্ত দুষ্কৃতিকাৰীৰ দলটোৱে তেওঁৰ ওপৰত অমানুষিকভাৱে জঁপিয়াই পৰে । চিকিৎসা কৰ্মীজন প্ৰাণৰ মমতাত পলাবলৈ চেষ্টা কৰে যদিও সফল নহ'ল। তেওঁক খেদি খেদি বগৰাই বগৰাই মাৰপিট কৰে। নাৰ্ছসকলো নৰপিশাচৰ দলটোৰ পৰা সাৰি যাব পৰা নাই। তেখেতসকলকো মাৰধৰ কৰি আহত কৰে । এনে আকস্মিক ঘটনাত চিকিৎসক আৰু চিকিৎসাধীন ৰোগী আৰু আত্মীয়সকলৰ মাজত এক আতংকৰ সৃষ্টি হয় । ডাক্তৰ সেউজ সেনাপতি ডাঙৰীয়াক যি আক্ৰমণ কৰা হ'ল ই আমাৰ অসমৰ বাবে এক লজ্জাজনক ঘটনা। এনে ঘটনাসমূহ প্ৰায়েই কিয় সংঘটিত হ'ব ধৰিছে তাৰ এক নিৰপেক্ষ তদন্তৰ প্ৰয়োজন আছে ।

আমি এতিয়াও পাহৰিব পৰা নাই টীয়ক চাহ বাগিচাৰ ডাক্তৰ দেৱেন দত্ত ডাঙৰীয়াক বিগত বৰ্ষৰ ৩১আগষ্ট তাৰিখে নিজ কৰ্তব্যস্থলীত কিদৰে হানি-খুচি হত্যা কৰা হৈছিল। জীৱনৰ দীঘলীয়া সময় মানুহৰ সু-স্বাস্থ্যৰ বাবে নিজকে উছৰ্গা কৰা ডাক্তৰ দেৱেন দত্ত ডাঙৰীয়াই তেওঁৰ সু-চিকিৎসা আৰু তেখেতৰ হাতৰ পৰশত কতজনে যে নতুন জীৱন পাইছিল তাৰ কোনো লেখ জোখ নাই । অগাধ ব্যক্তিত্বশালী দত্ত ডাঙৰীয়া বহুতৰে শ্ৰদ্ধাৰ আৰু প্ৰিয় লোক আছিল । তেওঁ কেতিয়াও ভবা নাছিল এজাক নৰপিশাচৰ বৰ্বৰ আক্ৰমণত প্ৰাণ দিবলগীয়া হ'ব । মানুহৰ হৃদয়ৰ পৰা সঁচাকৈয়ে মানৱীয়তা হেৰাই গ'ল নেকি ?

নিজৰ জীৱনক বিপন্ন কৰি আনৰ সু-স্বাস্থ্যৰ বাবে দিন-ৰাতি সেৱা আগবঢ়াই অহা চিকিৎসকসকলক বেয়া ব্যৱহাৰ কৰাটো এতিয়া তেনেই সহজলভ্য হৈ পৰিছে । যোৱা বছৰতো আমি দেখা পাইছিলো এচাম Covid আক্ৰান্ত ৰোগীয়ে চিকিৎসালয়ত, চিকিৎসকৰ শৰীৰত থু-খেকাৰ মাৰিছিল। আন এচামে আকৌ সীমা চেৰাই গৈ উলংগ হৈ চিকিৎসক, কৰ্মী তথা নাৰ্ছক গুপ্তাংগ দেখুৱাইছিল। এইবাৰৰ তুলনাত যোৱাবাৰৰ ক'ভিড আক্ৰান্ত ৰোগীক কল, কিচমিচ, ষ্ট্ৰ'বেৰী, কণী, ঘিউ, মাছ, মাংস আদি পুষ্টিকৰ খাদ্যৰ যোগান ধৰিছিল যদিও তেওঁলোক সুখী হোৱা নাছিল। উলোটাই তেওঁলোকক সেৱা শুশ্ৰূষা কৰা স্বাস্থ্য কৰ্মীসকলক সহযোগ কৰাৰ পৰিৱৰ্তে বেয়া ব্যৱহাৰ কৰিছিল। সেয়ে আমি দেখা পাইছিলো, ডাক্তৰসকলে নিজৰ নিৰাপত্তা বিচাৰি ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়ালৈ ৰাজহুৱা পত্ৰ লিখি আবেদন কৰিবলগীয়া হৈছিল।

চিকিৎসকসকলৰ নিৰাপত্তা সুনিশ্চিত কৰাতো চৰকাৰৰ দায়বদ্ধতা । চিকিৎসা কৰ্মীসকলে যদি এদিনৰ বাবে অসহযোগিতা বা জংগী আন্দোলন ঘোষণা কৰে কিমান মানুহৰ যে অকাল মৃত্যু নিশ্চিত হ'ব সেয়া কল্পনাৰো অতীত । পশ্চিম বংগ চৰকাৰে সেই শিক্ষা পাই থৈছে, বংগকন্যা মমতা বেনাৰ্জীয়ে চিকিৎসকসকলৰ ওচৰত হাৰ মানিবলৈ বাধ্য হৈছিল।

চিকিৎসকসকলক বাদ দি যেনেকৈ আমি চলিব নোৱাৰো ঠিক একেদৰে ৰোগীক আওকাণ কৰি চলিব নোৱাৰে। ডাক্তৰসকলৰ শিক্ষা আৰু সেৱা দুয়োটা ৰোগীকেন্দ্ৰিক সেই কথাও চিকিৎসকসকলে পাহৰি যোৱা উচিত নহয়। চিকিৎসালয়ত চিকিৎসকৰ সংঘাতময় অৱস্থাৰ অন্ত পেলাবলৈ সামাজিক প্ৰমূল্যবোধ আৰু আমাৰ সংস্কাৰৰ প্ৰয়োজন আছে ।

আমাৰ সমাজত কিছু ভণ্ড আৰু লুণ্ঠনকাৰী চিকিৎসকো আছে। চিকিৎসাৰ নামত ভণ্ডামি কৰা সেইসকলৰ বিপৰীতে গৰিষ্ঠসংখ্যক চিকিৎসকৰ ত্যাগ, নিষ্ঠা আৰু সততাক আমি প্ৰশ্নবোধক দৃষ্টি নিক্ষেপ কৰিলে ভুল হ'ব । চিকিৎসকসকলে যাতে অহেতুক প্ৰাণৰ সংশয় নোহোৱাকৈ সেৱা আগবঢ়াই নিব পাৰে তাৰ বাবে চৰকাৰে কঠোৰ ব্যৱস্থা কৰিব লাগিব ।

মৃত হোৱা মানুহজন যিমান প্ৰভাৱশালী নহওক কিয় মৃত হোৱা ব্যক্তিৰ প্ৰাণ দিয়াটো কোনো ডাক্তৰৰে সাধ্য নহয়, নেতিবাচক ধ্যান ধাৰণা থকা কিছু অভিভাৱকে (মৃতকৰ নিকটতম আত্মীয়) সামান্য সুযোগ পালেই চিকিৎসকৰ ওপৰত জপিয়াই পৰা দেখা যায় ।

গৰিষ্ঠসংখ্যক চিকিৎসকে তেখেতসকলৰ দায়িত্ব পালনত কোনো ত্ৰুটি কৰা দেখা নাযায় যদিও এচাম অৰ্থলোভী ডকাইতসদৃশ



চিকিৎসকৰ বাবে সকলো চিকিৎসকে গৰিমা সময়ে সময়ে ভূ-লুণ্ঠিত হৈ আৰু এনে বাৰ্তাই বাতৰি কাকত আৰু বৈদ্যুতিন প্ৰচাৰ মাধ্যমত মুখ্য বাতৰি হিচাপে প্ৰচাৰ হৈ আহিছে ।

চৰকাৰী স্বাস্থ্য প্ৰতিষ্ঠানসমূহ বাদ দি ব্যক্তিগত খণ্ডৰ কিছু চিকিৎসালয়ত চিকিৎসা ব্যৱস্থাটো সেৱাৰ পৰিৱৰ্তে অধিক মুনাফা অৰ্জনৰ কেন্দ্ৰহে হৈ পৰিছে । এইখিনিতে উল্লেখ কৰিব বিচাৰোঁ, বৰ্তমান সময়ত অসম চৰকাৰৰ স্বাস্থ্য বিভাগে বিনা পইচাৰে লাখ লাখ Covid আক্ৰান্ত ৰোগীক চিকিৎসাৰে সুস্থ কৰাৰ বিপৰীতে ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত এজন Covid আক্ৰান্ত ৰোগীৰ পৰা, চিকিৎসা ব্যয় ৫ লাখৰ পৰা ৮-৯ লাখ টকা আদায় কৰা পৰিলক্ষিত হৈছে । এই বিষয়টোত চৰকাৰে কঠোৰ আৰু সুদৃঢ় ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন আছে।

কিছুসংখ্যক চিকিৎসকে ৰোগীক বেয়া ব্যৱহাৰ কৰাৰো অভিযোগ পোৱা যায় । পৰ্যাপ্ত পৰিমাণে ধন উপাৰ্জন কৰাত অসুবিধা হ'লেই ৰোগী আৰু ৰোগীৰ আত্মীয়ক বেয়া ব্যৱহাৰ কৰাৰো অভিযোগ উত্থাপিত হয় । ধন দিয়াত পলম হ'লেই কিছুমান ভণ্ড চিকিৎসকে ন্যূনতম চিকাৎসা আগনবঢ়াই আৰু ইয়াৰ পৰিণামস্বৰূপে বহু সময়ত ৰোগীৰ অসহায় জীৱনটো মৃত্যুৰ ওচৰত আত্মসমৰ্পণ কৰিবলৈ বাধ্য হয়। আকৌ কিছু কিছু চৰকাৰী চিকিৎসকে, অধিক অৰ্থোপাৰ্জন কৰাৰ বাবে বেছিভাগ সময় চৰকাৰী স্বাস্থ্য প্ৰতিষ্ঠানৰ পৰিৱৰ্তে ব্যক্তিগত নাৰ্ছিংহোম, ফাৰ্মাচী, চেম্বাৰ আদিত উপস্থিত থকা দেখা পোৱা যায় । এনে পৰিস্থিতিৰ বাবেও বহু ৰোগীৰ জীৱনলৈ অন্ধকাৰ নমাই আনে । বহু সময়ত দুৰ্ঘটনাগ্ৰস্ত বহু ৰোগী চিকিৎসালয়ত আহি যেতিয়া যন্ত্ৰণাত ছটফটায়, তেতিয়া ভগৱানৰ অৱতাৰ বুলি জ্ঞান কৰা চিকিৎসকৰ প্ৰতি ঘৃণা ভাৱৰ সৃষ্টি হয় । আকৌ কিছু কিছু ক্ষেত্ৰত লক্ষ্য কৰিলে দেখা পোৱা যায় যে চৰকাৰী চিকিৎসকে এনে কিছু বিশেষ কোম্পানীৰ ঔষধৰ নাম লিখে যি ঔষধ কোম্পানীসমূহৰ পৰা চিকিৎসকজনে বুজন পৰিমাণৰ টকা আদায় পাই থৈছে । সেই ঔষধসমূহ ভেজাল হ'লেও কথা নাই মুঠতে মুনাফা পাব লাগে । এই ধৰণৰ কিছু সংখ্যক চিকিৎসকৰ বাবে কেতিয়াবা অন্য কোনোবা সৎ আৰু নিষ্ঠাবান চিকিৎসক গণৰোষৰ বলি হৈ আহিছে । সদৌ শেষত, সকলোৱে নিজৰ দায়িত্ব আৰু কৰণীয়খিনি সততা আৰু নিষ্ঠাৰে কৰক, সমাজত সুস্থ বাতাবৰণ সৃষ্টি কৰি এখন শুদ্ধ সমাজৰ ভেটি নিৰ্মাণ কৰক তাকেই কামনা কৰিলোঁ।

# প্ৰথম পৃষ্ঠাৰ পৰা—

## পুখুৰীত উদ্ধাৰ ৪বছৰীয়া

কৰি জীৱন-নিৰ্বাহ কৰা মধু নাথৰ পৰিয়ালটো দেউতাকৰ একেটা ঘৰতে পত্নী-কন্যাসহ বেলেগ এটা কোঠাত বাস কৰে। পুৱাৰ ভাগত মধু নাথৰ পেহীয়েকে পুখুৰীত গা-ধুবলৈ গৈ পুখুৰীত এটা মৃতদেহ দেখা পায় হুলস্থূল কৰে আৰু ঘৰৰ সকলোৱে লগতে ওচৰ চুবুৰীয়াও গোট খাই মৃতদেহটো মধু নাথৰ কন্যা সন্তান ত্ৰিদিশা নাথৰ বুলি চিনাক্ত কৰে। ইফালে শিশুটিৰ মাক জোনালী নাথক বিচাৰি নাপায় যদিও জোনালীৰ চেণ্ডেলযোৰ পুখুৰীৰ দলত প্ৰত্যক্ষ কৰাৰ পাছত ওচৰ চুবুৰীয়াই পুখুৰীত নামি বিচাৰ-খোচাৰ কৰাৰ পাছতো কোনো গুসূত্ৰ বাতৰি লিখা পৰলৈকে পোৱা নাই। আনকি জোনালীৰ নিজা ম'বাইল ফোনটোৱে চুইছ অফ হৈ আছে। পৰিয়ালৰ অভিযোগ মতে জোনালীয়েই কন্যাটি নিজ কন্যাক হত্যা কৰি পলায়ন কৰিছে। আনহাতে ঘটনাৰ খবৰ লাভ কৰাৰ পাছতে শিৱসাগৰ জিলা আৰক্ষী অধীক্ষক ৰাকেশ ৰৌচন আৰু জয়সাগৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া জ্যোতিষ ফুকন ঘটনাস্থলীত উপস্থিত হৈ কন্যাশিশুৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে জয়সাগৰস্থিত শিৱসাগৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰি ঘটনাৰ প্ৰাথমিক তদন্ত আৰম্ভ কৰিছে। আনহাতে দুপৰীয়া বগীদ'লৰ সমীপত ডিমৌপথাৰৰ এজোপা গছৰ তলত বহি থকা অৱস্থাত স্থানীয় ৰাইজে দেখা পাই জোনালীক কৰায়ত্ব কৰি জয়সাগৰ আৰক্ষীৰ চমজাই দিয়ে আৰু জয়সাগৰ আৰক্ষীয়ে শিৱসাগৰ আৰক্ষীৰ সহযোগত জোনালীক কৰায়ত্ব কৰি সোধা-পোছ অব্যাহত ৰাখিছে। আৰক্ষীৰ জেৰাত জোনালীয়ে পতিগৃহত যৌতুকৰ বাবে কৰা অত্যাচাৰৰ ফলত কন্যাৰ সৈতে ঘৰৰ পৰা ওলাই যাওঁতে কন্যাটি হাতৰ পৰা পিছলি পুখুৰীত পৰি মৃত্যু হয় বুলি উল্লেখ কৰিছে। অধিক অনুসন্ধানৰ ফলততহে কন্যাশিশুটিৰ মৃত্যুৰ প্ৰকৃত ৰহস্য উদ্ঘাটন হ'ব বুলি সচেতন ৰাইজে মতপোষণ কৰিছে। ইফালে এনে এক মৰ্মান্তিক ঘটনাই সমগ্ৰ শলগুৰি মৌজাতে শোকৰ ছাঁ পেলাইছে।

## আইচিইউত থকা নিথৰ শহুৰ

গুৱাহাটীলৈ যাব বিচাৰে। যদিহে ক'ভিড প্ৰট'কল অনুযায়ী এনে ব্যৱস্থা সম্ভৱ নহ'ব বুলি জানিব পাৰি ফেচবুকত এক ভিডিঅ'যোগে চৰকাৰৰ পৰা অনুমতি বিচাৰে। ইয়াৰ পিছতে নীহাৰিকাৰো ক'ভিড পজিটিভ হৈ থকাৰ বাবেই অনুমতি দিয়াত শহুৰেকৰ সৈতে নীহাৰিকাক জি এম চি এইচত ভৰ্তি কৰোৱা হয়। জি এম চি এইচত শহুৰেকক আই চি ইউত ৰখাৰ বাবে নীহাৰিকাৰ অনুৰোধ মৰ্মে নীহাৰিকাক আই চি ইউৰ কাষতে ৰখাৰ ব্যৱস্থা কৰা হয়। উল্লেখ্য যে নীহাৰিকাৰো ক'ভিড পজিটিভ হোৱাৰ পিছতো নিজৰ কথা নাভাবি শহুৰেকৰ চিকিৎসাতে দিনে-নিশাই ব্যস্ত হৈ আছে। নগাঁওত থকাৰ সময়তো পেৰালাইচিছ আৰু আন ৰোগত আক্ৰান্ত শহুৰেকক নিজেই দাঙি নিজ হাতেৰে খুৱাই-বুৱাই সুস্থ কৰাত লাগি থকাৰ লগতে মাজে মাজে শহুৰেকৰ সৈতে চেলফি উঠি হঁহুৱাই ধেমালি কৰি মনত সাহস যোগাই আছিল। বৰ্তমান গুৱাহাটীতো শহুৰেকক সকলো সময়তে তদাৰক কৰি সাহস যোগাই থকা নীহাৰিকাই বৰ্তমান শহুৰেক যথেষ্ট সুস্থ হৈ উঠিছে বুলি জানিবলৈ দিয়াৰ লগতে নিজেও কিছু সুস্থ অনুভৱ কৰিছে বুলি জানিবলৈ দিছে। কালিৰে পৰা চিকিৎসালয়ৰ আইচিইউত শহুৰেক থুলেশ্বৰ দাসৰ মুখত হাঁহি বিৰিঙি উঠা বুলিও আনন্দ প্ৰকাশ কৰে নীহাৰিকাই। জি এম চি এইচৰ পৰা ছ'চিয়েল মিডিয়াত প্ৰচাৰ হোৱা এক ভিডিঅ'যোগে নীহাৰিকাই শহুৰেকৰ স্বাস্থ্য যথেষ্ট উন্নত হোৱাত প্ৰধানকৈ সংবাদ মাধ্যমৰ লগতে এটা নিউজ চেনেল আৰু চেনেলটোৰ ৰহাৰ সাংবাদিকগৰাকীক ধন্যবাদ জনাইছে। লগতে জি এম চি এইচত চিকিৎসক আৰু স্বাস্থ্য কৰ্মীসকলে যথেষ্ট সহায় কৰা বুলি জানিবলৈ দি কৰ্তৃপক্ষই শহুৰেকৰ বাবে বাহিৰত কিনিবলগীয়া ঔষধ বাবদ হাজাৰ হাজাৰ টকা ব্যয় কৰিব লগা হোৱা বুলিও জানিবলৈ দিছে। জি এম চি এইচত কোনো অসুবিধা পোৱা নাই বুলি জানিবলৈ দি নীহাৰিকাই জি এম চি কৰ্তৃপক্ষৰ লগতে চিকিৎসক, নাৰ্ছ, স্বাস্থ্য কৰ্মীকো ধন্যবাদ জনাইছে। উল্লেখ্য যে নীহাৰিকাৰ স্বামী শিলিগুৰিত আৰু স্বামীৰ জেষ্ঠ ভাতৃ কৰ্মসূত্ৰে শিলচৰত থকাৰ বাবেহে অসুস্থ শহুৰেকক নীহাৰিকাই নিজেই তদাৰক কৰি আছিল। নিজৰ পিতৃৰ দৰেই শহুৰেকক মৰম কৰা নীহাৰিকাই শহুৰেকক এনেদৰে শুশ্ৰূষা কৰিবলৈ পাই ধন্য মানিছে বুলি জানিবলৈ দিয়ে। ইতিমধ্যে স্বামী আৰু জেঠালেক গুৱাহাটী আহি পাইছে যদিও এজনেও পিতৃক দেখা কৰিব পৰা নাই ক'ভিড প্ৰট'কলৰ বাবে। কালি শহুৰেকৰ মুখত হাঁহি ওলোৱাৰ পাছত থুলেশ্বৰ দাসৰ আজি শাৰীৰিক অৱস্থা যথেষ্ট উন্নত হৈছে আৰু ভালকৈ কথা ক'ব পৰা হৈছে। ভগৱানে কৃপা কৰিলে দুই-তিনি দিনৰ পাছত নিগেটিভ আহিলে ঘৰলৈ যাবলৈ সক্ষম হ'ব বুলিও মন্তব্য কৰে নীহাৰিকাই।

## বিতুষ্ট অগ্নিশৰ্মা স্বাস্থ্যমন্ত্ৰী

নপৰা হৈছে। স্বাস্থ্যমন্ত্ৰীৰ দায়িত্ব লৈয়েই ক'ভিডৰ ভয়াবহ সংক্ৰমণৰ সময়ত দিন-ৰাতি একাকাৰ কৰি ৰাজ্যৰ স্বাস্থ্যৰ অৱস্থাৰ বুজ লৈছে যদিও বিভিন্ন বিসংগতিৰ বাবে বিভিন্ন জিলাৰ স্বাস্থ্য বিষয়া তথা নিয়োজিত ঠিকাদাৰক ধমক দি তৰণি পোৱা নাই। তৎসত্ত্বেও এহাম চিকিৎসক তথা ঠিকাদাৰৰ গা-লৰা নাই। তাৰ প্ৰমাণ পোৱা গ'ল নিজ সমষ্টিৰ নিৰ্মাণৰত চিকিৎসালয়তে। প্ৰথমবাৰলৈ কলিয়াবৰত পদাৰ্পণ কৰিয়েই ২৩ মে'ত পৰিদৰ্শন কৰিছিল জখলাবন্ধা গ্ৰাম্য চিকিৎসালয়। পৰিদৰ্শন কালত জখলাবন্ধা গ্ৰাম্য চিকিৎসালয়ৰ চৌহদত নব-নিৰ্মিত কলিয়াবৰ মহকুমা চিকিৎসালয়ৰ নিৰ্মাণ কাৰ্যৰ নিৰীক্ষণ কৰিবলৈ হঠাৎ উপস্থিত ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত। নিৰ্মাণ কাৰ্যৰ বুজ লৈ এমাহৰ ভিতৰত জখলাবন্ধাত নতুনকৈ নিৰ্মীয়মাণ ১০০খন বিছনাযুক্ত চিকিৎসালয়ৰ কাম সম্পূৰ্ণ কৰিবলৈ ঠিকাদাৰক কাঢ়া নিৰ্দেশ দিছিল স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই। কিন্তু পোন্ধৰ দিনৰ পাছত হঠাতে আজি নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰ বুজ ল'বলৈ জখলাবন্ধাৰ নব-নিৰ্মিত ১০০ বিছনাযুক্ত জখলাবন্ধা গ্ৰাম্য চিকিৎসালয়ত উপস্থিত হৈয়ে কামৰ গতি দেখি অগ্নিশৰ্মা হৈ পৰে স্বাস্থ্যমন্ত্ৰীগৰাকী। কামৰ লেহেমীয়া গতি দেখি ৰাজহুৱাকৈ ঠিকাদাৰক ধমক দিয়ে। লগতে ১০০খন বিছনাযুক্ত নব-নিৰ্মিত জখলাবন্ধা চিকিৎসালয়খনৰ নিৰ্মাণ কাৰ্য শীঘ্ৰেই সমাপ্ত কৰাৰ নিৰ্দেশ স্বাস্থ্যমন্ত্ৰীৰ। আনহাতে, পুৰণি জখলাবন্ধা চিকিৎসালয়ৰ কাম-কাজৰ বুজ লোৱাৰ লগতে চিকিৎসালয়খন উন্নত কৰাৰ কথা প্ৰকাশ কৰে স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে। পুৰণি চিকিৎসালয়খনক শীঘ্ৰেই নতুন ৰূপ দিয়াৰ ইংগিত প্ৰদান স্বাস্থ্যমন্ত্ৰীৰ। তদুপৰি, স্বাস্থ্যমন্ত্ৰীৰ ঘোষণা— কৰ্মৰত অৱস্থাত জনতাৰ আক্ৰমণৰ বলি হোৱা চিকিৎসক চেউজ কুমাৰ সেনাপতিৰ স্বাস্থ্য উন্নত হোৱাৰ পাছত তেওঁৰ পৰিয়ালে সেনাপতিৰ কৰ্মস্থান য'ত বিচাৰে তাতে নিয়োগ কৰা হ'ব। কথা প্ৰসংগত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত নতুনকৈ ২০০ বিছনাযুক্ত আৰু সৰুসজাইত ৩০০ বিছনাযুক্ত ক'ভিড হাস্পতালৰ নিৰ্মাণ কাম শীঘ্ৰে আৰম্ভ হ'ব বুলি জনায়।

## লংকাৰ কাকীৰ টিলাবজাৰৰ

পৰিয়ালৰ আজি উচ্ছেদ কৰে। আজিৰ এই উচ্ছেদ অভিযানত লংকা ৰাজহ চক্ৰৰ চক্ৰ বিষয়াগৰাকীৰ নেতৃত্বত অভিযান কালত প্ৰায় ২৭৫ বিঘা ভূমি বেদখলমুক্ত কৰে প্ৰশাসনে। ইফালে উচ্ছেদিত ৰাইজে জানিব দিয়া অনুসৰি প্ৰায় ৫০/৫৫ বছৰ ধৰি সেই স্থানত ঘৰ-দুৱাৰ সাজি খেতি-বাতি কৰি বসবাস কৰি আছিল। আনহাতে, আজিৰ এই উচ্ছেদ অভিযানত প্ৰশাসনে জেচিবিৰে ঘৰসমূহ ভাঙি পেলোৱাৰ লগতে খেতিপথাৰসমূহো ট্ৰেক্টৰেৰে হাল মাৰি বেদখলমুক্ত কৰে ভূমিসমূহ। ইপিনে ভুক্তভোগীৰ ক্ৰন্দন শুনিলে আপোনাৰো চকুপানী ওলাব। আমাৰ ঘৰ ভাঙি নিদিব, আমি স্বাধীনতাৰ কালৰ পৰাই ইয়াত বসবাস কৰি আছিছোঁ, কেনেকৈ সমূহত এইদৰে কান্দি কান্দি হাহাকাৰ কৰিছে উচ্ছেদিত লোকে। কাকীৰ পুৱাৰ পৰা হোজাই জিলা প্ৰশাসনে চলোৱা উচ্ছেদিত পুৰুষ-মহিলাই এনেদৰে সংবাদ মাধ্যমৰ আগত কান্দি কান্দি কয়। কালি চাৰি বজাত লংকা ৰাজহ চক্ৰৰ কাৰ্যালয়ৰ পৰা জাননী-পত্ৰ দি আজি উচ্ছেদ কৰাক লৈ ৰহস্যৰ সৃষ্টি হৈছে। ইয়াকে লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে হোজাইত। উল্লেখ্য যে আমছুৰ হোজাই জিলা সমিতিয়ে উচ্ছেদস্থলীত উপস্থিত হৈ খবৰ লোৱাৰ লগতে প্ৰতিবাদমুখী হৈ পৰা দেখা যায়।

## শীঘ্ৰেই পানীদিহিং পক্ষী

অৱস্থিত পৰ্যটন গৃহটি ২ জুনত পৰিদৰ্শন কৰে অসম চৰকাৰৰ পৰ্যটন মন্ত্ৰী বিমল বৰাই। ডিমৌৰ পৰা কিছু নিলগৰ ৰাজমাইৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত ৩ কোটি ৯০ লাখ টকাৰ ব্যয়সাপেক্ষ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হ'লে সেই সৰহান পৰা ৫ কিলোমিটাৰ নিলগত চকগুৱাত অৱস্থিত পানীদিহিং পক্ষী অভয়াৰণ্যলৈ অহা দেশী বিদেশী পৰ্যটকৰ দীৰ্ঘদিনীয়া সমস্যাৰ সমাধান হ'ব। পূৰ্বে প্ৰশাসনী হিচাপে পৰিচিত আৰু ইতিমধ্যে চাৰিলেনযুক্ত পথ নিৰ্মাণৰ বাবে অধিগ্ৰহণৰ পিচত অসম চৰকাৰৰ পৰ্যটন বিভাগে পুনৰ নিৰ্মাণ আৰম্ভ কৰে। সম্প্ৰসাৰিত ৰূপত পৰ্যটকৰ বাবে আকৰ্ষণীয় কেতবোৰ আন্তঃগাঁথনি সমৃদ্ধ পৰ্যটন গৃহটি আগষ্ট মাহত সম্পূৰ্ণ কৰি তুলিবলৈ মন্ত্ৰী গৰাকীয়ে বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। উল্লেখ্য যে, পৰ্যটন গৃহটো মুকলি হ'লে দেশী বিদেশী সকলো পৰ্যটকে ইয়াতে থকা আৰু খোৱা কৰি পক্ষীকুলৰ বসমুদ্ৰ পানীদিহিংলৈ যাব পাৰিব বুলি কয় মন্ত্ৰী গৰাকীয়ে। মন্ত্ৰী বৰাই পানীদিহিং পক্ষী অভয়াৰণ্য খন পৰ্যটকৰ আকৰ্ষণ কেন্দ্ৰবিন্দু হিচাপে গঢ়ি তোলা হ'ব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে। একাধিক চৰকাৰৰ দিনত অৱহেলিত পানীদিহিং পক্ষী অভয়াৰণ্যখন পৰ্যটকৰ আকৰ্ষণ কেন্দ্ৰ বিন্দু হিচাপে এইচৰকাৰৰ দিনত গঢ়ি উঠিলে ৰাইজ তথা প্ৰকৃতিপ্ৰেমী সংগঠন সমূহৰ বহুদিনীয়া আশা পূৰণ হব বুলি মত ব্যক্ত কৰিছে।

## ৰাজ্যত কমিছে কৰ'না

গ্ৰাম্যত ৬৯, কাৰ্বি আংলঙত ৩৪, কৰিমগঞ্জত ৩৩, কোকৰাঝাৰত ৬৭, লখিমপুৰত ৪৮, মাজুলীত ১৯, মৰিগাঁৱত ৬৮, নগাঁৱত ১৩১, নলবাৰীত ৩১, শিৱসাগৰত ১৫, দক্ষিণ শালমাৰাত ২৬, ওদালগুৰিত ৩৩, পশ্চিম কাৰ্বি আংলং ৬ আৰু অন্যান্য ৩ গৰাকী আক্ৰান্ত হোৱাৰ বিপৰীতে মৃত্যু হৈছে তিনিচুকীয়াত ৬, শোণিতপুৰত ৪, কামৰূপত ৩, কামৰূপ মেট্ৰ'ত ৩, নগাঁৱত ৩, দৰঙত ২, শিৱসাগৰত ২, ওদালগুৰিত ২ আৰু এগৰাকীকৈ মৃত্যু হৈছে বাক্সা, বৰপেটা, বিশ্বনাথ, বঙাইগাঁও, চৰাইদেউ, ধুবুৰী, ডিব্ৰুগড়, গোলাঘাট, হাইলাকান্দি, কামৰূপ গ্ৰাম্য, কাৰ্বি আংলং আৰু লখিমপুৰত। ১,১৬,৮৪,৪২১ টা এতিয়ালৈকে ৰাজ্যত পৰীক্ষা কৰা হৈছে। ইয়াৰ লগতে ক'ভিড পজিটিভ পোৱা গৈছে ৪,৩৪,৯৪২ গৰাকীৰ, মৃত্যু হৈছে ৩,৬৫৮ গৰাকীৰ বিপৰীতে আৰোগ্য হৈ ঘৰলৈ উভতিছে ৩,৮০,৪১৯ গৰাকী। প্ৰতি মিলিয়ন জনসংখ্যাৰ বিপৰীতে ৰাজ্যত পৰীক্ষা কৰোৱা হৈছে ৩.৪০ লাখ, আৰোগ্যৰ হাৰ ৮৭.৪৬ শতাংশ, মৃত্যুৰ হাৰ ০.৮৪ শতাংশৰ বিপৰীতে ক'ভিড আক্ৰান্তহৈ [illegible] অন্য কাৰণত এতিয়ালৈকে মৃত্যু হৈছে ১,৩৪৭ গৰাকী লোকৰ। আজিলৈকে ৰাজ্যত ক'ভিড ভেকচিন দিয়া হৈছে ৪৩,৩৮,৭৯০ গৰাকী লোকক। ইয়াৰে প্ৰথমটো দিয়া হৈছে ৩৪,৮৮,৪৪৮ গৰাকীক আৰু ৮,৫০,৩০৬ গৰাকীক দিয়া হৈছে দ্বিতীয়টো ভেকচিন।

## শুই থাকোতে গাড়ীয়ে

আপাৰসিং জিলাৰ ফুৰুং (টুটিং) চলি থকা পথ নিৰ্মাণৰ কামত পৰিয়ালসহ কাম কৰিবলৈ গৈছিল। শনিবাৰে পুৱা পৰিয়ালটো শুই থকা অৱস্থাতে হাইড্ৰা গাড়ী এখনে পথৰ দাঁতিতে থকা এটা ঘৰ মহটিয়াই নিয়াত ফলত আমজাদুৰ ৰহমানৰ পত্নী আৰু পুত্ৰ নিহত হয়। নিহত দুজন ক্ৰমে আমজাদুৰ ৰহমানৰ পত্নী মাছুদা খাতুন (২১) আৰু তেওঁৰ চাৰিবছৰীয়া সন্তান মাজিদুৰ ৰহমান (৪)। দুয়ো ঘৰত শুই থকা অৱস্থাতে হাইড্ৰাই মহটিয়াই নিয়ে দুয়োকে। এই দুৰ্ঘটনাৰ পিছত অতিকে দৰিদ্ৰ পৰিয়ালটি এতিয়া নিঠৰুৱা হৈ পৰিছে। এতিয়া এনেদৰে দুজনকৈ লোকৰ মৃত্যুক লৈ চিৰাঙৰ আব্দাগুৰি গাঁৱত চাঞ্চল্যৰ সৃষ্টি হৈছে। চিৰাঙৰ পাণবাৰী আঞ্চলিক এবিএমছুৱে অসম চৰকাৰ আৰু অৰুণাচল চৰকাৰক দাবী জনায় দৰিদ্ৰ পৰিয়ালটিক উপযুক্ত ক্ষতিপূৰণ দিয়াৰ বাবে আৰু মৃতদেহ ঘৰলৈ পঠিওৱাৰ ব্যৱস্থা কৰাৰ বাবে।

## পৰিৱেশ বিশ্ববিদ্যালয় স্থাপনৰ

মুহূৰ্তত অৰণ্য সুৰক্ষা সমিতি অসমৰ সচিবপ্ৰধান ড° হৰিচৰণ দাসে প্ৰকাশ কৰা এখন প্ৰেছ বিজ্ঞপ্তিত কোৱা হৈছে যে সমিতিয়ে ২০১৪ চনৰে পৰা অসমত এখন পৰিৱেশ বিশ্ববিদ্যালয় স্থাপনৰ দাবী উত্থাপন কৰি আহিছে যদিও চৰকাৰে আজিকোপতি গুৰুত্ব প্ৰদান কৰা নাই। অসমক ভাৰতৰ ৫খন উন্নত ৰাজ্যৰ ভিতৰত স্থান লাভ কৰাৰ বাবে লক্ষ্য স্থিৰ কৰা নতুন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই সমিতিৰ এই দাবীৰ প্ৰতি সহমত পোষণ কৰিব বুলি আশা প্ৰকাশ কৰিছে অৰণ্য সুৰক্ষা সমিতিয়ে। উল্লেখ্য যে পৰিৱেশ অধ্যয়নক এক বাধ্যতামূলক বিষয় হিচাপে পঢ়াৱৰ বাবে ভাৰতৰ উচ্চ ন্যায়ালয়ে ২০০৫ চনত এক নিৰ্দেশনা জাৰি কৰিছিল। সেই অনুসৰি এতিয়া সকলো বিভাগৰ সকলো শিক্ষা প্ৰতিষ্ঠানতে পৰিৱেশ অধ্যয়ন বিষয়টো শিকোৱা হৈ আছে। তেনে ক্ষেত্ৰত এখন পৰিৱেশ বিশ্ববিদ্যালয়ৰ আৱশ্যকতা বিদ্বৎ সমাজত বাৰুকৈয়ে অনুভৱ কৰা হৈছে বুলি বিজ্ঞপ্তিখনত উল্লেখ কৰা হয়। আনহাতে, বিশ্ব পৰিৱেশ দিৱস উপলক্ষে অৰণ্য সুৰক্ষা সমিতি অসম আৰু বিলাসীপাৰা মহাবিদ্যালয়ৰ উদ্যোগত 'পৰিস্থিতিতন্ত্ৰৰ সুৰক্ষা' শীৰ্ষক এখন ৱেবিনাৰৰ আয়োজন কৰা হৈছে বুলিও বিজ্ঞপ্তিখনত প্ৰকাশ কৰা হৈছে।

## বৈঠালাংছ'ত নিখোঁজ

আছে। দেওবাৰে হাতীডুবিস্থিত বেটেলিয়ন আবাসগৃহৰ পৰা প্ৰায় ২০০ মিটাৰ নিলগত এটি পথৰ দাঁতিত থকা জংঘলত পশ্চিম কাৰ্বি আংলং জিলা আৰক্ষীৰ উপ-আৰক্ষী অধীক্ষক নয়নমনি বৰ্মনে প্ৰত্যক্ষ কৰি উদ্ধাৰ কৰিবলৈ সক্ষম হয় ৰিতু বৰা ব্যৱহৃত মাৰণাস্ত্ৰটো। উক্ত মাৰণাস্ত্ৰটোত ব্যৱহাৰ হোৱা ২০ জাঁই সমীজ গুলীৰ পৰিবৰ্তে ১৯ জাঁই সজীৱ গুলীহে আৰক্ষীয়ে উদ্ধাৰ কৰিবলৈ সক্ষম হয়। ইতিমধ্যে, এক জাঁই সজীৱ গুলী আৰু ৰিতু বৰাৰ সন্ধানত জিলা আৰক্ষী তৎপৰ হৈ পৰা দেখা গৈছে। উল্লেখযোগ্য যে আজি তিনিদিন হৈ যোৱাৰ পিছতো আৰক্ষী জোৱানজন নিৰুদ্দেশ হৈ থকা ঘটনাই পাৰ্বত্য জিলাখনত তীব্ৰ জোঁকাৰণিৰ সৃষ্টি হৈছে।

## উত্তৰ প্ৰদেশত মন্ত্ৰীসভা

ওলাইছে। উৰা বাতৰি মতে যোগী আদিত্য নাথ নেতৃত্বাধীন বিজেপি চৰকাৰখন মন্ত্ৰীসভা সলনি কৰি নতুন নেতাক দায়িত্ব অৰ্পণ কৰিব। আগন্তুক বিধানসভা নিৰ্বাচনলৈ কেইটামান মাহ বাকী থকা অৱস্থাত এখন চৰকাৰৰ সম্পৰ্কত এনে উৰা বাতৰিয়ে সাধাৰণ ভোটাৰৰ মাজত প্ৰভাৱ পৰাটো স্বাভাৱিক। ইয়াকে লৈ ৰাজ্যখনত নেতাৰ পৰা তৃণমূল পৰ্যায়ৰ কৰ্মীলৈকে চলিছে ব্যাপক চৰ্চা। এনে সময়তেই ভাৰতীয় জনতা পাৰ্টিৰ ৰাষ্ট্ৰীয় উপ-সভাপতি তথা উত্তৰ প্ৰদেশৰ দায়িত্বত থকা ৰাধামোহন সিঙে আজি উত্তৰ প্ৰদেশৰ ৰাজ্যপাল আনন্দিবেন পেটেলক সাক্ষাৎ কৰাৰ ঘটনাটোৱে আৰু অধিক গুৰুত্ব লাভ কৰিছে। ৰাজ্যপাল পেটেলক সাক্ষাৎ কৰাৰ সম্পৰ্কত সিঙে কয়— যেতিয়া আনন্দিবেন পেটেল গুজৰাটৰ মুখ্যমন্ত্ৰী আছিল তেতিয়া মই সেই মন্ত্ৰীসভাৰ কৃষিমন্ত্ৰী আছিলো। এতিয়া পেটেল ৰাজ্যপাল হ'ল; সেইবাবে বহুদিন লগ পোৱা নাছিলো। এই সাক্ষাৎ কেৱল ব্যক্তিগত আৰু নিয়মমাফিকহে আছিল। এই সাক্ষাৎ যোগী চৰকাৰৰ সৈতে কোনো ধৰণেই সম্পৰ্ক নাই। যিহেতু যোগী আদিত্যনাথৰ চৰকাৰ জনসাধাৰণৰ মাজত অতি জনপ্ৰিয়, সেইবাবে এই চৰকাৰৰ নেতৃত্ব সলনি কৰাৰ কোনো প্ৰয়োজন নাই। যোগী আদিত্যনাথ এগৰাকী অতি কৰ্মপটু আৰু জনসাধাৰণৰ সদায় ভালৰ বাবে চিন্তা কৰি কাম কৰি যোৱা নেতা। সেইবাবে তেওঁ সাধাৰণ ভোটাৰৰ পৰা বিভিন্ন পৰ্যায়ৰ ভোটাৰলৈকে জনপ্ৰিয়তা লাভ কৰিছে। এনে ক্ষেত্ৰত নিৰ্বাচনলৈ মাত্ৰ কেইমাহমান বাকী থকা অৱস্থাত চৰকাৰৰ নেতৃত্ব সলনি কৰাৰ কোনো প্ৰয়োজনেই নাই। এয়া মাত্ৰ উৰা বাতৰিহে। দল আৰু চৰকাৰৰ প্ৰতি থকা আস্থা আৰু বিশ্বাসক জনসাধাৰণৰ মাজত বিভ্ৰান্তি সৃষ্টি কৰিবলৈহে কোনো লোকে এনে উৰা বাতৰি প্ৰচাৰ কৰিছে। ৰাজভৱনত আজি ৰাজ্যপাল পেটেলক সাক্ষাৎ কৰাৰ পূৰ্বে ৰাধা ৰামমোহন সিঙে প্ৰদেশ বিজেপি সভাপতি চতন্ত্ৰ দেৱ, জলশক্তি মন্ত্ৰী মহেন্দ্ৰ সিং আৰু উত্তৰ প্ৰদেশ বিধানসভাৰ অধ্যক্ষ হৃদয় নাৰায়ণ দিক্ষিতক সাক্ষাৎ কৰিছিল। কিন্তু ৰাজ্যপাল আনন্দিবেন পেটেলক সাক্ষাৎ কৰাৰ পিছত ৰাধামোহন সিঙে প্ৰকাশ কৰা মতে, আগন্তুক বিধানসভা নিৰ্বাচনত যোগী আদিত্যনাথৰ নেতৃত্বতেই উত্তৰ প্ৰদেশত বিজেপি দলে নিৰ্বাচনত অৱতীৰ্ণ হ'ব। উল্লেখ্য উত্তৰ প্ৰদেশ বিধানসভাত থকা ৪০৩ জন বিধায়কৰ ভিতৰত সৰ্ববৃহৎ দল হিচাপে বিজেপি ৩০৯ গৰাকী, এছপিৰ ৪৯ গৰাকী, বিএছপিৰ ১৮ গৰাকী আৰু কংগ্ৰেছৰ ৭ গৰাকী বিধায়ক আছে।

## একবিংশ শতিকাৰ প্ৰযুক্তিয়ে

ভাৰত চৰকাৰ। অসমো ইয়াৰ ব্যতিক্ৰম নহয়। অসমতো বৰ্তমান অনলাইন ব্যৱস্থাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাদানৰ ব্যৱস্থা কৰা হৈছে। সকলো পৰীক্ষাও অনুষ্ঠিত কৰা হৈছে অনলাইনৰ জৰিয়তে। কিন্তু এই অনলাইন ব্যৱস্থাৰ পৰা ক্ষতিগ্ৰস্ত হৈছে অসমৰ এখন গাঁৱৰ বহু ছাত্ৰ-ছাত্ৰী। কাৰণ একবিংশ শতিকাৰ ডিজিটাইলেজশ্যনৰ যুগত ২-জি, ৩-জি অথবা ৪-জি কোনো নেটৱৰ্কে ঢুকি পোৱা নাই এইখন গাঁৱক। নগাঁও জিলাৰ পুৰণিগুদাম অঞ্চলৰ বৰপানী গাঁও কলিতা চুক নামৰ গাঁওখনত বৰ্তমান কোনো মোবাইল সেৱা প্ৰদানকাৰী সংস্থাই দিব পৰা নাই ইণ্টাৰনেট সেৱা। কেৱল মাত্ৰ ভাৰত সঞ্চাৰ নিগম লিমিটেডৰ ব্ৰডবেণ্ড সেৱাৰ জৰিয়তে কিছু লোকে ইণ্টাৰনেটৰ সুবিধা লাভ কৰিছে যদিও বছৰটোৰ অধিকাংশ সময় বিএছএনএল বিকল হৈ থকাৰ ফলত ইণ্টাৰনেট সেৱাৰ সুফল লাভ কৰাত বঞ্চিত হৈছে এই অঞ্চলৰ ৰাইজ। উল্লেখ্য যে, প্ৰায় ৯৮ শতাংশ সাক্ষৰতাৰ হাৰ থকা লোকে বাস কৰা এইখন গাঁৱৰ অধিকাংশ ছাত্ৰ-ছাত্ৰীয়ে মেধাৱী। আভিযান্ত্ৰিক, কৃষি বিশ্ববিদ্যালয়, কটন বিশ্ববিদ্যালয় আৰু বিভিন্ন বিশ্ববিদ্যালয়ৰ বিজ্ঞান শাখাত অধ্যয়নৰত এইখন গাঁৱৰ ছাত্ৰ-ছাত্ৰীসকলে কৰ'নাৰ বাবে ঘৰলৈ ঘূৰি অহাৰ পিছতে বঞ্চিত হৈছে অনলাইন পাঠ্যক্ৰমৰ পৰা। একেদৰে নগাঁও চহৰৰ বিভিন্ন আগশাৰীৰ শিক্ষানুষ্ঠানত অধ্যয়নৰত এইখন গাঁৱৰ কণ কণ ছাত্ৰ-ছাত্ৰীসকলেও অনলাইন ক্লাছৰ সুবিধাৰ পৰা বঞ্চিত হৈছে। বহু অভিভাৱকে অনলাইন ক্লাছৰ বাবেই পুৰণিগুদামস্থিত কাৰ্যালয়ৰ পৰা সংযোগ লৈছে যদিও প্ৰতিদিনেই বিকল হয় এই সেৱা। উচ্চ নিৰিখত বিল আদায় দিয়ো সপ্তাহটোত মাত্ৰ ৬ৰ পৰা ৮ ঘণ্টাৰ বাবেহে লাভ কৰে এই সেৱা। ইয়াৰ পৰিপ্ৰেক্ষিতত এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলে ব্যাপক সমস্যাৰ সন্মুখীন হৈছে। আনহাতে, নিতৌ ৰঙীন বিজ্ঞাপনেৰে হাইস্পীড নেটৱৰ্কৰ প্ৰতিশ্ৰুতি দিয়া জিঅ', এয়াৰটেল অথবা অন্য মোবাইল নেটৱৰ্ক প্ৰদানকাৰী সংস্থায়ো আজিকোপতি গাঁওখনত নেটৱৰ্ক সেৱা প্ৰদান কৰা নাই। নেটৱৰ্কৰ সুবিধাৰ বাবে গাঁওখনৰ ৰাইজে মোবাইল নেটৱৰ্ক প্ৰদানকাৰী সংস্থা এয়াৰটেল, জিঅ', ভোডাফোন আদিক বাৰে বাৰে অনুৰোধ জনাইছে যদিও বৰ্তমানলৈকে কোনো এটা সংস্থাই ইয়াৰ ওপৰত গুৰুত্ব দিয়া নাই। সেয়ে গাঁওখনৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলে এই সমস্যা দূৰীকৰণৰ বাবে অসমৰ নতুন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সংবাদ মাধ্যমৰ জৰিয়তে অনুৰোধ জনাইছে। ছাত্ৰ-ছাত্ৰীসকলৰ আশা বৰ্তমানৰ মুখ্যমন্ত্ৰীগৰাকীয়ে এইক্ষেত্ৰত উচিত ব্যৱস্থা লৈ অনলাইন শিক্ষাৰ সুবিধা লাভ কৰাত গাঁওখনৰ ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰিব। কাৰণ একবিংশ শতিকাৰ ডিজিটাইলেজশ্যনৰ যুগত য'ত বহু ভিতৰুৱা অঞ্চলটো ইণ্টাৰনেট সেৱা উপলব্ধ তেনে অৱস্থাত ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে থকা এখন গাঁও আধুনিক প্ৰযুক্তিৰ পৰা ইমান নিলগত থকা বিষয়টো নিশ্চয় বৰ্তমানৰ চৰকাৰখনে গুৰুত্ব সহকাৰে ল'ব।

## গোলাঘাটত এখন পুৰণি

স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰি জিলা প্ৰশাসনক অৱগত কৰে নাওখনৰ বিষয়ে। পুৱাই সেই স্থানত গোলাঘাট জিলা প্ৰশাসন, প্ৰত্নতাত্ত্বিক বিভাগৰ লোক, এছ ডি আৰ এফ বাহিনী আৰু বিধায়ক মৃণাল শইকীয়া উপস্থিত হৈ আৰম্ভ কৰে উদ্ধাৰ অভিযান। বৰ্তমান নাওখন উদ্ধাৰ কৰিব পৰা হোৱা নাই যদিও এছ ডি আৰ এফ আৰু প্ৰত্নতাত্ত্বিক বিভাগৰ লোকে অব্যাহত ৰাখিছে প্ৰচেষ্টা। অৱশ্যে নাওখনৰ এটি ভগ্নাৱশেষ এতিয়ালৈকে উদ্ধাৰ কৰা হৈছে। নাওখন প্ৰায় ৫০ ফুট দৈৰ্ঘ্যৰ হ'ব বুলি অনুমান কৰা হৈছে।

## লকডাউনে বিধ্বস্ত কৰা

তথা সাপ্তাহিক 'দাপোণ' কাকতৰ সম্পাদক এম ছাইফ উদ্দিন আহমেদ স্বাক্ষৰিত এটা প্ৰেছ বিজ্ঞপ্তিত এই কথা উল্লেখ কৰি কয় যে, বিগত বৰ্ষৰ কৰ'না অতিমাৰী আৰু লকডাউনৰ ফলত অসমৰ বৰাক, ব্ৰহ্মপুত্ৰ আৰু উত্তৰ অসমৰ বিভিন্ন জিলাৰ পৰা প্ৰকাশিত সাপ্তাহিক কাকতসমূহ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। বহুকেইখন সাপ্তাহিক কাকতে ইতিমধ্যে নিজৰ প্ৰকাশ বন্ধ কৰি দিয়াৰ ফলত ইয়াত নিয়োজিত সাংবাদিক আৰু সংবাদকৰ্মীসকলৰ বহুতেই কৰ্মসংস্থাপন হেৰুৱাই বৰ্তমান দিন হাজিৰা কৰি পৰিয়ালক পোহ-পাল দিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হৈছে । সেয়েহে সমগ্ৰ মানৱ জাতিলৈ বিপদ কঢ়িয়াই অনা কৰ'নাৰ অতিমাৰীত বিধ্বস্ত হোৱা অসমৰ ক্ষুদ্ৰ বাতৰি কাকত উদ্যোগটো উদ্ধাৰৰ বাবে (১) দৈনিক কাকতৰ সমানুপাতে সাপ্তাহিক কাকতসমূহকো বিজ্ঞাপন প্ৰদানৰ ব্যৱস্থা কৰা, (২) সাপ্তাহিক কাকতসমূহক প্ৰদান কৰা প্ৰতিটো বিজ্ঞাপনৰ নিৰিখৰ পৰা Administrative Cost হিচাপে কৰ্তন কৰা ১৫ শতাংশকৈ ধন এতিয়াৰে পৰা কৰ্তন নকৰিবলৈ, (৩) সাপ্তাহিক কাকতৰ সম্পাদকসকলক বিধানসভাৰ অধিৱেশনৰ প্ৰেছ গেলেৰীত প্ৰৱেশ-পত্ৰ প্ৰদানৰ ব্যৱস্থা কৰা, (৪) সাপ্তাহিক কাকতৰ বিলসমূহ সময়মতে আদায় দিয়াৰ লগতে (৫) Press Accreditation Committeeত বৰাক, ব্ৰহ্মপুত্ৰ আৰু উত্তৰ অসমক সামৰি সাপ্তাহিক কাকতৰ ৩জন প্ৰতিনিধিক অন্তৰ্ভুক্ত কৰিবলৈ সংগঠনটোৱে দাবী জনায়। ৰাজ্যৰ অভিজ্ঞ ৰাজনৈতিক তথা জনহিতৈষী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিভাগীয় মন্ত্ৰী পীযূষ হাজৰিকাক 'লকডাউন'ৰ ফলত বিস্তৰ ক্ষতিৰ সন্মুখীন হোৱা ৰাজ্যখনৰ সাপ্তাহিক কাকতসমূহৰ সমস্যা সমাধান কৰি সাপ্তাহিক কাকতসমূহক উদ্ধাৰ কৰিবলৈ আই এফ এছ এম এনৰ অসম ৰাজ্যিক সমিতিয়ে অনুৰোধ জনাইছে।

## হালোৱাটিঙত ড্ৰাগছসহ দুই

ডব্লিউ মোবা কন্যাক (৩০)। প্ৰাপ্ত তথ্য মতে হালোৱাটিং বজাৰ অঞ্চলৰ জনৈক টুটুমণি কোঁৱৰ নামৰ এগৰাকী মহিলাৰ ঘৰৰ পৰা নগা আৰক্ষী দুটাই কেপচুলসমূহ ক্ৰয় কৰি নগা ৰাজ্যলৈ বুলি কঢ়িয়াই নিছিল। কিন্তু হালোৱাটিং আৰক্ষীয়ে মিছিং গাঁৱৰ তিনিআলিত চলোৱা বিশেষ তালাচীত নগা আৰক্ষী দুটাৰ পৰা নিচাযুক্ত তথা নিষিদ্ধ চেমপে' প্লাছৰ ২৯০টা কেপচুল উদ্ধাৰ কৰে। ইফালে সম্প্ৰতি পলাতক হৈ থকা টুটুমণি কোঁৱৰ নামৰ মহিলাগৰাকী পূৰ্বেও ড্ৰাগছ সৰবৰাহৰ অভিযোগত জে'লৰ ভাত খাই আহিছিল।

## ক'ভিড কেয়াৰ চেণ্টাৰৰ পৰা

কৰায়ত্ত কৰা দুই অপৰাধী ক্ৰমে বৰলংকি টিমুং আৰু জন ইংতিক আৰক্ষীয়ে স্বাস্থ্য পৰীক্ষা কৰাত দুয়োগৰাকীৰ দেহত কোভিডৰ উপস্থিতি ধৰা পৰে। উক্ত অপৰাধী দুগৰাকীক হামৰেণস্থিত জিলা কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছিল যদিও কোভিড সংক্ৰমণৰ বাবে আৰক্ষী আৰু স্বাস্থ্যবিভাগে উন্নত চিকিৎসাৰ বাবে দুই অপৰাধীক টুম্প্ৰেংস্থিত কোভিড কেয়াৰ চেণ্টাৰলৈ প্ৰেৰণ কৰে। কিন্তু, এই দুই অপৰাধীয়ে উক্ত কোভিড কেয়াৰ চেণ্টাৰৰ পৰা শনিবাৰে আৰক্ষীৰ চকুত ধুলি দি খিৰিকীৰে জপিয়াই পলাবলৈ সক্ষম হয়। ইতিমধ্যে, আৰক্ষীয়ে বৰলংকি আৰু জন ইংতিক বিচাৰি অভিযান অব্যাহত ৰাখিছে।

## উদ্যোগীৰ আস্থা আৰু

কৰাৰ বাবে ষ্টাৰ্ট আপ, ইজ অব্ ডুইং বিজনেছ আদিৰ দৰে বিশেষ ক্ষেত্ৰসমূহত আমি অধিক গুৰুত্ব আৰোপ কৰিব লাগিব। তেওঁ লগতে কয় যে ৰাজ্যৰ উদ্যোগীসকলৰ আস্থা আৰু মনোবল শক্তিশালী কৰি তোলাৰ বাবে বিভাগটোৱে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিব লাগিব। উত্তৰ-পূব ঔদ্যোগিক উন্নয়ন আঁচনিৰ অধীনত বিভিন্ন প্ৰকল্প গ্ৰহণৰ বাবে আগ্ৰহীসকলে দাখিল কৰা প্ৰস্তাৱসমূহ অতি শীঘ্ৰে নিষ্পত্তিৰ ব্যৱস্থা কৰিবলৈ উদ্যোগ আৰু বাণিজ্য বিভাগৰ প্ৰধান সচিব কে কে দ্বিবেদীক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। ৰাজ্যখনৰ ঔদ্যোগিক ব্যৱহাৰৰ বাবে উপযোগী ভূমিৰ পৰিমাণৰ বুজ লৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই এনেয়ে পৰি থকা ভূমিসমূহক উদ্যোগ আৰু বাণিজ্য বিভাগৰ জৰিয়তে বাণিজ্যিক ব্যৱহাৰৰ বাবে এক পৰিকল্পনা যুগুত কৰিবলৈ বিভাগটোৰ প্ৰধান সচিবগৰাকীক নিৰ্দেশ দিয়ে। 'ইজ অব্ ডুইং বিজনেছ'ৰ নীতি-নিৰ্দেশনাসমূহ সুশৃংখলিতকৰণৰ দিশতো তেওঁ বিশেষ গুৰুত্ব আৰোপ কৰে। ৰাজ্যখনত চাহিদাৰ ওপৰত নিৰ্ভৰশীল এক ঔদ্যোগিক বাতাৱৰণ গঢ়ি তুলিবলৈ তেওঁ বিভাগটোক নিৰ্দেশ দিয়ে। আনহাতে, ৰাজ্যখনত সাঁচি, চন্দন আদিৰ দৰে মূল্যৱান গছৰ বাণিজ্যিক বৃক্ষৰোপণ অভিযান আকাৰে আৰম্ভ কৰাৰ বাবে এক বিস্তৃত পৰিকল্পনা গ্ৰহণৰো পোষকতা কৰে। কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাত উপলব্ধ বিশাল ভূমিখণ্ডক এই গছসমূহৰ বাণিজ্যিক খেতিৰ বাবে উপযুক্ত স্থান হিচাপে ব্যৱহাৰ কৰিবলৈও তেওঁ উদ্যোগ আৰু বাণিজ্য বিভাগক পৰামৰ্শ আগবঢ়ায়। আনহাতে প্লাইউড তৈয়াৰ কৰাৰ বাবে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে প্ৰয়োজনীয় গছৰ খেতি কৰাৰ পদক্ষেপ ল'বলৈও তেওঁ বিভাগটোক নিৰ্দেশ দিয়ে। আজিৰ বৈঠকত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, উদ্যোগ আৰু বাণিজ্য বিভাগৰ প্ৰধান সচিব কে কে দ্বিবেদীৰ লগতে অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**শক্তি বিভাগৰ তিনিওটা কোম্পানীৰ কাম-কাজৰ বিতং পৰ্যালোচনা মুখ্যমন্ত্ৰীৰ ঃ তিনিওটা কোম্পানীক লোকচানৰ পৰিমাণ হ্ৰাস কৰি লাভজনক প্ৰতিষ্ঠানলৈ ৰূপান্তৰ কৰাৰ পদক্ষেপ ল'বলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ**

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি শক্তি বিভাগৰ মন্ত্ৰী বিমল বৰাৰ উপস্থিতিত জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত অনুষ্ঠিত এক বৈঠকত এপিডিচিএল, এইজিচিএল আৰু এপিজিচিএলৰ কাম-কাজৰ বিতং পৰ্যালোচনা কৰি তিনিওটা কোম্পানীক লাভজনক কোম্পানীলৈ ৰূপান্তৰ কৰাৰ দিশত ক্ষিপ্ৰ পদক্ষেপ লোৱাৰ বাবে নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ ৬৩ লাখ বিদ্যুৎ উপভোক্তাৰ নাম, ফোন নম্বৰ ইত্যাদি সামৰি এক উপযুক্ত ডাটাবেচ তৈয়াৰ কৰাৰ নিৰ্দেশ দিয়ে, যাতে এক উন্নত বিলিং চিষ্টেম গঢ়ি তুলি ৰাজহ আদায়ৰ পৰিমাণ বৃদ্ধি কৰিব পৰা যায়। মুখ্যমন্ত্ৰীয়ে লগতে অতি সোনকালে উদ্যোগিক তথা ব্যৱসায়িক কেন্দ্ৰসমূহৰ ডিষ্ট্ৰিবিউশ্যন ট্ৰেন্সফৰ্মাৰসমূহত বৈদ্যুতিক মিটাৰ স্থাপনৰ বাবে নিৰ্দেশ দিয়ে। প্ৰাৰম্ভিকভাৱে ৫০০ টা ডিষ্ট্ৰিবিউশ্যন ট্ৰেন্সফৰ্মাৰত অগ্ৰাধিকাৰৰ ভিত্তিত মিটাৰ স্থাপন কৰি লাভ-লোকচানৰ বিষয়টো পৰ্যালোচনা কৰাৰ বাবে তেওঁ নিৰ্দেশ দিয়ে। তেওঁ লগতে অহা ১৫ দিনৰ ভিতৰত সকলোবোৰ ঔদ্যোগিক প্ৰতিষ্ঠানৰ সুনিৰ্দিষ্ট স্থানত সকলোৱে প্ৰত্যক্ষ কৰিব পৰাকৈ বৈদ্যুতিক মিটাৰ স্থাপনৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। ঔদ্যোগিক তথা ব্যৱসায়ী উপভোক্তাসকলক সংযোগী সকলোবোৰ বিতৰণ ট্ৰেন্সফৰ্মাৰে যাতে লাভ সৃষ্টি কৰিব পাৰে সেইটো নিশ্চিত কৰাৰ পদক্ষেপ ল'বলৈও তেওঁ এপিডিচিএলক নিৰ্দেশ দিয়ে। আজিৰ বৈঠকতে মুখ্যমন্ত্ৰীয়ে এপিডিচিএলৰ বিভিন্ন ক্ষেত্ৰ কাৰ্যালয়ৰ বিষয়াসকলৰ বদলি কেৱল মেধা আৰু যোগ্যতাৰ ভিত্তিত প্ৰদানৰ ব্যৱস্থা ল'বলৈও নিৰ্দেশ দিয়ে। বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই কোম্পানীকেইটাক লাভজনক কোম্পানীৰূপে গঢ়ি তোলাৰ বাবে গুজৰাটৰ লেখীয়া প্ৰযুক্তিগত আৰ্হি গ্ৰহণৰ নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত প্ৰযুক্তিগতভাৱে গুজৰাটৰ লেখীয়া মিটাৰিং, বিলিং, কালেকশ্যনৰ আৰ্হি গ্ৰহণৰ বাবে মুখ্যমন্ত্ৰীয়ে আজিৰ বৈঠকতে নিৰ্দেশ দিয়াৰ লগতে গুজৰাটৰ লেখীয়া এই ব্যৱস্থাৰ এক প্ৰেজেণ্টেশ্যন দাঙি ধৰিবলৈও নিৰ্দেশ দিয়ে। কোম্পানীকেইটাৰ মাইক্ৰ'লৈভেল পৰ্যায়ত পৰ্যালোচনা কৰি লোকচানৰ কাৰণসমূহ চিনাক্তকৰণ আৰু তাক শুধৰোৱাৰ বাবেও তেওঁ নিৰ্দেশ দিয়ে। কোম্পানীকেইটাক সম্পূৰ্ণ বৃত্তিগতভাৱে লাভজনক প্ৰতিষ্ঠানলৈ ৰূপান্তৰকৰণৰ পৰিকল্পনা যুগুত কৰাৰ বাবে তেওঁ আজিৰ বৈঠকতে নিৰ্দেশ দিয়ে। এপিডিচিএল, এইজিচিল আৰু এপিজিচিএলে ২০২১ চনৰ ৩১ মাৰ্চলৈকে চৰকাৰৰ পৰা গ্ৰহণ কৰা সকলোবোৰ ঋণ তাৎক্ষণিকভাৱে অংশীদাৰিত্বলৈ ৰূপান্তৰকৰণ আৰু ইয়াৰ পৰৱৰ্তী সময়ত এই অংশীদাৰিত্বৰ বিপৰীতে প্ৰাপ্য লাভালাভ প্ৰদান সম্বন্ধীয় এক জাননী অতি সোনকালে জাৰি কৰাৰ বাবে বিত্ত বিভাগক আজিৰ বৈঠকতে মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। তৃণমূল পৰ্যায়ত ৰাজহ আহৰণ আৰু বিল অনাদায় প্ৰতিষ্ঠানসমূহক চিনাক্ত কৰি প্ৰযুক্তিগতভাৱে বিল আদায়ৰ ব্যৱস্থাৰে এপিডিচিএলক এক লাভজনক ধাৰণাৰ সৃষ্টি কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। চৰকাৰী বিভাগসমূহে এপিডিচিএলক দিবলগীয়া সকলোবোৰ বকেয়া বিলৰ ধন তাৎক্ষণিকভাৱে যাতে দিব পৰা যায় ইয়াৰ বাবে পদক্ষেপ ল'বলৈও বিত্ত বিভাগক মুখ্যমন্ত্ৰী ড° শৰ্মাই আজিৰ বৈঠকতে নিৰ্দেশ দিয়ে। আনহাতে, সকলোবোৰ বিল আদায় নিদিয়া উপভোক্তাৰ নাম, বৃত্তি ইত্যাদি সামৰি এক বিস্তৃত প্ৰতিবেদন প্ৰস্তুত কৰিবলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত চৰকাৰী কৰ্মচাৰীয়ে বিদ্যুৎ বিল আদায় নিদিয়াকৈ থাকিলে সংশ্লিষ্ট ডিডিঅ'সকলৰ জৰিয়তে কৰ্মচাৰীগৰাকীৰ দৰমহাৰ পৰা এই বিলৰ ধন কৰ্তনৰ পদক্ষেপ ল'বলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। বিদ্যুৎ বিভাগৰ গোচৰসমূহ ৰুজু কৰাৰ বাবে পূৰ্বৰ কেইখনমান বিশেষ এএছইবি আৰক্ষী থানাৰ কৰ্তৃত্ব থকাৰ বিপৰীতে এতিয়াৰ পৰা সকলোবোৰ স্থানীয় আৰক্ষী থানাকে এপিডিচিএল আৰক্ষী থানা হিচাপে ঘোষণা কৰাৰ বাবে জাননী জাৰি কৰিবলৈ গৃহ বিভাগক মুখ্যমন্ত্ৰীয়ে আজিৰ বৈঠকতে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে আগন্তুক ৫ বছৰৰ ভিতৰত শক্তি বিভাগৰ আটাইকেইটা কোম্পানীকে গুজৰাটৰ লেখীয়া প্ৰযুক্তিগতভাৱে তথা লাভজনকভাৱে সমপৰ্যায়ৰ কোম্পানীলৈ ৰূপান্তৰকৰণৰ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে। আজিৰ এই পৰ্যালোচনা বৈঠকত শক্তি বিভাগৰ মন্ত্ৰী বিমল বৰা, তিনিওটা কোম্পানীৰ অধ্যক্ষ ভি কে পিপাৰচেনিয়া, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, শক্তি বিভাগৰ প্ৰধান সচিব নিৰজ বাৰ্মা, এপিডিচিএলৰ পৰিচালন সঞ্চালক ৰাকেশ কুমাৰ, এইজিচিএলৰ পৰিচালন সঞ্চালক ধ্ৰুৱজ্যোতি হাজৰিকা আৰু এপিজিচিএলৰ পৰিচালন সঞ্চালক কল্যাণী বৰুৱাকে ধৰি শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

## চামগুৰি আৰক্ষীৰ সহকাৰী উপ-পৰিদৰ্শকক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৬ জুন ঃ** এটা অডিঅ' ক্লিপৰ ভিত্তিত আজি আটক কৰা হৈছে নগাঁও আৰক্ষীৰ এগৰাকী সহকাৰী উপ-পৰিদৰ্শকক। চামগুৰি আৰক্ষী থানাত কৰ্মৰত সহকাৰী উপ-পৰিদৰ্শক গিয়াছুদ্দিন আহমেদক নগাঁও আৰক্ষীয়ে নিলম্বিত কৰাৰ লগতে জেৰা চলাইছে নগাঁও সদৰ আৰক্ষী থানাত। উল্লেখ্য, গিয়াছুদ্দিন আহমেদৰ বিৰুদ্ধে ফোনত ধনৰ লেনদেনৰ কিছু অডিঅ' ক্লিপ লাভ কৰিছে আৰক্ষীয়ে। ইতিমধ্যে অডিঅ' ক্লিপৰ ভিত্তিতে নিলম্বিত কৰা হৈছে গিয়াছুদ্দিন আহমেদক। নগাঁও আৰক্ষীৰ অতিৰিক্ত আৰক্ষী অধীক্ষক(সদৰ) ধ্ৰুৱ বৰাই সংবাদ মাধ্যমক জনোৱা অনুসৰি আৰক্ষীয়ে অডিঅ'ৰ কণ্ঠস্বৰৰ সৈতে গিয়াছুদ্দিনৰ কণ্ঠস্বৰৰ মিল আছেনে নাই সেই সন্দৰ্ভত আৰক্ষীয়ে অনুসন্ধান চলাই আছে।

### বিৰোধী দলপতি দেৱব্ৰত শইকীয়া

## ১৯৭১ চনৰ আগতে অহাসকলৰ বাবে বিশেষ পৰিচয়-পত্ৰ আৰু 'ইনাৰ লাইন পাৰ্মিট'ৰ ব্যৱস্থা গ্ৰহণৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ৬ জুন ঃ** এন আৰ চি ৰূপায়ণ আৰু দীৰ্ঘম্যাদী ভিছাৰ ভিত্তিত নাগৰিকত্ব দিবলৈ ওলোৱা চৰকাৰৰ সিদ্ধান্তৰ ওপৰত প্ৰতিক্ৰিয়া ব্যক্ত কৰি অসম বিধানসভাৰ বিৰোধী দলপতি তথা নাজিৰা সমষ্টিৰ বিধায়ক দেৱব্ৰত শইকীয়াই সংবাদ মাধ্যমলৈ দিয়া এক বিবৃতিত কয় যে, ২০১৯ চনৰ ৩১ আগষ্টত প্ৰকাশ পোৱা এন আৰ চিখন চৰকাৰে নাকচ কৰাটো যুক্তিসংগত নহয়। এন আৰ চিখনত যিখিনি দোষ-ত্ৰুটি আছে সেইখিনি আঙুলিয়াই দি শুদ্ধ এন আৰ চি এখনৰ দিশে চৰকাৰে আগবঢ়াটো আমি বিচাৰোঁ আৰু বৰ্তমানৰ এন আৰ চিখন হ'ব এই প্ৰক্ৰিয়াৰ বাবে এটা মাইলৰ খুঁটি। সেই গতিকে আমি এন আৰ চিখন বৰ্জন কৰাটো অনুচিত। যিহেতু সেই সময়ত পূব পাকিস্তানৰ পৰা লোক ইয়ালৈ আহিছিল বা আমাৰ লোকসকল তালৈ গৈছিল আৰু বাংলাদেশ সৃষ্টি হোৱাৰ পিছত এক বিশেষ পৰিস্থিতিত আমাৰ ৰাজ্যত ১৯৫১ চনৰ এন আৰ চি আৰু ১৯৭১ চনলৈ অহা লোকসকলক লগত লৈ এন আৰ চি উন্নীতকৰণ প্ৰক্ৰিয়া এটা দৰকাৰী হৈ পৰিল। বিবৃতিটোত বিৰোধী দলপতিগৰাকীয়ে লগতে কয়— অসমত ২০০৫ চনতে সেই সময়ৰ কংগ্ৰেছ চৰকাৰ, আছু আৰু ইউ পি এ নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰৰ এক ত্ৰিপাক্ষিক সিদ্ধান্তৰ ফলস্বৰূপে উচ্চতম ন্যায়ালয়ৰ তত্ত্বাৱধানত অসমত ঐতিহাসিক এন আৰ চি ৰূপায়ণ কৰাৰ পদক্ষেপ গ্ৰহণ কৰা হৈছিল। ইয়াৰ পৰৱৰ্তী কালছোৱাত বিজেপি চৰকাৰৰ যোৱাটো কাৰ্যকালত এন আৰ চি প্ৰক্ৰিয়া চালিত হয়। য'ত চৰকাৰৰ বিভিন্ন বিভাগৰ প্ৰায় ৫০ হাজাৰ কৰ্মচাৰীক এই প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত কৰা হৈছিল। যাৰ বাবে চৰকাৰৰ বিভিন্ন বিভাগৰ কামকাজ লেহেমীয়া হৈছিল আৰু চৰকাৰৰ বহুতো অলাগতিয়াল ধন ব্যয় হৈছিল। এই সকলোবোৰৰ অন্তত ১৯৭১ চনৰ আধাৰত উচ্চতম ন্যায়ালয়ৰ তত্ত্বাৱধানত ২০১৯ চনৰ ৩১ আগষ্টত বহু প্ৰত্যাশিত এন আৰ চিখন অসমৰ ৰাইজে পালে। য'ত নাম অন্তৰ্ভুক্ত নোহোৱা নাগৰিকসকল তথা অবৈধভাৱে নাম অন্তৰ্ভুক্ত হোৱা নাগৰিকসকলৰ নাম কৰ্তন কৰাৰ বাবে ওজৰ-আপত্তি বা অভিযোগ দিয়াৰ ব্যৱস্থা আছে। সেয়েহে মই চৰকাৰক অনুৰোধ জনাব বিচাৰোঁ যে, এন আৰ চিখন যিহেতু আমাৰ হাতত আজি উপলব্ধ, গতিকে তাৰ ওপৰত যিসংখ্যক নাগৰিকৰ নামৰ সন্দৰ্ভত ওজৰ-আপত্তি আছে, সেইখিনি সমাধান কৰি এন আৰ চি ৰূপায়ণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি বিৰোধী দলপতিগৰাকীয়ে দাবী জনায়। লগতে আক্ষেপ প্ৰকাশ কৰি বিবৃতিটোত বিৰোধী দলপতিগৰাকীয়ে কয় যে, বিজেপিয়ে তেওঁলোকৰ পূৰ্বৰ নিৰ্বাচনী প্ৰচাৰ সভা তথা ২০১৬ চনৰ ভিজ্ন ডকুমেণ্টত অসম চুক্তি আখৰে আখৰে পালন কৰাৰ প্ৰতিশ্ৰুতি দিছিল। ২০১৪ চনৰ লোকসভা নিৰ্বাচনৰ প্ৰাক্মুহূৰ্তত সেই সময়ৰ গুজৰাটৰ মুখ্যমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই কৈছিল ২০১৪ চনৰ ১৬ মে'ৰ পিছত বাংলাদেশীসকলে টালি-টোপোলা বান্ধিব লাগিব। যিহেতু তেওঁ ১৬ মে'ৰ আগতে এই কথা কৈছিল, গতিকে নিশ্চয় ১৯৭১ চনৰ পিছত অহা বিদেশীসকলক খেদি পঠিওৱাৰ কথাই উনুকিয়াইছিল। এই এন আৰ চিখনত যিহেতু ১৯৭১ চনৰ আগত অহা ভাৰতীয় নাগৰিকৰ নাম সন্নিৱিষ্ট থাকিব, গতিকে এই লোকসকলৰ বাবে এখন বিশেষ ৰাষ্ট্ৰীয় পৰিচয়-পত্ৰ প্ৰদান কৰিবলৈ চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব লাগে বুলি দাবী জনায় কয়— এতিয়া আকৌ যিহেতু চৰকাৰে 'দীৰ্ঘম্যাদী ভিছা'ৰ আধাৰত নাগৰিকত্ব প্ৰদান কৰাৰ যো-জা চলাইছে, গতিকে এই নতুন নাগৰিকত্ব গ্ৰহণ কৰা লোকসকলৰ ফলত অসমৰ খিলঞ্জীয়া নাগৰিকসকল যাতে আৰ্থিক, সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত প্ৰতাৰিত নহয় তাৰ বাবে অসমত 'ইনাৰ লাইন পাৰ্মিট' দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ইতিমধ্যে চৰকাৰে অসমৰ বিধানসভাৰ নিৰ্বাচনৰ আগমুহূৰ্তত যোৱা ১৯ মাৰ্চ তাৰিখে কেন্দ্ৰীয় গৃহ বিভাগৰ পৰা নাগৰিকত্ব প্ৰদান কৰাৰ ওপৰত জাৰি কৰা এখন অধিসূচনাৰ উদ্ধৃতি দি অসম চৰকাৰে অসমৰ কেইবাখনো জিলাৰ আয়ুক্ত, উপায়ুক্ত তথা আৰক্ষী অধীক্ষকসকলক পাকিস্তান, আফগানিস্তান আৰু বাংলাদেশৰ পৰা অহা কেতবোৰ লোকক 'দীৰ্ঘম্যাদী ভিছা'ৰ আধাৰত নাগৰিকত্ব প্ৰদান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ জাৰি কৰিছে। যিহেতু এই অধিসূচনাত নাগৰিকত্ব সংশোধনী আইনখনৰ নিচিনাকৈ মাত্ৰ পাকিস্তান, আফগানিস্তান আৰু বাংলাদেশ এই তিনিখন ৰাষ্ট্ৰৰ নাম আছে, গতিকে 'দীৰ্ঘম্যাদী ভিছা'ৰ নাম দি বিদেশী নাগৰিকক নাগৰিকত্ব প্ৰদান কৰি আওপকীয়াকৈ নাগৰিকত্ব সংশোধনী আইনখন কাৰ্যকৰী কৰিলে ৰাজ্যসমূহৰ প্ৰতিক্ৰিয়া কেনেকুৱা হ'ব, সেয়াই পৰীক্ষা কৰিব বিচৰা যেন বুলি বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই অনুভৱ ব্যক্ত কৰে।

## মৌচুমী আহিল, আহিল জলধাৰ, বুৰিল-উটিল...

দ্বাৰকুছি- ৰাঙাপানী- কাউৰবাহা সংযোগী পথৰ লাছিঘাটত থকা বাঁহৰ দলংখন আজি উটুৱাই নিয়াৰ ফলত লাছি, গলবেৰা, উত্তৰ গলবেৰা, ৰাঙাপানী, কাউৰবাহা, গান্ধীবাৰী, গোৰেশ্বৰ আদি অঞ্চলৰ হাজাৰ হাজাৰ ৰাইজৰ যাতায়াত আজি বন্ধ হৈ পৰে। উল্লেখ্য যে কিছু বছৰ আগলৈ লাছিঘাটত বৰলীয় নৈৰ ওপৰত এখন কাঠৰ দলং আছিল যদিও সেইখন মেৰামতি নকৰাৰ ফলত জৰাজীৰ্ণ হৈ পৰে আৰু বৰলীয়া নৈৰ বাঢ়নী পানীয়ে উটুৱাই নিয়াত যোগাযোগ বন্ধ হৈ পৰে। তাৰ পিছত নদীৰ দুয়োটা পাৰৰ অঞ্চলটোৰ স্থানীয় ৰাইজে বৰলীয়া নৈৰ ওপৰত এখন বাঁহৰ সাঁকো সাজি সাঁকোখনৰ ওপৰেৰে যাতায়াত অব্যাহত ৰাখিছিল। প্ৰতি বছৰে স্থানীয় ৰাইজে নিজৰ গাঁঠিৰ ধন ভাঙি বাঁহৰ সাঁকো নিৰ্মাণ কৰি যাতায়াত অব্যাহত ৰাখে যদিও সাঁকোখন উটুৱাই নিয়াত পুনৰ যাতায়াত বন্ধ হৈ পৰে। আজি বছৰটোৰ প্ৰথমটো বানে সাঁকোখন পুনৰ উটুৱাই নিয়াত কেইবাখনো গাঁৱৰ হাজাৰ হাজাৰ সৰ্বসাধাৰণ ৰাইজৰ লগতে বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু ৰোগীৰ যাতায়াতৰ বাবে বন্ধ হৈ পৰে যাতায়াত। অনতি পলমে দ্বাৰকুছি-ৰাঙাপানী- কাউৰবাহা পথত এখন পকী দলঙৰ নিৰ্মাণৰ বাবে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিটিচিপ্ৰধান প্ৰমোদ বড়োক অনুৰোধ জনাইছে এবিএমছুৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক টাইছন হুছেইন, তামুলপুৰ জিলা এবিএমছুৰ সভাপতি বদৰুদ্দিন খানৰ লগতে অঞ্চলটোৰ স্থানীয় ৰাইজে।

**বুঢ়ীদিহিং নদীৰ ভয়ানক খহনীয়াৰ কবলত লেঙেৰী মৌজাৰ ২নং ভৰালীবাৰী কলিতা গাঁও**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিব্ৰুগড় ঃ** অসম বিধানসভাৰ ১১৯নং টিংখাং সমষ্টিৰ অধীনৰ 'ডিব্ৰুগড় জিলা মৰাণ ৰাজহ চক্ৰৰ অধীনস্থ লেঙেৰী মৌজাৰ অন্তৰ্গত বুঢ়ীদিহিং নদীপৰীয়া ২নং ভৰালীবাৰী কলিতা গাঁৱত বাৰিষা হোৱাৰ লগে লগে বৰ্তমান বুঢ়ীদিহিং নদীৰ ভয়ানক খহনীয়াই গাঁওখনলৈ প্ৰচণ্ড ভাবুকিকঢ়িয়াই আনিছে। উল্লেখ যে ১৯৮৫ চনৰ পৰা হোৱা বুঢ়ীদিহিং নদীৰ খহনীয়াই ২নং ভৰালীবাৰী কলিতা গাঁৱৰ বুকুৰ পৰা ২৫০০ হেক্টৰ কৃষিভূমি খহাই গাঁওখন অস্তিত্ব বিপন্ন কৰি আহিছে। বুঢ়ীদিহিং নদীৰ খহনীয়াই ২নং ভৰালীবাৰী কলিতা গাঁৱৰ কৃষিভূমিৰ উপৰি বহু পৰিয়ালৰ ঘৰৰ ভেটি উচ্ছন্ন কৰাৰ লগতে উক্ত গাঁৱৰ ৭২টা পৰিয়ালৰ ঘৰৰ ভেটিৰ প্ৰতি ভাবুকি স্বৰূপ হৈ পৰিছে। ডিব্ৰুগড় সদৰ চহৰৰ পৰা প্ৰায় ২৩ কিলোমিটাৰ নিলগত অৱস্থিত ডিব্ৰুগড় মৰাণ ৰাজহ চক্ৰৰ অন্তৰ্গত লেঙেৰী মৌজাস্থিত ২নং ভৰালীবাৰী কলিতা গাঁওখনৰ সোঁৰে-বাঁৱে বুঢ়ীদিহিং নদীয়ে আৱৰি থকাৰ পৰিপ্ৰেক্ষিতত মাজুলীসদৃশ গাঁওখনক খহনীয়াই সংকুচিত কৰি উক্ত গাঁওখনৰ জনজীৱনলৈ ভাবুকি কঢ়িয়াই আনিছে। পুনৰ সংস্থাপন বা সমগ্ৰ গাঁওখনৰ খহনীয়াগ্ৰস্ত অংশ সম্পূৰ্ণৰূপে জিঅ' বেগ পদ্ধতিৰে খহনীয়া প্ৰতিৰোধ নকৰা পৰ্যন্ত গাঁওখন কোনোপধ্যেই নিৰাপদ নহয় আৰু গাঁওবাসীৰ বাবে ভৱিষ্যৎ সুৰক্ষিত নহয় বুলি ২নং ভৰালীবাৰী কলিতা গাঁওবাসীয়ে জানিবলৈ দিছে। অসম গণ পৰিষদ চৰকাৰৰ দুটা শাসনকাল, কং চৰকাৰৰ দীৰ্ঘদিনীয়া শাসন কালকে ধৰি বৰ্তমানৰ বিজেপি মিত্ৰজোঁটৰ চৰকাৰৰ ৫বছৰীয়া কাৰ্যকালতো ২নং ভৰালীবাৰী কলিতা গাঁৱৰ খহনীয়া সমস্যাটো স্থায়ী সমাধান নহ'ল, নহ'ল খহনীয়াৰ প্ৰতিৰোধ। অৱশ্যে বিগত অসমৰ বিজেপি মিত্ৰজোঁট চৰকাৰৰ পাঁচবছৰীয়া কাৰ্যকালৰ সময়ত টিংখাং সমষ্টিৰ বিজেপি বিধায়ক বিমল বৰাৰ উদ্যোগত আৰু একনিষ্ঠ প্ৰচেষ্টাত ২নং ভৰালীবাৰী কলিতা গাঁৱলৈ হৰেঘাট দলঙৰ পৰা পথ আৰু গাঁওখনলৈ বিদ্যুৎ সংযোগ পাবলৈ সক্ষম হৈছে। কিন্তু ২নং ভৰালীবাৰী কলিতা গাঁৱৰ খহনীয়া প্ৰতিৰোধ নোহোৱা পৰ্যন্ত গাঁওখনৰ বাবে নিৰাপত্তা নাই। টিংখাং সমষ্টিৰ পৰা পুনৰ বিজয়ী হোৱা বিজেপিৰ বিধায়ক তথা বৰ্তমান অসম চৰকাৰ কেবিনেট মন্ত্ৰী বিমল বৰাৰ প্ৰতি বুঢ়ীদিহিং নদীৰ খহনীয়া সৰ্বস্বান্ত ২নং ভৰালীবাৰী কলিতা গাঁৱৰ খহনীয়া সমস্যাটো জিঅ' বেগ পদ্ধতিৰে প্ৰতিৰোধ কৰাৰ সন্দৰ্ভত গাঁওবাসীয়ে আশাৰে বাট চাইছে। ২নং ভৰালীবাৰী কলিতা গাঁৱৰ উজনিৰ ৰমাই লাছন গাঁৱৰ পৰা নামনিলৈ ৩ কিলোমিটাৰ আৰু হৰেঘাটৰ পৰা ২ কিলোমিটাৰ নিলগৰ সমীপৱৰ্তী নামনি অংশৰ পৰা উক্ত গাঁৱৰে উজনি অংশলৈ বৰ্তমান বুঢ়ীদিহিং নদীৰ খহনীয়াই কালৰূপ ধাৰণ কৰি তুলিছে। এই খহনীয়াৰ ফলত বৰ্তমান বহু খেতিয়কৰ কচু, ভেন্দি খেতি আৰু বহু কৃষিভূমি নদীত জাহ গৈছে। স্থানীয় ৰাইজে বৰ্তমানৰ খহনীয়াগ্ৰস্ত দুয়ো ঠাইতে অস্থায়ীভাৱে বাঁহত পাৰ্কুপাইনৰ ব্যৱস্থা গ্ৰহণৰ কাৰণে ডিব্ৰুগড় জিলাৰ জলসম্পদ বিভাগক দাবী জনাইছে। আনহাতে, ডিব্ৰুগড় জিলাৰ মৰাণ ৰাজহ চক্ৰৰ লেঙেৰী মৌজাৰ বুঢ়ীদিহিং নদীৰ খহনীয়াত সৰ্বস্বান্ত ২নং ভৰালীবাৰী কলিতাগাঁওখনক জিঅ' বেগ পদ্ধতিৰে খহনীয়া প্ৰতিৰোধী আঁচনিত অন্তৰ্ভুক্ত কৰি গাঁওখন খহনীয়াৰ পৰা সুৰক্ষিত তথা নিৰাপদ কৰিবলৈ প্ৰয়োজনীয় পদক্ষেপৰ কাৰণে অসম চৰকাৰৰ বৰ্তমানৰ জলসম্পদ বিভাগৰ মন্ত্ৰীক স্থানীয় গাঁওবাসীয়ে দাবী জনাইছে।

**খহনীয়া নিয়ন্ত্ৰণক অসম চৰকাৰে উচ্চ অগ্ৰাধিকাৰ দিব ঃ পীযূষ হাজৰিকা**

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী ঃ** 'ৰাজ্যখনৰ খহনীয়া সমস্যাটোৰ এক স্থায়ী সমাধান কৰাটো বিজেপি নেতৃত্বাধীন চৰকাৰখনে উচ্চ অগ্ৰাধিকাৰ দিব'। এই মন্তব্য ৰাজ্যৰ জলসম্পদ আৰু জনসংযোগ মন্ত্ৰী পীযূষ হাজৰিকাৰ। বিশ্বনাথ জিলাৰ 'অভিভাৱক মন্ত্ৰী' হাজৰিকাই আজি উপায়ুক্তৰ সভাগৃহত আয়োজিত এক উচ্চস্তৰীয় বৈঠকত অধ্যক্ষতা কৰি জিলাখনৰ জলসম্পদ আৰু স্বাস্থ্য বিভাগৰ কাৰ্যাৱলীৰ পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে এতিয়াৰে পৰা জলসম্পদ বিভাগৰ কাম-কাজৰ ব্যাপক সাল-সলনি হ'ব। বিভাগৰ বিষয়াবৰ্গক খহনীয়া সম্পৰ্কীয় কাম-কাজসমূহৰ ক্ষেত্ৰত দীৰ্ঘ-ম্যাদী দৃষ্টি নিক্ষেপ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। মন্ত্ৰীগৰাকীয়ে প্ৰতি বছৰৰ মে' মাহৰ ভিতৰতে সকলো মথাউৰি মেৰামতিৰ কাম সম্পূৰ্ণ কৰিবলৈ বিষয়ববীয়াসকলক কঠোৰ নিৰ্দেশ জাৰি কৰে। তেওঁ কয় যে কেৱল অস্থায়ী অৰু জৰুৰীকালীন মেৰামতিহে বাৰিষাৰ সময়ত কৰা উচিত।' মই লক্ষ্য কৰিছোঁ যে বিভাগে সময় মতে মথাউৰি মেৰামতি কৰাৰ ক্ষেত্ৰত প্ৰায়েই পলম কৰে, যাৰ ফলত বাৰিষাৰ আগতে কাম সম্পূৰ্ণ কৰাটো সম্ভৱ হৈ নুঠে। সেয়েহে বৰ্তমানৰ পৰা মই নিৰ্দেশ দিছো যাতে বিষয়াসকলে দক্ষতাৰে কাম কৰাৰ লগতে সকলো ধৰণৰ আনুষ্ঠানিকতা সময় মতে সম্পূৰ্ণ কৰি মেৰামতিৰ কাম নিৰ্দিষ্ট সময়ত আৰম্ভ কৰে, মন্ত্ৰী হাজৰিকাই উল্লেখ কৰে। কামৰ গুণগত মানৰ ক্ষেত্ৰতো কোনো ধৰণৰ মোকাবিলা নকৰিবলৈ মন্ত্ৰীগৰাকীয়ে বিষয়াসকলক সকীয়াই দিয়ে। স্বাস্থ্য বিভাগৰ কাম-কাজৰ পৰ্যালোচনা কৰি মন্ত্ৰীগৰাকীয়ে জিলাখনত ক'ভিড প্ৰতিষেধক প্ৰদানৰ কাম খৰতকীয়া কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। স্বাস্থ্য বিভাগৰ তৰফৰ পৰা আঙুলিয়াই দিয়া হয় যে বিশ্বনাথ জিলাত প্ৰতিষেধক মজুতকৰণৰ সুবিধা নথকাৰ হেতু শোণিতপুৰ জিলাৰ পৰা আনিব লগা হয়, যাৰ ফলত প্ৰতিষেধক প্ৰদান ধীৰ হৈ পৰে। মন্ত্ৰীগৰাকীয়ে ততাতৈয়াকৈ সংশ্লিষ্ট পক্ষৰ সৈতে আলোচনা কৰি পুঁজিৰ ব্যৱস্থা কৰাৰ লগতে উল্লিখিত সমস্যা দূৰীকৰণৰ বাবে পদক্ষেপ হাতত লয়। মন্ত্ৰীগৰাকীয়ে লোক-নিৰ্মাণ বিভাগ আৰু বিদ্যুৎ বিভাগক স্বাস্থ্য বিভাগৰ সৈতে সহযোগিতা কৰি অহা দহ দিনৰ ভিতৰত প্ৰতিষেধকৰ মজুত ভাণ্ডাৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিবলৈ কঠোৰ নিৰ্দেশ দিয়ে। প্ৰস্তাৱিত এই ভাণ্ডাৰ বিশ্বনাথ চাৰিআলি মহকুমা অসামৰিক চিকিৎসালয় চৌহদৰ ভিতৰতে স্থাপন কৰা হ'ব। মন্ত্ৰীগৰাকীয়ে জিলাখনত ঔষধ-পাতি আৰু অন্যান্য চিকিৎসা সেৱাসমূহৰ উপলভ্যতাৰো খা-খবৰ লয়। তেওঁ ক'ভিড আক্ৰান্ত লোকসকলক প্ৰতিষ্ঠানিক কোৱাৰেণ্টাইন কেন্দ্ৰত ৰখাৰ ওপৰত গুৰুত্ব দিয়ে যাতে, কৰ'না সংক্ৰমণ ৰোধ কৰিব পৰা যায়। ক'ভিড নিৰাময় কেন্দ্ৰত থকা ৰোগী আৰু কণ্টেইনমেন এলেকাত থকা আৰ্থিকভাৱে দুৰ্বল লোকসকলক যোগান ধৰা খাদ্যৰ গুণগত মানৰ দিশটোৰো অনুসন্ধান কৰে। আজিৰ সভাত সাংসদ পল্লৱ লোচন দাস, চতিয়া, বিশ্বনাথ, বিহালী আৰু গহপুৰৰ বিধায়কসকলো উপস্থিত থাকে। সভা সমাপ্ত কৰি মন্ত্ৰীগৰাকীয়ে বিশ্বনাথ চাৰিআলিৰ পাণপুৰৰ খহনীয়া এলেকা পৰিদৰ্শন কৰে আৰু নিৰ্মীয়মাণ মথাউৰিটোৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লয়।

# বকোৰ ছমৰীয়া ৰাজহ চক্ৰৰ উদ্যোগত অখ্যাত গাঁৱত ব্যতিক্ৰমী ৰূপত উদ্‌যাপন বিশ্ব পৰিৱেশ দিৱস

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ৬ জুন ঃ** কামৰূপ জিলাৰ বকোৰ বিভিন্ন ঠাইৰ লগতে ছমৰীয়া ৰাজহ চক্ৰৰ এলেকাধীন এখন অখ্যাত জনজাতীয় গাঁৱতো আজি ব্যতিক্ৰমী ৰূপত উদ্‌যাপন কৰা হ'ল বিশ্ব পৰিৱেশ দিৱস। গাঁওখনক সম্পূৰ্ণ প্ৰদূষণমুক্ত সেউজ, শীতল, স্বচ্ছ আৰু নিকা হিচাপে প্ৰতিষ্ঠা কৰাৰ লক্ষ্যৰে ছমৰীয়া ৰাজহ চক্ৰৰ বিষয়া অংকিতা বৰাৰ বিশেষ তৎপৰতাত বৰুৱা গাঁও পঞ্চায়তৰ অন্তৰ্গত ১নং মাকেলী গাঁৱত বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। গাঁওখনক মডেল গাঁও হিচাপে গঢ়াৰ বিশেষ পৰিকল্পনাৰে ৰাজহ চক্ৰ বিষয়াগৰাকীয়ে আজি এই দিৱসৰ লগত সংগতি ৰাখি গাঁওখনত ৰূপায়ণ কৰা গছপুলি ৰোপণ কাৰ্যসূচীৰো শুভাৰম্ভ কৰে। ইফালে মহামাৰী ক'ভিডৰ প্ৰতি লক্ষ্য ৰাখি এই বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্যসূচীৰ মাজতে ৰাজহ চক্ৰ বিষয়াগৰাকীয়ে ১ নং মাকেলী গাঁৱৰ মহিলাসকলৰ মাজত মাস্ক, ছেনিটাইজাৰ, চাবোন আদিও বিতৰণ কৰে। অনুষ্ঠানটোত পৰিৱেশ সম্পৰ্কীয় বেনাৰ, প্লে'কাৰ্ড আদিও প্ৰদৰ্শন কৰাৰ লগতে ক'ভিড সম্পৰ্কীয় সজাগতা সৃষ্টিৰো প্ৰয়াস কৰা হয়। তদুপৰি সাম্প্ৰতিক ক'ভিড পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ বৃক্ষৰোপণ ব্যতিৰেকে বিকল্প নাই বুলি প্ৰকাশ কৰি ক'ভিডমুক্ত ১ নং মাকেলী গাঁওখনৰ পৰিৱেশ চিৰ সেউজ কৰি তোলাৰ বাবে ব্যাপক হাৰত গছ পুলি ৰোপণ কৰাৰ প্ৰতি গুৰুত্ব প্ৰদান কৰি চক্ৰ বিষয়া অংকিতা বৰাই গাঁওবাসীৰ মাজত বিভিন্ন ধৰণৰ গছপুলিও বিতৰণ কৰে। উল্লেখ্য যে ছমৰীয়া ৰাজহ চক্ৰ এলেকাধীন অগ্ৰণী বে-চৰকাৰী স্বেচ্ছাসেৱী সংস্থা- 'জাওঁকাটা ৰুৰেল ডেভেলপমেণ্ট ছ'চাইটী', 'ছমৰীয়া আঞ্চলিক যুৱ সমন্বয় উন্নয়ন সমিতি' আৰু 'লুইত জন উন্নয়ন সমিতি'ৰ লগতে চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ কৰ্মচাৰীবৃন্দই এই বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্যসূচীত পূৰ্ণ সহযোগিতা আগবঢ়ায়। কাৰ্যসূচীটোত পৰিৱেশ সংৰক্ষণ আৰু বৃক্ষৰোপণৰ ওপৰত গুৰুত্ব প্ৰদান কৰি ৰাজহ চক্ৰ বিষয়াগৰাকীৰ লগতে স্বেচ্ছাসেৱী সংগঠনৰ পৰা উপস্থিত গাঁওবাসীক উদ্দেশ্যি মূল্যবান বক্তব্য প্ৰদান কৰে। পৰিৱেশ দিৱসৰ এই কাৰ্যসূচীত ছমৰীয়া ৰাজহ চক্ৰৰ দুৰ্যোগ প্ৰশমন বিভাগৰ বিষয়া জিয়াউৰ ৰহমান, স্বেচ্ছাসেৱী সংগঠনৰ পৰা আব্দুল লাইচ আহমেদ, আশ্ৰাফুল আলম, গণেশ বায়ন, মিথুন খাটনিয়াৰ, দিবাকৰ পাঠক, শংকৰ বায়ন প্ৰমুখ্যে ব্যক্তিসকল উপস্থিত থাকে। ইফালে বকোত অসম বিজ্ঞান সমিতিৰ বকো শাখা, বকো বনাঞ্চলিকৰ কাৰ্যালয়, কালিয়াবড়ী যুৱক সংঘ আদিৰ উদ্যোগতো বিস্তৃত কাৰ্যসূচীৰে পালন কৰা হয় বিশ্ব পৰিৱেশ দিৱস।



### বিশ্ব পৰিৱেশ দিৱস
## পাভৈ আছুৰ গছপুলি ৰোপণ কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিশ্বনাথঘাট, ৬ জুন ঃ** আজি বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি বিগত বছৰসমূহৰ দৰে এই বছৰো পাভৈ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু পাভৈ পাঁচআলি শাখা ছাত্ৰ সন্থাৰ সহযোগত সাধাৰুপাৰ আৰু ৰঙামাটি গাঁৱৰ মাজত থকা পথৰ দুই পাৰত গছ পুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বৃক্ষৰোপণ কাৰ্যসূচীত উপস্থিত থাকি গছপুলি ৰোপণ কৰে সদৌ বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি মঃ আজমত শ্বেখ, সাধাৰুপাৰৰ বিশিষ্ট শিক্ষক তথা সমাজকৰ্মী জয়ন্ত বৰা, পাভৈৰ বিশিষ্ট খেতিয়ক তথা সমাজকৰ্মী পূণ্য প্ৰসাদ খাউণ্ড, সমাজকৰ্মী কিৰণ সন্দিকৈ, বিশ্বনাথ জিলা ছাত্ৰ সন্থাৰ ক্ৰীড়া সম্পাদক সুনীল গোৱালা, বিশ্বনাথ মহকুমা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক নিতু বৰা, পাভৈ আঞ্চলিক ছাত্ৰ সন্থাৰ উপ-সভানেত্ৰী পূজা বৰা, পাভৈ পাঁচ আলি শাখা ছাত্ৰ সন্থাৰ ভাঃ সভাপতি বিমল মূৰা, সাধাৰণ সম্পাদক অবিনাশ হাজৰিকা, ধূলি শাখা ছাত্ৰ সন্থাৰ ভাঃ সভাপতি মামুন শ্বেখ, পাভৈ পাঁচআলি শাখাৰ সাংস্কৃতিক সম্পাদিকা হীমাশ্ৰী হাজৰিকাৰ লগতে ছাত্ৰসন্থাৰ বিষয়ববীয়াসকল।

## লখিমপুৰত বিভিন্ন স্থানত বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পানীগাঁও, ৬ জুন ঃ** সমগ্ৰ বিশ্বৰ লগতে কালি লখিমপুৰ জিলাৰ বিভিন্ন স্থানতো প্ৰকৃতিপ্ৰেমী দল-সংগঠনে গছ পুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। গছ থাকিলেহে মানুহ জীয়াই থাকিব। মানুহ জীয়াই থাকিবলৈ হ'লে সেউজ প্ৰকৃতিৰ পৰিৱেশ অত্যন্ত প্ৰয়োজনীয়। সু-স্বাস্থ্যৰ মানুহ হিচাপে জীয়াই থাকিব পাৰিব যদিহে গছ থাকিব। কালি বিশ্ব পৰিৱেশ দিৱসত এই মূলমন্ত্ৰ আগত ৰাখি দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটীৰ উদ্যোগত বগীনদী আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়ক মুখ্য স্থান হিচাপে লৈ জাৰ্মানী প্ৰাথমিক বিদ্যালয়, বগীনদী পি জি আৰ প্ৰাথমিক বিদ্যালয়, বগীনদী প্ৰেছ ক্লাব আদি কেইটাও অনুষ্ঠান-প্ৰতিষ্ঠানত গছপুলি ৰোপণ কৰা হয়। দুলুং-সোৱণশিৰি কনজাৰভেচন ছ'চাইটীৰ এই বৃক্ষৰোপণ অনুষ্ঠানত বিশিষ্ট প্ৰকৃতিকৰ্মী তথা গ্ৰীণ হেৰিটেজৰ সদস্যই মুখ্য অতিথি হিচাপে গছপুলি ৰোপণ কৰি প্ৰকৃতি ধ্বংস ত্যাগ কৰি প্ৰকৃতিক সংৰক্ষণৰ আহ্বান জনায়।

## খোৱাং বৰপথাৰ দেওধাই গাঁৱৰ পণ্ডিত টেঙাই মহনৰ সমাধিক্ষেত্ৰত গছ পুলি ৰোপণ কাৰ্যসূচী টাই আহোম যুৱ পৰিষদৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ৬ জুন ঃ** কালি ৪৮ সংখ্যক বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি টাই আহোম যুৱ পৰিষদৰ হালধিবাৰী আঞ্চলিক সমিতিৰ উদ্যোগত আৰু মৰাণ মহকুমা সমিতিৰ বিভিন্ন আঞ্চলিক সমিতিৰ সহযোগত প্ৰথম অভিধান প্ৰণেতা পণ্ডিত টেঙাই মহনক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ মানসেৰে মৰাণৰ সমীপৰ খোৱাং বৰপথাৰ দেওধাই গাঁৱত পণ্ডিত টেঙাই মহনৰ সমাধিক্ষেত্ৰত গছ পুলি ৰোপণৰ এক কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিকূল বতৰকো নেওচি মৰাণ বিধানসভা সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈয়ে গছপুলি ৰোপণৰ শুভাৰম্ভ কৰি উপস্থিত ৰাইজক উদ্দেশ্য কৰি কয় যে পণ্ডিত টেঙাই মহন আছিল প্ৰথমগৰাকী অভিধান প্ৰণেতা আৰু প্ৰথম বিলাতফেৰৎ। তেখেতে আজি বিশ্বৰ দৰবাৰত যি স্থান লাভ কৰিব লাগিছিল সেই স্থানৰ পৰা আজিও বঞ্চিত হৈ আছে। এনে এজন মহান পণ্ডিতক আমি সন্মান দিবই লাগিব। লগতে বিধায়কগৰাকীয়ে প্ৰয়াত পণ্ডিতগৰাকীৰ সমাধিক্ষেত্ৰখন আটকধুনীয়া কৰি তুলিবৰ বাবে অসম চৰকাৰৰ লগত যোগাযোগ কৰি সকলো ব্যৱস্থা গ্ৰহণৰ লগতে মৈদাম ক্ষেত্ৰলৈ যোৱা প্ৰৱেশ পথটো উন্নত কৰাৰো আশ্বাস প্ৰদান কৰে। কালিৰ এই গছ পুলি ৰোপণ কাৰ্যসূচীত স্থানীয় লোকৰ লগতে উপস্থিত থাকে টাই আহোম যুৱ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক ৰুদ্ৰসাগৰ বুঢ়াগোহাঁই, উপদেষ্টা উত্তম দিহিঙীয়া, মৰাণ মহকুমা সমিতিৰ বিভিন্ন আঞ্চলিকৰ বিষয়ববীয়াসকল। আনহাতে ডিব্ৰুগড় জিলা বন সংমণ্ডল কাৰ্যালয়ৰ অন্তৰ্গত খোৱাং আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ উদ্যোগত খোৱাং তিনিঠেঙীয়া নামদাং সংৰক্ষিত বনাঞ্চলত বিভিন্ন প্ৰজাতিৰ বহুসংখ্যক গছ পুলি ৰোপণ কৰাৰ লগতে অঞ্চলটোৰ স্থানীয় লোকসকলৰ মাজত বিনামূলীয়া কৈ গছ পুলি বিতৰণ কৰা হয়। আজিৰ এই গছ পুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰি বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি বক্তব্য আগবঢ়ায় ক্ৰমে ডিব্ৰুগড় জিলাৰ আইএছ বিষয়া হেমা নায়ক, মৰাণ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া লুকুমণি বড়া, খোৱাং আঞ্চলিক বন বিষয়া কৃষ্ণা হাণ্ডেয়ে।

## অসম বিজ্ঞান সমিতি, বিশ্বনাথ চাৰিআলি শাখাৰ বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিশ্বনাথঘাট, ৬ জুন ঃ** সমগ্ৰ বিশ্বৰ লগতে অসম বিজ্ঞান সমিতিৰ বিশ্বনাথ চাৰিআলি শাখাৰ উদ্যোগত কালি বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন কৰা হয়। প্ৰতিকূল বতৰৰ পৰিপ্ৰেক্ষিতত এই বছৰ বিশ্ব পৰিৱেশ দিৱসৰ মূল বিষয় — 'পৰিস্থিতিতন্ত্ৰৰ পুনৰুদ্ধাৰ'ৰ ওপৰত ফেচবুক লাইভৰ যোগেৰে কিছু আলোকপাত কৰে বিশিষ্ট পৰিৱেশকৰ্মী ৰিপুঞ্জয় বৰদলৈয়ে। বিশ্ব পৰিৱেশ দিৱস-২০২১ৰ লগত সংগতি ৰাখি অসম বিজ্ঞান সমিতি, বিশ্বনাথ চাৰিআলি শাখাৰ তৰফৰ পৰা এখন ৱেবিনাৰৰো আয়োজন কৰা হয় আৰু অসম বিজ্ঞান সমিতিৰ বিশ্বনাথ চাৰিআলি শাখাৰ স্থায়ী সভাপতি ডঃ প্ৰদীপ মহন্তৰ সভাপতিত্বত বহা ৱেবিনাৰখনত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰে বিশ্বনাথ মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক তথা বিশিষ্ট বিজ্ঞানকৰ্মী ৰাণা প্ৰসাদ হাজৰিকাই। জিলা পৰ্যায়ৰ ৱেবিনাৰখনৰ আঁত ধৰে ৰিপুঞ্জয় বৰদলৈয়ে আৰু শাখাৰ বিগত বৰ্ষৰ কাৰ্যসূচীৰ ওপৰত আলোকপাত কৰে অসম বিজ্ঞান সমিতিৰ বিশ্বনাথ চাৰিআলি শাখাৰ সম্পাদক ডঃ সঞ্জীৱ উপাধ্যায়ে। ৱেবিনাৰখনত বিশ্বনাথ চাৰিআলি নগৰ তথা ইয়াৰ দাঁতিকাষৰীয়া ঠাইৰ পৰিৱেশৰ ওপৰত বিশেষভাৱে আলোচনা কৰা হয় আৰু কেইটিমান প্ৰস্তাৱ গ্ৰহণ কৰা হয়—(১)বিশ্বনাথ চাৰিআলি অঞ্চলত গোটা পেলনীয়া আৱৰ্জনা নিষ্কাশণ কেন্দ্ৰ স্থাপনত জিলা প্ৰশাসনৰ লগত যোগাযোগ কৰা, (২) শাক-পাচলিত ক্ৰমবৰ্ধিত হাৰত ব্যৱহাৰ কৰা মানৱ স্বাস্থ্যবিৰোধী ৰাসায়নিক কীটনাশকৰ ব্যৱহাৰ নকৰি জৈৱিক কীটনাশক ব্যৱহাৰ কৰিবলৈ কৃষকসকলৰ মাজৰ সচেতনতা বৃদ্ধি কৰা, (৩) জৈৱিক ইন্ধনৰ ব্যৱহাৰ কৰা, (৪)বিশ্বনাথ চাৰিআলিৰ দাঁতিকাষৰীয়া অঞ্চলত থকা বিল তথা জলাহ ভূমিসমূহক ইক'টুৰিজিম স্থান হিচাপ গঢ় দিয়া আদি। বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি অসম বিজ্ঞান সমিতিৰ বিশ্বনাথ চাৰিআলি শাখাৰ তৰফৰ পৰা এখন ৰাজ্যিক পৰ্যায়ৰ চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। তিনিটা শাখাত অনুষ্ঠিত এই প্ৰতিযোগিতাৰ বিষয়বস্তুবোৰ আছিল যথাক্ৰমে ক-শাখাৰ (প্ৰথমমানৰ পৰা ৫ম শ্ৰেণী)বাবে পৰিৱেশ, খ-শাখাৰ (৬ম মানৰ পৰা ৮ম শ্ৰেণী)বাবে পৰিৱেশ আৰু ক' ভিড-১৯ অতিমাৰী আৰু গ-শাখাৰ (৯ম মানৰ পৰা দ্বাদশ শ্ৰেণী)ৰ বাবে পৰিস্থিতিতন্ত্ৰৰ পুনৰুদ্ধাৰ। ৰাজ্যিক পৰ্যায়ৰ চিত্ৰাংকন প্ৰতিযোগিতাৰ ফলাফলসমূহ কালিয়ে ঘোষণা কৰা হয়।

### বিশ্বনাথ জিলাৰ অন্তৰ্গত দিকৰাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিশ্ব পৰিৱেশ দিৱস পালন
## বিদ্যালয়ৰ চৌহদত গছপুলি ৰোপণ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ৬ জুন ঃ** বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে বিশ্বনাথ জিলাৰ অন্তৰ্গত, অসম-অৰুণাচল সীমান্তত অৱস্থিত ইটাখোলাৰ দিকৰাই উচ্চতৰ মাধ্যমিক বিদ্যালয়তো আজি বিশ্ব পৰিৱেশ দিৱস পালন কৰা হয়। বিশ্ব পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি বিদ্যালয়ৰ চৌপাশে বিদ্যালয়খনৰ শিক্ষক আৰু বনকৰ্মীৰ দ্বাৰা বিভিন্ন প্ৰজাতিৰ গছপুলি ৰোপণ কৰা হয়। বিদ্যালয়খনৰ অধ্যক্ষ ইন্দ্ৰলাল শৰ্মাই আঁতধৰা উক্ত কাৰ্যসূচীত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি প্ৰমুখ্যে বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষকসকলে অংশগ্ৰহণ কৰাৰ উপৰি ডিপলোঙা বন সংমণ্ডল কাৰ্যালয়ৰ বনকৰ্মী উপস্থিত থাকে। এই কাযসূচীৰ শুভাৰম্ভ কৰে ডিপলোঙা বন সংমণ্ডল বিষয়া(Renger)ৰ দলে । ৰোপণ কাৰ্যসূচী আৰম্ভ কৰাৰ পিছত বিশ্ব পৰিৱেশ দিৱসৰ বিষয়ে তেওঁ চমুকৈ ভাষণ দি কয় যে যিহেতু গছ থাকিলেহে মানুহ থাকিব সেয়ে প্ৰত্যেক নাগৰিকে পৰিৱেশ সংৰক্ষণৰ বিষয়ে গুৰুত্ব দি প্ৰতিঘৰৰ চৌপাশে গছপুলি ৰোপণ কৰিব লাগে আৰু বায়ুমণ্ডলক বিশুদ্ধ কৰিলেহে আমাৰ সমাজ সুস্থ হৈ থাকিব পাৰিব।

## কৈৱৰ্ত্ত ছাত্ৰ সন্থাৰ বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ৬ জুন ঃ** বিভিন্ন প্ৰান্তৰ লগতে স্থানীয় ৰুদ্ৰসাগৰৰ ৰাধিকা নগৰতো কৈৱৰ্ত্ত ছাত্ৰ সন্থাৰ ৰাধিকা নগৰ শাখা সমিতিৰ উদ্যোগত বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন কৰা হয়। ক'ভিড প্ৰট'কল ৰক্ষা কৰি বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি পথৰ কাষত এলানি গছ পুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উক্ত গছ পুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে কৈৱৰ্ত্ত ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰবি কাশ্যপে। গছ পুলি ৰোপণৰ প্ৰাক্‌মুহূৰ্তত সভাপতিজন উপস্থিত থাকি সতীৰ্থসকলক বিশ্ব পৰিৱেশৰ প্ৰয়োজনীয়তা আৰু তাৎপৰ্যৰ ওপৰত এক শুভাৰম্ভণি বক্তব্য প্ৰদান কৰে। অন্যহাতে উক্ত অনুষ্ঠানত সক্ৰিয় অংশগ্ৰহণ কৰি গাঁওবাসীক গছপুলি বিতৰণ কৰে ৰাধিকা নগৰ শাখা সমিতিৰ সভাপতি ৰুবুল দাস, সম্পাদক চিৰঞ্জীৱ দাস, সহকাৰী সম্পাদক পংকজ দাস, সাংস্কৃতিক সম্পাদক জ্যোতিষ দাসৰ লগতে উপদেষ্টা অনন্ত দাসো উপস্থিত থাকি গছ পুলি ৰোপণ কৰে।

## উত্তৰ কমলাবাৰী শাখা সাহিত্য সভাৰ বিশ্ব পৰিৱেশ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ৬ জুন ঃ** অসম সাহিত্য সভাৰ আহ্বানমৰ্মে মাজুলী জিলা সাহিত্য সভাৰ অন্তৰ্গত অন্যতম শাখা উত্তৰ কমলাবাৰী শাখা সাহিত্য সভাই বিশ্ব পৰিৱেশ দিৱসটি ক'ভিড প্ৰট'কলৰ সম্পূৰ্ণ চৰকাৰী নিৰ্দেশনা মানি পালন কৰে। উত্তৰ কমলাবাৰী শাখা সাহিত্য সভাৰ দৰিয়াস্থিত স্থায়ী কাৰ্যালয়ৰ বাবে সংৰক্ষিত এলেকাত পুৱা ১০.৩০ বজাত শাখাৰ উপদেষ্টা কনক চন্দ্ৰ বৰুৱাই কৃষ্ণচূড়া গছৰ এটি পুলি ৰোপণেৰে শুভাৰম্ভ কৰা কাৰ্যসূচীত মাজুলী জিলা সাহিত্য সভাৰ সম্পাদক মনোজ্যোতি ৰেগন, শাখাৰ সভাপতি প্ৰণৱজিত মিশ্ৰ, সম্পাদিকা কৃষাৰাণী শইকীয়া বৰুৱা, প্ৰাক্তন সম্পাদক শংকুসিদ্ধ নাথে নাহৰ, সোণাৰু, ৰাধাচূড়া, বকুল, লিচু আদি গছৰ পুলি ৰোৱাৰ লগতে স্থায়ী বেৰাৰে সুৰক্ষাৰ ব্যৱস্থা কৰি দিনটোৰ তাৎপৰ্যসহ চমু বক্তব্য প্ৰদান কৰে। উল্লেখ্য যে এই দিনটোৰ লগত সংগতি ৰাখি উত্তৰ কমলাবাৰী শাখা সাহিত্য সভাৰ বিষয়ববীয়া তথা সভ্যসকলে নিজাকৈ 'স্বগৃহত হৃদয়-সমৰ্থিত প্ৰয়াস' শীৰ্ষক গছপুলি ৰোপণ কাৰ্যসূচীৰো সফল ৰূপায়ণ কৰে।

## গোলাঘাটৰ ৮টা উন্নয়ন খণ্ড আৰু ১০২খন গাঁও পঞ্চায়তত বিশ্ব পৰিৱেশ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, গোলাঘাট, ৬ জুন ঃ** গোলাঘাট জিলাৰ ৮টা উন্নয়ন খণ্ড আৰু ১০২খন গাঁও পঞ্চায়ত কাৰ্যালয়ৰ উদ্যোগত কালি বিশ্ব পৰিৱেশ দিৱসৰ কাৰ্যসূচী পালন কৰা হয়। এই উপলক্ষে গছপুলি ৰোপণৰ লগতে কেতবোৰ ঠাইত চাফাই অভিযানো চলোৱা হয়। গোলাঘাট ইষ্ট ব্লকত জিলা গ্ৰামোন্নয়ন অভিকৰণৰ প্ৰকল্প সঞ্চালক অবিনাশ শইকীয়াই অংশ লৈ গছপুলি ৰোপণ কৰে। পৰিৱেশ দিৱস উপলক্ষে গোলাঘাটৰ কাকডোঙাৰ নেঘেৰিটিং গাঁও পঞ্চায়তৰ অধীনৰ কছাৰীলাইন প্ৰাথমিক বিদ্যালয়, দেৰগাঁও উত্তৰ খণ্ডৰ মধ্য মিছামৰা গাঁও পঞ্চায়ত আৰু বোকাখাত পশ্চিম খণ্ডৰ মৰিধনশ্ৰী গাঁও পঞ্চায়তত গছপুলি ৰোপণ আৰু চাফাই অভিযান কাৰ্যসূচী ৰূপায়ণ কৰা হয়। গোলাঘাটৰ বীৰাংগনা সাধনী কলাক্ষেত্ৰ পৰিচালনা সমিতিৰ উদ্যোগতো কলাক্ষেত্ৰ চৌহদত কেইবাটাও সাঁচি গছৰ পুলি ৰোপণ কৰা হয়। এই গছপুলি ৰোপণ কাৰ্যসূচীত জিলা উন্নয়ন আয়ুক্ত অৰ্পণা বাগলাৰী আৰু সমিতিৰ সদস্য-সচিব তথা সহকাৰী আয়ুক্ত ময়ূৰাক্ষী দত্তৰ লগতে কলাক্ষেত্ৰৰ ভালেসংখ্যক বিষয়া-কৰ্মচাৰী উপস্থিত আছিল। বিশ্ব পৰিৱেশ দিৱসৰ সৈতে সংগতি ৰাখি গোলাঘাট জিলাৰ খুমটাইৰ বিধায়ক মৃণাল শইকীয়াই কণ কণ ল'ৰা-ছোৱালীক গছ পুলি ৰোপণ কৰি কেনেকৈ প্ৰতিপালন কৰিব লাগে সেই বিষয়ে শিকোৱাৰ লগতে কেইবাটাও মূল্যৱান গছৰ পুলি ৰোপণ কৰে।

## গোলাঘাটত ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ বিশ্ব পৰিৱেশ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, গোলাঘাট, ৬ জুন ঃ** 'গছ থাকিলেহে মানুহ থাকিব'—এই নীতি সাৰোগত কৰি গোলাঘাটত ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘই অব্যাহত ৰাখিছে গছ পুলি ৰোপণৰ নিৰন্তৰ প্ৰচেষ্টা। প্ৰায় তিনিমাহ পূৰ্বে আৰম্ভ কৰা কাৰ্যসূচীৰ জৰিয়তে পুলি ৰোপণৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি সপ্তাহটোৰ প্ৰতি দেওবাৰে ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘই জিলাখনৰ উল্লেখযোগ্য বিভিন্ন স্থানত গছ পুলি ৰোপণ কৰি আহিছে। প্ৰথমাৱস্থাত ধৰ্মীয় অনুষ্ঠান, বিদ্যালয়, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আদিত মূল্যৱান পুলি ৰোপণেৰে বনানিকৰণৰ এক দীৰ্ঘম্যাদী কাৰ্যসূচী হাতত লৈছে। ৰোপণ কৰা প্ৰতিটো পুলিক যাতে গছ কৰি তুলিব পাৰে, তাৰ বাবে প্ৰতিটো অনুষ্ঠান-প্ৰতিষ্ঠানত ৰোপণ কৰা পুলিৰ দায়িত্ব একোগৰাকী নিষ্ঠাৱান সেৱকক অৰ্পণ কৰা হৈছে। বিশ্ব পৰিৱেশ দিৱসৰ দিনাও ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ, গোলাঘাটে জিলাখনৰ বিভিন্ন স্থানত পুলি ৰোপণ কৰে। গোলাঘাটৰ কেন্দ্ৰীয় বিদ্যালয়ত অখিল ভাৰতীয় মহিলা পৰিষদৰ সহযোগত ৰোপণ কৰা হয় পুলি। একেদৰে দৈগ্ৰোং হাইস্কুল, সংঘৰ পুলি ৰোপণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকনে।

## মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ দ্বাৰা মাজুলীৰ শিক্ষাৰ্থীৰ মাজত অনলাইন স্বৰচিত কবিতা প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নামনি মাজুলী, ৬ জুন ঃ** বিশ্ব পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ দ্বাৰা মাজুলী জিলাৰ শিক্ষাৰ্থী সকলৰ মাজত পৰিবেশৰ ওপৰত এখনি অনলাইন স্বৰচিত কবিতা লিখনি প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাখনি নিম্ন আৰু উচ্চ শাখাত বিভক্ত কৰা হৈছে। নিম্ন শাখাত ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ আৰু উচ্চ শাখাত একাদশ শ্ৰেণীৰ পৰা স্নাতক পৰ্যায়লৈকে বিভক্ত কৰা হৈছে। প্ৰতিযোগিতাৰ নিয়মাৱলীসমূহ এনেধৰণৰ কবিতাসমূহ সম্পূৰ্ণ স্বৰচিত হ'ব লাগিব নকল অথবা অন্য উৎসৰ পৰা সংগ্ৰহ কৰা কবিতা গ্ৰহণযোগ্য নহব,স্বৰচিত কবিতাৰ তলত সম্পূৰ্ণ নাম, ঠিকনা, শ্ৰেণী আৰু যোগাযোগ নম্বৰৰ সৈতে এখন পাচপৰ্ট আকাৰৰ ফটো সংলগ্ন কৰি দিব লাগিব।এই প্ৰতিযোগিতাৰ অংশগ্ৰহণকাৰী সকল মাজুলী জিলাৰ স্থায়ী বাসিন্দা হব লাগিব, স্বৰচিত কবিতাসমূহ স্পষ্ট আখৰৰ পঢ়িব পৰাকৈ স্কেন কৰি PDF Formatত প্ৰেৰণ কৰিব। অস্পষ্ট লিখনি গ্ৰহণযোগ্য নহব, স্বৰচিত কবিতাসমূহ ইংৰাজী অথবা অসমীয়া যিকোনো এটা ভাষাত লিখিব পাৰিব। দুয়োটা শাখাৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ তৰফৰ দ্বাৰা পুৰস্কাৰ প্ৰদান কৰা হ'ব। বিজয়ী প্ৰতিযোগিৰ নামৰ লগতে কবিতাসমূহ মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ Facebook পেজ আৰু YouTube চেনেল DISTRICT LEGAL SERVICES AUTHORITY, MAJULIৰ লগতে আগশাৰী দৈনিক কাকতত প্ৰকাশ কৰা হ'ব। স্বৰচিত কবিতা প্ৰেৰণ কৰাৰ অন্তিম তাৰিখ ১০ জুন ২০২১।স্বৰচিত কবিতাৰ লিখনি dlsamajuli@gmail.com ইমেইলত অথবা হোৱাটচ্ এপ নম্বৰ ৭০০২৭১৭১৪৩ত প্ৰেৰণ কৰিবলৈ জনোৱা হ'ল।

### কাজিৰঙা দ্য হ'লী নেচাৰ ঃ ভৱিষ্যতৰ কাজিৰঙা-সুৰক্ষিত কাজিৰঙা
## জামুগুৰিহাটৰ পাণপুৰত বিধায়ক পদ্ম হাজৰিকাৰ নেতৃত্বত আৰম্ভ হ'ল এক অভিনৱ কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, নদুৱাৰ, ৬ জুন ঃ** কাজিৰঙা বুলিলে সাধাৰণতে সকলোৰে মনলৈ আহে ক'হৰাস্থিত দক্ষিণপাৰৰ কাজিৰঙাখনি । কিন্তু ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰেও জীৱ-জন্তু, পশু-পক্ষী, বিবিধ গছ-গছনিৰে ভৰপুৰ অন্য এখন কাজিৰঙাও যে আছে, সেইবিষয়ে বহুলোকৰেই বোধগম্য নহয়। তেজপুৰৰ পৰা গমিৰি পৰ্যন্ত বিস্তৃত হৈ থকা কাজিৰঙাৰ এই নতুন সংস্কৰণক প্ৰকৃতিপ্ৰেমীসকলৰ লগতে বিশ্ব দৰবাৰত পৰিচিত কৰোৱাৰ মহান উদ্দেশ্যৰে যোৱা ৫ জুন তাৰিখে বিশ্ব পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি শোণিতপুৰ জিলাৰ জামুগুৰিৰ পাণপুৰত হ'লী ফাউণ্ডেশ্যন ছ'চাইটী, উপত্যকা আৰু কন্যকা নামৰ তিনিটা বেচৰকাৰী সংগঠনৰ প্ৰচেষ্টাত আৰম্ভ কৰা হয় 'কাজিৰঙা দ্য হ'লী নেচাৰ ঃ ভৱিষ্যতৰ কাজিৰঙা-সুৰক্ষিত কাজিৰঙা' শীৰ্ষক এক অভিনৱ কাৰ্যসূচীৰ। কাজিৰঙাৰ এই নতুন সংস্কৰণৰ জীৱ-জন্তু, পশু-পক্ষী, বিবিধ গছ-গছনিৰ সুৰক্ষাৰ লগতে ইয়াৰ নিকটৱৰ্তী অঞ্চলসমূহৰ বাসিন্দাসকলক প্ৰকৃতি সুৰক্ষাৰ বিষয়ে সজাগ কৰোৱাই হ'ব এই কাৰ্যসূচীৰ মূল লক্ষ্য। স্থানীয় বিশিষ্ট শিক্ষাবিদ বিশ্ব হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত এক সভাত উক্ত কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভণি কৰা হয়। বন বিষয়া দেৱজিৎ শইকীয়াৰ লগতে স্থানীয় বহু লোকে অংশগ্ৰহণ কৰা উক্ত সভাত উদ্দেশ্য ব্যাখ্যা কৰি আহ্বায়ক মতি কুমাৰ নেৰাৰে এই কাৰ্যসূচীৰ লক্ষ্য, উদ্দেশ্য আৰু ভৱিষ্যতৰ পৰিকল্পনা সন্দৰ্ভত বহলাই কয়। স্থানীয় বিধায়ক পদ্ম হাজৰিকাৰ এক সপোনৰ ফলশ্ৰুতিত এই কাৰ্যসূচীৰ জন্ম বুলি কৈ তেওঁ জানিবলৈ দিয়ে যে কাজিৰঙাৰ এই নতুন সংস্কৰণক বিশ্ববাসীৰ সন্মুখত পৰিচিত কৰোৱাৰ বাবে বিধায়ক পদ্ম হাজৰিকা সংকল্পবদ্ধ। এই সমগ্ৰ কাৰ্যসূচী স্থানীয় বিধায়কজনৰ নেতৃত্বত সুপৰিকল্পিতভাৱে সম্পন্ন কৰা হ'ব বুলি মতি নেৰাৰে জানিবলৈ দিয়ে।

### পানীদিহিং মৌজাত বনৰীয়া হাতীয়ে তাণ্ডৱ
## এটা পৰিয়ালৰ ঘৰ ভাঙি বিস্তৰ ক্ষতিসাধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিমৌ, ৬ জুন ঃ** শিৱসাগৰ জিলাৰ ডিমৌ বন খণ্ড বিষয়া কাৰ্য্যালয়ৰ অন্তৰ্গত পানীদিহিং মৌজাত যোৱা নিশা বনৰীয়া হাতীয়ে তাণ্ডৱ চলাই বিস্তৰ ক্ষতিসাধন কৰে। জানিব পৰা মতে যোৱা নিশা এটা বনৰীয়া হাতীয়ে কটিয়ৰী দেউৰী গাঁৱৰ নিবাসী জয়জীৱন গোৱালাৰ ঘৰ ভাঙি লণ্ড-ভণ্ড কৰে । সেই সময়ত ঘৰৰ ভিতৰত থকা পৰিয়ালৰ লোক কেইজন দ্ৰুতক্ৰমে হাতীৰ আক্ৰমণৰ পৰা ৰক্ষা পৰে। আনহাতে নিতাই পানীদিহিং মৌজা দুটাত যোৱা কেইটা দশক ধৰি হাতী মানুহৰ সংঘাট বৃদ্ধি পোৱাত বহুকেইজন লোকে প্ৰাণ হেৰুৱাৰ লগতে বহুকেইটা বন্যহস্তীও মৃত্যুমুখত পৰিছে। এই দীৰ্ঘদিনীয়া সমস্যাটোৰ এক স্থায়ী সমাধান কৰিবলৈ চৰকাৰক দাবী জনাইছে ৰাইজে।

## পলাশবাৰীত গছ পুলি ৰোপণ প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ৬ জুন ঃ** সমগ্ৰ বিশ্বৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৫ জুনত বিশ্ব পৰিবেশ দিৱস উদ্‌যাপন কৰা হয়। সমান্তৰালভাৱে কালি প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়, ৰামপুৰ শাখাৰ উদ্যোগত বিশ্ব পৰিবেশ দিৱস উপলক্ষে পলাশবাৰীৰ হুদুমপুৰৰ প্ৰয়াত গজেন্দ্ৰ চন্দ্ৰ কলিতাৰ বাসভৱনত কলিতা জনগোষ্ঠী উন্নয়ন পৰিষদৰ সভাপতি ড০ ৰাজেন চন্দ্ৰ কলিতাই এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। প্ৰয়াত গজেন্দ্ৰ চন্দ্ৰ কলিতাৰ পৰিয়ালবৰ্গৰ সমূহ সদস্যই এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। লগতে পলাশবাৰী দুৰ্গা মন্দিৰ, হুদুমপুৰ প্ৰাথমিক বিদ্যালয়, ৰামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ৰামপুৰত নিৰ্মাণৰত অৱস্থাত থকা প্ৰজাপিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয় কাৰ্যালয়গৃহ চৌহদত বৃক্ষৰোপণ কৰা হয়। প্ৰজাপ্ৰিতা ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়, ৰামপুৰ শাখাৰ পৰিচালিকা বি কে ব্ৰহ্মকুমাৰী সাইমণিয়ে পৰিচালনা কৰা কাৰ্যসূচীত ব্ৰহ্মকুমাৰী ঈশ্বৰীয় বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলেও নিজাববীয়াকৈ গছ পুলি ৰোপণ কৰে। উল্লেখ্য যে উক্ত অনুষ্ঠান সাফল্যমণ্ডিত কৰাৰ বাবে ড০ ৰাজেন চন্দ্ৰ কলিতাই সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াই বুলি জানিব পৰা গৈছে।

## গুৱাহাটীত ব্যতিক্ৰমী প্ৰচেষ্টাৰে বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৬ জুন ঃ** গুৱাহাটী মহানগৰীৰ এক ব্যতিক্ৰমী বেচৰকাৰী সংগঠন এড়ু ফ্লেয়াৰ ছ'চায়িটী আৰু নলবাৰী জিলাৰ চামতাৰ প্ৰস্তাৱিত কৃষিভিত্তিক সংগ্ৰহালয় পবিন্দ্ৰ জেউতিৰ উদ্যোগত আৰু গুৱাহাটী মহানগৰীৰ শ্ৰীমন্ত মাধৱদেৱ পথৰ (ভিআইপি পথ) এড়ু ফ্লেয়াৰ একাডেমীৰ সহযোগত হোৱা বিশ্ব পৰিৱেশ দিৱস উপলক্ষে আয়োজন কৰা কণ কণ ছাত্ৰ-ছাত্ৰীৰ মাজত অনলাইন বৃক্ষ ৰোপণ আৰু প্ৰতিপালনৰ ফটোৰ বিনামূলীয়া প্ৰতিযোগিতাৰ সামৰণি পৰে। এই প্ৰতিযোগিতাত বিভিন্ন ঠাইৰ ২১৩ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰে। এই প্ৰতিযোগিতাত যোৱাবছৰ গছ পুলি ৰোপণ কৰা আৰু এইবছৰ সেই একেজোপা গছৰ লগত উঠা ফটো বা এইবছৰ গছ পুলি ৰোপণ কৰা ফটোৰ ওপৰত হোৱা প্ৰতিযোগিতাৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীকে গছ পুলি ৰোপণ আৰু প্ৰতিপালনৰ বাবে প্ৰেৰণা দিয়াৰ বাবে সকলোকে মানপত্ৰ প্ৰদান আৰু তিনিগৰাকী শ্ৰেষ্ঠ প্ৰতিযোগীক প্ৰেৰণামূলক পুৰস্কাৰৰ টোপোলাৰে( ডাকযোগে পঠিওৱা হ'ব) পুৰস্কৃত কৰা হয়। প্ৰথম স্থান লাভ কৰে অৰণ্যক কোঁৱৰ(বিকেভি, ধেমাজি), দ্বিতীয় স্থান লাভ কৰে সংঘমিত্ৰা ৰায় (এছএফ এছ, বহলপুৰ, ধুবুৰী) আৰু তৃতীয় স্থান লাভ কৰে উৎপল ডেকা (এড়ু ফ্লেয়াৰ একাডেমী, গুৱাহাটী)য়ে। কালি পুৱা বিভিন্ন ঠাইত গছ পুলি ৰোপণ কৰাৰ লগতে ৩ জন বিশিষ্ট পৰিৱেশবিদৰ দ্বাৰা এই প্ৰতিযোগিতাৰ ফটোসমূহ পৰীক্ষা কৰা হয়। শেষত এই বিশ্ব পৰিৱেশ দিৱস উপলক্ষে সকলো সচেতন ৰাইজ আৰু ছাত্ৰ-ছাত্ৰীসকলক পৰিৱেশ সংৰক্ষণ, গছ পুলি ৰোপণ আৰু প্ৰতিপালনেৰে এখন সুন্দৰ বিশ্ব গঢ় দিবলৈ আহ্বান জনায় বিশিষ্ট শিক্ষাবিদ তথা এড়ু ফ্লেয়াৰ ছ'চায়িটীৰ উপদেষ্টা হিৰণ্য কুমাৰ নাথ আৰু পবিন্দ্ৰ জেউতিৰ উপদেষ্টা বিশিষ্ট পৰিৱেশ সচেতক শংকৰদেৱ বৰ্মনে।

## আইন সেৱা প্ৰাধিকৰণৰ হোজাই জিলা ন্যায়িক আদালত চৌহদত গছ পুলি ৰোপণ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ৬ জুন ঃ** বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি বিগত ৫ জুনৰ দিনা হোজাই জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত শংকৰদেৱ নগৰস্থিত জিলা আদালত চৌহদত গছপুলি ৰোপণ কাৰ্যসূচীৰ ৰূপায়ণ কৰা হয়। এই সন্দৰ্ভত হোজাই জিলা উকীল সন্থাৰ সম্পাদক অমৰজ্যোতি শইকীয়াই জানিবলৈ দিয়া মতে, সিদিনা আদালত প্ৰাংগণত বিভিন্ন প্ৰজাতিৰ কেবাটাও গছ পুলি ৰোপণ কৰি এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে জিলা সত্ৰ ন্যায়াধীশ আদিত্য হাজৰিকা, মুখ্য ন্যায়িক দণ্ডাধীশ শক্তি শৰ্মা আৰু হোজাই জিলা আইন সেৱা প্ৰাধিকৰণৰ সম্পাদক চালেহ আহমেদ। এই কাৰ্যসূচীত জিলা আদালতৰ অন্যান্য দণ্ডাধীশৰ লগতে হোজাই শংকৰদেৱ নগৰ আদালতত কৰ্মৰত কেইবাগৰাকী অধিবক্তা এই অনুষ্ঠানত উপস্থিত থাকে। উল্লেখ কৰাৰ প্ৰয়োজন যে হোজাই জিলা আইন সেৱা প্ৰাধিকৰণে জিলাখনৰ বহুকেইটা গুৰুত্বপূৰ্ণ সামাজিক অপৰাধ নিৰ্মূলৰ ক্ষেত্ৰত এক মুখ্য ভূমিকা গ্ৰহণ কৰি আহিছে। নাৰী নিৰ্যাতন, ধৰ্ষণত পীড়িতা নাৰী, গাৰ্হস্থ্য হিংসাৰ বলি হোৱা নাৰীক সুৰক্ষা দিয়া আৰু পৰ্যাপ্ত আইনী সহায় প্ৰদানৰ বেলিকা জিলা আইন সেৱা প্ৰাধিকৰণৰ ভূমিকা উল্লেখযোগ্য। শেহতীয়াকৈ জিলা আদালতত কৰ্মৰত উকীলসকলক ক'ভিডৰ ভেকচিন প্ৰদানতো আইন সেৱা প্ৰাধিকৰণে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল। নাৰীৰ বিৰুদ্ধে সংঘটিত অপৰাধ, যৌন নিৰ্যাতন, শাৰীৰিক উৎপীড়ন, শিশু শ্ৰমিক নিয়োগ আদি নিৰ্মূলৰ ক্ষেত্ৰত জিলা আইন সেৱা প্ৰাধিকৰণৰ নৱনিযুক্ত সম্পাদক চালেহ আহমেদে জিলাবাসীৰ সহযোগ কামনা কৰে।



*সান্ধ্য আইন প্ৰণয়ন হৈ থকা সময়ত ওলাই অহা বাইক আৰোহীক সোধা-পোছাৰ সময়ত গুৱাহাটীৰ আৰক্ষী*

## জামুগুৰিহাটত ই-ৰিক্সাচালকৰ পানীত হাঁহ নচৰা অৱস্থা

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ৬ জুন ঃ** কভি'ড-সৃষ্ট পৰিৱেশৰ বাবে এতিয়া পানীত হাঁহ নচৰা অৱস্থাৰ সৃষ্টি হৈছে জামুগুৰিহাটৰ ই-ৰিক্সা চালকসকলৰ। ৰাজ্য চৰকাৰে জাৰি কৰা একপ্ৰকাৰৰ মিনি লকডাউনৰ বাবে এতিয়া যাত্ৰী নাপায় হাহাকাৰ কৰিব লগা হৈছে এইসকল ই-ৰিক্সা চালকে। পুৱা সাত বজাতে জামুগুৰি ব্যৱসায়িক কেন্দ্ৰস্থললৈ আহি দিনৰ ১১ বজালৈকে যাত্ৰীৰ অপেক্ষাত ৰৈ থকা ই-ৰিক্সাচালকসকলে কেতিয়াবা দুই-এটা ভাৰা পোৱাৰ বাদে বাকী সময়খিনি এনেই থাকিব লগা হয়। পূৰ্বতে দিনটোত এহাজাৰৰ পৰা পোন্ধৰশ টকা উপাৰ্জন কৰা ই-ৰিক্সাচালকৰ এতিয়া দিনটোত এশটকাও উপাৰ্জন নহয়। কোনোবা দিনা আকৌ এটাও ভাৰা নোপোৱাকৈ ঘৰলৈ উভতি যাব লগা হয় ই-ৰিক্সাচালকসকল। একমাত্ৰ ই-ৰিক্সা চলাই জীৱন নিৰ্বাহ কৰা এইসকল লোকৰ জীৱনলৈ কভি'ড-সৃষ্ট পৰিৱেশে এতিয়া আনি দিছে চৰম অনিশ্চয়তা। অকল জামুগুৰিহাটেই নহয় ইয়াৰ নিকটৱৰ্তী কুসুমটোলাৰ ই-ৰিক্সাচালকসকলৰো এতিয়া মিনি লকডাউনৰ ফলত একেই সমস্যা হৈ পৰিছে। সেয়েহে জামুগুৰিহাটৰ এইসকল ই-ৰিক্সাচালকে তেওঁলোকৰ জীৱনলৈ নামি অহা এই দুৰ্দশাৰ সময়ত চৰকাৰৰ পৰা যদি কিছু আৰ্থিক সাহায্য লাভ কৰিবলৈ সক্ষম হয় তেন্তে তেওঁলোকৰ জীৱনলৈ নামি অহা বিপৰ্যয়ৰ সময়ত কিছু হ'লেও সকাহ লাভ কৰিবলৈ সক্ষম হ'ব।

# ডিমৌত সাংসদ তপন কুমাৰ গগৈয়ে পৰিদৰ্শন কৰিলে লাইবিলৰ খহনীয়াগ্ৰস্ত এলেকা

### ক'ভিড সম্পৰ্কীয় পৰ্যালোচনা সভাত অংশগ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডিমৌ, ৬ জুন ঃ** ৰাজ্যত দিনক দিনে ক'ভিড মহামাৰীয়ে লৈছে ভয়ংকৰ ৰূপ। কৰ'না মহামাৰীৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ, প্ৰশাসনে জাৰি কৰিছে কেতবোৰ নিত্য-নতুন নীতি-নিৰ্দেশনা। ৩১ মে'ত ডিমৌৰ বহুমুখী ভৱনত থাওৱা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁই, যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈ, প্ৰাক্তন বিধায়ক কুশল দুৱৰী, শিৱসাগৰ জিলাৰ উপায়ুক্ত বিষ্ণু কমল বৰা, ডিমৌ খণ্ড উন্নয়ন বিষয়া অৰুণ গগৈ, চক্ৰ বিষয়া ফিলিচ ৰাংচাল আৰু কিছু বিশিষ্ট ব্যক্তিৰ মাজত কৰ'না মহামাৰী সম্পৰ্কীয় এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। এই পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে চিকিৎসক, আৰক্ষী, পঞ্চায়তৰ প্ৰতিনিধিয়ে। পৰ্যালোচনা সভাত ডিমৌত কৰ'নাৰ ক্ষেত্ৰত চাহ বাগিচা, গ্ৰামাঞ্চল, চহৰাঞ্চল আদিত কিদৰে প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰিব সেই সম্পৰ্কে আলোচনা কৰে। পৰ্যালোচনা সভাৰ জৰিয়তে সকলো ৰাইজকে কৰ'না মহামাৰীৰ বাবে সজাগ হ'বলৈ আহ্বান জনায়। আনহাতে, সাংসদ তপন কুমাৰ গগৈয়ে ৩১ মে'ৰ সন্ধিয়া দিহিং নদীৰ প্ৰৱল খহনীয়াৰ স্থান লাইবিলত উপস্থিত হৈ পৰিদৰ্শন কৰে। সাংসদগৰাকীয়ে দিহিঙৰ মথাউৰিৰ অত্যন্ত দুৰ্বল অংশত শিৱসাগৰ সংমণ্ডল কাৰ্যবাহী অভিযন্তা, প্ৰাক্তন বিধায়ক কুশল দুৱৰী, দিচাং-দিখৌ প্ৰতিনিধি হৈ লক্ষীনন্দন মিলি, টি এম পি কেৰ কেন্দ্ৰীয় সমিতিৰ দিব্য খামতি, টি এম পি কে, এম এম কে শিৱসাগৰ আৰু স্থানীয় আঞ্চলিক সমিতি আৰু ৰাইজৰ সহযোগত এখন স্মাৰক-পত্ৰ প্ৰদান কৰে সাংসদগৰাকীক। স্মাৰক-পত্ৰত উল্লেখ কৰিছে যে, লাচন তিনিআলিৰ পৰা দিহিংমুখ অঞ্চলৰ মথাউৰি সবলীকৰণ আৰু পকীকৰণ কৰা, ভেকুৰী চাপৰিৰ পৰা দিহিং কলঘৰলৈ প্ৰায় ৯ কিলোমিটাৰ খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা কৰা, শিৱসাগৰ আৰু ডিব্ৰুগড় জিলালৈ যাতায়াতৰ সুবিধা হোৱাকৈ ভেকুৰী চাপৰি পাৰঘাটত পকী দলং নিৰ্মাণ কৰা, মিৰিপথাৰৰ পৰা চেঁচামুখৰ ৰিং বান্ধ নিৰ্মাণ কৰা আৰু মিৰিপথাৰ আৰু লাইবিলৰ মাজৰ মথাউৰিৰ দুৰ্বল অংশক শীঘ্ৰেই ৰোধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাইছে।

## মদৰ ঘাটি উচ্ছেদক কেন্দ্ৰ কৰি জাগীৰোডৰ বৰদিয়াত উত্তপ্ত পৰিস্থিতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, জাগীৰোড, ৬ জুন ঃ** জাগীৰোড সমষ্টিৰ অন্তৰ্গত মায়ঙৰ বৰদিয়াত মদৰ ঘাটি উচ্ছেদক লৈ উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। আৰক্ষীয়ে মদৰ ঘাটি উচ্ছেদ কৰাৰ পাছতে একাংশ গাঁওবাসীয়ে আক্ৰমণ কৰে মায়ং পঞ্চায়তৰ বিজেপিৰ কাউন্সিলৰৰ ঘৰত। ঘটনাটোত আহত হয় পঞ্চায়ত প্ৰতিনিধিজনৰ তিনিগৰাকী মহিলা সদস্য। মায়ং পঞ্চায়তৰ বিজেপিৰ কাউন্সিলৰ পৰেশ কলিতাৰ ঘৰত হয় এই আক্ৰমণ। উল্লেখ্য যে মায়ং থানাৰ আৰক্ষীয়ে বৰদিয়া পাভকাটি গাঁৱত চলাইছিল অভিযান। অতীজৰে পৰাই চুলাই মদ প্ৰস্তুত কৰি বিক্ৰী কৰি আহিছিল গাঁৱৰ একাংশই। আজি চুলাই মদ আৰু বিলাতী সুৰাৰ বিৰুদ্ধে চলোৱা হৈছিল উচ্ছেদ অভিযান। অৱশ্যে মায়ং পঞ্চায়তৰ কাউন্সিলৰ পৰেশ কলিতাই আৰক্ষীক খবৰ দিয়া বুলি সন্দেহ কৰে পাভকাটি গাঁৱৰ ৰাইজে। সেয়ে আৰক্ষী যোৱাৰ পিছতেই পৰেশ কলিতাৰ ঘৰ আৰু দোকান লণ্ড-ভণ্ড কৰে উত্তেজিত একাংশ লোকে। পিছত আৰক্ষী আহি পৰিস্থিতি নিয়ন্ত্ৰণ কৰে যদিও বৰ্তমানেও লৈ চেপা উত্তেজনা বিৰাজ কৰি আছে।

## বিপিএফ শূন্য দৰঙ্গাজুলি সমষ্টিত এমচিএলএ বিজিত গৌৰা নাৰ্জাৰীক বিপুল সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ৬ জুন ঃ** বিগত বিটিচি পৰিষদীয় নিৰ্বাচনত ২৬নং দৰঙ্গাজুলি পৰিষদীয় সমষ্টিৰ পৰা বিপিএফৰ হৈ প্ৰতিদ্বন্দ্বিতা কৰি বিপুল ভোটৰ ব্যৱধানত জয়লাভ কৰি শেহতীয়াভাৱে বিজেপি দলত যোগদান কৰিছিল দৰঙ্গাজুলি সমষ্টিৰ জনপ্ৰিয় এম চি এল এ বিজিত গৌৰা নাৰ্জাৰীয়ে। বিটিচিৰ অন্যতম আঞ্চলিক ৰাজনৈতিক দল বিপিএফ দলক মোক্ষম আঘাত কৰি গেৰুৱা বসন পৰিধান কৰা বিজিত গৌৰা নাৰ্জাৰীক আজি দৰঙ্গাজুলি মণ্ডল বিজেপিৰ উদ্যোগত কুমাৰীকাটা মণ্ডল বিজেপিৰ কাৰ্যালয়ত অনুষ্ঠিত এক সভাত বিপুলভাৱে সম্বৰ্ধনা জনোৱা হয়। দৰঙ্গাজুলি মণ্ডল বিজেপিৰ সভাপতি সত্যজিৎ পাঠকৰ সভাপতিত্বত সম্পূৰ্ণ ক'ভিড প্ৰট'কল মানি অনুষ্ঠিত সম্বৰ্ধনা সভাত বিটিআৰৰ মনোনীত এম চি এল এ হেমন্ত কুমাৰ ৰাভা, বাক্সা জিলা বিজেপিৰ সভাপতি আৰু সাধাৰণ সম্পাদক ৰাম দাহাল আৰু ৰাজেশ বড়ো, বাক্সা জিলা বিজেপিৰ উপ-সভাপতি দ্বিপেন কলিতা, বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য তথা বিজেপি নেতা দেৱেন বড়ো প্ৰমুখ্যে জিলা আৰু মণ্ডল মৰ্চাৰ বিষয়ববীয়াসকল উপস্থিত থাকে। আগন্তুক দিনত সকলোৱে মিলিজুলি দৰঙ্গাজুলি সমষ্টিৰ উন্নয়ন আৰু বিকাশৰ বাবে কাম কৰি যোৱাৰ বাবে পৰিকল্পনা হাতত লোৱা হয়।

## শ্ৰীশ্ৰীমাজুলী বৰ এলেঙী সত্ৰৰ সত্ৰাধিকাৰৰ পত্নী বুলুৰাণী গোস্বামীৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ৬ জুন ঃ** মাজুলী জিলাৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীমাজুলী বৰ এলেঙী সত্ৰৰ সত্ৰাধিকাৰ ভৱানন্দ দেৱগোস্বামীৰ পত্নী, সৰবৰহী ধৰ্মপ্ৰাণ মহিলা বুলুৰাণী গোস্বামীৰ কালি যোৰহাট মেডিকেল কলেজ হাস্পতালত মৃত্যু হয়। মাজুলী বৰ এলেঙী সত্ৰৰ অগ্ৰণী মহিলা বুলুৰাণী গোস্বামী ২৮ মে'ৰ পৰা যোৰহাট মেডিকেল কলেজ হাস্পতালত ভৰ্তি হৈ আছিল। সেইদিনা সৰবৰহী মহিলাগৰাকী নিম্ন ৰক্তচাপ আৰু মধুমেহ ৰোগত আক্ৰান্ত হৈছিল। পৰিয়ালৰ লোকে মাজুলীৰ গড়মূৰ জিলা চিকিৎসালয়ত ভৰ্তি কৰিছিল। কিন্তু, ৰোগৰ জটিলতাৰ চাই চিকিৎসকে জৰুৰী ভাৱে আই চি ইউ কক্ষত ভৰ্তি কৰাবলৈ পৰামৰ্শ দিয়ে। মাজুলীৰ চিকিৎসালয়ত আই চি ইউৰ ব্যৱস্থা নথকাত পৰিয়ালৰ লোকে ১০৮ সেৱাৰ জৰিয়তে যোৰহাট মেডিকেল কলেজলৈ লৈ যায়। যোৰহাট মেডিকেল কলেজৰ আই চি ইউত ২৮ মে'ৰ পৰা চিকিৎসাধীন বুলুৰাণী গোস্বামীৰ কালি মৃত্যু হয়। পৰিয়ালৰ লোকে বিয়লি মৃতদেহ যোৰহাটৰ পৰা আনি নিজৰ ঘৰ পোৱাৰ লগে লগে সমগ্ৰ অঞ্চলত শোকৰ ছাঁ পৰে। পাছত মাজুলী বৰ এলেঙী সত্ৰৰ চৌহদত মৃতদেহ সংকাৰ কৰা হয়। বুলুৰাণী গোস্বামীৰ মাতৃগৃহ আছিল গহপুৰৰ চুপহা সত্ৰত। ১৯৮৩ চনত মাজুলী বৰ এলেঙী সত্ৰৰ ভৱানন্দ দেৱগোস্বামীৰ লগত বিবাহপাশত আবদ্ধ হৈছিল। বিবাহৰ পাছৰ পৰাই তেওঁ মাজুলী বৰ এলেঙী সত্ৰৰ ধৰ্ম আৰু সমাজ জীৱনৰ লগত একাত্ম হৈ পৰিছিল। সৰবৰহী, মৃদুভাষী মহিলাগৰাকীৰ মৃত্যুত মাজুলীত গভীৰ শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৭ বছৰ। মৃত্যুৰ সময়ত তেওঁ স্বামী সত্ৰাধিকাৰ ভৱানন্দ দেৱগোস্বামীসহ দেওৰ, বোৱাৰী আৰু বহুকেইজন ভতিজা ইহসংসাৰত এৰি থৈ গৈছে।




*অনলাইনযোগে গ্ৰাহকক খাদ্য সামগ্ৰী যোগান ধৰা 'জামাটো'ৰ কৰ্মকৰ্তাক ক'ভিড ভেকচিনৰ প্ৰথমপালি দিয়াৰ সময়ত*

### মাজুলীৰ ঐতিহ্যমণ্ডিত সত্ৰৰ সত্ৰাধিকাৰৰ বিষয়ে সামাজিক মাধ্যমত আপত্তিজনক মন্তব্য

# আৰক্ষীৰ জালত পৰা কমলাকান্ত বৰাৰ ৰাজহুৱাভাৱে ক্ষমা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ৬ জুন ঃ** সত্ৰীয়া সংস্কৃতিৰ পীঠস্থান মাজুলীৰ ঐতিহ্যমণ্ডিত সত্ৰৰ এগৰাকী সত্ৰাধিকাৰক লৈ অলপতে কমলাকান্ত বৰা নামৰ এজন ব্যক্তিয়ে সামাজিক মাধ্যমত আপত্তিজনক মন্তব্য প্ৰকাশ কৰাত সমগ্ৰ মাজুলীতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। পূজ্যস্পাদ সত্ৰাধিকাৰসকলৰ অমূল্য অৱদান আৰু মাজুলীৰ সত্ৰীয়া আদৰ্শক হেয়পতিপন্ন কৰা এনে অশোভনীয় প্ৰচাৰে সমগ্ৰ অসমতে এক বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। মাজুলীৰ বিভিন্ন দল-সংগঠনে এই বিষয়টোৰ ওপৰত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে আৰু কমলাকান্ত বৰা যাতে আইনৰ সুৰুঙাৰে সাৰি যাব নোৱাৰে তাৰ ওপৰত আৰক্ষীক ব্যৱস্থা গ্ৰহণৰ আহ্বান জনোৱাৰ লগতে সামাজিক মাধ্যমৰ ব্যৱহাৰিক দিশৰ ওপৰতো আৰক্ষীক দৃষ্টি ৰাখিবলৈ আহ্বান জনাইছিল। ইতিমধ্যে ব্যক্তিজনৰ ওপৰত সত্ৰৰ মুক্তিয়াৰ ৰিংকুমণি দত্তই মাজুলীৰ আৰক্ষী অধীক্ষকৰ ওচৰত দাখিল কৰা এজাহাৰৰ ভিত্তিত কমলাকান্ত বৰাক গুৱাহাটীত কৰায়ত্ত কৰি মাজুলী থানালৈ আনি সোধা-পোছা কৰে। অভিযুক্ত বৰাই নিজৰ দোষ স্বীকাৰ কৰি অনুশোচনা কৰাৰ বিষয়ে আৰক্ষীক অৱগত কৰে। আজি মাজুলী থানাৰ সভাকক্ষত মাজুলীৰ সংবাদ কৰ্মী, বিভিন্ন সত্ৰ আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰতিনিধি, মাজুলী জিলা সাহিত্য সভা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, মাজুলী জিলা ছাত্ৰ সন্থা, মাজুলী জিলা সাংবাদিক সন্থাৰ প্ৰতিনিধি আৰু এইক্ষেত্ৰত এজাহাৰ দাখিল কৰোঁতা ৰিংকুমণি দত্তকে ধৰি স্থানীয় ৰাইজৰ ওচৰত কমলাকান্ত বৰাই ক্ষমা-ভিক্ষা মাগে। তেওঁৰ কৃতকৰ্মৰ বাবে অনুতপ্ত বুলি স্বীকাৰ কৰি মাজুলীৰ সত্ৰানুষ্ঠান, সত্ৰাধিকাৰ আৰু মাজুলীবাসীক ক্ষমা কৰি দিবলৈ নিৱেদন জনায়। এই ভুল সামাজিক মাধ্যমত স্বীকাৰ কৰাৰ উপৰি এনে ধৰণৰ মন্তব্য নিদিবলৈ আহ্বান জনাবলৈ প্ৰতিশ্ৰুতি দিয়ে। পিছত আৰক্ষীৰ ওচৰত এখন লিখিত প্ৰতিশ্ৰুতি দিয়াত বৰাক মুক্ত কৰি দিয়ে। উল্লেখ্য যে সত্ৰাধিকাৰগৰাকীয়ে প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক মাজুলীবাসীয়ে আশা কৰা মতে মাজুলীত বিধায়ক হিচাপে থাকিবলৈ আহ্বান জনাই তেওঁৰ কৰ্মৰাজিৰ বিষয়ে অৱলোকন কৰি মহাভাৰতৰ 'ভীষ্ম'ৰ লগত তুলনা কৰি বক্তব্য প্ৰদান কৰাৰ বাবে ফেচবুকত বৰাই অশোভনীয় মন্তব্য কৰিছিল। বৰাৰ মন্তব্যক সমৰ্থন কৰি অশোভনীয় মন্তব্য কৰিছিল ক্ৰমে- প্ৰাঞ্জল কুমাৰ মহন্ত, মনালিছা গগৈ, ৰঞ্জিৎ হাজৰিকা, ৰূপ গোস্বামী, অলকেশ শইকীয়া, শুভলক্ষ্মী দত্ত, গীতালি কেওট, ৰমেন গোস্বামী, ইন্দ্ৰ মোহন শইকীয়া আদি সহযোগীসকলে। সামাজিক মাধ্যমত গুৰু-গোসাঁই নমনা এনে কিছুমান লোকে অসমত এক অশুভ পৰম্পৰা সৃষ্টি কৰাৰ বাবে এতিয়া নিয়ন্ত্ৰণ কৰিবলগীয়া হৈছে। এইক্ষেত্ৰত মাজুলীৰ নৱ-নিযুক্ত আৰক্ষী বিষয়া গৌতম বৰাৰ তৎপৰতাত সত্ৰসমূহৰ লগতে মাজুলীৰ বিভিন্ন দল-সংগঠনে সন্তোষ প্ৰকাশ কৰি সমাজখন সুস্থিৰ কৰি ৰখাৰ বাবে আৰক্ষী বিষয়াগৰাকীয়ে লোৱা পদক্ষেপক আদৰণি জনাইছে।

অসম চৰকাৰ

## কৃতজ্ঞতা

ক'ভিড-১৯ৰ টীকাকৰণ অভিযানক জনআন্দোলনলৈ ৰূপান্তৰ কৰাৰ বাবে অসম চৰকাৰে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আৰ্থিক বৰঙণি আগবঢ়োৱা নিম্নোক্ত ব্যক্তি / অনুষ্ঠানৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

| ব্যক্তি/ অনুষ্ঠানৰ নাম | বৰঙণি |
|---|---|
| মেলামৰা গাঁওৰক্ষী বাহিনী | ২,০০০ টকা |
| দিলীপ শইকীয়া | ১,৫০০ টকা |
| মঃ চাহিবুৰ ৰহমান | ১০,০০০ টকা |
| প্ৰবীন চন্দ্ৰ শইকীয়া | ২,০০০ টকা |
| দুলাল বৰা | ১,৫০০ টকা |
| মানস বৰুৱা | ৫,০০০ টকা |
| মৃদুল বৰুৱা | ২,০০০ টকা |
| কঠালগুৰি বুঢ়ালিকশ্বন ভিডিপি | ২,০০০ টকা |
| গৌতম হাজৰিকা | ১,০০০ টকা |
| গোবিন বৰা | ৫,০০০ টকা |
| বদন তামুলী | ৫,০০০ টকা |
| প্ৰদ্যুৎ খাউণ্ড | ১,০০০ টকা |
| সুশীল কুমাৰ মাৰুতি আৰু লতা মাৰুতি | ১,০০০ টকা |
| নবাৰুণ গ্ৰাম্য সংগঠন | ২,০০০ টকা |
| বিশ্বলোচন মৰান | ২,০০০ টকা |
| ইলিয়াচ আলী | ৫,০০০ টকা |
| ভৰেশ গগৈ | ২,০০০ টকা |
| অৰূপ মহন্ত | ১,২০০ টকা |
| ৰুদ্ৰ শইকীয়া | ৫,০০০ টকা |
| দীপক বৰা | ১০,০০০ টকা |
| সৃষ্টিৰাণী চেল্ফ হেল্প গ্ৰুপ | ৬০০ টকা |
| ৰমেন বৰা | ৫০০ টকা |
| মুকুট চেতিয়া | ১,০০০ টকা |
| অজিত বৰা | ১,০০০ টকা |
| যোগীবাৰী গাঁওৰক্ষী বাহিনী | ১,০০০ টকা |
| আদিত্য গাঁও সংস্থা, মেলামৰা | ৫,০০০ টকা |
| দিলীপ শইকীয়া | ১০,০০০ টকা |
| ৰন্টু বৰুৱা | ১,০০,০০০ টকা |
| ড° হিলালুদ্দিন আহমেদ | ১,৫০০ টকা |
| হামিৰ সিং ৰাথৰ | ১,১০০ টকা |
| ৰাম নিবাস চৌধুৰী | ১,১০০ টকা |
| হেমন্ত শইকীয়া | ১১,১১১ টকা |
| বিকাশ বৰা | ৫৫১ টকা |
| পৰাগ শইকীয়া | ৫,০০০ টকা |
| মেক মোহন বৰা | ১,০০০ টকা |
| জগত শইকীয়া | ২৫,০০০ টকা |
| মোস্তাফা হুছেইন | ৫১,০০০ টকা |
| তনুজ কুমাৰ মহন্ত | ৫,০০০ টকা |
| গৌতম বাগাৰীয়া | ২১,০০০ টকা |
| সবিতা হাজৰিকা | ১,০০০ টকা |
| অমল ভড়ালী | ১০,০০০ টকা |
| প্ৰাণজিৎ বৰা | ৫,০০০ টকা |
| বিশ্ববিজয় বৰা | ৫০১ টকা |
| দেবেন মুদৈ | ১০,০০০ টকা |
| ৰাধিকা চেল্ফ হেল্প গ্ৰুপ | ১,০০০ টকা |
| ৰিতুৰাজ কুৰ্মী | ২,০০০ টকা |
| দীপক কলিতা | ২,০০০ টকা |
| ইলমান তাঁতী | ৫,০০০ টকা |
| ৰাজেন্দ্ৰ বৰা | ৩,০০০ টকা |
| পাৰিজাত গ্ৰাম্য সংগঠন | ১,০০০ টকা |
| ভাৰত হাজৰিকা | ১,০০০ টকা |
| বুদ্ধেশ্বৰ বৰা | ১,০০০ টকা |
| ধনেশ্বৰী শইকীয়া | ১,০০০ টকা |
| ভৰত দত্ত | ৫০০ টকা |
| ডিম্বেশ্বৰ বৰা | ৫,০০০ টকা |
| ডি.এম.অগৰউড ষ্ট'ক এণ্ড চেল ডিপোট | ২,০০০ টকা |
| যোগীবাৰী মহিলা গ্ৰাম্য সংগঠন | ২,০০০ টকা |
| প্ৰণৱজ্যোতি বৰুৱা | ১০,০০০ টকা |
| ধ্ৰুৱজ্যোতি বৰা | ২,০০০ টকা |
| জীৱন বীমা চেল্ফ হেল্প গ্ৰুপ | ২,০০০ টকা |
| বিশ্বজিৎ সন্দিকৈ | ২,০০০ টকা |
| মতীন হুছেইন | ৫১,০০১ টকা |
| নবীন বৰা | ২,০০০ টকা |
| নিলোৎপল দত্ত | ১০,০০০ টকা |
| অৰণ্যম | ৫,০০০ টকা |
| চেল্ফ হেল্প গ্ৰুপ জ্যোতিৰ্ময় | ১,০০০ টকা |
| ৰমেশ ওৰাং | ৫০০ টকা |
| বিক্ৰম দত্ত | ১,০০০ টকা |
| দুলীয়া গাঁও উন্নয়ণ সমিতি | ১,০০০ টকা |
| অসীম কলিতা | ১০,০০০ টকা |
| বন্দনা চেল্ফ হেল্প গ্ৰুপ | ৫০০ টকা |
| নাচিৰুদ্দিন আহমেদ | ১,০০০ টকা |
| পাঞ্চালী গ্ৰামীণ সংঘ | ৩,০০০ টকা |
| শুভ্ৰজিৎ বৰা | ৩,০০০ টকা |
| মৃণাল গগৈ | ১,০০০ টকা |
| এ পি কনষ্ট্ৰাকশ্বন | ১১,০০০ টকা |
| পৰাগ শৰ্মা | ৩,০০০ টকা |
| মাধৱ চন্দ্ৰ শইকীয়া | ১,০০০ টকা |
| আলমৰা সত্ৰ নামঘৰ | ২,০০০ টকা |
| বিকাশ প্ৰতীম হাজৰিকা | ৩,০০০ টকা |
| বিপুল বৰুৱা | ১,০০০ টকা |
| দীপক শইকীয়া | ১,০০০ টকা |
| পোহৰ গ্ৰাম্য সংগঠন | ১,০০০ টকা |
| আৰোহণ গ্ৰাম্য সংগঠন | ১,০০০ টকা |
| সমৃদ্ধি গ্ৰামীণ সংগঠন | ৭,০০০ টকা |
| সমন্বয় গ্ৰাম্য সংগঠন | ১,০০০ টকা |
| গায়ত্ৰী গ্ৰাম্য সংগঠন | ১,০০০ টকা |
| মিলিজুলি গ্ৰাম্য সংগঠন | ১,০০০ টকা |
| প্ৰবীণ দত্ত | ১,০০০ টকা |
| দিলীপ বৰা | ১,০০০ টকা |
| মনোজ জালান | ২,০০০ টকা |
| আধাৰ সত্ৰ গাঁও উন্নয়ন সমিতি | ২,০০০ টকা |
| সঞ্জীৱ চাৰিঙীয়া | ১,০০০ টকা |
| বিমল গগৈ | ২,০০০ টকা |
| অনুপম গোঁহাই | ১,১১১ টকা |
| আস্থা গ্ৰাম্য সংগঠন | ৩,০০০ টকা |
| নৱমল্লিকা গ্ৰাম্য সংগঠন | ১,০০০ টকা |
| অমৰ জ্যোতি বৰুৱা | ২,০০০ টকা |
| ৰিতুঞ্জয় ভুঞা | ৫০,০০০ টকা |
| বিজিত ৰঞ্জন দত্ত | ৫,০০০ টকা |
| অৰ্ণৱ বুঢ়াগোঁহাই | ৫,০০০ টকা |
| স্বপন চেতীয়া | ২,০০০ টকা |
| ৰিতুপন তালুকদাৰ | ৫০০ টকা |
| স্বপন চেতীয়া | ১,০০০ টকা |
| ৰূপাঞ্জলি বৰা | ১,৫০০ টকা |
| প্ৰশান্ত বৰা | ১,০০০ টকা |
| অৰিন্দম শৰ্মা | ৫০১ টকা |
| তপন দত্ত | ১০,০০০ টকা |
| সাগৰ গোঁহাই | ১,০০,০০০ টকা |
| দীপক জালান | ২৫,০০০ টকা |
| বিনয় গগৈ | ১০,০০০ টকা |

| ব্যক্তি/ অনুষ্ঠানৰ নাম | বৰঙণি |
|---|---|
| মেচাৰ্চ বি.এন. কোঃ | ১,০০০ টকা |
| খুমটাই মছজিদ পৰিচালনা সমিতি | ৫,০০০ টকা |
| দিব্যজ্যোতি শৰ্মা আৰু সংগীতা দেৱী | ৫০০ টকা |
| তপন বৰা | ১,০০০ টকা |
| দিলীপ গগৈ | ২,০০০ টকা |
| বীৰেন্দ্ৰ নাথ কটকী | ২,৫০০ টকা |
| কাবেৰী চেল্ফ হেল্প গ্ৰুপ | ১,০০০ টকা |
| ৰণবিজয় প্ৰতাপ সিং | ৩,০৫০ টকা |
| পতিব্ৰতা চেল্ফ হেল্প গ্ৰুপ | ১,০০০ টকা |
| ৰঞ্জিত বৰা | ১,০০০ টকা |
| দেৱপ্ৰসাদ গগৈ | ২,০০০ টকা |
| মাতৃ ভিলেজ অৰ্গানাইজেশ্বন | ১০,০০০ টকা |
| গণেশ চন্দ্ৰ গোস্বামী | ৩,০০০ টকা |
| গোলাঘাট ইলেকট্ৰীকেলছ | ২,০০০ টকা |
| দুলাল বৰুৱা | ১,৫০০ টকা |
| ৰয়েল অ.এ.কে. হাইস্কুল | ২,০০০ টকা |
| সঞ্জীৱনী মেডিকেল | ৫,০০০ টকা |
| বিমলা ৰবিদাস জালান | ১,০০০ টকা |
| পাৰ্থজিৎ শইকীয়া | ৫,৫০০ টকা |
| অমৃত কুমাৰ মাল | ১০,০০০ টকা |
| পাৰশ বৰুৱা | ১,০০০ টকা |
| মুনীন্দ্ৰ মোহন গগৈ | ৫,০০০ টকা |
| মেচাৰ্চ অটো ওৰ্ল্ড | ২১,০০০ টকা |
| কনকলতা গ্ৰাম্য সংগঠন | ৫,০০০ টকা |
| অনুপ গগৈ | ১,৫০০ টকা |
| কিশোৰ কুমাৰ শইকীয়া | ৫০০ টকা |
| বন্তি বৰা তামুলী | ১,৫০০ টকা |
| মঃ খুৰচিদ আহমেদ | ৫০,০০০ টকা |
| কৃষ্ণ কান্ত ৰাজখোৱা | ৬৬৬ টকা |
| অনন্ত কুমাৰ শইকীয়া | ৫,০০০ টকা |
| চম্পক শইকীয়া | ১০,০০০ টকা |
| ব্ৰজকিশোৰ ঠাকুৰ | ১,১০০ টকা |
| দিলীপ তাঁতী | ১,১০০ টকা |
| নৰেন্দ্ৰ নাথ চৌবে | ১,১০০ টকা |
| অজয় কুমাৰ সিং | ১,১০০ টকা |
| ৰঞ্জিত কুমাৰ বৰুৱা | ৫,০০০ টকা |
| মৃণাল শইকীয়া | ৬৫,০০০ টকা |
| নৱজাগৰণ এছোচিয়েটছ | ১০,০০০ টকা |
| ৰদালি ইঞ্জিনিয়াৰিং এণ্ড এ'গ্ৰ চাৰ্ভিছ | ১০,০০০ টকা |
| সুনীল গগৈ আৰু জানমণি গগৈ | ১,১১১ টকা |
| পুষ্পাকান্ত কুমাৰী | ১,০০১ টকা |
| ৰিপুঞ্জয় বৰুৱা | ৫০০ টকা |
| ২নং বৰটিং নাওচালিআ বৰনামঘৰ | ৫০০ টকা |
| প্ৰেৰণা গ্ৰাম্য সংগঠন | ৫,০০০ টকা |
| জয়শ্ৰী এণ্টাৰপ্ৰাইজ ওৱৰ্কছ, গোলাঘাট | ৩,০০০ টকা |
| নামঘৰ পৰিচালনা সমিতি, মেলামাৰা | ৫,০০০ টকা |
| ব্ৰহ্মপুত্ৰ এছ.এছ. লিঃ | ৫,০০০ টকা |
| সুশান্ত হাজৰিকা | ১,০০০ টকা |
| ৰূপম ভড়ালী | ২০,০০০ টকা |
| চেনিমাই শইকীয়া | ১,০০০ টকা |
| ফেডাৰেশ্বন অৱ ইণ্ডাষ্ট্ৰিছ এণ্ড কমাৰ্চ অৱ নৰ্থ ইষ্টাৰ্ণ ৰিজণ | ৩৬,০০,১০০ টকা |
| অসম টি কৰ্পাৰেশ্বন লিঃ | ১০,০০,০০০ টকা |
| শশাংক জ্যোতি ডেকা | ১১,০০০ টকা |
| প্ৰমীলা কলিতা | ১,৫০০ টকা |
| পিয়লি ফুকন নগৰ মহিলা সমিতি | ৫,০০০ টকা |
| ডলি দাস | ৫,০০০ টকা |
| অৰ্চনা শৰ্মা | ৫,০০০ টকা |
| বীৰেন্দ্ৰ কুমাৰ প্ৰসাদ | ৫০,০০০ টকা |
| জিতেন কলিতা | ১,০০,০০০ টকা |
| দীপক দাস | ৫৫,৫৫৫ টকা |
| ৰাজশ্ৰী দাস | ৫১,০০০ টকা |
| নেহা দাস | ২৫,০০০ টকা |
| ৰাথী হাৰ্ডওৱেৰ | ৫১,০০০ টকা |
| মৌচুম বৰঠাকুৰ | ৫,০০০ টকা |
| ত্ৰিপাল ষ্ট'ৰ | ৫১,০০০ টকা |
| বিশ্বজিৎ মেধি | ৫০,০০০ টকা |
| লীলা শইকীয়া | ১,৫১,০০০ টকা |
| ইঞ্জিনিয়াৰ্ছ এচোছিয়েশ্বন পি.ডব্লিউ.আৰ.ডি. ডিব্ৰুগড় ৰোড চাৰ্কল | ৩,০০,০০০ টকা |
| কণ্ট্ৰেকটৰ এচোছিয়েশ্বন, ডিব্ৰুগড় ৰোড চাৰ্কল পি.ডব্লিউ.আৰ.ডি. | ১,০০,০০,০০০ টকা |
| মিকং ইঞ্জিনিয়াৰিং এণ্ড ইনফ্ৰাষ্ট্ৰাকছাৰছ প্ৰাঃলিঃ | ১৫,০০,০০০ টকা |
| নোমল চন্দ্ৰ মোহন | ৫,০০০ টকা |
| অসম ডিপ্লমা ইঞ্জিনিয়াৰ্ছ চাৰ্ভিছ এচোছিয়েশ্বন | ২,০০,০০০ টকা |
| মালতী বড়ো | ২৫,০০০ টকা |
| ৰেডিএণ্ট মেনুফেকচাৰ্চ প্ৰাঃলিঃ | ১৫,০০,০০০ টকা |
| শিশু শিক্ষা সমিতি | ১,০০,০০০ টকা |
| প্ৰশান্ত বায়ন | ৫০,০০০ টকা |
| ফনীধৰ তালুকদাৰ | ১,০০,০০০ টকা |
| পল্লৱী গুপ্তা | ৫,০০,০০০ টকা |
| প্ৰীতম বৰুৱা | ২০,০০০ টকা |
| জয়শ্ৰী খেৰচা | ৫০,১০০ টকা |
| শ্ৰী কৃষ্ণ কেৰিয়াৰ | ৫১,০০০ টকা |
| বাবুল নাথ | ২৫,০০,০০০ টকা |
| গিৰিন্দ্ৰ কাৰ্জী | ১,০০,০০০ টকা |
| উৎপল বৰুৱা | ১১,১১১ টকা |
| এন.ই.আৰ.এম.এ.চি. লিঃ | ১,১৩,৩১১ টকা |
| প্ৰীতি প্ৰভা আগৰৱাল | ১,০০,০০০ টকা |
| জিত নাৰায়ণ শ্ৰীবাস্তৱ | ২৫,০০,০০০ টকা |
| ই.এছ.ই.এছ.বায় ওৱেল্‌থ প্ৰাঃলিঃ | ২,০০,০০০ টকা |
| পঞ্জাৱ নেচনেল বেংক | ২৫,০০,০০০ টকা |
| অসম গ্ৰামীণ বিকাশ বেংক | ১০,০০,০০০ টকা |
| নীকন পাৱাৰ এণ্ড ইনফ্ৰা লিঃ | ১৫,০০,০০০ টকা |
| আজমল ফাউণ্ডেশ্বন | ২৫,০০,০০০ টকা |
| আজমল বায় টেক প্ৰাঃলিঃ | ২০,০০,০০০ টকা |
| আজমল ফ্ৰেগনেঞ্চীছ এণ্ড ফেশ্বনছ প্ৰাঃলিঃ | ১১,০০,০০০ টকা |
| মাৰ্কাজুল মাৰূফ | ২,৫০,০০০ টকা |
| জেচি বিজনেছ প্ৰাঃলিঃ | ৫,০০,০০০ টকা |
| সন্দীপ কুমাৰ মুখাৰ্জী | ১৫১ টকা |
| অৰূপ কুমাৰ নাথ | ৫০১ টকা |
| লক্ষ্যধৰ ডেকা | ৫০১ টকা |
| ৰনদীপ পাটোৱাৰী | ৫,০০০ টকা |
| প্ৰাণকৃষ্ণ কৰ | ২,০০০ টকা |
| ড° ভাস্বৰ পুৰকায়স্থ | ১,০০০ টকা |
| কামাখ্যা চৌধুৰী | ১,১১১ টকা |
| ড° শীলা পুৰকায়স্থ | ১,০০০ টকা |
| সুনীতি শৰ্মা | ৫১১ টকা |
| ধনজিৎ নাথ | ১,৫০০ টকা |
| বিপুল কাকতী | ১১ টকা |
| প্ৰবীন চন্দ্ৰ গোস্বামী | ৫০১ টকা |

মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ একাউণ্ট নম্বৰ ঃ
35969660230 (SBI) IFSC Code: SBIN0010755, PAN: AAAPC4667K

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত · Follow Us /@diprassam · https://dipr.assam.gov.in/

Janasanyog/D/848/21

টকিঅ'ত চৰকাৰৰ বিৰুদ্ধে প্ৰতিবাদ

# জাপানৰ নাগৰিকে বিচৰা নাই অলিম্পিক



**টকিঅ', ৬ জুন ঃ** জাপানৰ প্ৰধানমন্ত্ৰী য়'ছিহিডি ছুগাই আসন্ন অলিম্পিক গেমছ আয়োজন কৰাৰ ক্ষেত্ৰত ইতিবাচক পদক্ষেপ হাতত লোৱাৰ বিপৰীতে দেশৰ জনগনে এই সংকট কালত অলিম্পিক বিচৰা নাই। অহা মাহত টকিঅ' অলিম্পিক হ'ব নে নাই তাক লৈ অলপতে এটা সমীক্ষা কৰিছিল জাপানৰ এটা এজেঞ্চিয়ে। দেশৰ নাগৰিকৰ মত লোৱাৰ পাছত ৭৭ শতাংশ জাপানৰ নাগৰিকে দেশত অলিম্পিক নহয় বুলি ব্যক্ত কৰাৰ লগতে জাপানত অলিম্পিক আয়োজনৰ প্ৰয়োজন নাই বুলিও কয়। উল্লেখ্য যে টকিঅ' অলিম্পিক এবছৰ পিছুৱাই যোৱাত কেবাশ মিলিয়ন ডলাৰ আৰ্থিক ক্ষতি হৈছে আন্তৰ্জাতিক অলিম্পিক কমিটীৰ। আন্তৰ্জাতিক অলিম্পিক কমিটীৰ সভাপতি থমাছ বাচে ইতিমধ্যে এই কথা সদৰি কৰিছে। যদি অলিম্পিক নহয় তেন্তে বিশ্বত অলিম্পিক আন্দোলন চলাই ৰখাটোৱে কঠিন হ'ব বুলি কয় আই অ' চিৰ সভাপতিজনে। বাচে এই মন্তব্য সেই সময়ত দিছে যেতিয়া টকিঅ' অলিম্পিক এবছৰ পিছুৱাই যোৱাৰ পাছতো এতিয়া এমাহ থকাত অনিশ্চয়তাত আছে। স্মৰ্তব্য যে যোৱা বৰ্ষত হ'ব লগা টকিঅ' অলিম্পিক গেমছ এবছৰলৈ পিছুৱাই দিয়া হৈছে। নতুন সূচী অনুসৰি ৰ ২৩ জুলাইৰ পৰা অলিম্পিক আৰু ২৪ আগষ্টৰ পৰা পেৰালিম্পিক হ'ব।



ফিফা বিশ্বকাপৰ যোগ্যতা অৰ্জনকাৰী মেচ

## আজি ভাৰতৰ সন্মুখত বাংলাদেশ

**ডোহা, ৬ জুন ঃ** ডোহাত চলি থকা ফিফা বিশ্বকাপৰ যোগ্যতা অৰ্জনকাৰী মেচত কাইলৈ ভাৰতে খেলিব বাংলাদেশৰ বিৰুদ্ধে। উল্লেখ্য যে ভাৰতীয় ফুটবল দল ইতিমধ্যে যোগ্যতা অৰ্জনৰ দৌৰৰ পৰা আঁতৰি আহিছে। এখনো মেচত জয়লাভ কৰা নাই ভাৰতে। এতিয়ালৈকে ছখন মেচ খেলি ভাৰতে লাভ কৰিছে মাত্ৰ তিনি পইণ্ট। গ্ৰুপ 'ই'ত ভাৰত আছে চতুৰ্থ স্থানত। সেয়েহে কাইলৈ ভাৰত বিশ্বকাপৰ যোগ্যতা অৰ্জনকাৰী মেচত বাংলাদেশৰ মুখামখি হ'ব যদিও এয়া গুৰুত্বহীন। তথাপি এই মেচ ভাৰতৰ বাবে অন্য এক দৃষ্টিৰে গুৰুত্বপূৰ্ণ। সেয়া হ'ল কাইলৈ ভাৰতে জয়লাভ কৰিলে ২০২৩ ৰ এছিয়ান কাপৰ টিকট ডোহাৰ পৰাই লাভ কৰিব। সেয়ে ভাৰতে সেই লক্ষ্য লৈ কাইলৈৰ মেচখন খেলিব। উল্লেখ্য যে ডোহাত চলি থকা ফিফা বিশ্বকাপৰ যোগ্যতা অৰ্জনকাৰী অন্তিমখন মেচত কাটাৰে একমাত্ৰ গ'লত পৰাস্ত কৰে ভাৰতক।



# মহিলাৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত তামাৰা-আনাষ্টিয়া

**পেৰিছ, ৬ জুন ঃ** চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনৰ মহিলাৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে তামাৰা জিডানছেক আৰু আনাষ্টিয়া। উল্লেখ্য যে শ্ল'ভেনিয়াৰ প্ৰথম মহিলাৰূপে ফ্ৰেন্স অপেনৰ একক শাখাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে তামাৰা জিডানছেকে। ৭-৬, ৬-১ ৰ পোনপটীয়া ব্যৱধানত জয়লাভ কৰে তামাৰে। ইফালে, আনাষ্টিয়াই ৫-৭, ৬-৩, ৬-২ ৰ ব্যৱধানত পৰাস্ত কৰে ভিক্টোৰিয়া আজাৰেনকাক। ইয়াৰপূৰ্বে ভিক্টোৰিয়া আজাৰেনকাই আমেৰিকাৰ মেডিছন কীছক ৬-২, ৬-২ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰি চতুৰ্থ ৰাউণ্ডত প্ৰৱেশ কৰিছিল। চতুৰ্থ ৰাউণ্ডত প্ৰৱেশ কৰিছে ছ'ফিয়া কিন আৰু ইগাই। কিনে ৪-৬, ৬-১, ৬-৪ ৰ ব্যৱধানত আৰু ইগাই ৭-৬, ৬-০ ৰ ব্যৱধানত জয়ী হয়। ইয়াৰপূৰ্বে ছ'ফিয়া কিনে ৭-৫, ৬-৩ ৰ পোনপটীয়া ব্যৱধানত জয়ী হয় দ্বিতীয় ৰাউণ্ডত। আনহাতে, ইগাই ৬-০, ৭-৫ ব্যৱধানত জয়ী হৈছিল। স্মৰ্তব্য যে চতুৰ্থ ৰাউণ্ডত প্ৰৱেশ কৰিছে আমেৰিকাৰ তাৰকা ছেৰেণা উইলিয়ামছ। তৃতীয় ৰাউণ্ডৰ মেচত ছেৰেনাই ৬-৪, ৬-৪ ৰ পোনপটীয়া ব্যৱধানত জয়লাভ কৰে। ৩৯ বছৰীয়া ছেৰেনাই ২০১৮ ৰ পাছত এইবাৰ গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনৰ মহিলাৰ একক শাখাৰ চতুৰ্থ ৰাউণ্ডত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছে। ইয়াৰপূৰ্বে ছেৰেনা উইলিয়ামছে তিনিটা ছেটৰ অন্তত ৬-১, ৫-৭, ৬-১ ৰ ব্যৱধানত জয়ী হৈ ফ্ৰেন্স অপেনত অভিযান আৰম্ভ কৰিছিল। চতুৰ্থ ৰাউণ্ডত প্ৰৱেশ কৰে বাৰ্বোৰা আৰু ষ্টেফানেছো। এলিনা ছ'ভিট'লিনাক ৬-৩, ৬-২ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰি চতুৰ্থ ৰাউণ্ডত প্ৰৱেশ কৰে বাৰ্বোৰা। পৰবৰ্তী মেচত বৰ্বোৰা মুখামুখি হ'ব ষ্টেফানেছৰ। তৃতীয় ৰাউণ্ডৰ মেচত ষ্টেফানেছে ৬-৩, ৭-৫ ৰ পোনপটীয়া ব্যৱধানত জয়ী হয়।





## মধ্যভাগতে ফ্ৰেন্স অপেনৰ যাত্ৰা সামৰিলে ছুইজাৰলেণ্ডৰ ৰ'জাৰ ফেডেৰাৰে

**পেৰিছ, ৬ জুন ঃ** বিজয়ৰ পাছতো চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনত আধাতে যাত্ৰা সামৰিলে ৰ'জাৰ ফেডেৰাৰে। আঘাতৰ বাবে এই সিদ্ধান্ত লোৱাৰ কথা ব্যক্ত কৰিছে ফেডেৰাৰে। উল্লেখ্য যে পুৰুষৰ একক শাখাৰ চতুৰ্থ ৰাউণ্ডত প্ৰৱেশ কৰিছে ছুইজাৰলেণ্ডৰ ৰ'জাৰ ফেডেৰাৰ। তৃতীয় ৰাউণ্ডৰ মেচত ফেডেৰাৰ ৭-৬, ৬-৭, ৭-৬, ৭-৫ ৰ ব্যৱধানত জয়লাভ কৰে যদিও ক'ৰ্টত প্ৰায় তিনি ঘণ্টা ৩০ মিনিট সময় অতিবাহিত কৰি ভাগৰুৱা হৈ পৰে ফেডেৰাৰ। সেয়ে চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনৰ পৰবৰ্তী মেচত নেখেলাৰ কথা কৈছে ছুইজাৰলেণ্ডৰ তাৰকাগৰাকীয়ে। আজি আয়োজকে এই কথা আনুষ্ঠানিকভাবে অবগতও কৰিছে। কাৰ্যতঃ যোৱানিশাৰ মেচখনে হ'ব ফ্ৰেন্স অপেনৰ অন্তিম মেচ। কাৰণ ইতিমধ্যে অবসৰ লোৱাৰ কথা ব্যক্ত কৰিছে ফেডেৰাৰে। উল্লেখ্য যে ইয়াৰপূৰ্বৰ মেচত ৰ'জাৰ ফেডেৰাৰে ৬-২, ৬-৪, ৬-৩ ৰ ব্যৱধানত জয়ী হৈছিল।

## প্ৰথমবাৰৰ বাবে এখন দেশৰ পৰিৱৰ্তে ১১ খন চহৰত অনুষ্ঠিত হ'ব ইউৰো কাপৰ মেচ

**লণ্ডন, ৬ জুন ঃ** অহা ১১ জুনৰ পৰা আৰম্ভ হ'ব লগা ইউৰো কাপ ফুটবল প্ৰতিযোগিতা। এইবাৰ ইউৰো কাপ এখন দেশত হোৱাৰ পৰিবৰ্তে ইউৰোপৰ মুঠ ১১ খন মূখ্য চহৰত অনুষ্ঠিত হ'ব প্ৰতিযোগিতাৰ মেচ। কৰ'নাৰ বাবেই এয়া কৰা হৈছে। উল্লেখ্য যেপূৰ্ব নিৰ্ধাৰিত সূচী অনুসৰি যোৱা বছৰে অনুষ্ঠিত হ'ব লাগিছিল ইউৰো কাপ। কিন্তু কৰ'নাৰ প্ৰকোপৰ বাবে পিছুৱাই দিব লগা হয়। স্মৰ্তব্য যে ১৯৬০ ৰ পৰা আৰম্ভ হৈছিল ইউৰো কাপ ফুটবল প্ৰতিযোগিতা। প্ৰতি চাৰি বছৰৰ অন্তৰে অন্তৰে অনুষ্ঠিত হয় ইউৰোপৰ শ্ৰেষ্ঠ তথা মিনি বিশ্বকাপ খ্যাত ফুটবল প্ৰতিযোগিতাখন। কিন্তু কৰ'নাই প্ৰথমবাৰৰ বাবে এই




পৰম্পৰা ভংগ কৰি দিলে। যাৰবাবে এবছৰ পিছুৱাই এতিয়া অহা ১১ জুনৰ পৰা ১১ খন চহৰত অনুষ্ঠিত হ'ব ইউৰো কাপ ফুটবল প্ৰতিযোগিতা। মেচ অনুষ্ঠিত হ'ব লগা চহৰ কেইখন হ'ল ঃ লণ্ডন, ছেভিলা, গ্লাছগো, ক'পেনহেগেন, বুডাপেষ্ট, আমষ্টাৰদাম, ৰোম, মিউনিখ, বাকু, ছেইণ্ট পীটাৰ্ছবাৰ্গ আৰু বুখাৰেষ্ট। উল্লেখ্য যে ছেমিফাইনেল দুখন আৰু ফাইনেল মেচখন অনুষ্ঠিত হ'ব লণ্ডনত। ১১ জুনত আৰম্ভ হৈ ১১ জুলাইত সামৰণি পৰিব ইউৰো কাপ।

গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেন

# চতুৰ্থ ৰাউণ্ডত ৰাফেল নাডাল-ৰ'জাৰ ফেডেৰাৰ

**পেৰিছ, ৬ জুন ঃ** চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনৰ পুৰুষৰ একক শাখাৰ চতুৰ্থ ৰাউণ্ডত প্ৰৱেশ কৰিছে ক্লে-ক'ৰ্টৰ সম্ৰাট ৰাফেল নাডাল। আজি অনুষ্ঠিত হোৱা মেচত নাডালে ৬-৩, ৬-৩, ৬-৩ ৰ পোনপটীয়া ব্যৱধানত জয়ী হয়। উল্লেখ্য যে ইয়াৰপূৰ্বৰ মেচত নাডাল ৬-২, ৬-৩, ৭-৬ ৰ পোনপটীয়া ব্যৱধানত জয়ী হৈছিল। ইফালে, চতুৰ্থ ৰাউণ্ডত প্ৰৱেশ কৰিছে জাৰ্মানীৰ আলেজান্দ্ৰা জেৰভ, ন'ভাক ডক'ভিচ আৰু ৰ'জাৰ ফেডেৰাৰো। কিন্তু বিজয়ৰ পাছতো আঘাতৰ বাবে চলিত গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনত আধাতে যাত্ৰা সামৰিব ফেডেৰাৰে। উল্লেখ্য যে যোৱানিশা তৃতীয় ৰাউণ্ডৰ মেচত জেৰভে ৬-২, ৭-৫, ৬-২ ৰ পোনপটীয়া ব্যৱধানত জয়ী হয়। এতিয়া চতুৰ্থ ৰাউণ্ডৰ মেচত জেৰভ মুখামুখি হ'ব জাপানৰ পুৰুষ তাৰকা নিশ্বিকৰিৰ। উল্লেখ্য যে নিশ্বিকৰিয়ে একক শাখাৰ অন্তিম যোল্লত স্থান নিশ্চিত কৰিছে। উল্লেখ্য যে প্ৰতিদ্বন্দ্বীৰ আঘাতৰ বাবে তৃতীয় ৰাউণ্ডৰ মেচত



ৱাকঅভাৰ লাভ কৰি প্ৰি-কোৱাৰ্টাৰত প্ৰৱেশ কৰে নিশ্চিকৰি। উল্লেখ্য যে দ্বিতীয় ৰাউণ্ডৰ মেচত জেৰভ ৭-৬, ৬-৩, ৭-৬ ৰ পোনপটীয়া ব্যৱধানত জয়লাভ কৰিছিল। আনহাতে, জেৰভে প্ৰথম ৰাউণ্ডৰ মেচত ৩-৬, ৩-৬, ৬-২, ৬-২, ৬-০ ব্যৱধানত জয়ী হৈ দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছিল। ইফালে, ন'ভাক ডক'ভিচে ৬-১, ৬-৪, ৬-১ ৰ পোনপটীয়া ব্যৱধানত জয়ী হয়। ইয়াৰপূৰ্বৰ মেচত ন'ভাক ডক'ভিচ ৬-২, ৬-৪, ৬-২ ৰ পোনপটীয়া ব্যৱধানত জয়লাভ কৰিছিল।

## আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচৰ পূৰ্বে ভাৰতৰ অনুশীলন






**লণ্ডন, ৬ জুন ঃ** প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচত অংশ লোৱাৰ বাবে ইতিমধ্যে লণ্ডনত উপস্থিত হৈছে ভাৰতীয় ক্ৰিকেট দল। যোৱা দুই জুনত ৰাওনা হোৱা ভাৰতীয় দলে তিনি দিন হোটেলত বন্দি থকাৰ পাছত এতিয়া এককভাবে অনুশীলন কৰাৰ সুযোগ লাভ কৰিছে। আজি ভাৰতীয় ক্ৰিকেট দলৰ দুই সদস্য চেতেশ্বৰ পূজাৰা আৰু ৰবীন্দ্ৰ জাডেজাই ছাউথহাম্পটনত অনুশীলন কৰে। উল্লেখ্য যে ইংলণ্ডলৈ গৈছে ভাৰতৰ ২০ জনীয়া দল। বিৰাট কোহলিৰ নেতৃত্বত যোৱা দলৰ সদস্যসকল হ'ল ঃ ৰোহিত শৰ্মা, শুভমন গিল, মায়ংক আগৰৱাল, চেতেশ্বৰ পূজাৰা, অজিংক্য ৰাহানে (সহঃ অধিনায়ক), হনুমা বিহাৰী, ঋষভ পণ্ট (উইকেট ৰক্ষক), ৰবিচন্দ্ৰন অশ্বিন, ৰবীন্দ্ৰ জাডেজা, অক্ষৰ পেটেল, ৱাশ্বিংটন সুন্দৰ, যশপ্ৰীত বুমৰাহ, ঈশান্ত শৰ্মা, মহম্মদ ছামি, মহম্মদ ছিৰাজ, শ্বাৰ্দুল ঠাকুৰ, উমেশ যাদব, লোকেছ ৰাহুল, আৰু ঋদ্ধিমান সাহা। উল্লেখ্য যে ২০ জনীয়া দলে ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলা আৰু প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচত অংশ ল'ব। প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত ভাৰত মুখামুখি হ'ব নিউজিলেণ্ডৰ। অহা ১৮ জুনত অনুষ্ঠিত হ'ব প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখন। তাৰপাছত আৰম্ভ হ'ব ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলা। অহা চাৰি আগষ্ট ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলাৰ প্ৰথম মেচ খেলিব টীম ইণ্ডিয়াই। আনহাতে শৃংখলা সামৰণি পৰিব ১৪ ছেপ্টেম্বৰত।

ছ'নী টেন-ছ'নী ছিক্সত ইউৰো কাপৰ মেচ

## ভাৰতীয় সময় হ'ল নিশা ৬.৩০, ৯.৩০, ১২.৩০ বজাত

**নতুন দিল্লী, ৬ জুন ঃ** ভাৰতীয় ক্ৰিকেট দলে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল খেলাৰ বাবে ইতিমধ্যে ইংলণ্ডত উপস্থিত হৈছে। অহা ১৮ জনত নিউজিলেণ্ডৰ বিৰুদ্ধে টীম ইণ্ডিয়াই প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল খেলিব। ক্ৰিকেট বলীয়া ভাৰতীয়ই স্বাভাৱিকতে পাঁচদিন বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল ঘৰত বহি টিভিৰ পৰ্দাত উপভোগ কৰিব। কিন্তু ১১ জুনৰ পৰা আৰম্ভ হ'বলগা ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ খেলো উপভোগ কৰাৰ বাবে সাজু হৈছে ভাৰতীয় ক্ৰীড়াপ্ৰেমী। ইউৰোপৰ ফুটবল লীগৰ ৰোমাঞ্চ মাজনিশা উজাগৰে থাকি উপভোগ কৰে উত্তৰ-পূৱ, বংগ, কেৰালা, গোৱাৰ ফুটবলপ্ৰেমীয়ে। ফিফা বিশ্বকাপৰ সময়তো টি আৰ পিৰ ক্ষেত্ৰত ভাৰত আগবাঢ়ি থাকে। আসন্ন ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ মেচ ভাৰতীয় ক্ৰীড়াপ্ৰেমীয়ে ছ'নী টেন আৰু ছ'নী ছিক্সত উপভোগ কৰিব পাৰিব। উল্লেখ্য যে ইউৰো কাপ ফুটবলৰ গ্ৰুপ পৰ্যায়ৰ লীগ মেচ প্ৰতিদিনে তিনিখনকৈ অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি নিশা ৬.৩০ বজাত, নিশা ৯.৩০ বজাত আৰু নিশা ১২.৩০ বজাত মেচ অনুষ্ঠিত হ'ব। টিভিৰ লগতে ৱেবছাইড আৰু মোবাইলত হটষ্টাৰত ইউৰো কাপ ফুটবলৰ মেচ উপভোগ কৰিব পাৰিব ভাৰতীয় নাগৰিকে।

দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম টেষ্ট

## ইংলেণ্ডৰ সন্মুখত ২৭৩ ৰানৰ বিজয় লক্ষ্য দিলে নিউজিলেণ্ডে

**লণ্ডন, ৬ জুন ঃ** নিউজিলেণ্ডে ইংলেণ্ডৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম টেষ্টত ঘৰুৱা দলৰ সন্মুখত ২৭৩ ৰানৰ বিজয় লক্ষ্য ৰাখিছে। উল্লেখ্য যে টেষ্টখনত নিউজিলেণ্ডে প্ৰথম ইনিংছত ১০৩ ৰানৰ অগ্ৰগতি লাভ কৰিছিল। নিউজিলেণ্ডৰ ৩৭৮ ৰানৰ প্ৰত্যুত্তৰত চতুৰ্থদিনা চাহ বিৰতিৰ পূৰ্বে ২৭৫ ৰানত প্ৰথম ইনিংছ সামৰে ইংলেণ্ডে। ইংলেণ্ডৰ হৈ অপেনাৰ বাৰ্ণছে শতক অৰ্জন কৰি ১৩২ ৰাণত অন্তিম বেটছমেনৰূপে আউট হয়। আনহাতে, জ' ৰুট আৰু ৰবিনছনে ৪২ ৰানকৈ কৰে। নিউজিলেণ্ডৰ হৈ ছাউথীয়ে ছটা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত ১০৩ ৰানৰ অগ্ৰগতি লাভ কৰি দ্বিতীয় ইনিংছ আৰম্ভ কৰা নিউজিলেণ্ডে আজি ভোজন বিৰতিৰ পাছতে ছয় উইকেটত ১৬৯ ৰান কৰি দ্বিতীয় ইনিংছ ঘোষণা কৰে আৰু ইংলেণ্ডৰ সন্মুখত ২৭৩ ৰানৰ বিজয় লক্ষ্য দিয়ে। ইয়াৰ পূৰ্বে নিউজিলেণ্ডে প্ৰথম ইনিংছত ৩৭৮ ৰান কৰিছিল। উল্লেখ্য যে কিবি বাহিনীৰ হৈ দ্বিশতক অৰ্জন কৰে অপেনাৰ ক'নৱে (২০০)। আনহাতে, নিকলছে ৬১ ৰান কৰে। উভয় বেটছমেনৰ বাদে বাকীসকলে বিশেষ অৱদান আগবঢ়াব নোৱাৰিলে। ইংলণ্ডৰ ৰবিনছনে চাৰিটা, মাৰ্ক উডে তিনিটা আৰু এণ্ডাৰছনে দুটা উইকেট পায়। উল্লেখ্য যে নিউজিলেণ্ডে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলৰ পূৰ্বে ইংলেণ্ডৰ বিৰুদ্ধে এটা দুখনীয়া টেষ্ট শৃংখলাত অংশ লৈছে।



# টিহুত মহিলা সঞ্চয় আৰু আত্মসহায়ক গোটৰ পৰা কেইবালাখ টকা ঋণ লৈ নিৰুদ্দেশ হোৱা দম্পতীক জে'ললৈ

**দৈনন্দিন বাৰ্তাৰ সেৱা, টিহু, ৬ জুন ঃ** টিহুৰ বহুকেইটা মহিলা সঞ্চয় আৰু আত্মসহায়ক গোটৰ পৰা কেইবালাখ টকা ঋণ হিচাপে লৈ পৰৱৰ্তী সময়ত আত্মগোপন কৰি বিগত এবছৰে পলাই থকা এক প্ৰৱঞ্চক দম্পতী ৰঙাঘৰৰ আলহী হ'বলগীয়া হৈছে। উল্লেখযোগ্য যে টিহুৰ ভালেসংখ্যক মহিলা সঞ্চয় গোটৰ পৰা কেইবালাখ টকা ঋণ হিচাপে লৈ অন্তৰ্ধান হৈ থকা এক প্ৰৱঞ্চক দম্পতীক কালি টিহু থানাৰ আৰক্ষীয়ে দৰং জিলাৰ দ গাঁৱত আটক কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য মতে, বৰপেটা জিলাৰ টিহুৰ ওচৰৰ কোচদিগা গাঁৱৰ কিশোৰ ডেকা (৪২) আৰু তেওঁৰ পত্নী নন্দিতা ডেকা(৩২)ই টিহু নগৰৰ ৪ নম্বৰ ৱাৰ্ডৰ এগৰাকী লোকৰ ঘৰত দহ বছৰৰো অধিক কাল ভাড়াতীয়া হিচাপে বাস কৰি আছিল । সেই সূত্ৰে নন্দিতা ডেকা নামৰ মহিলাগৰাকীয়ে টিহুৰ মহিলা সমাজত চা-চিনাকি হৈ সকলোৰে লগত এটা সু-সম্পৰ্ক গঢ়ি তুলিছিল। প্ৰথমতে ঘৰুৱা বিভিন্ন বিপদ আৰু সমস্যাৰ বিষয়ে কৈ টিহুৰ সোণালী তালুকদাৰ নামৰ মহিলা এগৰাকীৰ পৰা বিভিন্ন সময়ত বহু টকা ধাৰ হিচাপে লৈছিল । পৰৱৰ্তী পৰ্যায়ত এই মহিলাগৰাকীয়ে টিহু অঞ্চলৰ ভনিতা তালুকদাৰ, প্ৰণীতা বণিয়া, ফুলমনি মেধি, অণু মেধি, বন্তি ডেকা, দীপালী ভাগৱতী প্ৰমুখ্যে বহু মহিলাৰ পৰা পৰাও বহু পৰিমাণৰ টকা ধাৰলৈ লৈছিল । টিহু নগৰৰ বিভিন্ন মহিলা সঞ্চয় গোট আৰু আত্মসহায়ক গোটৰ পৰাও অতি কৌশলেৰে সময়ে সময়ে ঋণ লৈছিল । ভাড়া গাড়ী চলাই জীৱন-নিৰ্বাহ কৰা কিশোৰ ডেকাই পৰৱৰ্তী সময়ত তেওঁ ঋণৰ বোজাত পোত গৈ গোটসমূহৰ ঋণ পৰিশোধ কৰিব নোৱাৰি টিহু নগৰৰ পৰা পত্নীসহ অজ্ঞাত স্থানত আত্মগোপন কৰে । অভিযোগ মতে, টিহুৰ বিভিন্ন মহিলা সঞ্চয় গোট, আত্মসহায়ক গোটৰ পৰা কিশোৰ ডেকা আৰু তেওঁৰ পত্নীয়ে কেইবা লাখ টকা লৈ নিৰুদ্দেশ হয় । তেনে পৰিস্থিতিত সঞ্চয় গোট আৰু আত্মসহায়ক গোটৰ মহিলাসকলৰ মাজত হাহাকাৰৰ সৃষ্টি হয় । দিন গৈ থাকে মানে মহিলা গোটসমূহত নিয়মীয়াকৈ সঞ্চয় কৰি অহা মহিলাসকলে বহু টকাৰ লোকচানৰ সন্মুখীন হয় । কিশোৰ ডেকা আৰু তেওঁৰ পত্নীৰ এনে কাৰ্যত উপায়হীন হৈ একাংশ মহিলা গোটৰ ফালৰ পৰা যোৱা বছৰৰ ২০জুনত টিহু আৰক্ষী থানাত এক এজাহাৰ দাখিল কৰা হয়। উক্ত এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে ৭৭/২০ নম্বৰত এক গোচৰ ৰুজু কৰি ঘটনাৰ সন্দৰ্ভত তদন্ত আৰম্ভ কৰে যদিও কিশোৰ ডেকা আৰু তেওঁৰ পত্নীয়ে আৰক্ষীৰ চকুত ধূলি মাৰি পলাই থাকিবলৈ সক্ষম হয়। অৱশেষত টিহু আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰত্নকান্ত শৰ্মাই তদন্ত আগবঢ়াই এক গোপন সূত্ৰৰ পম খেদি বিগত এবছৰৰ মূৰত কালি দৰং জিলাৰ দলগাঁৱত এটি ভাড়াঘৰৰ পৰা কিশোৰ ডেকা আৰু তেওঁৰ পত্নীক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে তেওঁলোকক আজি টিহুৰ ন্যায়িক আদালতত হাজিৰ কৰোৱাত আদালতে তেওঁলোকক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে।



## হোজাইৰ ফুলতলী কাণ্ডৰ বুজ ল'লে হোজাইৰ বিধায়কে

# ভয়-শংকাত কাম কৰিবলগীয়া হৈছে চিকিৎসা কৰ্মীসকলে

**দৈনন্দিন বাৰ্তাৰ সেৱা, হোজাই, ৬ জুন ঃ** হোজাই জিলাৰ ফুলতলী অঞ্চলৰ উদালী আদৰ্শ চিকিৎসালয়ত এজন ক'ভিড ৰোগীৰ মৃত্যু হোৱাৰ পাছত এদল উন্মত্ত মানুহে চিকিৎসালয়খনৰ ক্ষতিসাধন কৰাৰ লগতে অমানৱীয়ভাৱে চিকিৎসক আৰু স্বাস্থ্য কৰ্মীক অতি বৰ্বৰভাৱে আক্ৰমণ চলাইছিল। তাৰ পিছৰ পৰিস্থিতিৰ বুজ ল'বলৈ আজি হোজাইৰ বিধায়ক ৰামকৃষ্ণ ঘোষ চিকিৎসালয়খনত উপস্থিত হয়। হোজাই জিলাৰ বিজেপি সভাপতি অনুপ দেৱ, হোজাই জিলা পৰিষদৰ সভানেত্ৰী ৰমাবালা দেৱী আৰু দলৰ অনান্য পদাধিকাৰীসকলক লগত লৈ ঘটনাস্থলী পৰিদৰ্শন কৰে। বিধায়কে চিকিৎসালয়খনৰ বিভিন্ন সা-সুবিধা আৰু অভাৱ-অভিযোগ সন্দৰ্ভত আলোচনা কৰাৰ লগতে বৰ্তমান পৰিস্থিতিৰ বুজ লয়। চিকিৎসালয়খনৰ চিকিৎসক আৰু স্বাস্থ্য কৰ্মীসকলৰ লগত আলোচনাৰ সময়ত চিকিৎসক, নাৰ্ছ আৰু স্বাস্থ্য কৰ্মীসকলে সেই দিনৰ ঘটনা তেওঁলোকৰ চকুৰ আগত এতিয়ালৈ ভাঁহি থকাৰ লগতে তেওঁলোকে এতিয়ালৈ কোন সময়ত কি ঘটনা ঘটে সেই ভয়তে থাকি কাম কৰিবলগীয়া হৈছে বুলি মন্তব্য কৰে বিধায়কজনৰ ওচৰত। ঘটনাৰ সন্দৰ্ভত হোজাইৰ বিধায়ক তথা বি জে পিৰ ৰাজ্যিক প্ৰবক্তা ৰামকৃষ্ণ ঘোষে স্থানীয় লোকৰ লগতো মত বিনিময় কৰে। চিকিৎসালয়খনৰ সকলো দিশ, চিকিৎসক আৰু চিকিৎসাকৰ্মীসকলৰ ওপৰত আৰু কোনো ধৰণৰ অন্যায় কাম কোনোৱে যাতে কৰিব নোৱাৰে তাৰ ওপৰত চোকা নজৰ ৰখাৰ লগতে চিকিৎসকসকলক সহায়-সহযোগিতা কৰাৰ বাবে আহ্বান জনায়।

# মাইক্ৰ'ফাইনেঞ্চৰ ঋণ ৰেহাই বিচাৰি প্ৰতিবাদী কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, হোজাই, ৬ জুন ঃ** হোজাইৰ ৰাজবাৰী গাঁও পঞ্চায়তৰ মহিলাসকলে মাইক্ৰ'ফাইনেঞ্চৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিলে। হোজাইৰ ৰাজবাৰী খেলপথাৰত প্ৰায় দুই শতাধিক মহিলাই হাতে হাতে বেনাৰ-পোষ্টাৰ আদি লৈ মাইক্ৰ'ফাইনেঞ্চৰ ঋণ মাফ কৰি দিয়াৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰে। বিজেপি দলে ৰাজ্যত শাসনৰ গাদীত দ্বিতীয়বাৰৰ বাবে বহিল ঠিকেই, দলে নিৰ্বাচনী সভাত দিয়া বিভিন্ন প্ৰতিশ্ৰুতিবোৰৰ ভিতৰত মাইক্ৰ'ফাইনেঞ্চৰ ঋণ ৰেহাই কৰাও অন্যতম আছিল। চৰকাৰেও ঋণ মাফ কৰি দিয়াৰ অংগীকাৰ ব্যক্ত কৰিছে যদিও এতিয়ালৈকে কাৰ্যকৰী হোৱা নাই। তাৰ প্ৰতিবাদত মহিলাসকল ওলাই আহিল প্ৰতিবাদত, মহিলাসকলে মন্তব্য দিয়া অনুসৰি কোম্পানীৰ লোকসকলেও ঋণ বিচাৰি গোটসমূহত আহিয়েই আছে, নিদিয়াসকলৰ ঘৰে ঘৰে টকা বিচাৰি হাৰাশাস্তি কৰাৰো অভিযোগ তুলিছে। ইয়াৰ প্ৰতিবাদস্বৰূপে হোজাইৰ ৰাজবাৰী খেলপথাৰত প্ৰায় দুই শতাধিক মহিলাই শীঘ্ৰে মাইক্ৰ'ফাইনেঞ্চৰ ঋণ মাফ কৰি দিয়াৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰে।

### পাঠশালাত প্ৰয়াত শিক্ষাবিদ সম্পূৰ্ণানন্দ তালুকদাৰৰ বাসগৃহত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস

# তৎকালীনভাৱে জুনিয়ৰ এছিষ্টেণ্ট, জুনিয়ৰ ইঞ্জিনীয়াৰ পদত নিযুক্তিৰ সিদ্ধান্ত

## মুখ্যমন্ত্ৰীৰ পৰামৰ্শ অনুযায়ী সকলো বিভাগৰ নিযুক্তি এটা পৰীক্ষাৰ দ্বাৰাই সম্পাদন কৰা হ'ব




**দৈনন্দিন বাৰ্তাৰ সেৱা, পাঠশালা, ৬ জুন ঃ** দেওবাৰে পাঠশালাত উপস্থিত হ'ল কেবিনেট মন্ত্ৰী ৰণ্জিত কুমাৰ দাস। শনিবাৰে বিয়োগ ঘটা পাঠশালাৰ এগৰাকী বিশিষ্ট সমাজকৰ্মী শিক্ষাবিদৰূপে পৰিচিত সম্পূৰ্ণানন্দ তালুকদাৰৰ বাসগৃহত উপস্থিত হয় মন্ত্ৰীগৰাকী। সম্পূৰ্ণানন্দ তালুকদাৰৰ পৰিয়ালক সাক্ষাৎ কৰাৰ পূৰ্বে মৃতকৰ প্ৰতিচ্ছবিত পুষ্পাঞ্জলিৰে শ্ৰদ্ধা নিবেদন কৰে মন্ত্ৰী ৰণ্জিত কুমাৰ দাসে। মুখ্যমন্ত্ৰীৰ আহ্বানত এখন চৰকাৰী সভা পিছুৱাই ৰণ্জিত দাস পাঠশালাত উপস্থিত হয় আৰু শিক্ষাবিদগৰাকীৰ দেহাৱসানত শোক প্ৰকাশ কৰি অসমৰ সমাজজীৱনত এজন উল্লেখযোগ্য ব্যক্তিক হেৰুৱালে বুলি মত পোষণ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। আনহাতে সাংবাদিকৰে বাৰ্তালাপত মন্ত্ৰীগৰাকীয়ে অসমত হ'ব লগা এক লাখ চাকৰিৰ নিযুক্তিৰ সন্দৰ্ভত কেতবোৰ গুৰুত্বপূৰ্ণ মন্তব্য প্ৰকাশ কৰে। তেওঁ কয় যে নিযুক্তিৰ ক্ষেত্ৰত অসমৰ প্ৰত্যেকটো বিভাগে পৃথকে পৃথকে বিজ্ঞাপন প্ৰকাশ কৰে। এই পৃথকে বিজ্ঞাপন প্ৰকাশ কৰাৰ ফলত একেখিনি ল'ৰা-ছোৱালীয়ে পৰীক্ষা দিবৰ বাবে দৌৰা-দৌৰি কৰি ভাগৰি পৰিব লগা হয়। আকৌ সময়ৰ অভাৱৰ বাবে কিছুমান পৰীক্ষাৰ্থীয়ে পৰীক্ষাত বহিব নোৱৰা অৱস্থাৰো সৃষ্টি হয়। যাৰ বাবে মেধাসম্পন্ন পৰীক্ষাৰ্থীয়ে বঞ্চিত হ'ব লগা হয় আৰু নিযুক্তিৰ ক্ষেত্ৰতো যথেষ্ট খেলিমেলিৰ সৃষ্টি হয়। সেইবাবে এই প্ৰক্ৰিয়াটো বন্ধ কৰি অন্য সকলো বিভাগৰ নিযুক্তি মুখ্যমন্ত্ৰীৰ পৰামৰ্শ অনুযায়ী এতিয়াৰে পৰা এটা পৰীক্ষাৰ দ্বাৰাই সম্পাদন কৰা হ'ব বুলি মন্ত্ৰী ৰণজিত দাসে জানিবলৈ দিয়ে। অতি শীঘ্ৰে সকলো বিভাগৰ পৰীক্ষা এটি কম্বাইন পৰীক্ষাৰ দ্বাৰা সম্পন্ন কৰা হ'ব বুলি জানিবলৈ দিয়ে। আনহাতে বৰ্তমান অতি সোনকালে জলজীৱন আঁচনিৰ জৰিয়তে প্ৰতিটো গ্ৰাম্য অঞ্চলৰ মানুহৰ ঘৰত নলীৰে বিশুদ্ধ খোৱাপানী যোগান ধৰা হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ তত্ত্বাৱধানত এই আঁচনি শীঘ্ৰে ৰূপায়ণ কৰা হ'ব ।ইয়াৰ বাবে কম্বাইন পৰীক্ষাৰ সলনি পৃথকে অনুষ্ঠিত পৰীক্ষা কৰা হ'ব। আনহাতে জলজীৱন মিছনত ১১১টা জুনিয়ৰ এছিষ্টেণ্টৰ পদত নিযুক্তি দিয়াৰ উপৰি জনস্বাস্থ্য কাৰিকৰী বিভাগত ১৭১টা জুনিয়ৰ ইঞ্জিনীয়াৰ আৰু এছিষ্টেণ্ট ইঞ্জিনীয়াৰ নিযুক্তি দিয়া হ'ব বুলি মন্তব্য প্ৰকাশ কৰে।

### বৰ্হমপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীৰ প্ৰশংসনীয় পদক্ষেপ

# দৰিদ্ৰ পৰিয়ালক মাস্ক, ছেনিটাইজাৰ বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৬ জুন ঃ** বঢ়মপুৰ সমষ্টিৰ বিজেপি বিধায়ক জিতু গোস্বামীয়ে কৰ'নাকালীন পৰিস্থিতিত ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। ক'ভিড সংক্ৰমণ প্ৰতিৰোধৰ অন্যতম আহিলা হৈছে মাস্ক আৰু ছেনিটাইজাৰ। বিধায়কগৰাকীয়ে সমষ্টিটোৰ অন্তৰ্গত প্ৰতিটো পঞ্চায়তৰ দৰিদ্ৰ লোকসকলক মাস্ক আৰু ছেনিটাইজাৰ দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে। আজি সমষ্টিটোৰ অন্তৰ্গত বঢ়মপুৰ গাঁও পঞ্চায়ত আৰু তেঁতেলীসৰা গাঁও পঞ্চায়তত মাস্ক আৰু ছেনিটাইজাৰ বিতৰণৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। বিজেপি দলৰ কাৰ্যকৰ্তা আৰু স্থানীয় লোকৰ সহযোগত পঞ্চায়ত দুখনৰ দৰিদ্ৰ ৰাইজৰ মাজত মাস্ক আৰু ছেনিটাইজাৰ বিতৰণ কৰে। এই সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত বিধায়ক জিতু গোস্বামীয়ে কয়— 'ক'ভিডৰ দ্বিতীয় লহৰে সমগ্ৰ ৰাজ্যখনতে এক ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি কৰিছে। বৰ্ত্তমানৰ ৰাজ্য চৰকাৰে ক'ভিডৰ সংক্ৰমণ ৰোধ কৰিবৰ বাবে সম্ভৱপৰ সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। এই সময়ছোৱাত আমি প্ৰত্যেকজন নাগৰিকে চৰকাৰৰ এছ অ' পি মানি চলিব লাগিব। তেতিয়াহে আমি ক'ভিড যুদ্ধত জয়ী হ'ব পাৰিম।' তেওঁ লগতে কয়— 'ক'ভিডৰ সংক্ৰমণ ৰোধৰ বাবে বঢ়মপুৰ সমষ্টিৰ ৰাইজক কিঞ্চিত সহায় কৰাৰ বাবে মই চেষ্টা চলাইছোঁ। সেই লক্ষ্যৰে সমষ্টিটোৰ অন্তৰ্গত প্ৰতিটো পঞ্চায়তৰ দৰিদ্ৰ লোকসকলক এন-৯৫ মাস্ক আৰু ছেনিটাইজাৰ বিতৰণ কৰিছোঁ।' এইক্ষেত্ৰত তেওঁ ৰাইজৰ সহযোগিতা কামনা কৰিছে। বঢ়মপুৰ সমষ্টিত ২৪ খন গাঁও পঞ্চায়ত আছে। এই কাৰ্যসূচীত জ্যেষ্ঠ বিজেপি কাৰ্যকৰ্তা জয়ন্ত বৰা আৰু বঢ়মপুৰ, কঠীয়াতলী উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া দুগৰাকী উপস্থিত থাকে।



# জটিল ৰোগত আক্ৰান্ত নগাঁৱৰ মেধাৱী ছাত্ৰী প্ৰিয়ংকা

## চৰকাৰ-ৰাইজলৈ সহায়ৰ আহ্বান পিতৃ-মাতৃৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ৬ জুন ঃ** নগাঁও জিলাৰ কঠীয়াতলীৰ পশ্চিম গৰুবন্ধাৰ এগৰাকী মৰমলগা কিশোৰী। মনত তাইৰ দুৰ্বাৰ হেঁপাহ। সপোন তাইৰ বাণিজ্য শাখাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ নিজকে সংস্থাপিত কৰা। কিন্তু সপোনবোৰ বাস্তৱ কৰিবলৈ তাই যেন থমকি ৰ'বলগীয়া হৈছে। কাৰণ, নগাঁও মহাবিদ্যালয়ৰ বাণিজ্য শাখাত অধ্যয়নৰত কঠীয়াতলী পশ্চিম গৰুবন্ধাৰ প্ৰিয়ংকা বণিয়া নামৰ এই মেধাৱী ছাত্ৰীগৰাকী আক্ৰান্ত হৈছে হাওঁফাওঁৰ জটিল ৰোগত। চেন্নাইৰ এপ'ল হাস্পতালত পিতৃ সদানন্দ বণিয়া আৰু মাতৃজ্যোতি বণিয়াই এটা বছৰে প্ৰিয়ংকাক চিকিৎসা কৰাই আছে যদিও কোনো সুফল নোপোৱাত দিক্‌বিদিক হেৰুৱাই পেলাইছে প্ৰিয়ংকাৰ লগতে পৰিয়ালটোৱে । সেয়েহে ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক মামা সম্বোধন কৰি প্ৰিয়ংকাৰ কাতৰ অনুৰোধ, মামাই তাইক যেন সুস্থ কৰি তোলে। চেন্নাইৰ এপ'ল হাস্পতালৰ চিকিৎসকে প্ৰিয়ংকাক সম্পূৰ্ণ সুস্থ কৰি তুলিবলৈ ন লক্ষাধিক টকাৰ প্ৰয়োজন হ'ব বুলি জনোৱাত মূৰত যেন সৰগ ভাঙি পৰিছে দুৰ্ভগীয়া পিতৃ-মাতৃৰ । সেয়েহে অসমৰ মুখ্যমন্ত্ৰী, স্বাস্থ্যমন্ত্ৰী তথা হৃদয়ৱান লোকলৈ প্ৰিয়ংকাৰ পিতৃ-মাতৃৰ কাতৰ অনুৰোধ, তাইৰ সপোনবোৰ বাস্তৱ কৰিবলৈ এধানি যেন সহায়ৰ হাত আগবঢ়ায়। প্ৰিয়ংকাৰ সপোনবোৰ বাস্তৱ কৰাবলৈ কোনো হৃদয়বান লোকে যদি সহায় কৰিব বিচাৰে তেন্তে এছ বি আইৰ নগাঁও জিলাৰ হয়বৰগাঁও শাখাৰ একাউণ্ট নং-৩৭০১৬৪১৩৬৩৩ আইএফএছচিক'ড SBIN ০০০৫৯১৪ ত আৰ্থিক সাহায্য আগবঢ়াব পাৰে নাইবা ৯৬৭৮১৫৫১২৫ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে পিতৃ-মাতৃয়ে।


# শ্ৰীৰামপুৰত কণ্টেইনাৰৰ পৰা বৃহৎ পৰিমাণৰ অৰুণাচলী সুৰা জব্দ ঃ চালকক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ৬ জুন ঃ** ৰাজ্যৰ বিভিন্ন জিলাত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান তীব্ৰ কৰি তোলাৰ সময়তে কোকৰাঝাৰ জিলাৰ গোঁসাইগাঁও মহকুমাৰ অন্তৰ্গত অসম-পশ্চিমবংগৰ সীমান্তৱৰ্ত্তী শ্ৰীৰামপুৰত যোৱা নিশা প্ৰায় এঘাৰ বজাত ৩১ নং (গ)ৰাষ্ট্ৰীয় ঘাইপথত শিমূলটাপু আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া প'ল লাহলিমছাঙৰ নেতৃত্বত আৰক্ষীৰ এটি দলে গোপন খবৰৰ ভিত্তিত তালাচী অভিযান চলাই তেজপুৰৰ পৰা উত্তৰ প্ৰদেশৰ গোৰক্ষপুৰ অভিমুখে গৈ থকা এখন কণ্টেইনাৰৰ পৰা বৃহৎ পৰিমাণৰ অৰুণাচলী সুৰা জব্দ কৰে। MH 46 E 4754 নম্বৰৰ কণ্টেইনাৰখনৰ মাজত লুকুৱাই লৈ অনা ১৮৫ টা কাৰ্টনত সৰ্বমুঠ ৬০৪৮বটল বৃহৎ পৰিমাণৰ অৰুণাচলী সুৰা আৰক্ষীয়ে জব্দ কৰে। জব্দ কৰা অৰুণাচলী সুৰাখিনিৰ আনুমানিক বজাৰ মূল্য প্ৰায় পোন্ধৰ লাখ টকা হ'ব বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। কণ্টেইনাৰখনৰ চালক যোগৰাজ সিঙৰ ঘৰ স্বৰূপ নগৰ সাৰদানন্দ ক'লনী, দিল্লীত বুলি আৰক্ষীৰ জেৰাত স্বীকাৰ কৰিছে। চালকক গ্ৰেপ্তাৰ কৰি অধিক তথ্যৰ বাবে আৰক্ষীৰ জেৰা অব্যাহত ৰাখিছে।

# অৰুণোদয় আঁচনিৰ খেলি-মেলিৰ বুজ ল'লে বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে



**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ৬ জুন ঃ** ধুবুৰীৰ তামাৰহাটত বিটিআৰ প্ৰধান প্ৰমোদ বড়ো । অৰুণোদয় আঁচনিৰ খেলি-মেলিৰ সমাধানৰ বাবে হাতীধুৰা উন্নয়ন খণ্ডত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। উল্লেখ্য যে কামানডাঙ্গা, ছোটোগুমা, তামাৰহাট আৰু ডিঙিডিঙা গাঁও পঞ্চায়তকেইখন ধুবুৰী জিলাৰ হাতীধুৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত হ'লেও বিধানসভা হিচাপত কোকৰাঝাৰ জিলাৰ ২৮ নং গোসাঁইগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত। সেয়েহে গাঁও পঞ্চায়তকেইখনত অৰুণোদয়ৰ অনুমোদন দিছিল কোকৰাঝাৰ জিলাৰ পৰা। গাঁও পঞ্চায়তকেইখন বিটিআৰৰ বহিৰ্ভূত হোৱাৰ বাবে বিটিআৰে বৈষম্যমূলকভাৱে প্ৰায় সত্তৰ হাজাৰ জনসংখ্যাৰ বিপৰীতে মাত্ৰ পাঁচশজনৰ বাবেহে আঁচনি অনুমোদন দিয়াৰ অভিযোগ আনিছিল স্থানীয় লোকে । তাৰে ভিত্তিত আজি হাতীধুৰা উন্নয়ন খণ্ডত উপস্থিত হৈ পঞ্চায়ত প্ৰতিনিধিসকলৰ লগত এই সন্দৰ্ভত আলোচনাত মিলিত হৈ অৰুণোদয় আঁচনিৰ খেলি-মেলি দূৰ কৰাৰ বাবে আশ্বাস দিয়ে বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে । লগতে ৩ নং শ্ৰীৰামপুৰৰ এম চি এল এ সজল কুমাৰ সিংহকে ধৰি কেইবাগৰাকীও নেতা উপস্থিত থাকে।



CHIMNEYS WITH APPS I R.O. WATER PURIFIER I HOBS I GAS STOVE I OTHER KITCHEN APPLIANCES

Abhayapuri-94350-22784 I Agartala-98560-93668 I Baihata chariali-94351-42568/98641-40488 I Bangaigaon-7002184811, 9435547654,9435121367 I Barpeta road-94350-17865 99541-41975 I Barpeta town -94350-25127 I Bhawanipur-7002206773 I Bandardewa-98649-84753 I Bijoynagar -99570-98392/94010-01157/94353-40662 I Boko-94010-02588 I Chaygaon-9435014549 I Dadara -98546-98027 I Dhupdhara-96785-16189 I Dhamaji-99546-51322 I Dhubri-94350-29279 I Diphu-94350-66701/94350-66643 I Dudhnoi-94357-21505/94351-28048 I Goalpara-70023-10904/88762-23858 I Golaghat-96132-30384 I Guwahati -94355-59057/97065-94950 I Hajo-94353-47024/88763-09327 I Hojai-94357-29521/84028-59256 I Jorhat - 94350-53934/98541-06776 I Kharupitia -98541-44223 I Kokrajar-97070-29429/99548-88721/94354-81234 I Karimgunj-97061-39061 I Krishnai-88224-15337 I Lumding -94351-63327/97066-14137 I Mangaldoi -94350-87284/94351-86435/97065-39174/73994-79163 I Mirza-98540-71983/99572-81858 I Morigaon -94350-64986/80111-17171 I North lakhimpur-88224-21077 I Nagaon-97061-79408/94355-18665 I Nalbari -98644-14515/98540-30209 I Pathsala-80110-06658 I Dhekiajuli-98548-29934 I Dibrugarh-98548-11265 I Rangia -94351-05888/96782-26563 I Silchar -97061-39061/70054-86129 I Silapathar-70028-94393 I Shillong-90869-66640 I Suwalkuchi -98643-54859 I Tinsukia-94350-35156/94350-35511/94350-36463 I Tezpur-97060-73481 I Tihu-97068-53124 I Udalguri-97063-46492

Trade enq. 9435146909/9435559057/9435559056 www.capsindia.in Toll Free: 1800 103 4646

শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ নৰেন হাজৰিকা

■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি